জাতিৰ সেৱাত উৎসৰ্গিত ৬২ বছৰ

ND24 newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত


দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

https://dainikasam.in

RN-11989/65 । ৬২ বছৰ । ৮৯ সংখ্যা, ১৭ কাতি, বুধবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 62 NO. 89। GUWAHATI, WEDNESDAY, NOVEMBER 4, 2026 । পৃষ্ঠা ১৬ (Pages 16) ৯.০০ টকা (Rs. 9.00)

NE India's Oldest & Largest Educational Establishment
চি ই চি
CEC
Estd. 1994
COMPUTER EDUCATION
H.O.: GUWAHATI ✆ 98540-79999



দুৰ্গা পূজা-ফুটবল খেলৰ বাবে ওলাই অহাৰে পৰা উভতি যোৱা নাই কৰ্দৈগুৰি-টেকেৰী গাঁৱৰ ঘৰলৈ

তিনিচুকীয়াৰ পৰা নিখোঁজ ৮জন যুৱক, আলফা স্বাধীনত যোগদানৰ সন্দেহ

চোৰাংচো�ৰাৰ খবৰৰ পাছতে পৰিয়ালত হাহাকাৰ, কায চাপিছে আৰক্ষীৰ ■ সঠিক অনুসন্ধানেৰে সত্য উদ্‌ঘাটনৰ আহ্বান

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

তিনিচুকীয়া, ৩ নৱেম্বৰ ঃ উজনি অসমত দৈনিক সেনা, আৰক্ষী তথা নিৰাপত্তাৰক্ষীৰ কঠোৰ অভিযান আৰু সঘন টহলদাৰীৰ মাজতো ৰাজ্যখনৰ বাবে অমীমাংসিত দীৰ্ঘদিনীয়া সমস্যা হৈ ৰৈ গৈছে সশস্ত্ৰ সংগ্ৰাম। নিষিদ্ধঘোষিত সশস্ত্ৰ সংগঠন আলফা (স্বাধীন)ৰ বহু সদস্যই বিগত দিনবোৰত অকালতে প্ৰাণ আহুতি দিছে, নিৰাপত্তাৰক্ষীৰ হাতত ধৰা *৬ পৃষ্ঠাত চাওক*



৫ স্থানত ৰোপৰে’ প্ৰকল্প নিৰ্মাণৰ পৰিকল্পনা ■ নেলীত ৮,০০০ বিঘা মাটিত স্থাপন হ’ব প্ৰতিৰক্ষা উদ্যান ■ বহুবিবাহত লিপ্ত চৰকাৰী কৰ্মচাৰীয়ে হেৰুৱাব চাকৰি ■ জনকল্যাণমূলক আঁচনিৰ প্ৰভাৱ মূল্যায়নৰ বাবে ১৩খন পৰিষদ গঠন

ৰাজ্যিক কেবিনেটৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত

চি বি আইক উজনিৰ জলপ্ৰলয়ৰ তদন্তৰ দায়িত্ব

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ চলিত বৰ্ষৰ জুলাই মাহত শিৱসাগৰ আৰু চৰাইদেউ জিলাত শতাধিক লোকৰ প্ৰাণ কাঢ়ি নিয়া বিধ্বংসী জলপ্ৰলয়ৰ মূল কাৰণ উদ্‌ঘাটনৰ দায়িত্ব চি বি আইক অৰ্পণ কৰা, বহুবিবাহত লিপ্ত চৰকাৰী কৰ্মচাৰীক ভৱিষ্যতে কোনো চাকৰি পাব নোৱাৰাকৈ চাকৰিৰ পৰা বৰ্খাস্ত কৰা, কেন্দ্ৰীয় আৰু ৰাজ্য *২ পৃষ্ঠাত চাওক*



এ চি বন্ধ কৰি ২৪ ঘণ্টা ভূ-গৰ্ভত আত্মগোপন কৰিবলৈ নাগৰিকক পৰামৰ্শ

ইৰানত পাৰমাণৱিক আক্ৰমণৰ বাবে সাজু আমেৰিকা

ৱাশ্বিংটন, ৩ নৱেম্বৰ ঃ অদমনীয় ইৰানৰ বিৰুদ্ধে পাৰমাণৱিক আক্ৰমণ চলাবলৈ সাজু হৈছে আমেৰিকা। অহা ৭ নৱেম্বৰৰ ভিতৰত আমেৰিকাই ইৰানৰ এক বিশেষ স্থানত পাৰমাণৱিক বোমাৰে আক্ৰমণ চলোৱাৰ আশংকা প্ৰবল হৈ পৰিছে। আমেৰিকাৰ সাংবাদিক তথা ৰাজনৈতিক ধাৰাভাষ্যকাৰ টাকাৰ কাৰ্লচনৰ এক বিস্ফোৰক দাবীৰ পাছতে সম্ভাব্য পাৰমাণৱিক আক্ৰমণক লৈ বিশ্বজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত বিভিন্ন দেশৰ মাজত সামৰিক সংঘাত *৬ পৃষ্ঠাত চাওক*



ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ ভূ-গৰ্ভত তৈল খনন

অইলৰ গোচৰত কেন্দ্ৰ-ৰাজ্যলৈ উচ্চতম ন্যায়ালয়ৰ জাননী

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ তিনিচুকীয়া জিলাৰ ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ এলেকাৰ ভূগৰ্ভত তৈল খননৰ অনুমতি সম্পৰ্কীয় এটা বিষয়ক লৈ কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰণালয় *২ পৃষ্ঠাত চাওক*

৩০ নৱেম্বৰত সোণোৱাল কছাৰী-মিচিং স্বায়ত্ত পৰিষদৰ নিৰ্বাচন

ৰাজ্যিক নিৰ্বাচন আয়োগৰ ঘোষণা ঃ ৩ ডিচেম্বৰত হ’ব ভোটগণনা

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ ৰাজ্যিক নিৰ্বাচন আয়োগে সোণোৱাল কছাৰী আৰু মিচিং স্বায়ত্তশাসিত পৰিষদৰ ২০২৬ বৰ্ষৰ সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। অহা ৩০ নৱেম্বৰত দুয়োখন পৰিষদৰে ভোটগ্ৰহণ অনুষ্ঠিত হ’ব। সেই অনুসৰি সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ ৩২টা সমষ্টিত আৰু মিচিং স্বায়ত্তশাসিত পৰিষদৰ ৪০টা সমষ্টিত ভোটদান হ’ব। অসম ৰাজ্যিক নিৰ্বাচন আয়োগে ঘোষণা কৰা *৬ পৃষ্ঠাত চাওক*

ৰাহুল গান্ধীয়ে দেশৰ নহয়, খাৰ্গেৰ বাৰাণ্ডাতহে প্ৰধানমন্ত্ৰী হ’ব পাৰিব ঃ মুখ্যমন্ত্ৰী

‘শাসনত থাকিলে ৰাজপথত আন্দোলন কৰিব নোৱাৰিব বুলি কোনো কথা নাই ■ বিদ্যুতৰ মাচুল বৃদ্ধি সাময়িক, পশ্চিম এছিয়াৰ যুদ্ধৰ বাবেহে হৈছে, তিনি মাহৰ পাছত নোহোৱা হ’ব’

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ ‘নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ ঘৰৰ বাৰাণ্ডাতহে প্ৰধানমন্ত্ৰী হ’ব পাৰিব কংগ্ৰেছ নেতা ৰাহুল গান্ধী। আনহাতে আচল সদনত *২ পৃষ্ঠাত চাওক*

বিটিছ ৰাজপৰিয়ালৰ পৰা লাভ কৰিছিল মেম্বাৰ অব্ বিটিছ এম্পেৰৰ সন্মান

ডাঃ বিনয় কুমাৰ পাঠকৰ বিয়োগ



দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ ৰৱপেটাৰ সুসন্তান তথা ইংলেণ্ডৰ নটিংহাম নিৰাসী ডাঃ বিনয় কুমাৰ পাঠক আৰু নাই। ভাৰতীয় সময় অনুসৰি *৬ পৃষ্ঠাত চাওক*



সংবাদ মাধ্যমত জনালে ডাঃ হিতেশ বৰুৱাই

অসুস্থ গৰিমা শইকীয়া গাৰ্গক উন্নত চিকিৎসাৰ বাবে নিয়া হ’ব মুম্বাইলৈ

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ মহানগৰীৰ নেমকেয়াৰ হাস্পতালত চিকিৎসাধীন হৈ থকা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সহধৰ্মিণী গৰিমা শইকীয়া গাৰ্গক উন্নত চিকিৎসাৰ বাবে মুম্বাইলৈ নিয়াৰ *৬ পৃষ্ঠাত চাওক*

■ পশ্চিম কাৰ্বি আংলঙত নৃশংস ঘটনা ■

চোকা অস্ত্ৰৰে দুই কণমানিৰ প্ৰাণ ল’লে পিতৃয়ে

দৈনিক অসমৰ প্ৰতিনিধি

বৈঠালাংছু’/হামৰেণ, ৩ নৱেম্বৰ ঃ পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ হামৰেণ আৰক্ষী থানাৰ অন্তৰ্গত ৰংপাংবং অঞ্চলত যোৱানিশা সংঘটিত হৈছে এক অতি মৰ্মান্তিক তথা লোমহৰ্ষক হত্যাকাণ্ড। ঘৰুৱা কন্দলৰ ভয়ংকৰ পৰিণতিত এজন মদ্যপায়ী পিতৃয়ে হত্যা কৰে তেওঁৰ দুই নাবালক সন্তানক। এই নৃশংস ঘটনাই সমগ্ৰ অঞ্চলটোতে ত্ৰাসৰ সৃষ্টি *৬ পৃষ্ঠাত চাওক*



ডিমাপুৰৰ স্বস্তি গান হাউছৰ পৰা পিষ্টল ক্ৰয় কৰিছিল ঘনকান্তই

আহৰণ কৰিছিল নগা লোকৰ অনুজ্ঞাপত্ৰৰ ৰিটেইনাৰশ্বিপত ■ প্ৰৰঞ্চনাৰ গোচৰত কাৰাগাৰতে পুনৰ গ্ৰেপ্তাৰ, তদন্তৰ বাবে লৈ যোৱা হ’ল শিৱসাগৰলৈ

দৈনিক অসমৰ প্ৰতিনিধি

ৰোকাজান, ৩ নৱেম্বৰ ঃ ‘স্বস্তি গান হাউছ’ চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ ডিমাপুৰত থকা এখন মাৰণাস্ত্ৰ বিক্ৰীৰ প্ৰতিষ্ঠান। অসম-নগালেণ্ড গেটৰ পৰা মাত্ৰ কেইশ মিটাৰমান নিলগতেই এই দোকানখন আছে। ডিমাপুৰৰ ‘ইৰজ লাইন’ নামে খ্যাত পথছোৱাতেই আছে মুকলিকৈ মাৰণাস্ত্ৰ বিক্ৰীৰ বহুকেইখন *২ পৃষ্ঠাত চাওক*



৭০ শতাংশই ভেজাল ঃ সদৰি কৰিলে স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে

নমুনা পৰীক্ষাত ভয়ংকৰ তথ্য, পনীৰৰ নামত ৰাইজে খাইছে বৰবিহ

মুঠ ৯৯৭খন বিচনাৰে অচিৰেই আৰম্ভ হ’ব মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতালৰ চিকিৎসা সেৱা, স্থানান্তৰ হ’ব জি এম চি এইচৰ বহু বিভাগৰ অংশ

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ সু-স্বাস্থ্যৰ বাবে উপকাৰী বুলি ৰাজ্যবাসীয়ে পনীৰৰ নামত সেৱন কৰিছে বৰবিহ। খোৱাৰ অনুপযোগী, ভেজাল পনীৰেৰে ভৰি পৰিছে ৰাজ্যৰ বজাৰ। আজি স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে এখন সংবাদমেলত *৬ পৃষ্ঠাত চাওক*


উপকূল-নদীসমূহক অৰ্থনৈতিক বিকাশৰ শক্তিলৈ ৰূপান্তৰৰ কাম চলি আছে

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন, জলপথ মন্ত্ৰণালয়ৰ পৰামৰ্শদাতা সমিতিৰ বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল



পুৰী, ৩ নৱেম্বৰ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ দূৰদৰ্শী নেতৃত্বত ভাৰতৰ সামুদ্ৰিক খণ্ডত ব্যাপক ৰূপান্তৰ সাধন হৈছে বুলি মন্তব্য কৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ২০৪৭ চনৰ ভিতৰত দেশৰ মুঠ সামগ্ৰী পৰিবহনত উপকূলীয় আৰু আভ্যন্তৰীণ জলপথৰ অংশ বৰ্তমানৰ ৬ শতাংশৰ পৰা ১২ শতাংশলৈ বৃদ্ধি কৰাৰ লক্ষ্যৰ কথা প্ৰকাশ কৰিছে। উপকূলীয় আৰু ক্ৰুজ *৬ পৃষ্ঠাত চাওক*

কাঁহুদী



— বিদ্যুতৰ নামত ঘিটোহে বিল ভৰিব লাগে! কেৰাচিনৰ লেম্পৰ দিনলৈ উভতিবলৈ ওলাইছোঁ, উপায় নাই!





প্ৰিয়াৰাণী সোণবৰ্ষা, অদিতি শুক্লাই আৰম্ভ কৰিছে গৱেষণা

পণ্ডিত ৰবিশংকৰ শুক্লা বিশ্ববিঃত শংকৰদেৱ অধ্যয়নৰ নতুন দিগন্ত

‘দৈনিক অসম’ৰে আছুতীয়া সাক্ষাৎকাৰত উপাচাৰ্য সচ্চিদানন্দ শুক্লা ■ ৰাজ্যপাল ৰমেন ডেকাৰ পৰিকল্পনাৰে আৰম্ভ হৈছিল ‘শ্ৰীমন্ত শংকৰদেৱ স্মৃতি আসন’

■ ৰায়পুৰৰ পৰা জিতেন্দ্ৰ কুমাৰ চৌধুৰী/মৃদুল হালৈ

৩ নৱেম্বৰ ঃ অসমীয়া জাতিৰ সাংস্কৃতিক ভেটি গঢ়োতা মহাপুৰুষ শংকৰদেৱৰ জীৱন-দৰ্শন আৰু সৃষ্টিৰাজি সম্পৰ্কত অধ্যয়ন তথা গৱেষণাই এতিয়া নতুন মাত্ৰা লাভ কৰিছে। ৰাজ্যৰ ভৌগোলিক চাৰিসীমাৰ মাজতে *৬ পৃষ্ঠাত চাওক*



সাংসদ ৰকিবুল হুছেইন নিৰুদ্দেশ হোৱা বুলি প্লে কাৰ্ড প্ৰদৰ্শন

ধুবুৰীৰ আলমগঞ্জত উচ্ছেদিতৰ ক্ষোভ

সন্ধান দিওঁতালৈ দুহেজাৰ টকাৰ পুৰস্কাৰ ঘোষণা

দৈনিক অসমৰ প্ৰতিনিধি
ধুবুৰী, ৩ নৱেম্বৰ ঃ 'এজন, দুজন, তিনিজন অথবা পঞ্চাশজন হিমন্ত বিশ্ব শৰ্মা আহিলেও আপোনালোকক একো কৰিব নোৱাৰে, ৰাজহুৱাভাৱে মই কথা দিছোঁ।'— বিগত লোকসভা নিৰ্বাচনৰ সময়ত ধুবুৰী সমষ্টিৰ প্ৰতিটো নিৰ্বাচনী প্ৰচাৰ সভাতেই চৰকাৰৰ উচ্ছেদ অভিযান প্ৰসংগত এই উদাত্ত ভাষণেৰে ৰাইজৰ বিপুল সঁহাৰি লাভ কৰা সাংসদ ৰকিবুল হুছেইনক এইবাৰ উভতি ধৰিছে সমষ্টিৰ উচ্ছেদিত লোকসকলৰ লগতে দল-সংগঠনে। উল্লেখ্য যে যোৱা দেওবাৰে ধুবুৰী জিলাৰ গৌৰীপুৰ ৰাজহ চক্ৰ এলেকাৰ আলমগঞ্জ নৰম খণ্ড গাঁৱৰ প্ৰায় ৬৫০টা পৰিয়ালৰ ঘৰ-বাৰী, মছজিদ, কবৰস্থানত উচ্ছেদ অভিযান চলায়। ফলত গৃহহীন হৈ পৰা শ শ ভূমিহীন পৰিয়ালৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে। কিন্তু নিৰ্বাচনৰ সময়ত উচ্ছেদৰ তীব্ৰ বিৰোধিতা কৰিব বুলি প্ৰতিশ্ৰুতি

উক্ত সাংসদজনক বিচাৰি উচ্ছেদস্থলীত উপস্থিত কৰাব পাৰিলে ২০০০ টকাৰ পুৰস্কাৰ দিয়া হ'ব।



দি ৰাইজৰ ভোট লৈ দেশৰ ভিতৰতেই সৰ্বাধিক ভোটৰ ব্যৱধানত সাংসদ নিৰ্বাচিত হোৱা ৰকিবুল হুছেইনে এতিয়া উচ্ছেদৰ সময়ত হঠাৎ সন্ধানহীন হৈ পৰিছে বুলি অভিযোগ তুলিছে ৰাইজে। আনকি সাংসদ ৰকিবুল হুছেইন নিৰুদ্দেশ বুলি বিশেষ প্লেকাৰ্ড হাতত লৈ একাংশ ৰাইজে আজি উচ্ছেদস্থলীত প্ৰতিবাদ সাব্যস্ত কৰাও পৰিলক্ষিত হয়। ৰকিবুল হুছেইন গ' বেক ধ্বনি দিয়াৰ লগতে সন্ধানহীন ৰকিবুল হুছেইনৰ সন্ধান দিওঁতালৈ দুহেজাৰ টকাৰ পুৰস্কাৰ ঘোষণা কৰাও পৰিলক্ষিত হয়। অঞ্চলটোৰ উচ্ছেদিত ছয় শতাধিক পৰিয়ালৰ খবৰ ল'বলৈ আহৰি নোপোৱা সাংসদ ৰকিবুল হুছেইনৰ লগতে গৌৰীপুৰ সমষ্টিৰ বিধায়ক আব্দুছ ছোৱাহান আলী সৰকাৰৰ বিৰুদ্ধেও তীব্ৰ ক্ষোভ উজাৰে উচ্ছেদিত পৰিয়ালৰ লগতে নামনি অসম সংখ্যালঘু সংগ্ৰাম পৰিষদে।

কৃতিত্ব



সুস্মিতা শৰ্মাই আই আই টি গুৱাহাটীৰ পৰা মনোবিজ্ঞান বিষয়ত পি এইচ ডি ডিগ্ৰী লাভ কৰিছে। "Post-Diagnosis Mental Health Trajectories among the Parents of Children with Developmental Disabilities" শীৰ্ষক গৱেষণা-পত্ৰখন তেওঁ আই আই টি গুৱাহাটীৰ অধ্যাপক ড° দিলৱাৰ হুছেইনৰ তত্বাৱধানত প্ৰস্তুত কৰে। তেওঁৰ মাতৃ উত্তৰা দেৱী আৰু পিতৃ দেৱ কুমাৰ শৰ্মা গুৱাহাটীৰ শ্লুইচগেট, ভৰলুমুখৰ বাসিন্দা। তেওঁৰ জীৱনসংগী ড° দেৱৰ্ষি ভট্টাচাৰ্য।

PUBLIC NOTICE

I, Vijay Sah S/O Rameshwar Sah R/O-H/No- 99, KRC Road, Kamrup, P.O. & P.S.-Bharalumukh, Guwahati-781009, Kamrup (M) Assam, hereby declare that my daughter's correct name is RAGINI KUMARI, whereas it is wrongly recorded as RAGANI SAH in her aadhar card. Vide affidavit dated 29/10/2026 sworn before the judicial Magistrate First Class, Kamrup (M) Guwahati, I have declared that RAGANI SAH and RAGINI KUMARI are one and the same person.
DA/PN/1525/1

I, SUNIL KUMAR RAI, S/O Ram Naresh Rai, R/O-34, Choonsali, P.O. & P.S.-Noonmati Guwahati - 781020, Kamrup (M) Assam hereby declare that my daughter's correct name is AAROHI RAI, whereas it is wrongly recorded as RAI AAROHI SUNIL in her Aadhar card. Vide affidavit dated 29/10/2026 sworn before the judicial Magistrate First Class Kamrup (M) Guwahati, I have declared that RAI AAROHI SUNIL and AAROHI RAI are one and the same person.
DA/PN/1526/1

I SANDEEP SHARMA, S/O-Shiv Kumar Sharma, R/O-Vill- 2nd floor. Jalan Market M.G Road, P.O.- Fency Bazar, P.S.- Panbazar, Kamrup (M) Assam, pin-781001, hereby declare that my daughter's correct name is ANANYA SHARMA, whereas it is wrongly recorded as ANANYA SANDEEP SHARMA in her aadhar card. Vide affidavit dated-29/10/2026 sworn before the judicial Magistrate First Class Kamrup (M) Guwahati, I have declared that ANANYA SANDEEP SHARMA and ANANYA SHARMA are one and the same person.
DA/PN/1527/1

মোৰ নামটি Assam Gramin Vikash Bankত (বড়িহাট) শ্ৰী শশীপ্ৰভা কুমাৰী হৈ আছে। আচলতে মোৰ নামটি হ'ব লাগে শ্ৰী শশী কুমাৰ। মই Notary (গুৱাহাটী) যোগে শশীপ্ৰভা কুমাৰীৰ সলনি শশী কুমাৰ কৰি আনিছো। গতিকে শশীপ্ৰভা কুমাৰী আৰু শশী কুমাৰ একেগৰাকী ব্যক্তি হয়।

শ্ৰী শশী কুমাৰ
DA/PN/1528/1

I, Alvia Anjoom Hye have changed my daughter's name as "Alina Anjo om Nasir" from "Alina Anjum Hye" & our permanent address as Azad Nagar, Chotahaibor, Mouza-Nizsahar, P.S.-Sadar, Dist. Nagaon (Assam) from "Kachari Gaon, Lanka, Hojai, Assam in her birth certificate, Vide Regn. No. B202618902500008463 by affidavit in Nagaon Court dtd. 20.10.26.
DA/PN/1529/1

মই গোলাঘাট জিলা ন্যায়িক আদালতত ০২/১১/২০২৬ তাৰিখে সম্পন্ন কৰা এক শপতনামাৰ জৰিয়তে ঘোষণা কৰোঁ যে মোৰ আধাৰ কাৰ্ডত ভুলবশতঃ মোৰ নাম GUNINDRA GOGOIৰ পৰিৱৰ্তে GONINDRANATH GOGOI হৈ আছে। GONINDRANATH GOGOI আৰু GUNINDRA GOGOI একেগৰাকী যুৱক। সেয়ে এই শপতনামাৰ জৰিয়তে GUNINDRA GOGOI কৰা হ'ল।

GUNINDRA GOGOI
C/O- PUTUL GOGOI
VILL- CHANGKALA GAON
PO- KOCHUPATHAR
PS- KAMARGAON
DIST-GOLAGHAT, ASSAM
DA/PN/1531/1

মহিলা শ্ৰমিকক নিৰ্যাতনৰ গোচৰত
গ্ৰেপ্তাৰ চাহ ফেক্টৰীৰ মালিক নুৰ আলম খানক

দৈনিক অসমৰ প্ৰতিনিধি
ডিব্ৰুগড়, ৩ নৱেম্বৰ ঃ ডিকমৰ এএফটি চাহ ফেক্টৰীত এগৰাকী মহিলা কৰ্মচাৰীক ধৰ্ষণৰ চেষ্টা চলোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হ'ল ফেক্টৰীৰ স্বত্বাধিকাৰ নুৰ আলম খান। ভুক্তভোগী মহিলাগৰাকীৰ এজাহাৰৰ ভিত্তিত ৫৫/২৬ নম্বৰৰ গোচৰ পঞ্জীয়ন কৰি লাহোৱাল আৰক্ষীয়ে আজি অভিযুক্ত নুৰ আলম খানক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰে। উত্থাপিত অভিযোগ অনুসৰি ফেক্টৰীত কৰ্মৰত এগৰাকী মহিলাক চাহ বনোৱাৰ অজুহাতত কোঠালৈ মাতি নি দুৱাৰ বন্ধ কৰি ধৰ্ষণৰ চেষ্টা চলাইছিল নুৰ আলম খানে। ভুক্তভোগী মহিলাগৰাকীয়ে অভিযোগ কৰা অনুসৰি, নুৰ আলম খান নামৰ ডিকমৰ এএফটি চাহ ফেক্টৰীৰ মালিকে ভুক্তভোগী মহিলা শ্ৰমিকগৰাকীক মধ্যস্থতাকাৰীৰ জৰিয়তে এজাহাৰ প্ৰত্যাহাৰ কৰিবলৈ হেঁচা দিছিল। যাৰ ফলত তেওঁ ভয় আৰু চাপৰ পৰিস্থিতিত প্ৰথম এজাহাৰখন প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হৈছিল। অৱশ্যে, ঘটনাটোৰ ন্যায়সংগত তদন্ত আৰু উচিত বিচাৰৰ দাবীত ভুক্তভোগী মহিলাগৰাকীয়ে কালি লাহোৱাল আৰক্ষী থানাত পুনৰ দ্বিতীয়খন এজাহাৰ দিছে। এই এজাহাৰখনৰ ভিত্তিতে আজি পুৱাই নুৰ আলম খানক গ্ৰেপ্তাৰ কৰে লাহোৱাল আৰক্ষীয়ে। ইফালে নুৰ আলমক গ্ৰেপ্তাৰৰ পাছতে পুত্ৰ আছলাম খানে গোটেই ঘটনাটোত ধনৰ লেনদেনৰ বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে। নুৰ আলম খানৰ পুত্ৰ আছলাম খানে ধন দাবী, ব্লেকমেইলিং আৰু ভাবুকিৰ অভিযোগ উত্থাপন কৰি কেইবাগৰাকী ব্যক্তিৰ বিৰুদ্ধে লাহোৱাল আৰক্ষী থানাত পৃথক এজাহাৰ দাখিল কৰিছে। এই এজাহাৰত আটছাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি বিমল বাগে ৩.৫ লাখ টকা সংগ্ৰহ কৰাৰ লগতে ডিকমৰ লংছু গাঁও প্ৰধান উত্তম গগৈ আৰু বিৰাজ সন্দিকৈয়ে ৬ লাখ টকা দাবী কৰাৰ অভিযোগ উত্থাপন কৰিছে আছলাম খানে। লাহোৱাল আৰক্ষী থানাত দাখিল কৰা এজাহাৰত উল্লেখ কৰা অনুসৰি, পিতৃৰ বিৰুদ্ধে উত্থাপিত অভিযোগক কেন্দ্ৰ কৰি একাংশ লোকে পৰিয়ালটোক বিভিন্ন ধৰণে হেঁচা প্ৰয়োগ কৰাৰ লগতে গোচৰ নিষ্পত্তিৰ নামত ধন সংগ্ৰহ কৰিছিল। আছলাম খানৰ অভিযোগ অনুসৰি, ডিকমৰ লংছু গাঁও প্ৰধান উত্তম গগৈ আৰু বিৰাজ সন্দিকৈ নামৰ দুজন ব্যক্তিয়ে গোচৰটো পুনৰ মুকলি কৰা আৰু মহিলা কৰ্মচাৰীগৰাকীৰ ভিডিঅ' প্ৰচাৰ কৰাৰ ভাবুকি দি নুৰ আলম খানৰ পৰা মুঠ ৬ লাখ টকা দাবী কৰিছিল। ইয়াৰে ২ লাখ টকা ভুক্তভোগী মহিলাগৰাকীক দিয়াৰ কথা আছিল বুলি এজাহাৰত উল্লেখ কৰা হৈছে। আনহাতে, বিষয়টো নিষ্পত্তি কৰা আৰু ভৱিষ্যতে যাতে পৰিয়ালটোৰ বিৰুদ্ধে কোনো অভিযোগ উত্থাপন নহয়, সেই আশ্বাস দি আটছাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি বিমল বাগে পৰিয়ালটোৰ পৰা নগদ ৩.৫ লাখ টকা গ্ৰহণ কৰা বুলি আছলাম খানে অভিযোগ কৰিছে। উল্লেখ্য যে আছলাম খানে দাখিল কৰা অভিযোগ অনুসৰি, ১৫ অক্টোবৰৰ ঘটনাৰ পাছত মহিলা কৰ্মচাৰীগৰাকীয়ে তাৎক্ষণিকভাৱে কোনো অভিযোগ নকৰাকৈ সেইদিনা নিজৰ কৰ্ম সম্পাদন কৰিছিল। পৰৱৰ্তী সময়ত ২৬ অক্টোবৰত ডিকম আৰক্ষী চকীত অভিযোগ দাখিল কৰা হৈছিল আৰু ২৭ অক্টোবৰত সেই অভিযোগ প্ৰত্যাহাৰ কৰা হৈছিল বুলি আছলাম খানে এজাহাৰত উল্লেখ কৰিছে। অৱশ্যে, অভিযোগ প্ৰত্যাহাৰৰ পাছতো পৰিয়ালটোৰ ওপৰত ধন দাবী আৰু ভাবুকিৰ ঘটনা অব্যাহত থকা বুলি তেওঁৰ দাবী। আনহাতে, মহিলাগৰাকীৰ অভিযোগৰ ভিত্তিত পঞ্জীয়ন হোৱা গোচৰৰ তদন্তৰ মাজতে আজি তেওঁক স্বাস্থ্য পৰীক্ষাৰ বাবে লৈ যোৱা হয়। স্বাস্থ্য পৰীক্ষাৰ পাছত মহিলাগৰাকীক আদালতত হাজিৰ কৰোৱা হয় আৰু আদালতে তেওঁৰ ভাষ্য গ্ৰহণ কৰে। ঘটনাটোৰ দুয়োটা দিশত উত্থাপিত অভিযোগে এতিয়া সমগ্ৰ বিষয়টোক অধিক জটিল কৰি তুলিছে।

LOST

I have lost my registration card somewhere.

Name : Om Subedi
Borengajuli Khuti, Udalguri
Mobile No. : 6003128576
Registration No.: 26/UP/0989/938495/25
DA/Lost/1530/1

মোৰ উচ্চতৰ মাধ্যমিক (H.S) পৰীক্ষাৰ অৰিজিনেল pass চাৰ্টিফিকেট হেৰাইছে। চাৰ্টিফিকেটৰ ৰোল - 0574, নং-10117। নাম ঃ স্বপ্না দাস, ঠিকনা ঃ বংশৰ বেলৰতল ফোন নং ঃ 6001722816.
DA/Lost/1524/1

I have lost my HSLC Admit, Certificate Marksheet, Registration, Roll- 0119 of year 2023 & HS Admit, Marksheet, Certificate, Registration Roll-0836 No- 10136 of year 2025.

Swmauchar Daimari
S/O Feroti Ch. Daimari, Dimbeswari Daimari, Kuruwabahi, Jamuguri
DA/Lost/1532/1

I, MAJINA BEGUM, W/O Munu Ali, R/O Lalung Gaon, P.O.- Dihingia, P.S.- Titabar, Jorhat, Assam, PIN-785630, declare that my daughter ASHIFA BEGUM's correct name and DOB are ASHIFA BEGUM and 05/06/2009, whereas wrongly recorded as ASIFA BEGUM and 2009 respectively in her Aadhaar Card No. 8584 4729 7953. Vide affidavit sworn before Judicial Magistrate 1st Class, Kamrup (M), Guwahati.
DA/PN/1533/1

দেৰগাঁও ব্যৱসায়ী সন্থাৰ সমিতি গঠন

দৈনিক অসমৰ প্ৰতিনিধি
দেৰগাঁও, ৩ নৱেম্বৰ ঃ দেৰগাঁও ব্যৱসায়ী সন্থাৰ সমিতিখন অলপতে নতুনকৈ গঠন কৰা হৈছে। সেই অনুসৰি কালি দেৰগাঁও মাৰোৱাৰী ধৰমশালাত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত সমিতিৰ নৱনিৰ্বাচিত বিষয়ববীয়াসকলে আনুষ্ঠানিকভাৱে শপতবাক্য পাঠ কৰি কাৰ্যভাৰ গ্ৰহণ কৰে। বিষয়ববীয়াসকলক শপতবাক্য পাঠ কৰায় সুনীল বাকলীয়াল, শম্ভুদয়াল সোমানী, মদন কাংকানী আৰু ৰমেশ শৰ্মাই। নতুন সমিতিখনৰ সভাপতি শ্যামসুন্দৰ আগৰৱালা, কাৰ্যকৰী সভাপতি সুশীল বলডোৱা, উপ-সভাপতিদ্বয় অনিল কাব্ৰা, সূৰ্যকমল কাব্ৰা, সাধাৰণ সম্পাদক ওমপ্ৰকাশ সোমানী আৰু কোষাধ্যক্ষ মহেশ গোৰেল। সন্থাৰ নতুন সমিতিখন ২১জনীয়া সদস্যৰে গঠন কৰা হয়। এই সমিতিৰ মুখ্য উপদেষ্টা বিশিষ্ট ব্যৱসায়ী প্ৰদীপ খাদৰীয়া। আনহাতে সমিতিখনত শম্ভুদয়াল সোমানী, মদন কাংকানী আৰু শংকৰ সোমানীক উপদেষ্টাৰূপে মনোনীত কৰা হয়।


১ পৃষ্ঠাৰ পৰা

চি বি আইক উজনিৰ

চৰকাৰৰ অংশীদাৰিত্বৰে ৰাজ্যত মুঠ পাঁচটা ৰোপৱে' প্ৰকল্প ৰূপায়ণকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱত আজি অসম কেবিনেটে অনুমোদন জনায়। দিছৌপুৰৰ লোকসেৱা ভৱনত নিশা অনুষ্ঠিত এখন কেবিনেট বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে চৰাইদেউ আৰু শিৱসাগৰ জিলাত যোৱা ১৯ জুলাইৰ পৰা হোৱা বিধ্বংসী বানৰ মূল কাৰণ বিচাৰি উলিওৱাৰ বাবে চি বি আইক এই ঘটনাৰ তদন্তৰ দায়িত্ব অৰ্পণ কৰাৰ প্ৰস্তাৱত কেবিনেটে অনুমোদন জনাইছে। ৰাজ্য চৰকাৰে অহা ১০ দিনৰ ভিতৰত চি বি আইলৈ এই সম্পৰ্কীয় আনুষ্ঠানিক পত্ৰ প্ৰেৰণ কৰিব। তদন্তৰ দায়িত্ব গ্ৰহণ কৰা-নকৰা বা ৰাজ্য চৰকাৰৰ প্ৰস্তাৱ মানি লোৱা-নোলোৱাটো চি বি আইৰ কথা। উল্লেখ্য যে নগালেণ্ডৰ পৰা নামি অহা দিখৌ নৈৰ উৎপত্তিস্থলত চলা শিল-বালিৰ অবৈধ খননৰ লগতে চুবুৰীয়া ৰাজ্যখনত চলা অবৈধ কয়লা খননেই শিৱসাগৰ আৰু চৰাইদেউ জিলাত বিভীষিকাৰ সৃষ্টি কৰা বানৰ কাৰণ বুলি সেই সময়ত অভিযোগ উত্থাপন হৈছিল। বিভিন্ন দল-সংগঠন আৰু ব্যক্তিয়ে এই বানৰ কাৰণ নিৰূপণৰ বাবে বিষয়টো চি বি আইলৈ হস্তান্তৰ কৰাৰ দাবী উত্থাপন কৰিছিল। ইফালে আজিৰ কেবিনেটে ৰাজ্যত উমৈহতীয়া দেৱানী বিধিৰ (ইউ চি চি) বলবৎকৰণ কঠোৰ কৰাৰ উদ্দেশ্যে বহুবিবাহত লিপ্ত হোৱা চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ প্ৰস্তাৱত অনুমোদন জনায়। সেই অনুসৰি এতিয়াৰে পৰা কোনো চৰকাৰী কৰ্মচাৰী বহুবিবাহত লিপ্ত হোৱা বুলি প্ৰমাণ হ'লে তেনে কৰ্মচাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হ'ব আৰু ভৱিষ্যতে যাতে তেওঁ কোনো চৰকাৰী চাকৰি নাপায় তাৰো ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এই উদ্দেশ্যে কেবিনেটে অসম সেৱা আৰু অনুশাসন নিয়মাৱলীৰ যাৱতীয় সংশোধনীত অনুমোদন জনোৱা বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়। আনহাতে ৰাজ্য চৰকাৰে দুই লাখ নিযুক্তিৰ লক্ষ্য আহৰণৰ পথ প্ৰশস্ত কৰাৰ বাবে বিভিন্ন বিভাগত ২০২৭ আৰু ২০২৮ চনৰ পদোন্নতিৰ বাবে চাকৰিয়ালৰ কাম কৰাৰ ম্যাদ আৰু এ চি আৰৰ চৰ্ত শিথিল কৰাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। লগতে সৈন্য বাহিনীৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা লোকৰ বাবে ৰাজ্য চৰকাৰৰ চাকৰিত আবেদনৰ বয়সৰ সৰ্বোচ্চ সীমা পূৰ্বৰ ৪২ বছৰৰ পৰা ৪৫ বছৰলৈ বৃদ্ধিৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন জনায়। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে কেন্দ্ৰীয় চৰকাৰৰ ৫১ শতাংশ আৰু অসম চৰকাৰৰ ৪৯ শতাংশ অংশীদাৰিত্বৰে এটা ৰোপৱে' উন্নয়ন কৰ্তৃপক্ষ গঠনৰ বাবে চুক্তি কৰাৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন জনাইছে। এই কৰ্তৃপক্ষৰ অধীনত ৰাজ্যত পাঁচটা ৰোপৱে' প্ৰকল্প ক্ৰমে কামাখ্যা ৰে'ল ষ্টেচনৰ পৰা কামাখ্যা মন্দিৰলৈ, খানাপাৰাৰ পৰা গুৱাহাটী ৰে'ল ষ্টেচনলৈ, বৰাকৰ গংগানগৰৰ পৰা ভুবন পাহাৰ মহাদেৱ মন্দিৰলৈ, ডিমা হাছাও জিলাৰ হেমেপেউপেট শিখৰৰ পৰা জাতিংগা পক্ষী নিৰীক্ষণ স্তম্ভলৈ আৰু শোণিতপুৰ জিলাৰ অগ্নিগড়ৰ পৰা ভৈৰবী মন্দিৰলৈ ৰোপৱে' নিৰ্মাণ কৰা হ'ব। আনহাতে, জাগীৰোডৰ ওচৰৰ নেলীৰ ভোগডুবা, বসুন্ধৰী, আলিছিঙা, খোলাপথাৰ আৰু সৰুমাটি পৰ্বতকে ধৰি বহুকেইখন গাঁৱৰ প্ৰায় ৬ হাজাৰ বিঘা মাটিত প্ৰতিৰক্ষা উদ্যান 'ডিফেন্স পাৰ্ক' বনোৱাৰ প্ৰস্তাৱত কেবিনেটে অনুমোদন জনায়। ৰাজ্যত প্ৰতিৰক্ষা ক্ষেত্ৰৰ সামগ্ৰীৰ উন্নয়ন খণ্ডৰ বিকাশৰ বাবে এই ডিফেন্স পাৰ্কখন বনোৱাৰো সিদ্ধান্ত গ্ৰহণ কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে পৰৱৰ্তী সময়ত এই পাৰ্কত বিনিয়োগৰ বাবে বিনিয়োগকাৰী বিচাৰি চৰকাৰে ৰোডশ্ব' আদি কৰিব। ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন চৰকাৰী আঁচনিৰ প্ৰভাৱ মূল্যায়ন কৰা আৰু ভৱিষ্যতে সংশোধন আৰু সংস্কাৰৰ পৰামৰ্শ আগবঢ়োৱাৰ বাবে ১৩খন বিভিন্ন পৰিষদ গঠনত আজি কেবিনেটে অনুমোদন জনায়। এই পৰিষদসমূহৰ অধ্যক্ষক ৰাজ্যিক মন্ত্ৰীৰ মৰ্যাদা দিয়া হ'ব আৰু প্ৰতিখন পৰিষদতে সাতজনকৈ সদস্য থাকিব। কেবিনেটে সোণাপুৰৰ জুবিন ক্ষেত্ৰত দুই বিঘা মাটি সোমাই থকা মনোজ আগৰৱালা নামৰ ব্যক্তিজনক চন্দ্ৰপুৰত সম পৰিমাণৰ মাটি আবণ্টন দিয়াৰ প্ৰস্তাৱত অনুমোদন জনায়। ইয়াৰ ফলত জুবিন ক্ষেত্ৰৰ মাটিক লৈ সৃষ্টি হোৱা জটিলতা দূৰ হ'ল আৰু সেই পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে অহা ১০ দিনৰ ভিতৰত জুবিন ক্ষেত্ৰ প্ৰকল্প নিৰ্মাণৰ বাবে নিবিদা আদি প্ৰক্ৰিয়া আৰম্ভ কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। আজি কেবিনেটে নতুন দিল্লীত অনুষ্ঠিত কৰিবলগীয়া সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন সামৰণী অনুষ্ঠানৰ বিতং কাৰ্যসূচীৰ ৰূপৰেখাত অনুমোদন জনায়। ৰাজ্য চৰকাৰে প্ৰণয়ন কৰা উপগ্ৰহীয় মহানগৰ আইনৰ যাৱতীয় নিয়মাৱলী, কেইবাখনো জিলাত ভূমি আবণ্টন সম্পৰ্কীয় প্ৰস্তাৱ, ঢেকিয়াজুলিৰ ভি জি আৰত থকা ২১৬টা অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ পৰিয়ালক মুঠ ৯৮৭ বিঘা মাটি আবণ্টন, প্ৰতি কুইণ্টল ধানৰ বিপৰীতে কৃষকক ২,৬৪০ টকাকৈ প্ৰদান, প্ৰগ্ৰেছিভ ইনোকেম এল এল পি নামৰ এটা কোম্পানীয়ে জাগীৰোডত কাষ্টিক ছ'ডা উৎপাদন প্ৰকল্প স্থাপনৰ বাবে কৰিবলগা ৫০১ কোটি টকা বিনিয়োগৰ প্ৰস্তাৱ আৰু গুৱাহাটীত সত্যনাৰায়ণ হোটেলছ কোম্পানীয়ে কৰিব লগা ১৬০ বিনিয়োগৰ প্ৰস্তাৱত কেবিনেটে অনুমোদন জনায়। লগতে কেবিনেটে শেহতীয়াকৈ নিৰ্বাচন অনুষ্ঠিত হৈ যোৱা শিলচৰ পৌৰ নিগম গঠনৰ পদ্ধতিক অনুমোদন জনায়। সেই অনুসৰি প্ৰথম ৫ বছৰ শিলচৰ পৌৰ নিগমৰ মেয়ৰ আৰু উপ-মেয়ৰ পদ দুটা সকলোৰে বাবে মুকলি থাকিব। পাছৰ ৫ বছৰ পদ দুটা অনুসূচিত জাতিৰ বাবে; তাৰ পাছৰ ৫ বছৰ অনুসূচিত জনজাতিৰ বাবে আৰু পৰৱৰ্তী ৫ বছৰ মহিলাৰ বাবে সংৰক্ষিত হ'ব।

শ্ৰদ্ধাঞ্জলি

ডঃ যদুনাথ বেজবৰুৱা



মৰমৰ আবু, তোক নেদেখা আজি দহদিনেই হ'ল। আমাৰ ঘৰলৈ ইমান মানুহবোৰ আহিছে। সবৰে মুখত তোৰে কথা। দলে দলে আহিছে বিভিন্ন অনুষ্ঠানৰ মানুহবোৰ। তোক ওচৰত পাই আমাৰ দৰে তেওঁলোকৰো বৰ দুখ বুজিছু। তোক নেদেখি আমি তোৰ ফটো এখনকে আগফালে থৈ দিছো। সবেই দেখোন সেৱা কৰে। পুৱাই আমি চাকিগছিও জ্বলাই দিওঁ। ফুলৰ মালা কিন্তু দিয়া নাই। গামোচাহে দিছো। মালা দিলে দুখ লাগিব। সেই কাৰণে নিদিওঁ। চাৰিওফালে তই ভালপোৱা ফুলৰ টাববোৰকে সজাই দিছে দাদাই, মানুহবোৰে যে তোক ইমান ভাল পায় আচৰিত হৈছো। মাজে মাজে চোতালত মিটিং একোখন হয় হঠাতে। বহুতেই কাগজত লিখি আনি মাৰ হাতত দিয়ে। সকলোতে তোৰেই কথা। মাজে মাজে ভাবো তই যে এইবোৰ একোৰেই দেখা নাই। আজি আহিবি দেই। এবাৰ চাই যাবি। দাদাই দুটা কোঠালি ভৰাই তৌলে বহুত কিবাকিবি আনি থৈছে। বহুত মানুহ আহিব। ৰাইজে অনুষ্ঠান এটাও পাতিছে। তোৰ কামবোৰৰ মাজেৰে তোক আকৌ এবাৰ বিচাৰি চাব। তই যে মানুহক, গছ-গছনিক, জীৱ-জন্তু, চৰাই-চিৰিকটিক কিমান ভাল পাৱ সকলোৱে জানে। তোৰ কথা বেছিকৈ ক'লে চকুপানীবোৰে বৰ দিগদাৰি কৰে দেখোন। আজি আৰু নকওঁ। মা ভালে আছে। চিন্তা নকৰিবি। নেদেখিলেও তই যে আমাৰ ওচৰতে থাকিবি সেইটো আমি জানো। শ্ৰদ্ধাৰে—

তোৰ ডাঙৰ জীয়ৰী
(স্বপ্না বেজবৰুৱা)

বিজ্ঞাপন সেৱা

'দৈনিক অসম'ত শ্ৰেণীবদ্ধ বিজ্ঞাপন
(**Classified Advertisement**)
প্ৰকাশৰ বাবে কাৰ্যালয়ৰ নিম্নোক্ত ব্যক্তিসকলৰ ফোন নম্বৰত যোগাযোগ কৰিব পাৰে—

97060 21101 (অনুপমা দত্ত, মাৰ্কেটিং হেড)
98642 63627 (লক্ষী দাস, সহকাৰী মেনেজাৰ)
91015 17218 (মানস প্ৰতিম বৰা)

১ পৃষ্ঠাৰ পৰা

ডিমাপুৰৰ স্বস্তি গান হাউছৰ পৰা পিষ্টল

প্ৰতিষ্ঠান। এই বিশেষ মাৰণাস্ত্ৰ বিক্ৰীৰ দোকানখনৰ পৰাই ক্ৰয় কৰা এটা পিষ্টলেৰে যোৱা ২৬ অক্টোবৰত গুৱাহাটীৰ হোটেল 'বিলাস ইন'ত ঘনকান্ত গগৈয়ে ৫জনকৈ লোকক হত্যা কৰাৰ লগতে এজনক গুৰুতৰভাৱে জখম কৰিছিল। এই নৃশংস হত্যাকাণ্ডৰ পাছতেই ঘাতক ঘনকান্তৰ অতীতৰ ক'লা অধ্যায় খুঁচৰি পোহৰলৈ আহিছে যে কেনেকৈ পইণ্ট ৩২ পিষ্টলৰ গৰাকী হৈছিল ঘনকান্ত। চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ ডিমাপুৰস্থিত এই 'স্বস্তি গান হাউছ' নামৰ মাৰণাস্ত্ৰ বিক্ৰী কৰা দোকানখনৰ পৰাই ঘনকান্তই পইণ্ট ৩২ পিষ্টলটো ক্ৰয় কৰিছিল। নগা লোকৰ মালিকানাধীন এই মাৰণাস্ত্ৰ বিক্ৰীৰ দোকানখনৰ মেনেজাৰজনে সাংবাদিকক দিয়া তথ্যৰ পৰা জানিব পৰা মতে বিগত ২০২৪ৰ ১৬ অক্টোবৰতেই ঘনকান্তই পিষ্টলসহ ১৪ জাঁই সক্ৰিয় গুলী উক্ত দোকানখনৰ পৰা ক্ৰয় কৰিছিল। ঘনকান্তই এই পিষ্টলসহ গুলীখিনি ক্ৰয় কৰিছিল মুঠ ৩ লাখ টকাত। বিগত ১৯৯৩ চনত ঘনকান্ত গগৈয়ে এজন নগা লোকৰ অনুজ্ঞাপত্ৰৰ ৰিটেইনাৰছিপত ক্ৰয় কৰিছিল উক্ত পিষ্টলটো। ঘনকান্তৰ পিষ্টলৰ অনুজ্ঞাপত্ৰ ইউ আই এন নম্বৰ আছিল দিল্লীৰ ৰেজিষ্টেচনৰ। আনহাতে জানিব পৰা মতে ২০১৬ চনৰ পৰা মাৰণাস্ত্ৰৰ অনুজ্ঞাপত্ৰ বন্ধ কৰি ৰাখিছে নগালেণ্ড চৰকাৰে। কিন্তু এইখিনিতে প্ৰশ্ন হৈছে যে মাৰণাস্ত্ৰ বিক্ৰীৰ প্ৰতিষ্ঠানৰ গৰাকীয়ে মাৰণাস্ত্ৰ ক্ৰয় কৰিব বিচৰা লোকৰ অনুজ্ঞাপত্ৰৰ পৰা আৰম্ভ কৰি সকলো নথি-পত্ৰ বৈধ হয়নে নে নহয় পৰীক্ষা কৰাৰ অন্ততহে মাৰণাস্ত্ৰ বিক্ৰী কৰিব লাগে। কিন্তু ঘনকান্ত গগৈয়ে যি প্ৰক্ৰিয়াৰে ডিমাপুৰৰ পৰা এই মাৰণাস্ত্ৰ ক্ৰয় কৰিলে, সেই প্ৰক্ৰিয়াটো প্ৰকৃততে বৈধ হৈছেনে, এই লৈও প্ৰশ্ন উঠিছে। ইপিনে চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ ডিমাপুৰ হৈছে বিভিন্ন অপৰাধীৰ বাবে আটাইতকৈ সুবিধাজনক আশ্ৰয়স্থল। যিকোনো স্থানতে অপৰাধমূলক কাৰ্যকলাপ সংঘটিত কৰি বিভিন্ন অপৰাধীয়ে ডিমাপুৰতেই নিৰাপদে থকাৰ সুবিধা পায়। ইয়াৰ উপৰি ডিমাপুৰৰ পৰাই বিভিন্ন অপৰাধমূলক কাৰ্যকলাপৰ ষড়যন্ত্ৰও কৰে অপৰাধীয়ে। আজি অনুসন্ধানৰ বাবে এই প্ৰতিবেদক ডিমাপুৰৰ উক্ত মাৰণাস্ত্ৰ বিক্ৰীৰ প্ৰতিষ্ঠানখনত উপস্থিত হয় যদিও নগা মালিকজনে এই সন্দৰ্ভত কোনো কথাৰ উত্তৰ নিদিয়ে বুলি কোৱাৰ লগতে তেওঁৰ মেনেজাৰজনেহে ওপৰোক্ত তথ্যখিনি দিয়াৰ কথা কয় আৰু তাৰ বাবে মেনেজাৰজনক দোকানৰ পৰা পঠাই দিয়া বুলিও জানিবলৈ দিয়ে।

কাৰাগাৰতে পুনৰ গ্ৰেপ্তাৰ ঘনকান্ত গগৈক

গুৱাহাটীৰ দৈনিক অসমৰ বাতৰি ঃ মহানগৰীৰ হোটেল বিলাস ইনত সংঘটিত হত্যাকাণ্ডৰ মাষ্টাৰ মাইণ্ড ঘনকান্ত গগৈক আজি কাৰাগাৰৰ ভিতৰতে পুনৰ গ্ৰেপ্তাৰ কৰিছে শিৱসাগৰ আৰক্ষীয়ে। ডিমৌ আৰক্ষী থানাত ৰুজু হৈ থকা এটা গোচৰৰ ভিত্তিত গগৈক শিৱসাগৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। লক্ষণীয় যে যোৱা ২৬ অক্টোবৰত হোটেল বিলাস ইনত পাঁচজন লোকক গুলীয়াই হত্যা কৰা গগৈক সাতদিনৰ বাবে গোচৰটোৰ তদন্তকাৰী এছ আই টিৰ জিম্মালৈ প্ৰেৰণ কৰিছিল আদালতে। সেইমৰ্মে আজি জিম্মাৰ ম্যাদৰ অন্ত পৰাত গগৈক পুনৰ কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়। আদালতে গগৈক ১৪ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। সেইমৰ্মে আদালতৰ পৰা অভিযুক্তজনক গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰলৈ লৈ যোৱা হয়। কিন্তু অতি নাটকীয়ভাৱে সন্ধিয়াৰ ভাগত শিৱসাগৰ আৰক্ষীয়ে গগৈক কাৰাগাৰৰ ভিতৰতে গ্ৰেপ্তাৰ কৰি কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজেৰে শিৱসাগৰলৈ লৈ যায়। উল্লেখ্য যে ২০২৪ চনত এজন ব্যক্তিৰ পৰা দুখন এক্সকেভেটৰ ভাৰালৈ লৈ গগৈয়ে অৰুণাচল প্ৰদেশত বিক্ৰী কৰিছিল। সেই সন্দৰ্ভতে ঘনকান্ত গগৈৰ বিৰুদ্ধে ডিমৌ আৰক্ষী থানাত এটা গোচৰ ৰুজু হৈছিল। দীৰ্ঘদিন ধৰি সেই গোচৰটোত গগৈৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল যদিও আজি হঠাতে শিৱসাগৰ আৰক্ষীয়ে গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ পৰা গগৈক গ্ৰেপ্তাৰ কৰে। ইফালে, ৰাজ্য কঁপাই যোৱা এই নৰসংহাৰৰ অভিযুক্ত গগৈৰ বহু বিস্ফোৰক তথ্য এছ আই টিয়ে লাভ কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি পাঁচজন লোকক গুলীয়াই হত্যা কৰিবলৈ গগৈয়ে ব্যৱহাৰ কৰা পিষ্টলটো ২০২৪ চনৰ ১৬ অক্টোবৰত নগালেণ্ডৰ ডিমাপুৰৰ স্বস্তি গান হাউছৰ পৰা তেওঁ ক্ৰয় কৰিছিল। ১৪ জাঁই গুলীসহ পিষ্টলটো গগৈয়ে তিনি লাখ টকাৰে ক্ৰয় কৰিছিল। আনহাতে, এজন নগা লোকৰ পৰা এই পিষ্টলটোৰ অনুজ্ঞাপত্ৰ ঘনকান্ত গগৈয়ে লাভ কৰিছিল। জানিব পৰা মতে, নগা লোকজনে ১৯৯৩ চনৰ ১৭ জুনত উক্ত পিষ্টলটোৰ অনুজ্ঞাপত্ৰ লাভ কৰিছিল। পৰৱৰ্তী সময়ত এই অনুজ্ঞাপত্ৰৰ জৰিয়তেই নিজৰ নামত গগৈয়ে পিষ্টলটো লাভ কৰিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী সময়ত এই পিষ্টলটোৰে ঘনকান্ত গগৈয়ে কেইবাবাৰো কেইবাজনো লোকক ভাবুকি প্ৰদৰ্শন কৰাৰ দৰে ঘটনাত লিপ্ত হোৱাৰ অভিযোগ উত্থাপন হৈছে। শিৱসাগৰ আৰক্ষীয়ে গগৈক কাইলৈ সংশ্লিষ্ট আদালতত হাজিৰ কৰাৰ সম্ভাৱনা আছে।

অইলৰ গোচৰত কেন্দ্ৰ-ৰাজ্যলৈ উচ্চতম

তথা কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ পৰা উত্তৰ বিচাৰিছে উচ্চতম ন্যায়ালয়ে। অহা ১৭ নৱেম্বৰৰ ভিতৰত দুয়োখন চৰকাৰকে এই উত্তৰ দাখিল কৰিবলৈ উচ্চতম ন্যায়ালয়ে জাননী জাৰি কৰিছে। ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ তলত অৱস্থিত তৈল ভাণ্ডাৰত সম্প্ৰসাৰিত ড্ৰিলিং (এক্সটেণ্ডেড ৰিচ্ছ ড্ৰিলিং), চমুকৈ ই আৰ ডি পদ্ধতিৰে তৈলখনন কৰাৰ বাবে অইল ইণ্ডিয়া লিমিটেডে (অইল) দাখিল কৰা প্ৰস্তাৱ খাৰিজ কৰি কেন্দ্ৰীয় পৰিৱেশ বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ে জাৰি কৰা এক আদেশক প্ৰত্যাহ্বান জনাই ৰাজহুৱা খণ্ডৰ তৈল প্ৰতিষ্ঠানটোৱে দাখিল কৰা এখন আবেদন শুনানিৰ বাবে গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্ত, ন্যায়াধীশ জয়মাল্য বাগচী আৰু ন্যায়াধীশ ভি মোহনাৰ বিচাৰপীঠে আজি চৰকাৰলৈ এই জাননী জাৰি কৰে। উল্লেখ যে অইলে ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ এলেকাৰ তলত থকা তৈল ভাণ্ডাৰত তৈলখনন কৰাৰ বাবে অনুমতি বিচাৰি জনোৱা প্ৰস্তাৱ ২০২৪ চনৰ ৪ জুলাইত বন উপদেষ্টা সমিতিৰ বৈঠকত অগ্ৰাহ্য কৰা হৈছিল। তাৰ পৰৱৰ্তী সময়ত কেন্দ্ৰীয় পৰিৱেশ বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ে সেই বছৰৰে ২ আগষ্টত জাৰি কৰা এক আদেশযোগে ৰাষ্ট্ৰীয় উদ্যানখনৰ ভূগৰ্ভত তৈলখনৰ বাবে অইলে দিয়া প্ৰস্তাৱটো অগ্ৰাহ্য কৰে। বন উপদেষ্টা সমিতিৰ বৈঠকৰ সিদ্ধান্ত আৰু কেন্দ্ৰীয় পৰিৱেশ বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ৰ আদেশ দুয়োটাকে প্ৰত্যাহ্বান জনাই ৰাজহুৱা খণ্ডৰ তৈল প্ৰতিষ্ঠানটো উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে। উল্লেখ যে অইলে এই খননৰ বাবে তিনিচুকীয়া জিলাৰ তিনিচুকীয়া বন্যপ্ৰাণী সংমণ্ডলৰ প্ৰায় ০.০৬৯ হেক্টৰ বনভূমি ব্যৱহাৰ কৰাৰ প্ৰস্তাৱ দিছে। আবেদনকাৰীৰ হৈ উচ্চতম ন্যায়ালয়ত অৱতীৰ্ণ হোৱা জ্যেষ্ঠ অধিবক্তা ৰাকেশ দ্বিবেদীয়ে আদালতক জনায় যে অইলে ৰাষ্ট্ৰীয় উদ্যানখনৰ চাৰিসীমাৰ বাহিৰৰ বাঘজান পেট্ৰ'লিয়াম খনন লীজ এলেকাত ড্ৰিলিং আন্তঃগাঁথনি স্থাপন কৰি সেই স্থানৰ পৰা মাটিৰ তলেৰে ড্ৰিলিং কৰি ভূপৃষ্ঠৰ পৰা প্ৰায় ৪ হাজাৰ মিটাৰ তলত থকা তৈল ভাণ্ডাৰৰ পৰা খাৰুৱা তেল আহৰণ কৰিব। এই প্ৰকল্পৰ ফলত ৰাষ্ট্ৰীয় উদ্যানখনৰ উদ্ভিদকুল বা প্ৰাণীকুলৰ ওপৰত কোনো বিৰূপ প্ৰভাৱ নপৰে। ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া অঞ্চলত দেশৰ মুঠ হাইড্ৰ'কাৰ্বনৰ প্ৰায় ৩ শতাংশ হাইড্ৰ'কাৰ্বন মজুত আছে বুলি আদালতক অৱগত কৰি আবেদনকাৰীৰ পক্ষই জনায় যে অইলৰ এই প্ৰকল্পটো দেশৰ শক্তিখণ্ডৰ প্ৰতি অতি গুৰুত্বপূৰ্ণ আৰু সেয়ে ইয়াক অনুমতি দিয়াৰ প্ৰায়োজন। এই যুক্তি দাঙি ধৰি জ্যেষ্ঠ অধিবক্তা দ্বিবেদীয়ে আবেদনখন জৰুৰীভাৱে শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ আদালতক আৰ্জি জনায় যদিও আদালতে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পৰা উত্তৰ লাভ কৰাৰ পাছত অইলৰ এই আবেদনখনৰ যথাৰ্থতা পৰীক্ষা কৰিব বুলি শুনানিত মন্তব্য কৰে। আদালতে আবেদনকাৰীয়ে উত্থাপন কৰা বিষয় সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰক তেওঁলোকৰ স্থিতি স্পষ্ট কৰিবলৈ জাননী জাৰি কৰে আৰু অহা ১৭ নৱেম্বৰত আবেদনখনৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে।

ৰাহুল গান্ধীয়ে দেশৰ নহয়, খাৰ্গেৰ

প্ৰধানমন্ত্ৰীৰ দায়িত্ব চম্ভালি আছে জননেতা নৰেন্দ্ৰ মোডীয়ে। এয়াই দেশৰ বাস্তৱ কথা।'— এই মন্তব্য মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ। আজি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই সাংবাদিকৰ আগত কয় যে কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ প্ৰধানমন্ত্ৰী হোৱাৰ প্ৰবল হেঁপাহ। তাৰ বাবে কংগ্ৰেছ দলে সম্ভৱপৰ সকলো চেষ্টা চলাইছে। কিন্তু তাত কোনোমতেই সফল হ'ব নোৱাৰি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ ঘৰৰ বাৰাণ্ডাতেই প্ৰতীকী প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিছে ৰাহুল গান্ধীয়ে। ডঃ শৰ্মাই কয় যে প্ৰকৃত বিধানসভাত বিজেপিৰ মুখ্যমন্ত্ৰী থাকিব। আনহাতে প্ৰতীকী বিধানসভাত কংগ্ৰেছৰ মুখ্যমন্ত্ৰী থাকিব। প্ৰকৃত লোকসভাত বিজেপিৰ প্ৰধানমন্ত্ৰীয়ে দায়িত্ব চম্ভালিব, আনহাতে প্ৰতীকী সংসদত ৰাহুল গান্ধী প্ৰধানমন্ত্ৰী হ'ব। বিজেপিয়ে ৰাজপথত নামি প্ৰতিবাদ সাব্যস্ত কৰাক লৈ কংগ্ৰেছকে ধৰি বিৰোধী দলে সমালোচনা কৰিছে। সেই সমালোচনাৰ উত্তৰ দি আজি মুখ্যমন্ত্ৰী ডক্তৰ হিমন্ত বিশ্ব শৰ্মাই কয় যে শাসনত থকা মানুহে ৰাজপথত আন্দোলন কৰিব নোৱাৰিব বুলি কোনো কথা ক'তো লিখি থোৱা নাই। ১৯৩৫ চনৰ পাছত আমাৰ দেশত বহু ৰাজ্যত কংগ্ৰেছৰ চৰকাৰ আছিল। কিন্তু তেতিয়াও মহাত্মা গান্ধীয়ে স্বাধীনতাৰ বাবে আন্দোলন কৰিয়েই আছিল। গোপীনাথ বৰদলৈ অসমৰ মুখ্যমন্ত্ৰী হৈ থকা সময়তো গান্ধীজীৰ আন্দোলন চলিয়ে আছিল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কংগ্ৰেছক কটাক্ষ কৰি কয়— কংগ্ৰেছক শাসকীয় দলে ৰাজপথত আন্দোলন কৰিব নোৱাৰে বুলি কোনে ক'ত কেনেকৈ বুজাই দিলে, সেই কথাটোহে মই বুজা নাই। ডক্তৰ হিমন্ত বিশ্ব শৰ্মাই দৰিদ্ৰতা নিৰ্মূল কৰা, নিৰক্ষৰতা আঁতৰ কৰা, শিক্ষাৰ প্ৰসাৰ সাধন কৰা, গণতন্ত্ৰ ৰক্ষা কৰা আদিৰ আন্দোলন চলিয়েই থাকে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়— শাসকীয় দলৰ আন্দোলন ধ্বংসাত্মক নহয়। শাসকীয় দলৰ আন্দোলনত সা-সম্পত্তি ধ্বংস, পুলিচক অত্যাচাৰ কৰা আদি কাম কৰা নহয়। শাসক আৰু বিৰোধীৰ মাজৰ আন্দোলনৰ এয়াই পাৰ্থক্য বুলি উল্লেখ কৰি ডক্তৰ শৰ্মাই লগতে কয় যে ভাল কথাত সকলোৱে আন্দোলন কৰিব পাৰে। তেওঁৰ মন্তব্য— আমি ইতিবাচক আন্দোলন কৰি আছোঁ। সংখ্যালঘু অধ্যুষিত অঞ্চলত বিজেপিৰ সংগঠন প্ৰসাৰ কৰা সন্দৰ্ভতো আজি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। ডঃ শৰ্মাই কয়— আদৰ্শৰ সৈতে কোনোধৰণেৰে আপোচ নকৰাকৈ সংখ্যালঘু অধ্যুষিত অঞ্চলতো আমি সংগঠন বঢ়াই যাম। আমাৰ আদৰ্শও থাকিব। সংগঠনো বাঢ়ি যাব। ইতিমধ্যে নগাঁৱত আমি ভাল সঁহাৰি পাইছোঁ বুলি উল্লেখ কৰি ডঃ শৰ্মাই কয় যে বাল্য বিবাহ ৰোধ কৰা আৰু বিজেপিৰ আদৰ্শৰ সৈতে জড়িত বিষয়ৰে কোনো ধৰণেৰে আপোচ নকৰাকৈ বিজেপিয়ে সংখ্যালঘু অধ্যুষিত অঞ্চলত সংগঠন বঢ়াই যাব। চৰকাৰৰ জনকল্যাণকামী আঁচনিসমূহৰ জৰিয়তে সংখ্যালঘু এলেকাত বিজেপিৰ জনসমৰ্থন বঢ়াব বুলিও উল্লেখ কৰে ডঃ শৰ্মাই। ইতিমধ্যে সংখ্যালঘু অধ্যুষিত অঞ্চলত বিজেপিৰ জনসমৰ্থন পূৰ্বতকৈ যথেষ্ট পৰিমাণে বাঢ়িছে বুলি উল্লেখ কৰে কৰি সদ্য সমাপ্ত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত চামগুৰি, লাহৰীঘাটৰ দৰে অঞ্চলত বিজেপিয়ে যথেষ্ট ভোট পাইছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে সংখ্যালঘু এলেকাতো বিজেপিৰ গ্ৰহণযোগ্যতা আছে। গুৱাহাটীলৈ বুলেট ট্ৰেইনৰ প্ৰসাৰ সন্দৰ্ভতো আজি অভিমত ব্যক্ত কৰে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই। তেওঁ কয়— অসমৰ সপোন এতিয়া আকাশ চুৱাৰ। চিকেন নেকৰ মাজেৰে বুলেট ট্ৰেইন অসমলৈ প্ৰসাৰিত কৰি অনাত যথেষ্ট অসুবিধা আছিল যদিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতে আলোচনা কৰি বুলেট ট্ৰেইন গুৱাহাটীলৈ সম্প্ৰসাৰণৰ বিষয়টো আগবঢ়োৱা হৈছে বুলি উল্লেখ কৰি ডঃ শৰ্মাই কয় যে চিকেন নেকৰ বাইশ কিলোমিটাৰৰ মাজত নতুন ট্ৰেক বহোৱাটো যথেষ্ট অসুবিধাজনক। তাৰ বাবে সময় লাগিব। কাৰণ দিল্লীৰ নতুন ৰে'ল লাইন বহুৱাই আনিব লাগিব। কিন্তু বুলেট ট্ৰেইনৰ মানচিত্ৰত গুৱাহাটী সন্নিৱিষ্ট হোৱাটো অসমৰ বাবে নিশ্চয় এটা ইতিবাচক খবৰ। বুলেট ট্ৰেইনৰ সবিশেষ তেওঁ প্ৰধানমন্ত্ৰী মোডী আৰু ৰে'লমন্ত্ৰী বৈষ্ণৱৰ সৈতে বিতংভাৱে পাতিব বুলিও কয় মুখ্যমন্ত্ৰী ডঃ শৰ্মাই। বিদ্যুৎ মাচুল বৃদ্ধি সম্পৰ্কত ডঃ শৰ্মাই কয় যে চাৰি বা পাঁচ পইচাকৈ বঢ়া এই মাচুল বৃদ্ধি অতি ক্ষণস্থায়ী। পশ্চিম এছিয়াত অব্যাহত থকা যুদ্ধৰ পৰিপ্ৰেক্ষিতত পেট্ৰ'ল-ডিজেলকে ধৰি বিভিন্ন ইন্ধনজাত সামগ্ৰীৰ দাম বাঢ়িছে। তাৰ ফলত বিদ্যুতৰ উৎপাদন ব্যয়ো যথেষ্ট বাঢ়িছে। সেইবাবে প্ৰতি ইউনিটত চাৰি-পাঁচ পইচাকৈ বিদ্যুৎ মাচুল বঢ়াবলগীয়া হৈছে যদিও যুদ্ধ শেষ হোৱাৰ লগে লগে বা তিনি মাহ পাছত এই মাচুল নোহোৱা হৈ যাব বুলিও কয় মুখ্যমন্ত্ৰী ডঃ শৰ্মাই।

দেৱানী ন্যায়াধীশ (জ্যেষ্ঠ শাখা) নং-১ আদালত, কামৰূপ মহানগৰ, গুৱাহাটীত চমন
বাণিজ্যিক মোকৰ্দমা নং- ৮৩/২০২৪
ইউকো বেংক
...বাদী
-বনাম-
মেছাৰ্ছ ওম টেণ্ট হাউচ আৰু অন্যান্য
....বিবাদী

প্ৰতি,
১. মেছাৰ্ছ ওম টেণ্ট হাউচ,
ইয়াৰ স্বত্বাধিকাৰী শ্ৰীযুত সুব্ৰত চন্দাৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা, উদয়পুৰ, বিৰুবাৰী, গুৰুদ্বাৰৰ ওচৰত, ডাকঘৰ- গোপীনাথ নগৰ, গুৱাহাটী-১৬, জিলা- কামৰূপ (ম), অসম।
২. শ্ৰীযুত সুব্ৰত চন্দা, মেছাৰ্ছ ওম টেণ্ট হাউচৰ স্বত্বাধিকাৰী, উদয়পুৰ, বিৰুবাৰী, গুৰুদ্বাৰৰ ওচৰত, ডাকঘৰ- গোপীনাথ নগৰ, গুৱাহাটী-১৬, জিলা- কামৰূপ (ম), অসমত বাস কৰে।
যিহেতু, ওপৰত নাম উল্লেখ কৰা বাদীয়ে বিবাদীসকলৰ বিৰুদ্ধে ওপৰত উল্লেখ কৰা ধন মোকৰ্দমাখন ৮,৬৬,১৯৬.২০/- টকা (আঠ লাখ ছয়ষষ্ঠি হাজাৰ এশ ছিয়ানৈৰে টকা আৰু বিশ পইচা মাত্ৰ) আৰু ইয়াৰ ওপৰত সুদ, খৰচ আৰু অন্যান্য প্ৰতিকাৰৰ বাবে ধন আদায়ৰ উদ্দেশ্যে দাখিল কৰিছে, সেয়েহে উক্ত মোকৰ্দমাৰ উত্তৰ দিয়াৰ বাবে **০৬.১১.২০২৬** তাৰিখে পুৱা ১০.৩০ বজাত এই মাননীয় আদালতত নিজে অথবা অধিবক্তাৰ জৰিয়তে উপস্থিত হৈ লিখিত বিবৃতি, যদি থাকে, দাখিল কৰিবলৈ আপোনাক ইয়াৰ দ্বাৰা চমন জাৰি কৰা হ'ল। এইটো জানি ৰাখক যে, ইয়াত ওপৰত উল্লেখ কৰা দিনটোত আপোনাৰ উপস্থিতিৰ ক্ষেত্ৰত ব্যৰ্থ হ'লে, আপোনাৰ অনুপস্থিতিত গোচৰৰ কাৰ্যবিধি শুনানি গ্ৰহণ কৰি নিষ্পত্তি কৰা হ'ব। মোৰ স্বাক্ষৰ আৰু এই আদালতৰ মোহৰেৰে ১ আগষ্ট, ২০২৬ তাৰিখে গুৱাহাটীত প্ৰদান কৰা হ'ল।

দেৱানী ন্যায়াধীশ (জ্যেষ্ঠ শাখা) নং ১
কামৰূপ (ম), গুৱাহাটী

অসম কোষ

সুধাকণ্ঠ ভূপেন হাজৰিকাই পৰিচালনা কৰা 'মন প্ৰজাপতি' চলচ্চিত্ৰখনৰ 'এই ধুনীয়া গধূলি লগন', 'অ' অভিমানী বন্ধু' গীত দুটা গাইছিল আশা ভোছলেই। 'ব্ৰহ্মপুত্ৰ বোলছবি'ৰ প্ৰথম নিবেদন আছিল এই ছবিখন।

দৈনিক অসম

দিনটোৰ তাপমান (ডিগ্ৰী চেলছিয়াছ)

	সৰ্বাধিক	সৰ্বনিম্ন
গুৱাহাটী	৩২.৪	২১.৫
ডিব্ৰুগড়	৩০.৮	২১.৮
যোৰহাট	৩২.১	২২.৯
শ্বিলং	২৩	১৩.৩

৬২ বছৰ। ৮৯ সংখ্যা, গুৱাহাটী, ১৭ কাতি, বুধবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 62 NO. 89। GUWAHATI, WEDNESDAY, NOVEMBER 4, 2026

টোপাতলীত ৪৫৩ কোটি টকাৰে বৃহৎ ৰাসায়নিক উদ্যোগ স্থাপনৰ বিৰোধিতা

তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ দল-সংগঠনৰ

কৃষিভূমি আৰু পৰিৱেশ প্ৰদূষণৰ আশংকা ৰাইজৰ

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

সোণাপুৰ, ৩ নৱেম্বৰ ঃ ডিমৰীয়াৰ টোপাতলীত ৪৫৩ কোটি টকা বিনিয়োগেৰে বৃহৎ পৰিসৰৰ আন এক ৰাসায়নিক উদ্যোগ স্থাপনৰ তৎপৰতাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইয়াৰ বিৰুদ্ধে মুখৰ হৈ পৰিছে ডিমৰীয়াৰ বিভিন্ন দল-সংগঠন। ইতিমধ্যে অঞ্চলটোত কাৰ্যক্ষম হৈ থকা একেটা প্ৰতিষ্ঠানৰ উদ্যোগৰ পৰা নিৰ্গত বৰ্জিত ৰাসায়নিক পদাৰ্থই বৃহত্তৰ কৃষিভূমি আৰু প্ৰাকৃতিক পৰিৱেশ প্ৰদূষিত কৰাৰ অভিযোগ ১১ পৃষ্ঠাত চাওক



পৌৰ নিগমৰ নিৰ্বাচনত শিক্ষাগত অৰ্হতাৰ ভুৱা প্ৰমাণপত্ৰ বিতৰ্ক

শিলচৰত প্ৰতিবাদী সমদল, ৫ নৱেম্বৰৰ শপত গ্ৰহণ স্থগিত ৰখাৰ দাবী

দৈনিক অসমৰ প্ৰতিনিধি

শিলচৰ, ৩ নৱেম্বৰ ঃ শিলচৰ পৌৰ নিগমৰ কেইগৰাকীমান নৱনিৰ্বাচিত কাউন্সিলাৰৰ শিক্ষাগত অৰ্হতাৰ ভুৱা প্ৰমাণপত্ৰ দাখিল কৰাক লৈ সৃষ্টি হৈছে তীব্ৰ বিতৰ্ক। ভুৱা প্ৰমাণপত্ৰ ব্যৱহাৰৰ অভিযোগ তুলি পথলৈ ওলাই আহিল একাংশ শিক্ষিত যুৱক, শিক্ষক আৰু সচেতন নাগৰিক। এই অভিযোগৰ বিৰুদ্ধে আজি শিলচৰৰ ডি এছ এ খেলপথাৰৰ পৰা এক প্ৰতিবাদী সমদল উলিওৱা হয়। সমদলটো বিভিন্ন পথ ১১ পৃষ্ঠাত চাওক

মৰিগাঁৱত সদৌ তিৱা ছাত্ৰ সন্থাৰ সংবাদমেল

ট্ৰাইবেল ব্লক-বেল্টত শীঘ্ৰে বেদখল উচ্ছেদৰ দাবী



দৈনিক অসমৰ প্ৰতিনিধি

মৰিগাঁও, ৩ নৱেম্বৰ ঃ তিৱা স্বায়ত্তশাসিত পৰিষদক সংবিধানৰ ষষ্ঠ অনুসূচীভুক্তিকৰণৰ লগতে ১৭টাকৈ ট্ৰাইবেল বেল্ট আৰু ব্লকত অবৈধ বেদখল শীঘ্ৰেই উচ্ছেদ কৰাৰ দাবীত আজি মৰিগাঁৱত সদৌ তিৱা ছাত্ৰ সন্থাই এক গুৰুত্বপূৰ্ণ সংবাদমেল সম্বোধন কৰে। সংবাদমেলত ১১ পৃষ্ঠাত চাওক

সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সামৰণী অনুষ্ঠান

সাংস্কৃতিক মন্ত্ৰী বিমল বড়াৰ অধ্যক্ষতাত গুৰুত্বপূৰ্ণ বৈঠক



দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদ্‌যাপনৰ সামৰণী অনুষ্ঠানটি নতুন দিল্লীত নিয়াৰিকৈ অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি ১১ পৃষ্ঠাত চাওক

নগাঁও, হাইলাকান্দিত চাৰি চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি/প্ৰতিনিধি

নগাঁও, ৩ নৱেম্বৰ ঃ মধ্য অসমৰ নগাঁও আৰু মৰিগাঁও জিলাৰ কেতবোৰ ঠাই এতিয়া চাইবাৰ অপৰাধীৰ ৰম্যভূমিলৈ পৰ্যবসিত হৈছে। জিলা দুখনত সক্ৰিয় হৈ থকা চাইবাৰ অপৰাধী চক্ৰটোৱে বিভিন্নজনক প্ৰৱঞ্চনা কৰি অহাৰ অভিযোগ উত্থাপন হৈ আহিছে। শেহতীয়াকৈ মৰিগাঁও জিলাৰ লাহৰীঘাট আৰু মৈৰাবাৰীত আৰক্ষীয়ে কেইবাজনো চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম ১১ পৃষ্ঠাত চাওক

গহপুৰত দুৰ্ঘটনাত প্ৰাণ গ'ল বৃদ্ধাৰ

দৈনিক অসমৰ প্ৰতিনিধি

গহপুৰ, ৩ নৱেম্বৰ ঃ গহপুৰ সমজিলাৰ হেলেম থানাৰ অন্তৰ্গত চন্দামাৰীৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত আজি দুপৰীয়া সংঘটিত এক শোকাবহ পথ দুৰ্ঘটনাত এগৰাকী ৭০ বছৰীয়া মহিলাই প্ৰাণ হেৰুৱায়। নিহত মহিলাগৰাকী আমলখি দলনিৰ কলিমা গগৈ বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি, আজি দুপৰীয়া প্ৰায় ১২ বজাত অসম গ্ৰামীণ বিকাশ বেংকৰ চন্দামাৰী শাখাৰ পৰা ১১ পৃষ্ঠাত চাওক

যূনিয়ন বৈংক অফ ইণ্ডিয়া Union Bank of India

আঞ্চলিক কাৰ্যালয় গুৱাহাটী, ১ম মহলা, ইষ্ট এণ্ড বিল্ডিং, হাউচফেড কমপ্লেক্স, বশিষ্ঠ ৰোড, গুৱাহাটী-৭৮১০০৬

স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে বিক্ৰী জাননী

[পৰিশিষ্ট - IV-A] [বিধি ৮ (৬)ৰ অনুবিধি চাওঁক]

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু আমানত সুদৰ কাৰ্যকৰীকৰণ আইন, ২০০২ৰ সৈতে আমানত সুদ (বলৱৎকৰণ) নিয়মাৱলী ২০০২ৰ নিয়ম ৮(৬)ৰ অধীনত স্থাৱৰ সম্পদৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষকৈ ঋণী(সকল) আৰু জামিনদাৰ(সকল)ক জাননী দিয়া হৈছে যে চিকিউৰ্ড ক্ৰেডীটৰৰ ওচৰত বন্ধকীকৃত / নিৰ্বিখিত নিম্ন উল্লেখিত স্থাৱৰ সম্পত্তি, ইউনিয়ন বেংক অৱ ইণ্ডিয়াৰ অনুমোদিত বিষয়াৰ দ্বাৰা গঠনমূলক দখল গ্ৰহণ কৰা হৈছে আৰু বকেয়া ধন পুনৰ আদায়ৰ বাবে "য'ত আছে", "যি আছে" আৰু "যেনে আছে" তেনেই ভিত্তিত বিশদভাৱে তলত দিয়া তাৰিখত বিক্ৰী কৰা হ'ব। সংৰক্ষিত মূল্য আৰু আমানত ধন জমাৰ পৰিমাণ তলত উল্লেখ কৰা হৈছে।

ই-নিলামৰ তাৰিখ আৰু সময় : ১০/১২/২০২৬ দুপৰীয়া ১২.০০ বজাৰ পৰা বিয়লি ৫.০০ বজাৰ ভিতৰত (১০ মিনিটৰ অসিমীত স্বয়ংক্ৰীয় সম্প্ৰসাৰণৰ সৈতে)

ঋণী, সহ-আবেদনকাৰী আৰু জামিনদাৰ'ৰ নাম আৰু ঠিকনা : মেচাৰ্ছ ইণ্টিৰিয়ৰ ডেকৰ, প্ৰতিনিধিত্ব কৰিছে ইয়াৰ স্বত্বাধিকাৰী শ্ৰীযুত পাৰভেজ আলম, প্ৰয়াত আফতাব হুছেইনৰ পুত্ৰ, ঘৰ নং ২৫, সাত মাইল, গাড়িগাঁও, জালুকবাৰী ছোৱালী উচ্চ বিদ্যালয়ৰ বিপৰীতে, গৌহাটী বিশ্ববিদ্যালয়ৰ বিপৰীতে, গুৱাহাটী ৭৮১০১৪, অসম।

সুৰক্ষিত ঋণদাতাৰ নাম আৰু ঠিকনা : ইউনিয়ন বেংক অৱ ইণ্ডিয়া, জি এছ ৰোড শাখা, যুগল বজাৰ, ১ম মহলা, গণেশগুৰি চাৰিআলি, পোঃঅঃ দিছপুৰ, গুৱাহাটী, জিলা-কামৰূপ, অসম-৭৮১০০৫

স্থাৱৰ সম্পত্তিৰ বিৱৰণ : শ্ৰীযুত পাৰভেজ আলমৰ নামত ঘৰ নং ২৫, সাত মাইল, গাড়িগাঁও, জালুকবাৰী ছোৱালী উচ্চ বিদ্যালয়ৰ বিপৰীতে, পোঃঅঃ গৌহাটী বিশ্ববিদ্যালয়, ৰাজহ গাঁও কছাৰী গাড়িগাঁও, মৌজা জালুকবাৰী, ৰাজহ চক্ৰ - গুৱাহাটী, কামৰূপ (মেট্ৰ), অসম ৭৮১০১৪ত থকা পট্টা নং ১ (পু), ১০৭ (পু) / ২৭ (ন)ৰ দাগ নং ৩৩৫ (পু), ৩৩১ (পু) / ৩৫৪ (ন) ৰে আবৃত ১ কঠা ১৪.৬৬ লেচা পৰিমাপৰ মাটিৰ লগতে তাত থকা এটা জি+২ আৰচিচি অট্টালিকাৰ সকলো অংশ আৰু চাৰিসীমাৰে :- (বিক্ৰী দলিল নং ১০৫৬৩ / ৮৫ৰ অনুসৰি) উত্তৰে : প্ৰফেছৰ আলমৰ মাটি, দক্ষিণে : প্ৰফেছৰ কামেশ্বৰ দাসৰ মাটি, পূবে : গড়কাপ্তানী পথ (পূৰ্বৰ গড়), পশ্চিমে : অল ইণ্ডিয়া ৰেডিওৰ দেৱাল।

পাবলগীয়া ধন : ১,০৩,২৩,৪৮৭.১৭ টকা (এক কোটি তিনি লাখ তেইছ হাজাৰ চাৰিশ সাতাশী টকা আৰু সোতৰ পইচা) মাত্ৰ ২৪/০৯/২০২৬ লৈ লগতে অতিৰিক্ত সুত, মূল্য আৰু খৰচ।

সংৰক্ষিত মূল্য : ১,৩৬,৯৫,০০০.০০ টকা (এক কোটি ছয়ত্ৰিশ লাখ আৰু পঁচানব্বৈ হাজাৰ টকা মাত্ৰ)

জমা দিবলগীয়া আমানত ধন : ১৩,৬৯,৫০০.০০ টকা (তেৰ লাখ উনসত্তৰ হাজাৰ পাঁচশ টকা মাত্ৰ)

ডাক বৃদ্ধি পৰিমাণ : ১,৩৬,৯৫০/- টকা (এক লাখ ছয়ত্ৰিশ হাজাৰ নশ পঞ্চাশ টকা মাত্ৰ)

বিক্ৰীৰ বিশদ চৰ্ত আৰু নিৰ্দেশনাৱলীৰ বাবে অনুগ্ৰহ কৰি https://www.unionbankofindia.co.in/auction-property/view-auction-property.aspx আৰু https://baanknet.com-ত প্ৰদান কৰা লিংক চাওঁক। পঞ্জীয়ন আৰু লগইন আৰু ডাক নিয়মাৱলীৰ বাবে https://baanknet.com চাওঁক (ক্ৰেতাৰ পঞ্জীয়ন - লিংক ৱেবছাইটৰ হোম পেজত দিয়া আছে)।

স্থান : গুৱাহাটী
তাৰিখ : ২৭/১০/২০২৬

অনুমোদিত বিষয়া
ইউনিয়ন বেংক অৱ ইণ্ডিয়া

SUMMONS

IN THE COURT OF THE CIVIL JUDGE (JR. DIV.) No. 1, KAMRUP (M) AT GUWAHATI

Money Suit No. 241/2021

State Bank of India ... Plaintiff

- Vs -

M/s. Stuti Optical ... Defendant

To,

1) **M/s. Stuti Optical**
Prop. Monoranjan Medhi
H/No. 157, Rajgarh Road
Guwahati - 781007, Ph.: 0361-2469917

2) **Monoranjan Medhi**
H/No. 157, Rajgarh Road
Guwahati - 781007, Ph.: 0361-2469917

Take notice that the above named plaintiff has instituted a suit against you for recovery of ₹**4,32,161.25** with up to date interest at agreed rate till realization.

Take notice that on **13-11-26** has been fixed for your appearance and for filing your written statement.

In default the matter will be heard and determined in such absence.

Given under my hand and seal of this court on **02-09-26**.

Sd/- **Civil Judge (Jr. Div.) No. 1**
Kamrup (M) at Guwahati

দেৱানী ন্যায়াধীশ (কনিষ্ঠ শাখা) নং-২ আদালত, কামৰূপ (মহানগৰ), গুৱাহাটীত

চমন

ধন মোকৰ্দমা নং- ৪০০/২০২২

এইচ.ডি.এফ.চি. বেংক লিমিটেড আৰু অন্যান্য ....বাদী

-বনাম-

হিতেশ চন্দ্ৰ দাস ....বিবাদী

প্ৰতি,
১. হিতেশ চন্দ্ৰ দাস,
মাৰফৎ- স্বৰ্গীয় কেশৱ চন্দ্ৰ দাস,
দ্য আছাম ভেলী স্কুল,
ডাকঘৰ- বালিপাৰা, তেজপুৰ,
জিলা- শোণিতপুৰ, অসম।
লগতে এই ঠিকনাতঃ
হিতেশ চন্দ্ৰ দাস,
বোণ্ডাপাৰা হাইস্কুলৰ সমীপত,
গাঁও- বোণ্ডাপাৰা,
ডাকঘৰ- বোণ্ডাপাৰা, বকো, জিলা- কামৰূপ (গ্ৰাম্য), পিন- ৭৮১১৩৫, অসম।

যিহেতু, বাদীয়ে আপোনাৰ বিৰুদ্ধে ঘোষণা, ৪,৫৭,৮৭৬/- টকা (চাৰি লাখ সাতান্ন হাজাৰ আঠশ ছয়সত্তৰ টকা মাত্ৰ) ১৮ শতাংশ সুদসহ আদায় আৰু বিবাদীৰ নামত থকা স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তিসমূহ বিক্ৰীৰ বাবে ওপৰত উল্লেখ কৰা স্বত্ব মোকৰ্দমাখন দাখিল কৰিছে। পৰৱৰ্তী তাৰিখ ১১/০১/২০২৭ তাৰিখে এছ.আৰ./ডব্লিউ.এছ.ৰ বাবে ধাৰ্য কৰা হৈছে।

সেয়েহে, নিৰ্ধাৰিত তাৰিখে এই আদালতত উপস্থিত হৈ আপোনাৰ উত্তৰ, যদি থাকে, দাখিল কৰিবলৈ আপোনাক ইয়াৰ দ্বাৰা নিৰ্দেশ দিয়া হৈছে। অন্যথা, আপোনাৰ অনুপস্থিতিতে বিষয়টোৰ শুনানি গ্ৰহণ কৰি সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

মোৰ স্বাক্ষৰ আৰু এই আদালতৰ মোহৰেৰে ০৭ অক্টোবৰ ২০২৬ তাৰিখে গুৱাহাটীত প্ৰদান কৰা হ'ল।

দেৱানী ন্যায়াধীশ
(কনিষ্ঠ শাখা), নং-২
কামৰূপ (ম), গুৱাহাটী

জিৰিকিন্দেঙত খুলশালিয়েকে প্ৰাণ ল'লে ভিনিহিয়েকৰ



দৈনিক অসমৰ প্ৰতিনিধি

হামৰেণ, ৩ নৱেম্বৰ ঃ পশ্চিম কাৰ্বি আংলং জিলাৰ জিৰিকিন্দেঙত কালি নিশা সংঘটিত হয় এক লোমহৰ্ষক হত্যাকাণ্ড। জিৰিকিন্দেং থানাৰ অন্তৰ্গত মুখিম গাঁৱত এই ঘটনা সংঘটিত হয়। প্ৰাপ্ত তথ্যমতে, দিনৰ ভাগত একেলগে হাঁহি-স্ফূৰ্তিৰে কাম-কাজ কৰি কটোৱা ভিনিহিয়েক- ১১ পৃষ্ঠাত চাওক

গোৰেশ্বৰত অবৈধ ধন সংগ্ৰহ


এ বি এম এছ ইউৰ দুই সদস্যক নিলম্বন

দৈনিক অসমৰ প্ৰতিনিধি

গোৰেশ্বৰ, ৩ নৱেম্বৰ ঃ তামুলপুৰ জিলাৰ এ বি এম এছ ইউৰ দুই সদস্যৰ বিৰুদ্ধে নিশা ডাম্পাৰৰ পৰা অবৈধভাৱে ধন সংগ্ৰহ কৰাৰ অভিযোগে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজি সংগঠনৰ দুগৰাকী সদস্যক সাধাৰণ সদস্য পদৰ পৰা নিলম্বন কৰে ১১ পৃষ্ঠাত চাওক

মাজুলীৰ ৰাসক লৈ সষ্টম জিলা প্ৰশাসন

৬৪ সমিতিৰে আয়ুক্তৰ বৈঠক



দৈনিক অসমৰ প্ৰতিনিধি

মাজুলী, ৩ নৱেম্বৰ ঃ আধ্যাত্ম্য দৰ্শনেৰে পুষ্ট মাজুলীৰ বাৎসৰিক শ্ৰীকৃষ্ণৰ ৰাসোৎসৱ এইবেলিও মহাসমাৰোহেৰে উদ্‌যাপন কৰিবলৈ জিলাখনৰ সত্ৰসমূহৰ লগতে মঞ্চসমূহত ক্ৰমে ব্যাপক তৎপৰতা পৰিলক্ষিত হৈছে। যোৱা লক্ষ্মী পূৰ্ণিমাত ৰাসৰ নাট মেলাৰ পাছত আৰম্ভ হোৱা আখৰাৰে ইতিমধ্যে ৰাস মঞ্চসমূহে ১১ পৃষ্ঠাত চাওক

ভাৰতীয় ষ্টেট বেংক
তেলিগাঁও শাখা
তেলিগাঁও, জিলা- শোণিতপুৰ, অসম- ৭৮৪১৪৯

পৰিশিষ্ট-XIV
{নিয়ম-৮(১১) চাওক}
দখল জাননী
(স্থাৱৰ সম্পত্তিৰ বাবে)

যিহেতু ঃ

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ কাৰ্যকৰীকৰণ আইনৰ {আইন, ২০০২ (২০০২-ৰ ৫৪)} অধীনত **ভাৰতীয় ষ্টেট বেংক, তেলিগাঁও শাখাৰ** নিম্নস্বাক্ষৰকাৰী কৰ্তৃত্বশীল বিষয়া হিচাপে আৰু প্ৰতিভূতি স্বাৰ্থৰ (কাৰ্যকৰীকৰণ) বিধি, ২০০২ৰ ১৩(১২) অনুচ্ছেদৰ অধীনত ৰুল ৩ পঢ়ি, তেওঁৰ ওপৰত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি ঋণী **শ্ৰীমতী দীপালী দেৱী, স্বামী- লীলা ধৰ নাথক** জাননীত উল্লেখ কৰা ধনৰ পৰিমাণ **১১,৩৮,৭৭১/- টকা (এঘাৰ লাখ আঠত্ৰিছ হাজাৰ সাতশ এসত্তৰ টকা মাত্ৰ)** উক্ত জাননী লাভ কৰা তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ আহ্বান জনাই **১৯/০৮/২০২৬** তাৰিখে দাবী জাননী জাৰি কৰিছিল।

ঋণীয়ে ওপৰোক্ত পৰিমাণৰ ধনৰাশি পৰিশোধ কৰিবলৈ সক্ষম নোহোৱাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ দ্বাৰা ঋণী আৰু সাধাৰণ ভাৱে ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হ'ল যে নিম্নস্বাক্ষৰকাৰীয়ে উক্ত আইনৰ ধাৰা ১৩(৪)ৰ লগতে উক্ত বিধিৰ ৰুল ৮ পঢ়ি, ইয়াৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি **২০২৬ চনৰ ৩০ অক্টোবৰ** তাৰিখত তলত উল্লেখ কৰা সম্পত্তি দখল কৰে।

বিশেষকৈ ঋণী আৰু সাধাৰণ ভাৱে ৰাইজক উক্ত সম্পত্তিৰ ক্ৰয়-বিক্ৰয় কাৰ্যকলাপত জড়িত নহবলৈ ইয়াৰ দ্বাৰাই সকীয়াই দিয়া হ'ল আৰু এনে ধৰণৰ যিকোনো ক্ৰয়-বিক্ৰয় লেনদেন কেৱল **ভাৰতীয় ষ্টেট বেংকক** উক্ত সম্পত্তিৰ সম্পৰ্কে **১১,৬২,২৯৭/- টকা (এঘাৰ লাখ বাষষ্ঠি হাজাৰ দুশ সাতানব্বৈ টকা মাত্ৰ)** আৰু তাৰ ওপৰত সুত আদায় দিয়াৰ চৰ্তত হে কৰিব পৰা যাব।

সুৰক্ষিত সম্পদ পুনৰ লাভ কৰাৰ সংক্ৰান্ত উপলবদ্ধ সময়ৰ ক্ষেত্ৰত ওপৰোক্ত আইনৰ ১৩ অনুচ্ছেদৰ উপ-অনুচ্ছেদ (৮)ৰ ব্যৱস্থাৱলীৰ প্ৰতি ঋণীৰ মনোযোগ আকৰ্ষণ কৰা হল।

স্থাৱৰ সম্পত্তিৰ বিৱৰণ ঃ

লীলা ধৰ নাথৰ পত্নি শ্ৰীমতী দীপালী দেৱীৰ নামত গাঁও- দেউৰীগাঁও, মৌজা- ভৈৰবপদ, ৰাজহ চক্ৰ তেজপুৰ, জিলা- শোণিতপুৰ, অসমত অৱস্থিত পেৰিয়ডিক পট্টা নং ৩০৭-ৰ দাগ নং ৮৬৬-ৰ অধীনৰ ১ কঠা ১৭ লেচা পৰিমাপৰ ভূমিৰ প্লটৰ ইএমটিডি। **চাৰিসীমা:- উত্তৰে:** বি শইকীয়া, **দক্ষিণে:** পট্টাদাৰৰ নিজৰ ভূমি, **পূবে:** পথ (৮ ফুট বহল), **পশ্চিমে:** সামৰিক বিভাগ।

তাৰিখঃ ৩১-১০-২০২৬
স্থান ঃ তেজপুৰ

কৰ্তৃত্বশীল বিষয়া
ভাৰতীয় ষ্টেট বেংক

জাননী

২০২৬-২৭ শিক্ষাবৰ্ষৰ বাবে অসমৰ অ' বি চি (OBC) আৰু অনুসূচিত জাতি (SC)ৰ শিক্ষাৰ্থীসকলৰ প্ৰাক্-প্ৰৱেশিকা আৰু প্ৰৱেশিকোত্তৰ জলপানিৰ বাবে আবেদন

অসমৰ অনুসূচিত জাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ সঞ্চালকালয়ৰ দ্বাৰা প্ৰকাশিত বিজ্ঞাপনটোৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰা হৈছে, যাৰ জৰিয়তে অসমৰ অন্যান্য পিছপৰা শ্ৰেণী (OBC) আৰু অনুসূচিত জাতি (SC) সম্প্ৰদায়ৰ যোগ্য শিক্ষাৰ্থীসকলৰ পৰা ৰাষ্ট্ৰীয় জলপানি প'ৰ্টেল (NSP-https://scholarships.gov.in) যোগে নিম্নলিখিত আঁচনিসমূহৰ বাবে অনলাইন আবেদন আমন্ত্ৰণ কৰা হৈছিল

১. অ'বি চি (OBC) শিক্ষাৰ্থীসকলৰ বাবে প্ৰাক-প্ৰৱেশিকা জলপানি (নৱম আৰু দশম শ্ৰেণী)
২. অ'বি চি (OBC) শিক্ষাৰ্থীসকলৰ বাবে প্ৰৱেশিকোত্তৰ জলপানি
৩.অনুসূচিত জাতি (SC) শিক্ষাৰ্থীসকলৰ বাবে প্ৰাক-প্ৰৱেশিকা জলপানি (নৱম আৰু দশম শ্ৰেণী)
৪. অনুসূচিত জাতি (SC) শিক্ষাৰ্থীসকলৰ বাবে প্ৰৱেশিকোত্তৰ জলপানি

এই সন্দৰ্ভত, ইয়াৰ দ্বাৰা জনোৱা হৈছে যে উপৰোক্ত আঁচনিসমূহৰ অধীনত ২০২৬-২৭ শিক্ষাবৰ্ষৰ বাবে প্ৰতিষ্ঠান পৰ্যায়ৰ সত্যতা নিৰূপণ (Institute Level Verification)ৰ অন্তিম তাৰিখ তলত দেখুওৱাৰ দৰে বৃদ্ধি কৰা হৈছে ঃ

ক্ৰমিক নং	আঁচনিৰ নাম	প্ৰতিষ্ঠান পৰ্যায়ৰ সত্যতা নিৰূপণৰ তাৰিখ	সংশোধিত প্ৰতিষ্ঠান পৰ্যায়ৰ সত্যতা নিৰূপণৰ তাৰিখ
১	অ'বিচি (OBC) শিক্ষাৰ্থীসকলৰ বাবে প্ৰাক-প্ৰৱেশিকা জলপানি (নৱম আৰু দশম শ্ৰেণী)	৩১ অক্টোবৰ, ২০২৬	৩০ নৱেম্বৰ, ২০২৬
২	অ'বিচি (OBC) শিক্ষাৰ্থীসকলৰ বাবে প্ৰৱেশিকোত্তৰ জলপানি	৩১ অক্টোবৰ, ২০২৬	৩০ নৱেম্বৰ, ২০২৬
৩	অনুসূচিত জাতি (SC) শিক্ষাৰ্থীসকলৰ বাবে প্ৰাক-প্ৰৱেশিকা জলপানি (নৱম আৰু দশম)	৩১ অক্টোবৰ, ২০২৬	১৫ নৱেম্বৰ, ২০২৬
৪	অনুসূচিত জাতি (SC) শিক্ষাৰ্থীসকলৰ বাবে প্ৰৱেশিকোত্তৰ জলপানি	৩১ অক্টোবৰ, ২০২৬	১৫ নৱেম্বৰ, ২০২৬

সঞ্চালক,
অনুসূচিত জাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ সঞ্চালকালয়, অসম
দিছপুৰ, গুৱাহাটী-০৬

DIPR/D/DA/482/4-Nov-26

বেংক অফ মহাৰাষ্ট্ৰ Bank of Maharashtra
ভাৰত সৰকাৰ কা উদ্যম
এক পৰিবাৰ এক বেংক

গুৱাহাটী মাণ্ডলিক কাৰ্যালয়
১ম মহলা, দ্বাৰকা চেন্টাৰ, শনি ৰাম বৰা পথ, বৰা চাৰিয়াৰি ওচৰত, উলুবাৰী, জি.এছ. ৰোড, গুৱাহাটী- ৭৮১০০৭
ই-মেইলঃ dzmguwahati@bankofmaharashtra.bank.in; cmfsmc_guw@bankofmaharashtra.bank.in

দাবী জাননী

আমি নিম্নলিখিত ঋণগ্ৰহণকাৰীক জনাবলগীয়া হৈছে যে, বেংক অৱ মহাৰাষ্ট্ৰ, গোলাঘাট শাখাৰ দ্বাৰা আপোনাক তলত উল্লেখ কৰা ঋণ সুবিধাসমূহ মঞ্জুৰ কৰা হৈছিল। উক্ত ঋণ সুবিধাসমূহ গ্ৰহণ কৰাৰ বিনিময়ত আপুনি বেংকৰ পক্ষত প্ৰয়োজনীয় নথিপত্ৰসমূহ সম্পাদন কৰিছে আৰু বেংকৰ পক্ষত চাৰ্জ আৰু জামিনো সৃষ্টি কৰিছে। আমাৰ বাবে বাবে দাবী জনোৱাৰ পিছতো আপুনি এতিয়ালৈকে পৰিশোধ কৰিবলগীয়া ধন পৰিশোধ কৰা নাই। সেয়েহে, কিস্তি/সুদ/মূল ঋণ পৰিশোধ নকৰাৰ ফলত, আৰ.বি.আই.-ৰ নিৰ্দেশনা অনুসৰি আপোনাৰ একাউণ্ট(সমূহ) অনাদায়ী সম্পত্তি (নন-পাৰ্ফৰ্মিং এছেট) হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। বেংকৰ পাওনা ধন আদায়ৰ বাবে বেংক অৱ মহাৰাষ্ট্ৰ, গোলাঘাট শাখাৰ দ্বাৰা আপোনাৰ বিৰুদ্ধে দাবী/ঋণ ঘূৰাই বিচৰা জাননী জাৰি কৰা হৈছিল, কিন্তু উক্ত জাননীখন প্ৰদান নকৰাকৈ ঘূৰাই পঠিওৱা হৈছে। ইয়াৰ বিৱৰণ তলত দিয়া হ'লঃ

শাখা/ঋণগ্ৰহণকাৰীৰ নাম আৰু ঠিকনা	ঋণৰ প্ৰকৃতি/সীমা	এন.পি.এ.ৰ তাৰিখ/দাবী জাননীৰ তাৰিখ/বকেয়া ধন	জামিনযুক্ত সম্পত্তিৰ বিৱৰণ
গোলাঘাট শাখা **মেছাৰ্ছ ফটোকিনা** (ঋণগ্ৰহণকাৰী)ঃ শ্ৰী/শ্ৰীমতী মণ্টু কুমাৰ সাহা (স্বত্বাধিকাৰী) **ঠিকনাঃ** ৰুম নং-৩, টেনিছ ক্লাব কমপ্লেক্স, বাটা পইণ্ট মেইন ৰোড, গোলাঘাট- ৭৮৫৬২১।	২৪,০০,০০০/- টকাৰ নগদ ঋণ (চৌবিশ লাখ টকা মাত্ৰ)।	**এন.পি.এ.ৰ তাৰিখ-** ২২/১০/২০২৬ **দাবী জাননীৰ তাৰিখ-** ২৬/১০/২০২৬ **বকেয়া ধন-** ২৪,০০,২২১.৪৪ টকা (চৌবিশ লাখ দুশ একৈশ টকা আৰু চৌৱাল্লিশ পইচা মাত্ৰ), লগতে প্ৰযোজ্য হাৰ অনুসৰি ২২.১০.২০২৬ তাৰিখৰ পৰা পৰৱৰ্তী সুদ আৰু ইয়াৰ ওপৰত অন্যান্য মাচুল।	মেছাৰ্ছ ফটোকিনাৰ নামত থকা ষ্টক আৰু হিচাপৰ বহীত থকা দেনাসমূহৰ বন্ধকীকৰণ, যিটো ৰুম নং-৩, টেনিছ ক্লাব কমপ্লেক্স, বাটা পইণ্ট মেইন ৰোড, গোলাঘাট-৭৮৫৬২১ত অৱস্থিত।

আপোনাৰ দ্বাৰা বেংকৰ পক্ষত সম্পাদন কৰা চুক্তিসমূহৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি, বেংকে ইয়াৰ দ্বাৰা আপোনাক এই জাননী প্ৰকাশৰ তাৰিখৰ পৰা ১৫ দিনৰ ভিতৰত ওপৰত উল্লেখ কৰা সম্পূৰ্ণ ধনৰাশি আৰু ইয়াৰ ওপৰত সুদ তথা অন্যান্য মাচুল পৰিশোধ কৰিবলৈ আহ্বান জনাইছে। অন্যথা, বেংকে আপোনাৰ দ্বাৰা সম্পাদন কৰা ঋণ চুক্তি/নথিপত্ৰসমূহৰ চৰ্তাৱলী অনুসৰি বেংকৰ পাওনা ধন আদায়ৰ বাবে বন্ধকীকৃত সম্পত্তিসমূহ জব্দ কৰি সেইসমূহ বিক্ৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অধিকাৰপ্ৰাপ্ত হ'ব, ইয়াৰ উপৰি বেংকৰ হাতত উপলব্ধ অন্যান্য অধিকাৰসমূহো প্ৰয়োগ কৰিব পাৰিব। অনুগ্ৰহ কৰি মন কৰিব যে, এই জাননী প্ৰকাশৰ পিছত, আপুনি ওপৰত উল্লেখ কৰা ঋণ একাউণ্টত বেংকৰ পক্ষত বন্ধকীকৃত সম্পত্তিসমূহ বিক্ৰীৰ জৰিয়তে বা পট্টাত দিয়াৰ জৰিয়তে হস্তান্তৰ কৰিব নোৱাৰিব। এই সন্দৰ্ভত, বন্ধকীকৃত সম্পত্তিসমূহ জব্দ/বিক্ৰী কৰাৰ বাবে সকলো প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাত বেংকক সহায় কৰিবলৈ বেংকে নিজৰ তালিকাভুক্ত আদায়কাৰী সংস্থা/জব্দকাৰী সংস্থাৰ সেৱা নিয়োগ কৰিব। বন্ধকীকৃত সম্পত্তিসমূহ জব্দ কৰা আৰু বিক্ৰী কৰাৰ ফলত বা সেই কাৰ্য সম্পাদন কৰাৰ সময়ত হ'ব পৰা কোনো ধৰণৰ ক্ষতি বা লোকচানৰ বাবে বেংক দায়বদ্ধ বা দায়ী নহ'ব। পাওনা ধন আদায়ৰ বাবে উপযুক্ত আদালতৰ সন্মুখত আইনী কাৰ্যবিধি আৰম্ভ কৰাৰ বেংকৰ অধিকাৰসমূহ অক্ষুণ্ণ ৰাখি বেংকে এই জাননী জাৰি কৰিছে। ইয়াৰ উপৰি, এই সন্দৰ্ভত হোৱা মাচুল/ব্যয়/খৰচৰ বাবে আপুনি সম্পূৰ্ণৰূপে দায়বদ্ধ হ'ব আৰু উক্ত ধন পৰিশোধ কৰিবলৈ বাধ্য থাকিব, যিবোৰ ওপৰত উল্লেখ কৰা হৈছে। আমি আশা কৰোঁ যে, আপুনি এনে পৰিস্থিতি এৰাই চলিব আৰু তাৎক্ষণিকভাৱে ধনৰাশি জমা কৰিব।

স্থানঃ গুৱাহাটী
তাৰিখঃ ০২/১১/২০২৬

কৰ্তৃত্বপ্ৰাপ্ত বিষয়া
বেংক অৱ মহাৰাষ্ট্ৰ, গোলাঘাট শাখা

পঞ্জাৱ নেচনেল বেংক punjab national bank ...the name you can BANK upon !

ষ্ট্ৰেছড এছেট মেনেজমেণ্ট শাখা, কলকাতা
ইউনাইটেড টাৱাৰ, ৩য় মহলা, ১১ হেমন্ত বসু সৰণি, কলকাতা - ৭০০ ০০১
ই-মেইল ঃ zs8350@pnb.bank.in, মোবাইল ঃ 9433043490/9748797004

স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে বিক্ৰী জাননী

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰগঠন আৰু প্ৰতিভূতিৰ স্বাৰ্থ আইন, ২০০২ৰ অধীনৰ সৈতে প্ৰতিভূতি স্বাৰ্থ (বলৱৎকৰণ) বিধি, ২০০২ৰ বিধি ৮(৬)ৰ ব্যৱস্থাৱলীৰ জৰিয়তে স্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ জৰিয়তে জনসাধাৰণ আৰু বিশেষভাৱে ঋণী(সকল) আৰু জামিনদাৰ(সকল)লৈ জাননী জাৰি কৰা হয় যে তলত বিৱৰণ দিয়া স্থাৱৰ সম্পত্তিবোৰ নিশ্চিত ঋণদাতাৰ ওচৰত বন্ধকীকৃত/দায়িবদ্ধ, যাৰ দখল বেংকে/নিশ্চিত ঋণ দাতাৰ কৰ্তৃত্বশীল বিষয়াই লৈ থৈছে সংশ্লিষ্ট ঋণী(সকল) আৰু জামিনদাৰ(সকল)ৰ পৰা বেংক/নিশ্চিত ঋণদাতাৰ ওচৰত দেয় আদায় কৰাৰ বাবে সেইবোৰ তলত উল্লেখ কৰা তাৰিখত **'য'ত যিদৰে আছে', 'য'ত যেনেকৈ আছে'** আৰু **'তাত যি আছে'** ভিত্তিত বিক্ৰী কৰা হ'ব। সংশ্লিষ্ট সম্পত্তিবোৰৰ বিপৰীতে সংৰক্ষিত মূল্য আৰু আমানতৰ ধন, তলৰ তালিকাত দিয়া হৈছে।

প্ৰতিভূতি সম্পদবোৰৰ অনুসূচী

লট নং	শাখাৰ নাম / একাউণ্টৰ নাম ঃ মেচাৰ্ছ পি.বি এণ্টাৰপ্ৰাইজ / ঋণী/জামিনদাৰসকলৰ একাউণ্টৰ নাম আৰু ঠিকনা	বন্ধকীকৃত স্থাৱৰ সম্পত্তিৰ বিৱৰণ/ গৰাকীৰ নাম [সম্পত্তি(সমূহ)ৰ বন্ধকদাতা]	ক) ছাৰফেচি(SARFAESI) আইন ২০০২-ৰ ধাৰা ১৩(২)ৰ অধীনত দাবী জাননীৰ তাৰিখ খ) বিক্ৰীৰ তাৰিখলৈকে অনাদায় ধনৰ পৰিমাণ। গ) চাৰফেচি আইন ২০০২-ৰ ধাৰা ১৩(৪)ৰ অধীনত দখলীকৰণৰ তাৰিখ ঘ) দখলীকৰণৰ ধৰণ প্ৰতীকী/কায়িক/ নিৰ্মাণমূলক	ক) সংৰক্ষিত মূল্য (টকা লাখত) খ) ইএমডি গ) ডাক বৃদ্ধিৰ পৰিমাণ	ই-নিলামৰ তাৰিখ/সময়	নিশ্চিত ঋণদাতা সকলৰ দ্বাৰা জ্ঞাত দয়বদ্ধতাৰ বিতং
১	পিএনবি - এছএএমবি কলকাতা। **ইউনাইটেড টাৱাৰ, ৩য় মহলা, ১১ হেমন্ত বসু সৰণি, কলকাতা - ৭০০ ০০১** মচাৰ্ছ প্ৰাইড কোক প্ৰাইভেট লিমিটেড **ঋণী ঃ** **মেচাৰ্ছ প্ৰাইড কোক প্ৰাইভেট লিমিটেড** পঞ্জীয়নভুক্ত কাৰ্যালয়: ঘৰ নং ৩/১ ৰাজদীপ কমপ্লেক্স, ১ম মহলা, এইচডিএফচি এটিএম-ৰ ওপৰত, এফ.এ. ৰোড, কুমাৰপাৰা, গুৱাহাটী, জিলা - কামৰূপ, অসম-৭৮১০০১। **কাৰখানা:** গাঁও - আমভেৰ, ১২ মাইল, যোৰাবাট, কামৰূপ, অসম - ৭৮১০২৩। **সঞ্চালক আৰু জামিনদাৰসকল:** ১) **শ্ৰী অমিত আগৰৱালা (সঞ্চালক আৰু জামিনদাৰ),** পিতা - শ্ৰী হৰি আগৰৱালা, গৃহ নং ১০, গায়ত্ৰী ৰেছিডেন্সী, গুলাব কুঞ্জ, এনপি পথ, খ্ৰীষ্টান বস্তি, আৰক্ষী থানা - দিছপুৰ, গুৱাহাটী - ৭৮১০০৫। ২) **শ্ৰী সঞ্জীৱ ডেকা (সঞ্চালক আৰু জামিনদাৰ),** পিতা - শ্ৰী চান্দৱাপা কবিৰাম ডেকা, গৃহ নং ৭, আনন্দ নগৰ, ছয় মাইল, ডাকঘৰ - খানাপাৰা, গুৱাহাটী - ৭৮১০২২। ৩) **শ্ৰী হেমন্ত হাৰলালকা (সঞ্চালক আৰু জামিনদাৰ),** পিতা - শ্ৰী কমল হাৰলালকা, শ্ৰীসদন, ৩য় মহলা, বিআৰ ফুকন ৰোড, কুমাৰপাৰা, গুৱাহাটী - ৭৮১০০৯। ৪) **শ্ৰীমতী নিশা হাৰলালকা (সঞ্চালক আৰু জামিনদাৰ),** স্বামী - শ্ৰী কমল কুমাৰ হাৰলালকা, শ্ৰীসদন, ৩য় মহলা, বিআৰ ফুকন ৰোড, কুমাৰপাৰা, গুৱাহাটী - ৭৮১০০৯। ৫) **শ্ৰী হৰি চন্দ্ৰ আগৰৱালা (জামিনদাৰ),** পিতা - প্ৰয়াত বিহাৰীলাল আগৰৱালা, গৃহ নং ১০, গায়ত্ৰী ৰেছিডেন্সী, গুলাব কুঞ্জ, এনপি পথ, খ্ৰীষ্টান বস্তি, আৰক্ষী থানা - দিছপুৰ, গুৱাহাটী, অসম - ৭৮১০০৫। ৬) **শ্ৰী বিপিন সিংহল (জামিনদাৰ),** ইউনিক প্লাজা, ৪ৰ্থ মহলা, গলি নং ০৮, এনএইচ- ৩৭, বেলতলা, গুৱাহাটী - ৭৮১০২৮। ৭) **শ্ৰী কমল কুমাৰ হাৰলালকা (জামিনদাৰ),** পিতা - শ্ৰী ৰামস্বৰূপ হাৰলালকা, শ্ৰীসদন, ৩য় মহলা, বিআৰ ফুকন ৰোড, কুমাৰপাৰা, গুৱাহাটী - ৭৮১০০৯। ৮) **শ্ৰী অমিয় ইছলাৰী (জামিনদাৰ),** পিতা - প্ৰয়াত উচেন ইছলাৰী, গৃহ নং ১৮৫, উদয় নগৰ, খানাপাৰা, গুৱাহাটী, কামৰূপ (মহানগৰ), অসম - ৭৮১০২২।	শ্ৰী অমিয় ইছলাৰীৰ নামত থকা গাঁও- আমভেৰ, মৌজা-সোণাপুৰ, ১২ মাইল, যোৰাবাট, কামৰূপ, অসমত অৱস্থিত, দাগ নং- ৯৯ আৰু কে পি পট্টা নং-৪২ৰ দ্বাৰা সামৰি লোৱা ১৩ বিঘা জোখৰ ভূমিখণ্ডৰ সকলো গুৰুত্বপূৰ্ণ অংশ আৰু টুকুৰাৰ ন্যায়সম্মত বন্ধক, যাৰ চাৰিসীমা তলত উল্লেখ কৰা হ'ল - **উত্তৰে-** ৮৯ নং দাগৰ মাটি আৰু ৯৯ নং দাগৰ মাটিৰ অংশ, **দক্ষিণে-** ১৪৮ নং দাগৰ মাটি, **পূবে** - ৭১ নং আৰু ১৪৮ নং দাগৰ মাটি, **পশ্চিমে-** ৯১ নং আৰু ১০৯ নং দাগৰ মাটি। (পঞ্জীয়নভুক্ত বিক্ৰী দলিল নং- ৯৫১৭/২০১২, তাৰিখ ঃ ০৬-১০-২০১২ আৰু সংশোধনী দলিল নং- ৪৬৫৭/২০১৬, তাৰিখ ঃ ০৯-০৫-২০১৬ অনুসৰি)	ক) **৩০-০৯-২০২১** খ) **২৬,৪৯,৮৮,৮০২.৭২** টকা ৩১-০৩-২০২১ তাৰিখলৈকে লগতে ইয়াৰ ওপৰত অতিৰিক্ত সুত, ব্যয় আৰু অন্যান্য মাচুল। (এই পৰিমাণটো ছাৰফেচি আইনৰ ১৩(২) ধাৰাৰ অধীনত জাৰি কৰা দাবী জাননী অনুসৰি) গ) **০৮-১২-২০২১** ঘ) প্ৰতীকী দখলৰ অধীনত	ক) ৭,০৪,০০,০০০.০০ টকা খ) ৭০,৪০,০০০.০০ টকা গ) ১,০০,০০০.০০ টকা	২৬-১১-২০২৬ (পুৱা ১১.০০ বজাৰ পৰা আবেলি ৩:০০ বজালৈ	বেংকৰ জ্ঞাত নাই

ই-নিলাম বিক্ৰীৰ নিয়ম আৰু চৰ্তাৱলী

বিক্ৰী প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) বিধি ২০০২ত নিৰ্দ্ধাৰিত চৰ্তাৱলী অনুসৰি আৰু নিম্নোক্ত পৰৱৰ্তী চৰ্ত অনুসৰি সম্পন্ন হ'ব।
১। সম্পত্তিবোৰ **"য'ত যিদৰে আছে ভিত্তিত"** আৰু **"য'ত যি আছে ভিত্তিত"** আৰু **"তাত যি আছে ভিত্তিত"** বিক্ৰী হ'ব।
২। প্ৰতিভূতি সম্পদবোৰৰ সন্দৰ্ভত অনুসূচীত নিৰ্দ্ধাৰিত কৰা বিষয়বোৰ কৰ্তৃত্বশীল বিষয়াৰ সৰ্বাধিক তথ্যানুসৰি লিপিবদ্ধ কৰা হৈছে, কিন্তু এই ঘোষণাত কোনো ভুল, অবিবৃতি অথবা অতথ্যৰ বাবে কৰ্তৃত্বশীল বিষয়া জবাবদিহি নহ'ব।
৩। বিক্ৰী নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা ৱেবছাইট **https://baanknet.com** ত উপলব্ধ ই-নিলাম প্লেটফৰ্মৰ জৰিয়তে **২৬-১১-২০২৬**ৰ দিনৰ **১১:০০** বজাৰ পৰা আবেলি **৩:০০** বজাৰ ভিতৰত সম্পন্ন হ'ব।
৪। বিক্ৰীৰ বিতং চৰ্ত আৰু নিয়মাৱলীৰ বাবে অনুগ্ৰহ কৰি **https://baanknet.com** আৰু **www.pnbindia.in** ত চাওক।

তাৰিখ ঃ ৩০/১০/২০২৬, স্থান ঃ কলকাতা

কৰ্তৃত্বশীল বিষয়া, পঞ্জাৱ নেচনেল বেংক, নিশ্চিত ঋণদাতা

ছাৰফেচি আইন, ২০০২ ৰ নিয়ম ৮(৬)ৰ অধীনত বিধিগত বিক্ৰীৰ জাননী

সম্পাদকীয়

১৭ কাতি, বুধবাৰ, ১৯৪৮ শক

আন এক ভাবুকি

দেৱালী অথবা দীপাৱলী উৎসৱলৈ এসপ্তাহ বাকী থকা অৱস্থাত দিল্লীৰ চৰকাৰে ফটকা অথবা অন্যান্য প্ৰদূষণকাৰী আতছবাজী নিষিদ্ধ ঘোষণা কৰিছে। আনকি ৰাজধানী মহানগৰীত ভয়ংকৰ বায়ু প্ৰদূষণৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ইতিমধ্যে কাৰ্যালয়সমূহত ৫০ শতাংশ বিষয়া-কৰ্মচাৰীকহে উপস্থিত থাকিবলৈ কৈছে আৰু ৫০ শতাংশ লোকক ঘৰৰ পৰা অনলাইনযোগে কাম কৰিবলৈ কোৱা হৈছে। ইতিমধ্যে পুৰণি যান-বাহন আৰু ডিজেলচালিত বাহন নিষিদ্ধ ঘোষণা কৰা হৈছে। বিশেষকৈ দিল্লীৰ বায়ুৰ গুণগত মান অথবা এ কিউ আই বিপজ্জনক পৰ্যায়লৈ অৱনতি ঘটাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে বায়ু প্ৰদূষণ ৰোধ কৰিবলৈ কেতবোৰ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ কথা প্ৰকাশ পাইছে। আনকি স্কুলসমূহ বন্ধ দিয়াৰ দৰে ব্যৱস্থাও একাধিকবাৰ গ্ৰহণ কৰি আহিছে চৰকাৰে। কিন্তু শীতকাল অহাৰ লগে লগে দিল্লীৰ বায়ু ভয়ংকৰ ৰূপত প্ৰদূষিত হৈ পৰাত দিল্লীবাসীৰ স্বাস্থ্যৰ বাবে ভাবুকি হৈ পৰে। দেৱালী উৎসৱৰ সময়ছোৱাত একাংশ লোকে সেই ভাবুকিৰ প্ৰতি গুৰুত্ব নিদি প্ৰদূষণকাৰী আতছবাজী অবাধে ব্যৱহাৰ কৰে। আনকি চৰকাৰ-প্ৰশাসনৰ বাধা তথা নিষেধাজ্ঞাকো একাংশ লোকে আওকাণ কৰে। ইয়াৰ ফলত উৎসৱৰ সময়ত দিল্লীৰ বায়ু প্ৰদূষণ বিপজ্জনক হৈ পৰে। দেশৰ ৰাজধানী দিল্লীতেই বায়ু প্ৰদূষণ ৰোধৰ ক্ষেত্ৰত চৰকাৰ-প্ৰশাসন ব্যৰ্থ হ'বলগীয়া হৈছে। তেনেস্থলত দেশৰ আন আন চহৰ-নগৰৰ প্ৰদূষণ ৰোধৰ ব্যৱস্থাত কেনেকৈ সাফল্য লাভ কৰিব পৰা যাব, সেয়াহে চিন্তাৰ বিষয় হৈ পৰিছে।

এই পৰিপ্ৰেক্ষিতত উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰমুখ তথা প্ৰধান চহৰ গুৱাহাটীৰ বায়ু প্ৰদূষণ বিপজ্জনক হৈ পৰা বুলি তথ্য প্ৰকাশ পাই আহিছে। উত্তৰ-পূবৰ সৰ্বাধিক প্ৰদূষিত মহানগৰ হিচাপে প্ৰায়বোৰ সমীক্ষাত প্ৰকাশ পাইছে গুৱাহাটীৰ নাম। দেৱালীৰ সময়ত প্ৰদূষণকাৰী আতছবাজীয়ে সীমা চেৰাই যোৱাটো উদ্বেগজনক। ৰাজ্য চৰকাৰ আৰু মহানগৰ জিলা প্ৰশাসনে প্ৰতি বছৰে আতছবাজীৰ ক্ষেত্ৰত সীমা নিৰ্দ্ধাৰণ কৰি দিয়ে যদিও একাংশ গুৱাহাটীবাসীয়ে প্ৰশাসনৰ সকলো নিষেধাজ্ঞা উলংঘা কৰিহে ভাল পায় আৰু আৰক্ষী-প্ৰশাসনক একপ্ৰকাৰ অংগুষ্ঠ প্ৰদৰ্শন কৰি ব্যাপক হাৰত আতছবাজীৰে পোহৰৰ উৎসৱৰ নামত মহানগৰৰ বায়ু প্ৰদূষিত কৰে। আৰক্ষী প্ৰশাসনেও নিষেধাজ্ঞাৰ কথা ঘোষণা কৰিয়েই তেওঁলোকৰ দায়-দায়িত্বৰ সামৰণি মাৰে। প্ৰচাৰ মাধ্যমত বিবৃতি প্ৰকাশ কৰিয়ে প্ৰশাসনে ইয়াৰ দায়িত্ব সামৰে। বজাৰত বাধাহীনভাৱে অতি উচ্চ শব্দ সৃষ্টিকাৰী আৰু বায়ু প্ৰদূষণকাৰী ফটকা আদি মুকলিভাৱে বিক্ৰী কৰি থাকে সৰু-বৰ সকলো শ্ৰেণীৰ ব্যৱসায়ীয়ে। চৰকাৰ-প্ৰশাসনৰ নিৰ্দেশ-নিষেধাজ্ঞাবোৰ প্ৰকৃততে কোনো কামত নাহে। প্ৰশাসনেও হয়তো ভালদৰেই জানে যে এনে নিষেধাজ্ঞাৰ কোনো মূল্য নাই! কোনেও নামানে প্ৰশাসনৰ নিষেধাজ্ঞাবোৰ। সেয়ে প্ৰশাসনে নিৰ্দেশ নমনা অথবা অমান্য কৰাসকলক বিচাৰি নাযায় আৰু তেওঁলোকক নধৰেগৈ। এই যে আৰক্ষী-প্ৰশাসনৰ নিৰ্দেশ অমান্য কৰিলেও নিৰ্দেশ নমনাসকলৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নহয়, সেয়ে তেওঁলোকে প্ৰতি বছৰে দেৱালীৰ সময়ত সকলো নিষেধাজ্ঞা উলংঘা কৰিবলৈ প্ৰৰোচিত হয়। সকলো যেন আৰক্ষী-প্ৰশাসন আৰু নিৰ্দেশ নমনা ব্যৱসায়ী আৰু প্ৰদূষণকাৰী লোকৰ মাজত এক বুজাবুজি আছে আৰু সেই বুজাবুজিৰে সংশ্লিষ্ট সকলো পক্ষই পৰিৱেশ প্ৰদূষণকাৰী কাৰ্যকলাপ নিৰ্বিবাদে অব্যাহত ৰাখি আহিছে বছৰৰ পাছত বছৰ ধৰি। এইবাৰো হয়তো সেই একেই ঘটনা, একেই পৰিৱেশৰ পুনৰাবৃত্তি ঘটিব এই গুৱাহাটীত আগন্তুক দেৱালী উৎসৱৰ সময়ত। অথচ এইদৰে গুৱাহাটীবাসীয়ে নিজেই নিজৰ জীৱন আৰু স্বাস্থ্যৰ প্ৰতি ভয়ংকৰ ভাবুকি মাতি আনিছে। এনেধৰণৰ ব্যাপক প্ৰদূষণ সৃষ্টিকাৰী ধ্বংসাত্মক আনন্দৰ বিৰুদ্ধে ৰাইজ সজাগ হ'ব কেতিয়া?

সময়ৰ শৰ



ফাল নলগালেই হ'ল!

❖ ❖ ❖

বিৰোধীৰ প্ৰতিবাদৰ বাবে দিল্লীত এদিনতে ১১ হাজাৰ কোটিৰ ব্যৱসায়িক লোকচান।

হিচাপটোৰ আঁৰত যে ৰাজনৈতিক ষড়যন্ত্ৰ নাই, সেয়া এতিয়াই ন-দি কোৱাটো টান!

❖ ❖ ❖

ৰাজ্যৰ ১৮ জিলাৰ উচ্চ মাধ্যমিক, ১০ জিলাৰ উচ্চতৰ মাধ্যমিকত হ'ব প্ৰধান শিক্ষক-অধ্যক্ষ নিযুক্তি।

বৰ্তমান বাদ পৰি ৰোৱা ৮ জিলাৰ ৫৫৩ পদৰ দৰে নহ'লেই হ'ল আৰু!

❖ ❖ ❖

পাকিস্তানী চোৰাংচোৱাৰে সম্পৰ্ক, গুৱাহাটীত ছজনক গ্ৰেপ্তাৰ এছ টি এফৰ।

তাৰমানে অসমতো শক্তিশালীভাৱে শিপাইছে পাকিস্তানী চোৰাংচোৰাৰ শ্লীপাৰ চেল!

❖ ❖ ❖

অসম-অৰুণাচলৰ বিবদমান অঞ্চল পৰিদৰ্শনৰ বাবে গঠন হ'ব যুটীয়া সমিতি।

মূৰকত প্ৰমোদ ভ্ৰমণ বুলি ক'বলগীয়া নহ'লেই হ'ল আৰু!

বিদ্যুতৰ মাচুল বৃদ্ধিৰে জনতাক মাধমাৰ।


বৰ্দ্ধিত মাচুল জনতাক ঘূৰাই দিয়াৰ প্ৰয়োজন নাই, কিন্তু ঋণ ল'লে ওভতাব লাগিব বাবেই এই সিদ্ধান্ত নহয়তো চৰকাৰৰ!

❖ ❖ ❖

সম্পদ বৃদ্ধিত বিশ্বৰ ধন কুবেৰৰ শীৰ্ষত মুকেশ আম্বানি।

প্ৰাক্-নিৰ্বাচনী প্ৰতিশ্ৰুতিৰ অংশ বিশেষ বুলি বিৰোধীয়ে এতিয়া তাল-

এখন ঠাইৰ ঐতিহ্য কেৱল অতীতৰ স্মৃতিচিহ্ন হৈ থাকিলে নহ'ব; সেই ঐতিহ্যক বৰ্তমানৰ জীৱনধাৰাৰ সৈতে সম্পৃক্ত কৰি ভৱিষ্যতৰ বাবে সুৰক্ষিত কৰিব লাগিব। শুৱালকুছিৰ পাট-মুগাৰ বস্ত্ৰই যিদৰে অসমৰ সাংস্কৃতিক স্বাভিমানক প্ৰতিনিধিত্ব কৰে, ঠিক তেনেদৰে ইয়াৰ শিপিনীসকলৰ জীৱন-জীৱিকাৰ সুৰক্ষাও সমান গুৰুত্বৰ দাবীদাৰ। শিল্পৰ উন্নয়ন, বজাৰ সম্প্ৰসাৰণ, প্ৰকৃত শিপিনীৰ স্বাৰ্থ সংৰক্ষণ আৰু অৰ্থনৈতিক সুৰক্ষা নিশ্চিত নকৰিলে বস্ত্ৰনগৰীৰ ঐতিহ্য কেৱল প্ৰচাৰমূলক পৰিচয়তে সীমাবদ্ধ হৈ পৰাৰ আশংকা থাকিব।



ঐতিহ্যৰ বৰ্ণিল তাঁতশালত নিৰাপত্তাহীনতাৰ ক'লা সূতা



দিপজ্যোতি কমল মহন্ত

ইতিহাসৰ বুকুত কিছুমান জনপদৰ পৰিচয় কেৱল ভৌগোলিক সীমাৰেখাৰে নিৰ্দ্ধাৰিত নহয়; বৰং সেই জনপদৰ শিল্প-সংস্কৃতি, ঐতিহ্য, জীৱনচৰ্যা আৰু সৃষ্টিশীল কৰ্মৰাজিয়েহে তাৰ স্বকীয় অস্তিত্বক কালৰ বুকুত অম্লান কৰি ৰাখে। অসমৰ এনে এক গৌৰৱোজ্জ্বল জনপদ হৈছে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বস্ত্ৰনগৰী শুৱালকুছি। পাট-মুগাৰ সূতাৰে ইতিহাসৰ পাতত নিজৰ স্বাক্ষৰ অংকন কৰা এই জনপদ কেৱল এখন বস্ত্ৰ উৎপাদনকাৰী ঠাই নহয়; ই অসমীয়া জাতীয় জীৱনৰ শিল্পবোধ, শ্ৰম-সংস্কৃতি আৰু পৰম্পৰাগত সৃষ্টিশীলতাৰ এক জীৱন্ত প্ৰতীক। ইয়াৰ প্ৰতিখন তাঁতশালত যেন প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰৱাহিত হৈ আহিছে শ্ৰমৰ সৌন্দৰ্য, শিল্পীৰ নৈপুণ্য আৰু ঐতিহ্য সংৰক্ষণৰ এক নীৰৱ সাধনা।

এসময়ত শুৱালকুছিৰ পৰিচয় আছিল তাঁতশালৰ মাকোৰ ছন্দোময় শব্দ, পাট-মুগাৰ বৰ্ণিল বয়ন আৰু শিপিনীৰ আঙুলিৰ পৰশত প্ৰাণ পাই উঠা অনুপম বস্ত্ৰসম্ভাৰ। অসমৰ সাংস্কৃতিক পৰিচায়ক দেশৰ বিভিন্ন প্ৰান্তলৈ কঢ়িয়াই নিয়া এই জনপদৰ অৰ্থনৈতিক জীৱনো বস্ত্ৰশিল্পক কেন্দ্ৰ কৰিয়েই বিকশিত হৈছিল। কিন্তু সময়ৰ নিৰ্মম পৰিক্ৰমাত আজি সেই গৌৰৱোজ্জ্বল জনপদৰ সন্মুখত একাধিক প্ৰত্যাহ্বানে মূৰ দাঙি উঠিছে। অৰ্থনৈতিক অনিশ্চয়তা, পৰম্পৰাগত শিল্পৰ সংকট, জীৱিকাৰ জটিলতা আৰু শেহতীয়াকৈ বৃদ্ধি পোৱা চুৰি-ডকাইতিৰ ঘটনাই বস্ত্ৰনগৰীৰ সামাজিক পৰিৱেশক উদ্বিগ্ন কৰি তুলিছে।

বিশেষকৈ চিলনী চোৰৰ ক্ৰমবৰ্দ্ধমান উপদ্ৰৱে এতিয়া শুৱালকুছিবাসীৰ দৈনন্দিন জীৱনত এক অস্বস্তিকৰ নিৰাপত্তাহীনতাৰ ছাঁ পেলাইছে। দিনৰ পোহৰতে ৰাজপথত যাতায়াত কৰা মহিলাৰ ডিঙিৰ পৰা সোণৰ গহনা কাঢ়ি লৈ নিমিষতে অন্তৰ্দ্ধান হোৱা অপৰাধী চক্ৰৰ দুঃসাহসিক কাৰ্যকলাপে জনসাধাৰণৰ মনত আতংকৰ সঞ্চাৰ কৰিছে। শেহতীয়াকৈ এগৰাকী বয়োজ্যেষ্ঠ মহিলাৰ ডিঙিৰ পৰা সোণৰ চেইন কাঢ়ি নিয়া ঘটনাই পুনৰ প্ৰমাণ কৰিছে যে অপৰাধীৰ বাবে এতিয়া দিনৰ পোহৰো যেন কোনো বাধা হৈ থকা নাই।

এই ঘটনা কেৱল অলংকাৰ হেৰুওৱাৰ এক বিচ্ছিন্ন দুৰ্ঘটনা বুলি গণ্য কৰি উপেক্ষা কৰিব নোৱাৰি। ইয়াৰ অন্তৰালত নিহিত হৈ আছে নাগৰিকৰ ব্যক্তিগত নিৰাপত্তা, ৰাজহুৱা স্থানত নিৰ্ভয়ে বিচৰণ কৰাৰ অধিকাৰ আৰু আইন-শৃংখলা ব্যৱস্থাৰ কাৰ্যকাৰিতাৰ এক গুৰুত্বপূৰ্ণ প্ৰশ্ন। এগৰাকী মহিলাই নিজৰ দৈনন্দিন প্ৰয়োজনত ঘৰৰ পৰা ওলাই আহি যদি ৰাজপথত নিৰাপত্তাহীনতাত ভুগিবলগীয়া হয়, তেন্তে সেইখন সমাজৰ সুৰক্ষা ব্যৱস্থাৰ প্ৰকৃত অৱস্থা সম্পৰ্কে প্ৰশ্ন উত্থাপন হোৱাটো স্বাভাৱিক।

ইয়াতেই উত্থাপন হয় আৰক্ষী-প্ৰশাসনৰ দায়বদ্ধতাৰ প্ৰসংগ। আইন-শৃংখলা ৰক্ষা কৰাটো প্ৰশাসনৰ অন্যতম মৌলিক কৰ্তব্য। অপৰাধ সংঘটিত হোৱাৰ পাছত তদন্তৰ আশ্বাস প্ৰদান কৰাটো প্ৰয়োজনীয় যদিও সেয়াই যথেষ্ট নহয়; অপৰাধ সংঘটিত হোৱাৰ অনুকূল পৰিৱেশ নিৰ্মূল কৰাটোহে অধিক গুৰুত্বপূৰ্ণ। আৰক্ষীৰ নিয়মীয়া টহল, সংবেদনশীল স্থানসমূহত নিৰীক্ষণ ব্যৱস্থা শক্তিশালীকৰণ, কাৰ্যক্ষম চিচি টিভি ব্যৱস্থা, অপৰাধী চক্ৰৰ গতি-বিধিৰ ওপৰত সতৰ্ক দৃষ্টি আৰু পূৰ্বৰ ঘটনাসমূহৰ তদন্তৰ যথোচিত অগ্ৰগতি— এই সকলোবোৰ ব্যৱস্থাৰ বাস্তৱায়ন এতিয়া সময়ৰ অনিবাৰ্য দাবী। জনসাধাৰণে কেৱল আশ্বাসৰ বাণী শুনিবলৈ নিবিচাৰে; তেওঁলোকে বিচাৰে দৃশ্যমান ফলাফল আৰু নিৰাপত্তাৰ প্ৰত্যয়ভৰা আশ্বাস।

শুৱালকুছিৰ বৰ্তমান পৰিস্থিতিক কেৱল অপৰাধৰ কেইটামান ঘটনাৰ মাজতে সীমাবদ্ধ ৰাখিলেও ইয়াৰ সামগ্ৰিক বাস্তৱতাক অনুধাৱন কৰা নহ'ব। বস্ত্ৰশিল্পৰ সংকটেও এই জনপদৰ সামাজিক-অৰ্থনৈতিক গাঁথনিত গভীৰ প্ৰভাৱ পেলাইছে। যিখন ঠাইৰ অৰ্থনৈতিক স্পন্দন এসময়ত তাঁতশালৰ মাকোৰ ছন্দত স্পন্দিত হৈছিল, সেই ঠাইৰ বহু পৰম্পৰাগত শিপিনীয়ে আজি উৎপাদন ব্যয়, বজাৰৰ প্ৰতিযোগিতা, কেঁচামালৰ দামবৃদ্ধি আৰু উপযুক্ত পাৰিশ্ৰমিকৰ অভাৱৰ দৰে সমস্যাৰ সন্মুখীন হৈছে। পৰম্পৰাগত হস্ততাঁত শিল্পৰ প্ৰতি নতুন প্ৰজন্মৰ অনীহা আৰু জীৱিকাৰ বিকল্প সন্ধানেও এই শিল্পৰ ভৱিষ্যৎ সম্পৰ্কে চিন্তাৰ অৱকাশ সৃষ্টি কৰিছে।

এখন ঠাইৰ ঐতিহ্য কেৱল অতীতৰ স্মৃতিচিহ্ন হৈ থাকিলে নহ'ব; সেই ঐতিহ্যক বৰ্তমানৰ জীৱনধাৰাৰ সৈতে সম্পৃক্ত কৰি ভৱিষ্যতৰ বাবে সুৰক্ষিত কৰিব লাগিব। শুৱালকুছিৰ পাট-মুগাৰ বস্ত্ৰই যিদৰে অসমৰ সাংস্কৃতিক স্বাভিমানক প্ৰতিনিধিত্ব কৰে, ঠিক তেনেদৰে ইয়াৰ শিপিনীসকলৰ জীৱন-জীৱিকাৰ সুৰক্ষাও সমান গুৰুত্বৰ দাবীদাৰ। শিল্পৰ উন্নয়ন, বজাৰ সম্প্ৰসাৰণ, প্ৰকৃত শিপিনীৰ স্বাৰ্থ সংৰক্ষণ আৰু অৰ্থনৈতিক সুৰক্ষা নিশ্চিত নকৰিলে বস্ত্ৰনগৰীৰ ঐতিহ্য কেৱল প্ৰচাৰমূলক পৰিচয়তে সীমাবদ্ধ হৈ পৰাৰ আশংকা থাকিব।

সমান্তৰালভাৱে শুৱালকুছিৰ আন্তঃগাঁথনি, ৰাজহুৱা সুবিধা, পৰ্যটন পৰিৱেশ আৰু সামগ্ৰিক নগৰ পৰিচালনাৰ দিশতো সুদূৰপ্ৰসাৰী পৰিকল্পনাৰ প্ৰয়োজনীয়তা আছে। যিখন ঠাইলৈ অসমৰ লগতে বহিঃৰাজ্যৰ পৰ্যটক, বস্ত্ৰ ব্যৱসায়ী আৰু গ্ৰাহকৰ আগমন ঘটে, সেই ঠাইখনৰ ৰাজহুৱা পৰিৱেশ সুৰক্ষিত, পৰিচ্ছন্ন আৰু সুসংগঠিত হোৱাটো অত্যন্ত জৰুৰী। নিৰাপত্তাহীনতা আৰু অৰ্থনৈতিক স্থবিৰতাই যদি একেলগে জনজীৱনক আৱৰি ধৰে, তেন্তে জনপদৰ সামগ্ৰিক বিকাশৰ ওপৰতো তাৰ নিশ্চিত প্ৰভাৱ পৰিব।

এই সন্ধিক্ষণত স্থানীয় ৰাইজৰ সচেতনতাও সমানেই প্ৰয়োজনীয়। সামাজিক ঐক্য, পাৰস্পৰিক সহযোগিতা আৰু নাগৰিক দায়বদ্ধতাৰ জৰিয়তে অপৰাধ প্ৰতিৰোধৰ ক্ষেত্ৰত এক সুস্থ পৰিৱেশ গঢ়ি তুলিব পাৰি। অৱশ্যে নাগৰিকে সতৰ্কতা অৱলম্বন কৰিলেও মূল দায়িত্ব আইন প্ৰয়োগকাৰী সংস্থাৰ। নাগৰিকৰ সুৰক্ষা কোনো অনুগ্ৰহ নহয়; ই তেওঁলোকৰ মৌলিক অধিকাৰৰ সৈতে সম্পৰ্কিত এক প্ৰশাসনিক দায়িত্ব।

শুৱালকুছিৰ আজিৰ পৰিস্থিতিয়ে আমাক এটা গভীৰ উপলব্ধিৰ সন্মুখীন কৰাইছে— ঐতিহ্যৰ গৰিমা অক্ষুণ্ণ ৰাখিবলৈ কেৱল অতীতৰ গৌৰৱগাথা স্মৰণ কৰিলেই নহ'ব, বৰ্তমানৰ সমস্যাসমূহৰ প্ৰতি বাস্তৱসন্মত দৃষ্টিভংগী গ্ৰহণ কৰিব লাগিব। এখন ঠাইৰ প্ৰকৃত উন্নয়ন কেৱল পথ-ঘাট, অট্টালিকা অথবা অৰ্থনৈতিক পৰিসংখ্যাৰে পৰিমাপ কৰিব নোৱাৰি; তাৰ নাগৰিক কিমান নিৰাপদ, শিপিনী কিমান স্বাৱলম্বী, যুৱ প্ৰজন্মৰ ভৱিষ্যৎ কিমান সম্ভাৱনাপূৰ্ণ আৰু প্ৰশাসনৰ প্ৰতি জনসাধাৰণৰ আস্থা কিমান দৃঢ়— সেইবোৰেই উন্নয়নৰ প্ৰকৃত মাপকাঠী।

প্ৰশাসন, জনপ্ৰতিনিধি আৰু সংশ্লিষ্ট বিভাগসমূহে শুৱালকুছিৰ বৰ্তমান পৰিস্থিতিক গুৰুত্বসহকাৰে বিবেচনা কৰি এক সমন্বিত কাৰ্যপন্থা গ্ৰহণ কৰাটো এতিয়া সময়ৰ দাবী। চিলনী চোৰৰ উপদ্ৰৱ ৰোধ, নাগৰিকৰ নিৰাপত্তা সুনিশ্চিতকৰণ, বস্ত্ৰশিল্পৰ পুনৰুজ্জীৱন আৰু জনপদখনৰ সামগ্ৰিক উন্নয়নৰ বাবে কথাৰ পৰিৱৰ্তে কাৰ্যকৰী পদক্ষেপৰ প্ৰয়োজন।

শুৱালকুছি কেৱল এখন ঠাইৰ নাম নহয়; ই অসমীয়া জাতিৰ শিল্প-ঐতিহ্যৰ এক গৌৰৱময় অধ্যায়। এই জনপদৰ তাঁতশালত বোৱা প্ৰতিডাল সূতাৰ সৈতে জড়িত হৈ আছে আমাৰ জাতীয় স্বাভিমান আৰু সাংস্কৃতিক অস্তিত্ব। সেই স্বাভিমানৰ জনপদখনত যদি আজি সাধাৰণ নাগৰিকে নিৰাপত্তাহীনতাত দিন অতিবাহিত কৰিবলগীয়া হয়, তেন্তে সেয়া সমগ্ৰ সমাজখনৰ বাবেই আত্ম-সমীক্ষাৰ বিষয়।

বস্ত্ৰনগৰীৰ তাঁতশালত পুনৰ সমৃদ্ধিৰ মাকো চলক, ৰাজপথত নাগৰিকৰ নিৰাপত্তাৰ প্ৰত্যয় উভতি আহক আৰু শুৱালকুছিৰ ঐতিহাসিক গৰিমাই নতুন সময়ত নতুন মৰ্যাদা লাভ কৰক— এয়াই আজিৰ সময়ৰ প্ৰত্যাশা। কাৰণ এখন জনপদৰ প্ৰকৃত সৌন্দৰ্য কেৱল তাৰ বোৱা বস্ত্ৰৰ বৰ্ণিলতাত নহয়, তাৰ মানুহৰ জীৱনৰ নিৰাপত্তা, স্বাভিমান আৰু সুস্থিৰ ভৱিষ্যতো নিহিত হৈ থাকে।

ফোন ঃ ৯৮৬৪৩৪৮৯৭২

বস্ত্ৰনগৰীৰ তাঁতশালত পুনৰ সমৃদ্ধিৰ মাকো চলক, ৰাজপথত নাগৰিকৰ নিৰাপত্তাৰ প্ৰত্যয় উভতি আহক আৰু শুৱালকুছিৰ ঐতিহাসিক গৰিমাই নতুন সময়ত নতুন মৰ্যাদা লাভ কৰক— এয়াই আজিৰ সময়ৰ প্ৰত্যাশা।

বলি পৰম্পৰা

লিপিকা ডেকা

ভাৰতবৰ্ষ এখন ধৰ্মপ্ৰধান দেশ। ভাৰতৰ বিভিন্ন ধৰ্ম, সংস্কৃতি আৰু পৰম্পৰাৰ মাজত পূজা-পাতল, যাগ-যজ্ঞ, উপাসনা আদি প্ৰাচীন কালৰে পৰা প্ৰচলিত হৈ আহিছে। এই ধৰ্মীয় পৰম্পৰাসমূহৰ ভিতৰত বলি প্ৰথা এক উল্লেখযোগ্য আৰু বিতৰ্কিত বিষয়।

'বলি' শব্দটোৰ অৰ্থ প্ৰসংগ অনুসৰি পৃথক হ'ব পাৰে। সাধাৰণ অৰ্থত বলি মানে হ'ল কোনো দেৱ-দেৱীৰ উদ্দেশ্যে আগবঢ়োৱা উপহাৰ, নিবেদন, উছৰ্গা বা ত্যাগ। প্ৰাচীন কালৰে পৰাই মানুহৰ মাজত প্ৰকৃতিৰ বিভিন্ন শক্তি, যেনে— বৰষুণ, সূৰ্য, অগ্নি, বতাহ আদিক কেন্দ্ৰ কৰি নানা ধৰ্মীয় বিশ্বাস গঢ়ি উঠিছিল। প্ৰাকৃতিক দুৰ্যোগ, ৰোগ-ব্যাধি আৰু দুৰ্ভিক্ষৰ কাৰণ বুজিব নোৱাৰি বহু সমাজে দেৱ-দেৱীক সন্তুষ্ট কৰাৰ উদ্দেশ্যে বিভিন্ন বস্তু উছৰ্গা কৰিছিল। কিছুসংখ্যকে এই উৎসৰ্গৰ অংশ হিচাপে পশু বলি দিছিল। প্ৰাচীন ধৰ্মীয় সাহিত্যত যজ্ঞ আৰু পশু উছৰ্গাৰ উল্লেখ পোৱা যায়। অসমৰ ধৰ্মীয় ইতিহাসতো বলি-বিধানৰ উল্লেখযোগ্য স্থান আছে। বিশেষকৈ কিছুমান শাক্ত ধৰ্মীয় পৰম্পৰাত দেৱী উপাসনাৰ সৈতে বলিৰ সম্পৰ্ক আছে। অসমৰ কামাখ্যা মন্দিৰকে ধৰি কিছুমান শক্তিপীঠৰ সৈতে জড়িত ধৰ্মীয় অনুষ্ঠানৰ আলোচনাত এই বিষয়টো উত্থাপন হয়।

বৰ্তমান সময়ত বলি-বিধানক লৈ ধৰ্মীয় পৰম্পৰা, ব্যক্তিগত বিশ্বাস, জীৱ-জন্তুৰ কল্যাণ আৰু নৈতিকতাৰ প্ৰশ্নত বিভিন্ন মতামত দেখা যায়। এফালে কিছুসংখ্যকে ইয়াক পৰম্পৰা আৰু ধৰ্মীয় অধিকাৰৰ অংশ বুলি গণ্য কৰে। আনফালে কিছুসংখ্যকে জীৱৰ প্ৰতি দয়া আৰু অহিংসাৰ দৃষ্টিৰে ইয়াৰ বিৰোধিতা কৰি আহিছে।

অসমৰ সমাজ-জীৱনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ 'একশৰণ নামধৰ্ম'ৰ প্ৰভাৱ অতি গভীৰ। শংকৰদেৱে ধৰ্মৰ নামত কৰা জীৱ হত্যা আৰু বলি-বিধানৰ তীব্ৰ বিৰোধিতা কৰিছিল। গুৰুজনাৰ মতে সকলো জীৱৰ মাজতে ভগৱান বিদ্যমান। গতিকে কোনো জীৱকে কষ্ট দি বা হত্যা কৰি ভগৱানক সন্তুষ্ট কৰিব নোৱাৰি। গুৰুজনাৰ ধৰ্মৰ মূল ভিত্তি হৈছে ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতি একান্ত ভক্তি, নাম-কীৰ্তন আৰু শৰণাপন্ন। তেওঁৰ ধৰ্মীয় আদৰ্শত বাহ্যিক আচাৰ-অনুষ্ঠানতকৈ ভক্তি আৰু নৈতিক জীৱনক অধিক গুৰুত্ব দিছিল। জীৱৰ প্ৰতি দয়া, মানুহৰ মাজত ঐক্য আৰু ভক্তিৰ মাধ্যমেৰে আধ্যাত্মিক উন্নতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। শাক্ত ধৰ্মৰ কিছুমান পৰম্পৰাগত পশু বলিৰ বিপৰীতে মহাপুৰুষজনাই একশৰণ নামধৰ্মত নাম-কীৰ্তন, ভক্তি আৰু অহিংসামূলক উপাসনাৰ ওপৰত গুৰুত্ব দিছিল। গুৰুজনাই বলি-বিধানৰ লগতে বিভিন্ন সামাজৰ অনিষ্টকাৰী প্ৰথাৰ বিৰোধিতা কৰি এক বিজ্ঞানসন্মত সুস্থ মানৱীয় জীৱন ধাৰণৰ পথ প্ৰদৰ্শন কৰিছিল। সকলো প্ৰাণীৰে প্ৰতি সমদৃষ্টি প্ৰদান তথা মানৱীয় মূল্যবোধেৰে এখন সৰ্বোপৰি মানৱ সমাজ গঠন কৰাৰ মানসেৰে শংকৰদেৱে বেদ-বেদান্ত, গীতা-ভাগৱতৰ অক্ষয় বাণীৰে পৰিপুষ্ট হৈ অসমভূমিত এক মহান ধৰ্মৰ প্ৰচলন কৰি থৈ গৈছে আৰু সেই নামেই হৈছে 'নৱবৈষ্ণৱ ধৰ্ম', যাক একশৰণ নামধৰ্ম বা মহাপুৰুষীয়া ধৰ্ম নামেৰেও অভিহিত কৰা হয়। মহাপুৰুষজনাৰ মতে—

কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম



জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।

আমাৰ সকলোৰে হাৰ্টথ্ৰ'ব জুবিন গাৰ্গেও কামাখ্যালৈ গৈ বলিৰ বিৰোধিতা কৰিছিল। তাৰ বিনিময়ত তেওঁ ৰক্ষণশীল সমাজৰ বহুতৰ পৰা গালি-গালাজ আৰু সমালোচনাৰ সন্মুখীন হৈছিল যদিও জুবিন গাৰ্গৰ স্থিতি কিন্তু স্পষ্ট আছিল। জুবিন গাৰ্গৰ দৰে স্বনামধন্য শিল্পী এজনে নিজৰ জনপ্ৰিয়তাৰ খাতিৰত সুবিধাবাদী হৈ থকা নাই। জাত-পাত, বলি-বিধান আদিৰ বিৰুদ্ধে বিভিন্ন সময়ত জনসচেতনতাৰ সৃষ্টি কৰিছিল।

ভাৰতীয় দৰ্শনত অহিংসাৰ ধাৰণাই বিশেষ গুৰুত্ব লাভ কৰিছে। জৈন ধৰ্ম, বৌদ্ধ ধৰ্ম আদিকে ধৰি বিভিন্ন হিন্দু দৰ্শনত জীৱৰ প্ৰতি দয়া আৰু অহিংসাৰ কথা বিভিন্ন ৰূপত প্ৰকাশ পাইছে। মহাত্মা গান্ধীৰ জীৱন আৰু চিন্তাধাৰাতো অহিংসা এক মৌলিক আদৰ্শ আছিল। জীৱৰ প্ৰতি দয়া প্ৰকাশ কৰিবলৈ কেৱল মানুহৰ প্ৰতি সদয় হ'লেই নহ'ব, জীৱ-জন্তুৰ প্ৰতিও সহানুভূতিশীল হোৱাটো নৈতিক দায়িত্ব।

সাম্প্ৰতিক সমাজত বলি-বিধানৰ প্ৰাসংগিকতা ব্যক্তি আৰু সমাজৰ নিজা বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াৰ সৈতে বহু মানুহৰ ধৰ্মীয় বিশ্বাস, পৰম্পৰা আৰু সামাজিক ইতিহাস জড়িত হৈ আছে। সেয়ে কোনো ধৰ্ম বা সম্প্ৰদায়ক হেয় প্ৰতিপন্ন কৰা লেখাটোৰ উদ্দেশ্য নহয়। তথাপি ধৰ্মীয় পৰম্পৰা তথা নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে নিৰীহ জীৱৰ প্ৰতি কৰা নিষ্ঠুৰতাৰ ক্ষেত্ৰত প্ৰশ্ন কৰাৰ অধিকাৰো সমাজৰ আছে।

প্ৰকৃত ভক্তি কেৱল উপাসনাৰ বাহ্যিক ৰূপত নহয়, মানুহৰ আচৰণ আৰু জীৱৰ প্ৰতি থকা দায়বদ্ধতাতো প্ৰকাশ পায়। ধৰ্মৰ প্ৰকৃত উদ্দেশ্য যদি মানুহৰ জীৱনক সুন্দৰ কৰা, মনক পৱিত্ৰ কৰা আৰু সমাজত শান্তি প্ৰতিষ্ঠা কৰা হয়, তেন্তে দয়া, অহিংসা আৰু সহমৰ্মিতাই ধৰ্মীয় জীৱনৰ কেন্দ্ৰত স্থান পোৱা উচিত।

ঈশ্বৰৰ প্ৰতি ভক্তি প্ৰকাশ কৰিবলৈ জীৱৰ প্ৰাণ লোৱাটোৱেই একমাত্ৰ পথ নহয়। ফুল, ফল, নৈবেদ্য, নাম-কীৰ্তন, প্ৰাৰ্থনা, দান-দক্ষিণা আৰু আৰ্তজনৰ সেৱাৰ জৰিয়তেও মানুহে ধৰ্মীয় অনুভূতি প্ৰকাশ কৰিব পাৰে। দুখীয়া, অসহায় লোকক সহায় কৰা, অসুস্থ লোকৰ যত্ন লোৱাও সমাজৰ বাবে কল্যাণৰ কাম। যদি কোনো ধৰ্মীয় অনুষ্ঠানৰ জৰিয়তে মানুহৰ মাজত প্ৰেম, সহযোগিতা আৰু দয়াৰ মনোভাৱ বৃদ্ধি পায়, তেন্তে সেই অনুষ্ঠানৰ সামাজিক মূল্যও বৃদ্ধি পায়। প্ৰকৃত ভক্তি কেৱল উপাসনাৰ বাহ্যিক ৰূপত নহয়, মানুহৰ আচৰণ আৰু জীৱৰ প্ৰতি থকা দায়বদ্ধতাতো প্ৰকাশ পায়। ধৰ্মৰ প্ৰকৃত উদ্দেশ্য যদি মানুহৰ জীৱনক সুন্দৰ কৰা, মনক পৱিত্ৰ কৰা আৰু সমাজত শান্তি প্ৰতিষ্ঠা কৰা হয়, তেন্তে দয়া, অহিংসা আৰু সহমৰ্মিতাই ধৰ্মীয় জীৱনৰ কেন্দ্ৰত স্থান পোৱা উচিত। প্ৰাচীন শাস্ত্ৰ আৰু বৈদিক পৰম্পৰা অনুসৰি— 'বলি ন হি পশু ত্যাগ, অহংকাৰ ত্যাগ ঃ পৰম বলি।' ঈশ্বৰক সন্তুষ্ট কৰাৰ বাবে পশু বলিতকৈ মানুহৰ মনৰ কু-চিন্তা, অহংকাৰ, হিংসা আদিকে ধৰি কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মাৎসৰ্য্য— এই ছয় ৰিপুক বলি দি মন পৱিত্ৰ কৰাটোৱেই আটাইতকৈ বেছি প্ৰাসংগিক বুলি সমাজৰ সচেতন মহলে অনুভৱ কৰে।

ফোন ঃ ৮৬৩৮৫ ৬৭৬৭৫

দৈনিক অসম

৫

গুৱাহাটী, বুধবাৰ, ৪ নৱেম্বৰ, ২০২৬ | Guwahati, Wednesday, November 4, 2026

■ লখিমপুৰত ১২৩ খিলঞ্জীয়া মৰিয়া পৰিয়ালক উচ্ছেদৰ জাননী ■

মৰিয়া যুৱ-ছাত্ৰ সন্থাৰ তীব্ৰ বিৰোধিতা



প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ ঃ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ

দৈনিক অসমৰ প্ৰতিনিধি

লখিমপুৰ, ৩ নৱেম্বৰ ঃ লখিমপুৰত খিলঞ্জীয়া মৰিয়া পৰিয়ালক উচ্ছেদৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে মৰিয়া যুৱ-ছাত্ৰ সন্থা। লখিমপুৰত ধৰ্মৰ ভিত্তিত খিলঞ্জীয়া ১২৩টা পৰিয়ালক উচ্ছেদৰ জাননী দিয়া হৈছে। এই অভিযোগ উত্থাপন কৰিছে মৰিয়া *১৩ পৃষ্ঠাত চাওক*

ছিপাঝাৰত জব্দ নকল সোণৰ কলহ



দৈনিক অসমৰ প্ৰতিনিধি

ছিপাঝাৰ, ৩ নৱেম্বৰ ঃ এক গোপন সূত্ৰৰ পম খেদি ছিপাঝাৰ আৰক্ষীয়ে যোৱানিশা এখন নৈশ বাছত তালাচী চলাই এগৰাকী মহিলা যাত্ৰীৰ পৰা পাঁচটা নকল সোণৰ কলহ উদ্ধাৰ কৰে। উদ্ধাৰ কৰা কলহকেইটাৰ ওজন সাত কিলোগ্ৰামৰ অধিক। মহিলাগৰাকীয়ে গোপনে নকল সোণৰ কলহকেইটা সৰবৰাহ কৰাৰ অভিযোগ উত্থাপন হৈছে। মহিলাগৰাকীৰ ঘৰ লখিমপুৰ জিলাৰ লালুকত বুলি জানিব পৰা গৈছে। বিৱৰণী মতে, এখন নৈশ *১৩ পৃষ্ঠাত চাওক*

কাছাৰত ৯.৮ কোটি টকাৰ নিচাজাতীয় সামগ্ৰী জব্দ

পাঁচজনক আটক

দৈনিক অসমৰ প্ৰতিনিধি

শিলচৰ, ৩ নৱেম্বৰ ঃ কাছাৰ আৰক্ষীৰ নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে অভিযান অব্যাহত আছে। কালি তিনিটা পৃথক পৃথক অভিযানত বৃহৎ সফলতা লাভ কৰে আৰক্ষীয়ে। মুঠ ৫ কোটি টকাৰ কাহৰ ছিৰাপ আৰু ৪ কোটি ৮০ লাখ টকাৰ ইয়াবা টেবলেট *১৩ পৃষ্ঠাত চাওক*





সোণতলীত অগ্নিকাণ্ডত ভস্মীভূত তিনিটা গৃহ

দৈনিক অসমৰ প্ৰতিনিধি

সোণতলী, ৩ নৱেম্বৰ ঃ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত বেজৰসুঁতিত আজি বৈদ্যুতিক শ্ৰৰ্ট চাৰ্কিটৰ ফলত সংঘটিত ভয়াৱহ অগ্নিকাণ্ডত পৰিয়াল এটাৰ তিনিটা ঘৰ সম্পূৰ্ণ ভস্মীভূত হয়। জানিব পৰা মতে, বেজৰসুঁতি গাঁৱৰ মগৰৰ আলীৰ ঘৰত আজি দুপৰীয়া আকস্মিকভাৱে জুইৰ সূত্ৰপাত ঘটে। জুইৰ লেলিহান শিখাই পৰিয়ালটোৰ ৩টা ঘৰ আগুৰি ধৰে। ফলত পৰিয়ালটোৰ তিনিটা ঘৰ নিমিষতে ভস্মীভূত হয়। অৱশ্যে *১৩ পৃষ্ঠাত চাওক*

শৈক্ষিক পৰিৱেশ বিনষ্ট, সচেতন মহলত তীব্ৰ প্ৰতিক্ৰিয়া

ৰূপহীহাটত মেলাৰ নামত অশ্লীল নৃত্য-জুৱাৰ পয়োভৰ

দৈনিক অসমৰ প্ৰতিনিধি

ৰূপহীহাট, ৩ নৱেম্বৰ ঃ ৰূপহীহাটত দিনক দিনে বৃদ্ধি পাবলৈ ধৰা বিভিন্ন অসামাজিক আৰু অনৈতিক কাৰ্যকলাপক লৈ সচেতন মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মেলা আৰু সাংস্কৃতিক অনুষ্ঠানৰ নামত অশ্লীল নৃত্য প্ৰদৰ্শন তথা জুৱা খেলৰ প্ৰচলনে অঞ্চলটোৰ সামাজিক আৰু শৈক্ষিক পৰিৱেশ বিনষ্ট কৰাৰ আশংকা ঘনীভূত কৰিছে। অভিযোগ *১৩ পৃষ্ঠাত চাওক*



শিক্ষকৰ অভাৱ, চৰকাৰী বিদ্যালয়ত শিক্ষাৰ নামত প্ৰহসন

৯ মাহে ভা�ৰাতীয়া শিক্ষকেৰে চলিছে আগৰচৰ প্ৰাথমিক বিদ্যালয়



দৈনিক অসমৰ প্ৰতিনিধি

ছমৰীয়া, ৩ নৱেম্বৰ ঃ ৰাজ্য চৰকাৰে চৰকাৰী শিক্ষাখণ্ডৰ উন্নয়ন আৰু গুণগত শিক্ষাৰ প্ৰসাৰৰ নামত বিভিন্ন অভিলাষী আঁচনি ৰূপায়ণ কৰি অহাৰ সময়তে কামৰূপ জিলাৰ ছমৰীয়া শিক্ষা খণ্ডৰ অন্তৰ্গত আগৰচৰ প্ৰাথমিক বিদ্যালয়ৰ শোচনীয় ছবিয়ে উদঙাই দিছে চৰকাৰী *১৩ পৃষ্ঠাত চাওক*

টীয়কত গ্ৰন্থমেলা-সাহিত্য সমাৰোহ আৰম্ভ

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

টীয়ক, ৩ নৱেম্বৰ ঃ বৃহত্তৰ টীয়কৰ বৌদ্ধিক স্বাভিমানৰ প্ৰতিভূ হিচাপে 'টীয়ক গ্ৰন্থমেলা আৰু সাহিত্য সমাৰোহ-২০২৬' আজিৰে পৰা আৰম্ভ হৈছে। টীয়ক ই-মিডিয়া ফ'ৰামৰ উদ্যোগত, *১৩ পৃষ্ঠাত চাওক*

প্ৰশাসনৰ ভূমিকাক লৈ অসন্তুষ্ট স্থানীয় ৰাইজ

বাংলা বজাৰত দীৰ্ঘদিন ধৰি চলিছে জুৱাৰ মুকলি আড্ডা



দৈনিক অসমৰ প্ৰতিনিধি

লংকা, ৩ নৱেম্বৰ ঃ আইন-শৃংখলা ব্যৱস্থাক যেন একাংশ জুৱাৰীয়ে অংগুষ্ঠ প্ৰদৰ্শন কৰি লামডিঙত চলাই গৈছে অবৈধ জুৱাৰ ৰমৰমীয়া বেহা। জনবসতিপূৰ্ণ অঞ্চলৰ মাজত, মুকলি আকাশৰ তলত, আনকি এটা ধৰ্মীয় অনুষ্ঠানৰ সন্মুখতে দীৰ্ঘদিন ধৰি চলি *১৩ পৃষ্ঠাত চাওক*

কাজিৰঙা নিউজ নেটৱৰ্কৰ বঁটা ঘোষণা

বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিলৈ বিশেষ সন্মান



দৈনিক অসমৰ প্ৰতিনিধি

বোকাখাত, ৩ নৱেম্বৰ ঃ বোকাখাতৰ সংবাদ প্ৰতিষ্ঠান কাজিৰঙা নিউজ নেটৱৰ্কে বিগত বৰ্ষৰ দৰেই এই বছৰো ২১ নৱেম্বৰত প্ৰতিষ্ঠানটোৰ চতুৰ্বিংশতিতম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি 'কাজিৰঙা বঁটা-২০২৬' প্ৰদানৰ ব্যৱস্থা কৰিছে। আজি কাজিৰঙা নিউজ নেটৱৰ্কে ২০২৬ চনৰ কাজিৰঙা বঁটা আনুষ্ঠানিকভাৱে ঘোষণা *১৩ পৃষ্ঠাত চাওক*

গোলাঘাটত 'মাছ'ৰ প্ৰতিষ্ঠা দিৱস পালন

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

গোলাঘাট, ৩ নৱেম্বৰ ঃ মানৱ অধিকাৰ সংগ্ৰাম সমিতি চমুকৈ 'মাছ'ৰ প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে গোলাঘাটৰ মৈত্ৰী সংঘত অনুষ্ঠিত হয়। কমাৰবন্ধাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰদীপ কৌৰে পতাকা উত্তোলনেৰে আৰম্ভ কৰা কাৰ্যসূচীত শ্ৰহীদ তৰ্পণ কৰে 'মাছ'ৰ কেন্দ্ৰীয় সদস্য কামাখ্যা বৰা আৰু 'কাছ'ৰ সচিব বিমল বৰাই। গোলাঘাটৰ ন-পুৰণি শতাধিক 'মাছ'ৰ সতীৰ্থৰ উপস্থিতিত প্ৰদীপ কৌৰৰ সভাপতিত্বত অনুষ্ঠিত মুকলি *১৩ পৃষ্ঠাত চাওক*

অৱসৰপ্ৰাপ্ত অধ্যক্ষ মৰাণৰ ৰাজীৱ বৰাৰ বিয়োগ



দৈনিক অসমৰ প্ৰতিনিধি

মৰাণ, ৩ নৱেম্বৰ ঃ মৰাণৰ শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনলৈ আগবঢ়াই যোৱা অনবদ্য অৱদানৰ স্মৃতি এৰি ইহলীলা সম্বৰণ কৰিলে মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা ৰাজ্যিক কৃতী শিক্ষক *১৩ পৃষ্ঠাত চাওক*

নুমলীগড়ত নন-ট্ৰেড চিমেণ্টৰ ক'লা বেহা

১৫ টন অতিৰিক্ত ওজন কঢ়িওৱা ট্ৰাক জব্দ

দৈনিক অসমৰ প্ৰতিনিধি

মৰঙি, ৩ নৱেম্বৰ ঃ নুমলীগড় শোধনাগাৰৰ সম্প্ৰসাৰণ প্ৰকল্পৰ কাম চলি থকাৰ সমান্তৰালকৈ অঞ্চলটোত একাংশ অসাধু ব্যৱসায়ীয়ে নন-ট্ৰেড চিমেণ্টৰ ক'লা বেহা গঢ়ি তোলাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এনে অবৈধ কাৰবাৰেৰে জড়িত থকাৰ অভিযোগ উঠা *১৩ পৃষ্ঠাত চাওক*

আজিৰ পৰা আছুৰ উদ্যোগত হাৰমতীত ভাওনা সমাৰোহ

দৈনিক অসমৰ প্ৰতিনিধি

বান্দৰদেৱা, ৩ নৱেম্বৰ ঃ শ্ৰীমন্ত শংকৰদেৱৰ মহান সৃষ্টি ভাওনা সংস্কৃতিক নৱপ্ৰজন্মক চিনাকি কৰাই দিবলৈ আৰু আধ্যাত্মিক দিশত যুৱপ্ৰজন্মক আগবঢ়াই নিবলৈ লখিমপুৰ জিলাৰ হাৰমতী আঞ্চলিক ছাত্ৰ সন্থাই গ্ৰহণ কৰা ভাওনা সংস্কৃতিক জীয়াই ৰখাৰ উদ্দেশ্যে চাৰি বছৰ পূৰ্বৰে পৰা এই *১৩ পৃষ্ঠাত চাওক*



NOTICE INVITING QUOTATION

Sealed quotations along with I.P.O of Rs 20/- only (non refundable) or Court fee of Rs. 8.25/- in favour of the Director, ASTEC, Guwahati are invited by the undersigned from Guwahati Based registered Firm/Contractors for two separate works as: 1. temporary construction of exhibition stall.&2. Supply of Food at Assam Trade Promotion Organization, Betkuchi, Guwahati for State Level Meet of Aryabhatta Science Centre. The offer should contains detailed feature and breakup of rates in item wise. The separate quotations should be submitted against each work to the undersigned by 2.00 PM on or before 17.11. 2026 and same would be opened on the same day at 2.30 PM & 3.00 PM. respectively Interested bidders may submit their quotation against any one of the above work or may be applied for both of works, but separate quotation to be furnished against each work Rates should be quoted inclusive of all applicable taxes, duty & transportation etc. Director, Details: visit our website www.astec.gov.in or Director, ASTEC.

ASTE Council
Bigyan Bhawan
G.S.Road, Guwahati- 5

DIPR/CF/DA/2181/4-Nov-26

OFFICE OF THE MANAGING DIRECTOR ASSAM STATE DEVELOPMENT CORPORATION FOR SCHEDULED CASTES LTD, SWAHID DILIP HUZURI PATH, DISPUR, Guwahati-06

No. SCDC/Tech/DWSC & BC/LNCP/1199/2026-27/31

PRESS NOTICE/IFB
(INVITATION FOR BIDS)

The Managing Director, ASDC for SC Ltd., Dispur, Guwahati-06 invites bids from the approved and eligible contractors registered with ASDC for SC Ltd. through e-Procurement portal for the work "Beautification of Laxmi Narayan Children Park at Basudev Than, Dhakuakhana, Dist: Lakhimpur." under Lakhimpur District from eligible Bidder having experience in similar nature of work.

Bidders may download the e-Bid document available at https://assamtenders.gov.infrom 03/11/2026 15.00 hrs to 23/11/2026 upto 14.00 hrs for details of the bid.

Sd/-
Managing Director,
ASDC for SC Ltd.

DIPR/CF/DA/2189/4-Nov-26

No. CE/STBR/II/14/2026-27/4

CANCELLATION NOTICE

This is to inform to all concerned that this office SNIT no. CE/STBR/II/14/2026-27/2, dated 19/09/2026 and DNIT no. CE/STBR/II/14/2026-27/3, dated 09/10/2026 for the work "Construction of ROB at Kakoti gaon in Replacement of Railway LC Gate No ST-34 at Railway KM 104/7-8 on Raha Kampur Road under Construction of ROB s on 50:50 Cost Sharing Basis (Balance Work)" is cancelled due to unavoidable technical reason.

Sd/-
Chief Engineer, PWD (Roads)
Assam, Chandmari, Guwahati-3.

DIPR/CF/DA/2187/4-Nov-26

ADVERTISEMENT

Applications are invited from the eligible Indian citizen as defined in Article 5 to 8 of the Constitution of India and permanent residents of Assam in prescribed Standard Form of Application for filling up the vacant posts of Principal of different Provincialised Higher Secondary Schools under Dhubri district in the scale of pay of Rs.30,000 /- to 1,10,000 /- plus Grade Pay of Rs. 13,300 /- PM (under Pay Band-4) and other allowances as admissible under rules.

1. **Eligibility Criteria** :

(i) The candidate must be M.A./ M.Sc./ M. Com from a recognized University (duly recognized by UGC) with B.T./ B.Ed. degree from any Teacher Training Institute (duly recognized by NCTE) and the candidate must have uniformly good academic career. In respect of Hindi Teachers having master degree qualification, the Hindi Sikshan Parangat and Hindi Sikshan Nishant shall be considered equivalent to B.T/ B.Ed.

(ii) As per the Assam Secondary Education (Provincialised Schools) (Amendment) Service Rules, 2021, those institutions having territorial jurisdiction outside the State of Assam but having a study centre in the State and such study centres if not recognized by DEC under UGC, the degrees / certificates issued by such off campus institutions shall not be considered as valid for the purpose of employment under Education Department. However, degrees / diplomas conferred by KKHSOU, IGNOU, IDOL under Gauhati University and Distance Education under Dibrugarh University shall be considered as valid for the purpose of employment.

(iii) The candidate must have rendered at least 15 years of service as Post Graduate Teacher in any of the Provincialised Higher Secondary Schools/ H.S. & M.P. Schools and Senior Secondary Schools or

(iv) The candidate must have rendered at least 5 years of service as Vice-Principal in any of the Provincialised Higher Secondary Schools/ H.S. & M.P. Schools or

(v) The candidate must have rendered at least 17 years of teaching experience as Graduate Teacher in any Provincialised High School/Higher Secondary School/ H.S. & M.P. School or in combination of such schools.

(vi) The age of the candidate must not be more than 57 years as on 01/01/2026.

(vii) The candidate must possess commanding personality, administrative ability, leadership skills and integrity.

2. **Details of vacancy:**

Category	No. of vacancy
UR	3
OBC/MOBC	5
SC	2
ST-P	1
ST-H	1
Total	12

Out of 12 (twelve) vacancies, 1 (one) post will be reserved for PwD categories as mentioned below:

1. Category A: (a) blindness and low vision;
2. Category B: (b) deaf and hard of hearing;
3. Category C: (c) locomotor disability including cerebral palsy, leprosy cured, dwarfism, acid attack victims and muscular dystrophy.
4. Category D: (d) autism, intellectual disability, specific learning disability and mental illness.
   (e) multiple disabilities from amongst persons under clauses (a) to (d) including deaf-blindness in the posts identified for each disabilities:

3. **Terms and condition**:

i. The duly filled up prescribed application should reach to the undersigned within 15 (fifteen) days from the date of publication of this advertisement.
ii. Application must be submitted through proper channel.
iii. Reservation of Vacancies shall be maintained as per existing rule / act in force.
iv. The service and teaching experience acquired in a school during Provincialised period shall be counted. The period rendered prior to provincialisation of the school shall not be counted.

4. **Note**:

i. The Assam Secondary Education (Provincialised Schools) (Amendment) Service Rules, 2018 prescribes that ***"the candidate must have rendered at least 17 years of teaching experience as Graduate Teacher in any High School/ High Madrassa School/ Higher Secondary School/ Higher Secondary and Multipurpose School or in combination of such School"***.

ii. The Assam Secondary Education (Provincialised Schools) Service Rules of 2018, as amended defines the Graduate Teacher as ***"Graduate Teacher means and includes the category of Assistant Teacher, Classical Teacher of Higher Secondary or Senior Secondary (erstwhile Junior College) or High Madrassa or a High School including amalgamated Higher Secondary and Senior Secondary and High Schools for whose appointment the minimum qualification is Graduate in Arts/ Science/ Commerce from recognized University including Demonstrator of a provincialised Higher Secondary School or a Senior Secondary School"***.

iii. The Graduate Teacher/ Demonstrator whose entry qualification is graduate, have minimum 17 years of teaching experience in the Graduate Scale of Pay and holding a Graduate Post in any Provincialised Secondary School shall eligible to apply for the post of Principal.

iv. The eligibility of Additional Contractual Teachers, whose services have been regularized through Special Recruitment Drive in the year 2025, shall be considered as per the eligibility criteria adhered in the aforesaid Service Rules i.e. the Assam Secondary Education (Provincialised Schools) Service Rules of 2018, as amended.

The Inspector of Schools cum Member Secretary,
District Selection Committee
District : Dhubri

DIPR/D/DA/481/4-Nov-26

নমুনা পৰীক্ষাত ভয়ংকৰ তথ্য, পনীৰৰ নামত ৰাইজে খাইছে বৰবিহ

সদৰি কৰিছে এই ভয়াৱহ তথ্য। মন্ত্ৰীগৰাকীয়ে জনতা ভৱনত এখন সংবাদমেলত প্ৰকাশ কৰা অনুসৰি খাদ্য সুৰক্ষা বিভাগে ৬০টা পনীৰৰ নমুনা বিশ্লেষণ কৰাৰ পাছত তাৰ ৭০ শতাংশ পনীৰেই খাদ্যৰ বাবে উপযোগী নহয় বুলি প্ৰমাণন হৈছে। তেওঁ কয় যে পনীৰৰ যিটো মান থাকিব লাগে সেই মান নমুনা পৰীক্ষা কৰা পনীৰসমূহত নাছিল। বিশ্লেষণ কৰা নমুনাসমূহৰ পাঁচটা নমুনাই অসুৰক্ষিত শ্ৰেণীৰ। অৰ্থাৎ যিসমূহ পনীৰ সেৱন কৰিলে মানুহৰ অংগ নষ্ট হোৱাৰ লগতে নিয়মীয়াভাৱে সেৱন কৰিলে মৃত্যু পৰ্যন্ত হোৱাৰ সম্ভাৱনা আছে। পনীৰত বহু ধৰণৰ সামগ্ৰী মিহলাই দিয়া হয়। জীৱ-জন্তুৰ চৰ্বি, পাম অইল, চয়া চৰ্বি আদি মিহলাই দিয়ে। অৱশ্যে এনে ধৰণৰ ভেজাল পনীৰৰ বিৰুদ্ধে চৰকাৰ কঠোৰ হ'ব বুলি সদৰি কৰি তেওঁ কয় যে খাদ্য-সামগ্ৰী ভেজাল কৰা আৰু ভুল তথ্যৰে গ্ৰাহকক প্ৰৱঞ্চনা কৰা কাৰ্য কোনো কাৰণতে সহ্য কৰা নহ'ব। জনসাধাৰণৰ স্বাস্থ্যৰ সৈতে জড়িত বিষয়ত চৰকাৰে কোনোধৰণৰ আপোচ নকৰে। খাদ্য সুৰক্ষা বিভাগে ৰাজ্যৰ বিভিন্ন স্থানত অভিযান চলাই পনীৰ আৰু অন্যান্য দুগ্ধজাত সামগ্ৰীৰ নমুনা সংগ্ৰহ কৰিছিল। চৰকাৰী খাদ্য পৰীক্ষাগাৰত সেই নমুনাসমূহ পৰীক্ষা কৰাৰ পাছত কিছুমান সামগ্ৰীত প্ৰয়োজনীয় পৰিমাণৰ গাখীৰৰ চৰ্বি নথকা আৰু অতিৰিক্ত পানী, শ্বেতসাৰ, উদ্ভিদজাত তেল তথা অন্যান্য দুগ্ধজাত নোহোৱা উপাদান মিহলি কৰাৰ তথ্য পোহৰলৈ আহিছে। এনে সামগ্ৰী প্ৰকৃত পনীৰ বুলি বিক্ৰী কৰি গ্ৰাহকক বিপথে পৰিচালিত কৰাৰ ঘটনাও পোহৰলৈ আহিছে। এই সন্দৰ্ভত অসম খাদ্য সুৰক্ষা আয়ুক্তালয়ে ৩১ অক্টোবৰত জাৰি কৰা নিৰ্দেশ অনুসৰি ৰাজ্যজুৰি নিৰ্দ্ধাৰিত মান পূৰণ নকৰা আৰু অনুমোদিত দুগ্ধজাত বিকল্প সামগ্ৰীৰ উৎপাদন, সংৰক্ষণ, বিক্ৰী, বিতৰণ আৰু ব্যৱহাৰৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। উক্ত নিৰ্দেশ অনুসৰি, পৰৱৰ্তী সময়ত আইনগতভাৱে সালসলনি বা বৃদ্ধি কৰা নহ'লে এই নিষেধাজ্ঞা এবছৰলৈ বলৱৎ থাকিব। মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে প্ৰকৃত পনীৰৰ নিৰ্দ্ধাৰিত মান পূৰণ নকৰা কোনো সামগ্ৰী পনীৰ বুলি বিক্ৰী কৰিব নোৱাৰিব। গাখীৰৰ চৰ্বিৰ সলনি উদ্ভিদজাত তেল বা আন দুগ্ধজাত নোহোৱা চৰ্বি ব্যৱহাৰ কৰি প্ৰস্তুত কৰা সামগ্ৰীক প্ৰকৃত পনীৰ হিচাপে বিক্ৰী কৰাটো গ্ৰাহকৰ সৈতে প্ৰৱঞ্চনাৰ সমান। সেয়েহে হোটেল, ৰেস্তোৰাঁ, খাদ্য যোগানকাৰী প্ৰতিষ্ঠান আৰু অন্যান্য খাদ্য ব্যৱসায়ীসকলক তেওঁলোকে ক্ৰয় কৰা সামগ্ৰীৰ গুণগত মান আৰু উৎপত্তিৰ উৎস নিশ্চিত কৰিবলৈ আহ্বান জনোৱা হৈছে। মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে যে নিম্ন মানৰ পনীৰ বিক্ৰী কৰিলে পাঁচ লাখ টকা পৰ্যন্ত জৰিমনা বিহা হ'ব। যদিহে বেলেগ ব্ৰেণ্ডৰ পনীৰ নিজৰ ব্ৰেণ্ডৰ বুলি কোনো ব্যক্তি বা সংস্থাই বিক্ৰী কৰে তাৰ বাবে তিনি লাখ পৰ্যন্ত জৰিমনা বিহাৰ ব্যৱস্থা আছে।

জি এম চি এইচৰ চিকিৎসা সেৱা স্থানান্তৰ ঃ ৰাজ্যৰ জনসাধাৰণক উন্নত, সুলভ আৰু মানসম্পন্ন স্বাস্থ্যসেৱা প্ৰদানৰ লক্ষ্যৰে অসম চৰকাৰে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ৰ নতুন ভৱনলৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ বিভিন্ন বিভাগৰ চিকিৎসা সেৱা পৰ্যায়ক্ৰমে স্থানান্তৰৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ইফালে, জনস্বাস্থ্যৰ প্ৰতি ভাবুকি সৃষ্টি কৰা নকল পনীৰ আৰু ভেজাল দুগ্ধজাত সামগ্ৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰে। আজি দিছপুৰস্থিত স্বাস্থ্যমন্ত্ৰীৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত এই কথা সদৰি কৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী অশোক সিংহলে কয় যে জনসাধাৰণৰ স্বাস্থ্য সুৰক্ষা আৰু উন্নত চিকিৎসা সেৱা নিশ্চিত কৰাটো ৰাজ্য চৰকাৰৰ অন্যতম প্ৰধান অগ্ৰাধিকাৰ। নতুন মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ৰ ভৱন সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে ভৱনটো ৰোগীৰ চিকিৎসা সেৱাৰ বাবে সাজু কৰি তোলা হৈছে। নতুন ভৱনটোত মুঠ ৯৯৭খন বিছনাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ভিতৰত ১১২খন সংকটকালীন চিকিৎসা কক্ষৰ বিছনা, ৬খন বিশেষ পৰ্যবেক্ষণ কক্ষৰ বিছনা, ৩০খন বিছনাযুক্ত ৰক্ত পৰিশোধন কেন্দ্ৰ আৰু ৫২টা মাচুল আদায়ৰ ভিত্তিত ব্যৱহাৰ কৰিব পৰা বিশেষ কক্ষৰ ব্যৱস্থা আছে। তদুপৰি জৰুৰীকালীন চিকিৎসা সেৱাৰ বাবে পৃথক ব্যৱস্থা কৰাৰ লগতে বিভিন্ন বিশেষজ্ঞ চিকিৎসা বিভাগৰ বাবে আধুনিক আন্তঃগাঁথনি গঢ়ি তোলা হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ৰ নতুন ভৱনলৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ বিভিন্ন বিভাগৰ সেৱা পৰ্যায়ক্ৰমে স্থানান্তৰ কৰা হ'ব। এই স্থানান্তৰ প্ৰক্ৰিয়াৰ সময়ত যাতে ৰোগীসকলৰ চিকিৎসা সেৱা কোনো কাৰণতে ব্যাহত নহয়, তাৰ বাবে বিশেষ পৰিকল্পনা কৰা হৈছে। বিশেষকৈ জৰুৰীকালীন আৰু সংকটজনক ৰোগীসকলৰ চিকিৎসা যাতে নিৰৱচ্ছিন্নভাৱে অব্যাহত থাকে, সেই কথা নিশ্চিত কৰাৰ পাছতহে জৰুৰীকালীন চিকিৎসা সেৱাসমূহ স্থানান্তৰ কৰা হ'ব। এই সেৱাসমূহৰ স্থানান্তৰ সৰ্বশেষত যথাযথ পৰিকল্পনা আৰু তদাৰকীৰ মাজেৰে সম্পন্ন কৰা হ'ব। নতুন ভৱনটোলৈ চিকিৎসা বিভাগ, অস্ত্ৰোপচাৰ বিভাগ, নাক-কাণ-ডিঙি বিভাগ, শ্বাস-প্ৰশ্বাসজনিত ৰোগ বিভাগ, প্লাষ্টিক অস্ত্ৰোপচাৰ বিভাগ, বাতবিষ চিকিৎসা বিভাগ আৰু মনোৰোগ বিভাগৰ লগতে বিকিৰণ পৰীক্ষা আৰু গৱেষণাগাৰ সেৱাৰ একাংশ স্থানান্তৰ কৰা হ'ব। নতুন ভৱনৰ আধুনিক আন্তঃগাঁথনি আৰু উন্নত চিকিৎসা সা-সুবিধাই ৰোগীসকলক অধিক উন্নত চিকিৎসা পৰিৱেশ প্ৰদান কৰাৰ লগতে চিকিৎসালয়খনৰ সামগ্ৰিক সেৱাৰ মান উন্নত কৰাত সহায় কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। তেওঁ এই স্থানান্তৰ প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাত ৰাইজৰ সহযোগিতা কামনা কৰে।

ডাঃ বিনয় কুমাৰ পাঠকৰ বিয়োগ

দেওবাৰে নিশা তেওঁৰ বাৰ্ধক্যজনিত ৰোগত মৃত্যু হৈছে। ৮৫ বছৰ বয়স হোৱা ডাঃ পাঠকৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে তেওঁৰ আত্মীয়-কুটুম তথা গুণমুগ্ধসকলৰ মাজত গভীৰ শোকৰ ছাঁ পৰিছে। শোকত ম্ৰিয়মাণ তেওঁৰ বৰপেটাৰ ব্যাসকুছিৰ ঘৰখনো। স্বৰাজোত্তৰকালৰ নামনি অসমৰ বিশিষ্ট চিকিৎসক ডাঃ অৰবিন্দ পাঠকৰ জ্যেষ্ঠ সন্তান আছিল প্ৰয়াত বিনয় কুমাৰ পাঠক। ১৯৪০ চনৰ ১ জুনত তেওঁৰ বৰপেটাত জন্ম হৈছিল। তাতেই প্ৰাথমিক স্কুলৰ শিক্ষা সমাপ্ত কৰা পাঠক আছিল অতি মেধাৱী। চিকিৎসক পিতৃয়ে তেওঁক হাইস্কুলীয়া শিক্ষাৰ বাবে গুৱাহাটীলৈ পঠিয়াই দিয়ে। গুৱাহাটীলৈ আহি তেওঁ ডনবস্ক' স্কুলৰ পৰা স্কুলীয়া শিক্ষা সমাপ্ত কৰি কটন কলেজত বিজ্ঞান শাখাত নাম লগায়। তাৰ পৰাই সুখ্যাতিৰে আই এছ চি পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত তেওঁ ডিব্ৰুগড়লৈ যায়। অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা বিজ্ঞান অধ্যয়ন কৰি ১৯৬৫ চনত তেওঁ এম বি বি এছ ডিগ্ৰী আহৰণ কৰে। বিনয় কুমাৰ পাঠকৰ যাত্ৰা ইমানতে থমকি ৰোৱা নাছিল। তেওঁ চিকিৎসা বিজ্ঞানত অধিক অধ্যয়ন আৰু গৱেষণাৰ বাবে মন মেলে। ১৯৬৭ চনত তেওঁ লণ্ডনলৈ বুলি যাত্ৰা কৰে। জাহাজেৰে ২১ দিনীয়া যাত্ৰাৰ অন্তত ব্ৰিটেইনৰ ভূমিত ভৰি দিয়াৰ পাছত তাতেই কটাই দিয়ে জীৱনৰ বাকী সময়ছোৱা। '৭০ৰ দশকৰ পৰা নটিংহামৰ স্থায়ী বাসিন্দা ডাঃ পাঠকে জেনেৰেল প্ৰেক্টিচনাৰৰূপে শেষ বয়সলৈ ব্ৰিটেইনৰ কেইবাখনো প্ৰদেশত চিকিৎসা সেৱা আগবঢ়ায়। ২০০৩ চনত তেওঁ ব্ৰিটিছ ৰাজপৰিয়ালে আগবঢ়োৱা মেম্বাৰ অব ব্ৰিটিছ এম্পেৰৰ সন্মান লাভ কৰে। বাকিংহাম পেলেচত আয়োজিত এই অনুষ্ঠানত তেওঁ এই বঁটা তেতিয়াৰ যুৱৰাজ চাৰ্লছৰ উপস্থিতিত ৰাণী এলিজাবেথৰ পৰা গ্ৰহণ কৰিছিল। লণ্ডনতে বিবাহপাশত আবদ্ধ হোৱা ডাঃ পাঠকৰ পত্নীৰ বিয়োগ ঘটিছিল ২০১৬ চনত। তাৰ পাছৰে পৰাই তেওঁ কৰ্মৰ মাজেৰেই অকলশৰীয়াকৈ সময় পাৰ কৰিছিল। লণ্ডনৰ স্থানীয় সময় মতে দেওবাৰে বিয়লি ৪ বজাত এক স্থানীয় চিকিৎসালয়ত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। নিঃসন্তান ডাঃ পাঠকে তেওঁৰ সম্পত্তিৰ বুজন অংশ দাতব্য ন্যাসৰ বাবে দান কৰি থৈ গৈছে। তেওঁৰ মৃত্যুত অসমতো শোকৰ ছাঁ পৰিছে।

চোকা অস্ত্ৰৰে দুই কণমানিৰ প্ৰাণ ল'লে

কৰাৰ লগতে স্থানীয় লোকসকলক স্তম্ভিত কৰি তুলিছে। প্ৰাপ্ত বাতৰি অনুসৰি, সোমবাৰে সন্ধিয়া ৰংপাংবং সাপ্তাহিক বজাৰৰ পৰা সামগ্ৰী ক্ৰয় কৰি অনিল বে' নামৰ লোকজন নিজ বাসগৃহলৈ উভতিছিল। নিশা প্ৰায় ১১ বজাত মদ্যপান কৰি থকা অৱস্থাত এক তুচ্ছ কথাক লৈ তেওঁৰ পত্নী ৰবিনা তিমুংপীৰ সৈতে তৰ্ক-বিতৰ্কৰ সূত্ৰপাত ঘটে। তেওঁলোকৰ এই বাক্-বিতণ্ডাই ক্ৰমাৎ উগ্ৰ ৰূপ লয়। এটা সময়ত ক্ষুব্ধ অনিলে পত্নীক আক্ৰমণ কৰিবলৈ উদ্যত হয়। পত্নী ৰবিনাই ঘৰৰ পৰা বাহিৰলৈ পলায়ন কৰি প্ৰাণৰক্ষা কৰিবলৈ সক্ষম হয়। কিন্তু ইয়াৰ পাছতেই উন্মত্ত অনিলে ঘৰৰ ভিতৰত নিদ্ৰাৰত দুই নিষ্পাপ সন্তানক আক্ৰমণৰ লক্ষ্য কৰি লয়। পলাই যাবলৈ সুযোগ নোপোৱা ছয় বছৰীয়া পুত্ৰ আংছং বে' আৰু চাৰি বছৰীয়া কন্যা জাপৰিব বে'পীয়ে পিতৃৰ দানৱীয় ৰূপৰ বলি হ'বলগীয়া হয়। অভিযুক্ত অনিলে দাৰে দুয়োটি কণমানিকে নিষ্ঠুৰভাৱে হত্যা কৰে। নিশাৰ নিঃস্তব্ধতা ভঙা এই কাণ্ডৰ উমান পাই ওচৰ-চুবুৰীয়া লোকসকল ঘটনাস্থলীত উপস্থিত হয় আৰু লগে লগে হামৰেণ আৰক্ষীক খবৰ দিয়ে। খবৰ পোৱা মাত্ৰকে আৰক্ষীৰ দলটো ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হৈ অভিযুক্ত অনিল বে'ক গ্ৰেপ্তাৰ কৰে। ইফালে, আৰক্ষীয়ে মৃতদেহ দুটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। প্ৰাথমিক তদন্তত এই ঘটনাৰ পটভূমিত ঘৰুৱা কন্দল আৰু মদ্যপানৰ বাবেই সংঘটিত হোৱাৰ কথা পোহৰলৈ আহিছে যদিও একাংশ স্থানীয় লোকে প্ৰকাশ কৰা মতে, অভিযুক্ত অনিল বে' মানসিকভাৱে কিছু পৰিমাণে বিকাৰগ্ৰস্ত আছিল। বৰ্তমান আৰক্ষীৰ জিম্মাত থকা অভিযুক্তজনক লৈ আৰক্ষীয়ে সমগ্ৰ ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। এহাল অবুজ শিশুৰ এনে শোকাৱহ মৃত্যুৱে সমগ্ৰ পশ্চিম কাৰ্বি আংলঙত শোকৰ ছাঁ পেলাইছে।

পণ্ডিত ৰবিশংকৰ শুক্লা বিশ্ববিঃত

শংকৰদেৱৰ চৰ্চা সীমাবদ্ধ হৈ থকাৰ বিপৰীতে দেশৰ বিভিন্ন ৰাজ্যত গুৰুজনাৰ সৃষ্টিৰাজি আৰু দৰ্শনক লৈ চৰ্চা আৰম্ভ হৈছে। এইক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ খোজ আগবঢ়াইছে চত্তিছগড়ৰ আটাইতকৈ পুৰণি আৰু ঐতিহ্যমণ্ডিত বিশ্ববিদ্যালয় পণ্ডিত ৰবিশংকৰ শুক্লা বিশ্ববিদ্যালয়ে। পঞ্জাৱ বিশ্ববিদ্যালয়ৰ পাছত পণ্ডিত ৰবিশংকৰ শুক্লা বিশ্ববিদ্যালয়তো স্থাপন কৰা হৈছে 'শ্ৰীমন্ত শংকৰদেৱ স্মৃতি আসন'। চলিত বছৰৰ আৰম্ভণিতে আনুষ্ঠানিকভাৱে স্থাপনৰ পাছত এতিয়া এই আসনৰ অধীনত মহাপুৰুষ গুৰুজনাৰ দৰ্শন-আদৰ্শ আৰু সৃষ্টিৰাজিক লৈ প্ৰণালীবদ্ধ অধ্যয়ন আৰু গৱেষণাৰ কাম আৰম্ভ হৈছে। চত্তিছগড়ৰ ৰাজ্যপাল ৰমেন ডেকাৰ পৰিকল্পনা তথা বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক সচ্চিদানন্দ শুক্লাৰ উদ্যোগত এই আসনখন স্থাপন কৰা হৈছিল। তাৰ পাছতে প্ৰণালীবদ্ধভাৱে মহাপুৰুষ গুৰুজনাৰ বিষয়ে অধ্যয়ন আৰু গৱেষণাৰ কামক আগবঢ়াই নিছে বিশ্ববিদ্যালয়খনে। এই পদক্ষেপৰ সৈতে বুজ লোৱাৰ বাবে আমি কথা পাতিছিলোঁ বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক সচ্চিদানন্দ শুক্লাৰ সৈতে। 'দৈনিক অসম'ৰ সৈতে হোৱা আছুতীয়া সাক্ষাৎকাৰত উপাচাৰ্যগৰাকীয়ে কয় যে অসমত মহাপুৰুষ শংকৰদেৱ আৰু চত্তিছগড়ত গুৰু ঘাচিদাসৰ জীৱন আৰু আদৰ্শই আমাক সদায়ে অনুপ্ৰাণিত কৰি আহিছে। দুয়োগৰাকী গুৰুৱে একেই আদৰ্শ আৰু দৰ্শনেৰে সমাজলৈ অৱদান আগবঢ়াইছিল আৰু সামাজিক সাম্য প্ৰতিষ্ঠাৰ কাম কৰিছিল। তদুপৰি তেওঁলোকৰ সৃষ্টিৰাজিৰ জৰিয়তে গুৰু দুজনাই সামাজিক-সাংস্কৃতিক জগতলৈও অসামান্য বৰঙণি আগবঢ়াইছিল। এনে পৰিপ্ৰেক্ষিতত চত্তিছগড়ৰ ৰাজ্যপাল ৰমেন ডেকাৰ পৰা মহাপুৰুষ শংকৰদেৱৰ নামত এখন আসন প্ৰতিষ্ঠা কৰাৰ পৰামৰ্শ লাভৰ পাছত আমি উৎসাহিত তথা অনুপ্ৰাণিত হৈছিলোঁ আৰু সেই দিশত কাম কৰিবলৈ অগ্ৰসৰ হৈছিলোঁ। সম্প্ৰতি শ্ৰীমন্ত শংকৰদেৱৰ অধ্যয়ন কেন্দ্ৰৰ কাম-কাজে গতি লাভ কৰিছে আৰু আমাৰ বিশ্ববিদ্যালয়ৰ দুগৰাকী গৱেষকে গৱেষণা আৰম্ভ কৰিছে। মহাপুৰুষ শংকৰদেৱ আৰু গুৰু ঘাচিদাসৰ কৰ্ম-আদৰ্শৰ তুলনামূলক অধ্যয়নৰ জৰিয়তে গৱেষক দুগৰাকীয়ে কাম আৰম্ভ কৰাৰ কথা তেওঁ উল্লেখ কৰে। উল্লেখ্য যে বিশ্ববিদ্যালয়খনৰ গৱেষক প্ৰিয়া ৰাণী সোণবৰ্ষা আৰু অদিতি শুক্লাই শ্ৰীমন্ত শংকৰদেৱ স্মৃতি আসনৰ পৰা গৱেষণাৰ কাম আৰম্ভ কৰিছে। উল্লেখ্য যে সোণবৰ্ষাৰ গৱেষণাৰ শিৰোনাম হৈছে—A Study of Ideology of Srimanta Sankardeva of Assam and Sant Gahira guru of Chattishgarh for Uplifment of the Tribal Communities. আৰু অদিতি শুক্লাৰ গৱেষণাৰ বিষয় হৈছে— A comparative study on the philosophy of srimanta Sankar Dev of Assam and guru ghasidas of Chhattisgarh for the development of rural communities. সোণবৰ্ষাৰ গৱেষণা তত্ত্বাৱধায়ক হৈছে চৰকাৰী জি এন এ পি এ মহাবিদ্যালয়ৰ অধ্যাপক ডঃ শশীকিৰণ কুজুৰ। নিজৰ গৱেষণা সম্পৰ্কত সদৰি কৰি গৱেষিকা প্ৰিয়াৰাণী সোণবৰ্ষাই কয় যে তেওঁৰ অধ্যয়নৰ স্নাতকোত্তৰ ডিগ্ৰীৰ গ্ৰহণৰ সময়তে মই অসমলৈ গৈছিলোঁ আৰু মহাপুৰুষ শংকৰদেৱৰ অৱদান সম্পৰ্কে সম্যক ধাৰণা জন্মিছিল। তাৰ পাছত আমাৰ বিশ্ববিদ্যালয়ত অধ্যয়ন কেন্দ্ৰ মুকলি হোৱাৰ পাছত মহাপুৰুষ শংকৰদেৱৰ সম্পৰ্কতে গৱেষণা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলোঁ। সম্প্ৰতি গৱেষণাৰ কাম আশাপ্ৰদধৰণে আগবাঢ়িছে। অহা ডিচেম্বৰ মাহত আমি গৱেষণাক অধিক গতি দিয়া তথা তথ্য আহৰণ বাবে অসমলৈ যাম আৰু গুৰুজনাৰ পীঠস্থানসমূহ পৰিদৰ্শন কৰিম। তদুপৰি তেওঁৰ সৃষ্টিৰাজিৰ সৈতে প্ৰত্যক্ষভাৱে পৰিচিত হোৱাৰ লগতে অধ্যয়নৰ সমল সংগ্ৰহৰো চেষ্টা কৰিম। আনহাতে, বিশ্ববিদ্যালখনে গৱেষিকা দুগৰাকীক গৱেষণাৰ বাবে জলপানি আগবঢ়োৱা কথাও সদৰি কৰি উপাচাৰ্য শুক্লাই পঞ্জাৱ বিশ্ববিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱৰ আসনৰ সৈতে যোগাযোগ অব্যাহত ৰখাৰ কথা উল্লেখ কৰে। মন কৰিবলগীয়া যে সাক্ষাৎকালত উপাচাৰ্যগৰাকীয়ে তেওঁলোকে পৰ্যাপ্ত পৰিমাণে কিতাপ-পত্ৰ লাভ নকৰাৰ কথা উল্লেখ কৰে। এইক্ষেত্ৰত অসমৰ বিশ্ববিদ্যালয় আৰু গৱেষকসকলৰ পৰা সহায় লাভ কৰাৰো তেওঁ আশা প্ৰকাশ কৰে। এতিয়া অধ্যয়ন কেন্দ্ৰত কিছুসংখ্যক গ্ৰন্থ তেওঁলোকে মজুত ৰখাৰ কথা উল্লেখ কৰি অধ্যাপক শুক্লাই কয়— আমি শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজিৰ সঠিক অধ্যয়ন আৰু গৱেষণাৰ স্বাৰ্থত এটা সমৃদ্ধ পুথিভঁৰাল নিৰ্মাণ কৰিবলৈ আগ্ৰহী। এইক্ষেত্ৰত বিভিন্নজনৰ সৈতে আলোচনা আৰু যোগাযোগো চলি আছে। এই আসনখন সঠিকভাৱে পৰিচালিত হ'লে দুয়োখন ৰাজ্যৰ মাজৰ বিদ্যায়তনিক সংযোগ আৰু সংস্কৃতিক বিনিময় সুদৃঢ় হ'ব বুলি মোৰ বিশ্বাস। ইফালে, আসন প্ৰতিষ্ঠাৰ পৰিকল্পনা যুগুত কৰা তথা ইয়াৰ কাৰ্য ৰূপায়িত কৰা চত্তছিগড়ৰ ৰাজ্যপাল ৰমেন ডেকাই বিশ্ববিদ্যালয়খনৰ কাম-কাজক লৈ সন্তোষ প্ৰকাশ কৰে। তেওঁ কয়— পণ্ডিত ৰবিশংকৰ শুক্লা বিশ্ববিদ্যালয় ঐতিহ্যমণ্ডিত আৰু গভীৰ বিদ্যায়তনিক ব্যাপ্তি থকা এখন বিশ্ববিদ্যালয়। এনে পৰিপ্ৰেক্ষিতত বিশ্ববিদ্যালয়খনত শ্ৰীমন্ত শংকৰদেৱ স্মৃতি আসন প্ৰতিষ্ঠা হোৱাটো এটা ঐতিহাসিক পদক্ষেপ। গুৰুজনাই আজিৰ পৰা প্ৰায় ৫০০ বছৰ আগেয়েই সকলো প্ৰতিকূলতা-প্ৰত্যাহ্বান নেওচি সমগ্ৰ ভাৰত ভ্ৰমণ কৰিছিল। ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা জ্ঞানৰ সঁফুৰা আৰু বৈষ্ণৱ সংস্কৃতিৰ মৌ তেওঁ বুটলি অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰতিষ্ঠাৰ জৰিয়তে অসমীয়া জাতিক এটা সুদৃঢ় সামাজিক-সাংস্কৃতিক ভেটি নিৰ্মাণ কৰি দিছিল। কেৱল এয়ে নহয়, আঞ্চলিক চিন্তা-চেতনা আৰু উপাদানবোৰৰ মাজেৰেই তেওঁ 'ভাৰত বৰিষ'ৰ গৰিমাৰ কথাও মানুহক কৈছিল। সেইগৰাকী গুৰুৰ জীৱন আদৰ্শ আৰু সৃষ্টিৰাজি অসমৰ মাটিতে সীমাবদ্ধ হৈ নাথাকি যদিহে ভাৰতৰ বিদ্যায়তনিক ক্ষেত্ৰখনৰ এটা গুৰুত্বপূৰ্ণ বিষয় হৈ পৰে তেন্তে সেয়া আমাৰ কাৰণে অতিশয় গৌৰৱৰ কথা হ'ব। সেই উদ্দেশ্য লৈয়েই পদক্ষেপ গ্ৰহণ কৰা হৈছিল আৰু এতিয়া সঠিকভাৱে ইয়াৰ কাম-কাজ পৰিচালিত হোৱাটো নিঃসন্দেহে খুব সুখকৰ কথা। মন কৰিবলগীয়া যে লোক-পৰম্পৰা আৰু লোক-সাংস্কৃতিক বৈশিষ্ট্যৰ দিশৰ পৰা উত্তৰ-পূব ভাৰতৰ অসম আৰু মধ্য ভাৰতৰ চত্তিছগড়ৰ দৰে ৰাজ্যৰ ভালেমান ক্ষেত্ৰত মিল দেখিবলৈ পোৱা যায়। ইয়াৰ ভূখণ্ডৰ সনাতনী ঐতিহ্য পৰম্পৰাৰ প্ৰেক্ষাপটত অসমৰ শংকৰদেৱ গুৰুজনাক জনাৰ-বুজাৰ লক্ষ্যৰেই পণ্ডিত ৰবিশংকৰ শুক্লা বিশ্ববিদ্যালয়ৰ শংকৰদেৱ আসনৰ গৱেষিকা প্ৰিয়াৰাণী সোণবৰ্ষা আৰু অদিতি শুক্লাই গৱেষণা আৰম্ভ কৰিছে। তেওঁলোকৰ এই প্ৰয়াসে মহাপুৰুষ গুৰুজনাৰ অতুলনীয় সৃষ্টিৰাজি আৰু তেওঁৰ জীৱন দৰ্শনক অধিক ব্যাপ্তি আৰু বিস্তৃতি দিব বুলি নিশ্চয় আশা কৰিব পাৰি।

অসুস্থ গৰিমা শইকীয়া গাৰ্গক উন্নত

সিদ্ধান্ত লৈছে চিকিৎসকৰ দলে। জুবিনৰ ৰহস্যজনক মৃত্যুৰ পাছৰে পৰা মানসিকভাৱে ভাগি পৰিছিল গৰিমা। শনিবাৰৰ পৰা হাস্পতালত ভৰ্তি হৈ আছিল যদিও সম্পূৰ্ণ সুস্থ হ'বলৈ গৰিমাক উন্নত চিকিৎসাৰ প্ৰয়োজন আছে।— এই মন্তব্য চিকিৎসক ডাঃ হিতেশ বৰুৱাৰ। আজি সাংবাদিকৰে হোৱা বাৰ্তালাপত বৰুৱাই কয়— বৰ্তমান তেওঁ সংকটমুক্ত যদিও মানসিকভাৱে যথেষ্ট হতাশাক ভুগি আছে। আমাৰ এটা দলে দিনে-নিশাই তেওঁক চোৱা-চিতা কৰি আছে। নিয়মীয়া খাদ্য গ্ৰহণ আৰু টোপনিৰ ক্ষেত্ৰত যথেষ্ট সমস্যাই দেখা দিছে। এনে সমস্যা সমাধানৰ বাবে বিশেষজ্ঞৰ কাউন্সেলিঙৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছে বৰ্তমান তদাৰক কৰি থকা চিকিৎসকৰ দলটোৱে। দুই-এদিনৰ ভিতৰতে গৰিমাক লৈ যোৱা হ'ব যদিও কোনটো কেন্দ্ৰলৈ নিয়া হ'ব, সেয়া ঠিক কৰিহে জনাব পৰা যাব বুলি চিকিৎসকগৰাকীয়ে কয়। 'হাস্পতালত থকা সময়ছোৱাত গৰিমাৰ সৈতে কথা পাতি জানিব পাৰিছোঁ যে তেওঁ মানসিকভাৱে ভাগি পৰিছে।'— এনেদৰে মন্তব্য কৰি ডাঃ বৰুৱাই কয়— গৰিমাই আৱেগিক হৈ কৈছে যে 'মই হয়তো আৰু জীয়াই নাথাকিম।' তেওঁৰ মুখেৰে জীয়াই থকাৰ ইচ্ছা হেৰুৱাই পেলোৱাৰ কথাটো শুনাৰ পাছত আমিও আৱেগিক হৈ পৰিছোঁ। গতিকে সকলোৰে প্ৰতি আহ্বান জনাই ডাঃ বৰুৱাই কয়— গৰিমাক বিভিন্নজনে বিভিন্ন কামৰ বাবে বিচৰাৰ পৰিৱৰ্তে এতিয়া তেওঁক পৰ্যাপ্ত জিৰণি আৰু মানসিক চাপমুক্ত পৰিৱেশ দিয়ক। প্ৰাণৰ শিল্পীগৰাকীৰ পৰিয়ালটোলৈ অহা ধুমুহাৰ মাজৰ পৰা বাহিৰলৈ উলিয়াই আনি গৰিমাক মানসিকভাৱে সুস্থ কৰি তোলাটো প্ৰত্যাহ্বানমূলক বুলি কয় হিতেশ বৰুৱাই। গৰিমাৰ লগতে জুবিনৰ সৈতে জড়িত ভৱিষ্যতৰ পৰিকল্পনাসমূহ বাস্তৱায়িত কৰিবলৈ সুস্থ কৰি ৰাখিবই লাগিব। মন কৰিবলগীয়া যে ৩১ অক্টোবৰত নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ বাৰ্ষিক অনুষ্ঠানত 'গীত-মাতৰ গধূলি'ত মুখ্য অতিথি হিচাপে অংশ লোৱাৰ সময়তে হঠাৎ অসুস্থ হৈ পৰিছিল গৰিমা শইকীয়া গাৰ্গ আৰু তেতিয়াই তেওঁক নেমকেয়াৰ হাস্পতালত ভৰ্তি কৰিছিল। অসমবাসীৰ অপেক্ষা— সোনকালে সুস্থ হওক গৰিমা গাৰ্গ।

তিনিচুকীয়াৰ পৰা নিখোজ ৮জন যুৱক

পৰিছে অথবা সশস্ত্ৰ সংগ্ৰামৰ প্ৰতি মোহভংগ হৈ মূলসুঁতিলৈ উভতি আহি আত্মসমৰ্পণ কৰিছে। ইয়াৰ মাজতেও কিন্তু একাংশ যুৱকে গোপনে সশস্ত্ৰ সংগঠনটোত যোগদানৰ বাবে গভীৰ অৰণ্যলৈ নিষিদ্ধ যাত্ৰা অব্যাহত ৰখাৰ খবৰে প্ৰায়ে চিন্তিত কৰি তোলে সচেতন মহলক। এনে এক উদ্বেগজনক পৰিস্থিতিৰ মাজতে উজনি অসমৰ তিনিচুকীয়া জিলাৰ পৰা একেলগে কেইবাজনো যুৱক হঠাৎ ৰহস্যজনকভাৱে সন্ধানহীন হোৱাৰ খবৰে জিলাখনত তীব্ৰ চাঞ্চল্যৰ লগতে উদ্বেগৰো সৃষ্টি কৰিছে। খবৰ অনুসৰি, তিনিচুকীয়া জিলাৰ কৰ্দৈগুৰি আৰু পেঙেৰীৰ বহু ভিতৰুৱা অঞ্চলৰ পৰা একাংশ যুৱক হঠাতে ঘৰৰ পৰা অন্তৰ্ধান হৈছে। এই খবৰে এতিয়া অঞ্চলটোৰ অভিভাৱকসকলৰ লগতে সাধাৰণ ৰাইজক সচকিত আৰু আতংকিত কৰি তুলিছে। কৰ্দৈগুৰি অঞ্চলৰ চাৰিজন যুৱক ক্ৰমে লক্ষ্যজিৎ মৰাণ, বিপ্লৱ মৰাণ, হাতী মৰাণ আৰু নিপু বৰুৱাই দুৰ্গাপূজা উপভোগ কৰিবলৈ বুলি ঘৰৰ পৰা ওলাই আহিছিল। কিন্তু পূজাৰ আনন্দৰ বতৰত ঘৰৰ পৰা ওলাই যোৱা এই যুৱককেইজন এইপৰ্যন্ত ঘৰলৈ উভতি যোৱা নাই। আনহাতে, পেঙেৰী থানাৰ অন্তৰ্গত টেকেৰী গাঁৱৰ পৰাও গৌৰাংগ বৰুৱা, উপজিৎ মৰাণ, বাস্তৱ বৰুৱা আৰু সত্য বেংৰা নামৰ আন চাৰিগৰাকী যুৱকে বিগত পোন্ধৰ দিন ধৰি সন্ধানহীন হৈ আছে। জানিব পৰা মতে, টেকেৰী গাঁৱৰ এই যুৱককেইজনে সমনীয়াৰ স'তে ফুটবল খেলৰ আলোচনা আছে বুলি ঘৰৰ পৰা ওলাই অহাৰ পৰা বিগত পোন্ধৰ দিন ধৰি সম্পূৰ্ণৰূপে সন্ধানহীন হৈ আছে। এই আঠগৰাকী যুৱক সন্ধানহীন হোৱাৰে পৰা পৰিয়ালত হাহাকাৰ লাগিছে। ইতিমধ্যে পৰিয়ালকেইটাৰ আত্মীয়ই তিনিচুকীয়া আৰক্ষীৰ কাষ চাপিছে। পৰিয়ালৰকেইটাৰ অভিযোগ আৰু নিৰুদ্দেশৰ খবৰ লাভ কৰাৰ পাছতেই তদন্ত প্ৰক্ৰিয়া আগবঢ়াই নিছে যদিও তিনিচুকীয়া আৰক্ষীয়ে আঠজন যুৱক ক'লৈ গৈছে ক'ত হেৰাই গ'ল সেই সম্পৰ্কে একো প্ৰকাশ কৰা নাই। ইপিনে চোৰাংচোৱাৰ এক সূত্ৰই সদৰি কৰা অনুসৰি সন্ধানহীন হৈ থকা এই আঠজন যুৱকে ইতিমধ্যে নিষিদ্ধঘোষিত সংগঠন আলফা স্বাধীনত যোগদান কৰিছে। যি সময়ত আলফা স্বাধীনৰ পথ এৰি বহুতেই ঘৰুৱা জীৱনলৈ উভতি আহিছে,তেনেস্থলত নৱপ্ৰজন্মৰ একাংশই কিয় পুনৰ বাৰে বাৰে এনে বিপদসংকুল পথ বাছি ল'বলৈ বাধ্য হৈছে, সেয়া এতিয়া এক গভীৰ চিন্তনীয় বিষয় হৈ পৰিছে। দৰিদ্ৰতা, নিবনুৱা সমস্যা, ভৱিষ্যতৰ অনিশ্চয়তা নে অন্য কোনো মনস্তাত্ত্বিক কাৰকে এই কিশোৰ-যুৱকসকলক এনে সিদ্ধান্ত ল'বলৈ প্ৰৰোচিত কৰিছে, তাৰ কাৰণ বিশ্লেষণ কৰাটো বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ আহ্বান হিচাপে পৰিগণিত হৈছে। সন্ধানহীন হৈ থকা এই যুৱকসকলে প্ৰকৃততে আলফা স্বাধীনত যোগদান কৰিছে, নে আন কোনো স্থানলৈ গুচি গৈছে, সেয়া এতিয়াও নিশ্চিত হোৱা নাই। সমগ্ৰ ঘটনাৰ প্ৰকৃত সত্য লগে লগে পোহৰলৈ আহিব সেনা-আৰক্ষীৰ তীব্ৰ অনুসন্ধান আৰু অভিভাৱকসকলৰ সূক্ষ্ম পৰ্যবেক্ষণৰ জৰিয়তেহে। বৰ্তমান চিন্তিত পৰিয়ালবৰ্গই নিজৰ সন্তানকেইজনক সুকলমে ঘূৰাই পাবলৈ আশাৰে বাট চাই ৰৈছে আৰু তিনিচুকীয়া আৰক্ষী প্ৰশাসনকো বিষয়টোত চোকা নজৰ দিবলৈ ভুক্তভোগী পৰিয়ালকেইটাই আহ্বান জনাইছে।

উপকূল-নদীসমূহক অৰ্থনৈতিক বিকাশৰ

জাহাজ পৰিবহন ব্যৱস্থাৰ শক্তিশালীকৰণ সন্দৰ্ভত আজি অনুষ্ঠিত মন্ত্ৰণালয়ৰ পৰামৰ্শদাতা সমিতিৰ বৈঠকত অধ্যক্ষতা কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। বৈঠকত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী শান্তনু ঠাকুৰৰ লগতে আঠগৰাকী সাংসদ উপস্থিত আছিল। সোণোৱালে কয়— প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত বিগত ১২ বছৰত ভাৰতৰ সামুদ্ৰিক খণ্ডত অভূতপূৰ্ব পৰিৱৰ্তন সাধন হৈছে। আমাৰ উপকূল আৰু নদীসমূহক অৰ্থনৈতিক বিকাশৰ চালিকা শক্তিলৈ ৰূপান্তৰ কৰাৰ দিশত চৰকাৰে নিৰন্তৰ কাম কৰি আহিছে। এই লক্ষ্যত উপনীত হোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰে 'ক'ষ্টেল কাৰ্গ' প্ৰম'চন স্কীম' আৰু 'ক্ৰুজ ভাৰত মিছন'ৰ দৰে দুটা গুৰুত্বপূৰ্ণ পদক্ষেপত বিশেষ গুৰুত্ব আৰোপ কৰিছে। ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত ঘোষণা কৰা ক'ষ্টেল কাৰ্গ' প্ৰম'চন স্কীমৰ জৰিয়তে সামুদ্ৰিক উপকূলীয় মালবাহী পৰিবহন ব্যৱস্থাক উৎসাহিত কৰাৰ লগতে স্বত্বাধিকাৰী, উপকূলীয় জাহাজ পৰিচালক আৰু বহু মাধ্যমীয় পৰিবহন ব্যৱস্থাৰ সৈতে জড়িত প্ৰতিষ্ঠানসমূহক বিভিন্ন সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। আনহাতে, ২০২৪ চনৰ ছেপ্টেম্বৰ মাহত আৰম্ভ কৰা ক্ৰুজ ভাৰত মিছনৰ অধীনত ২০২৯ চনৰ মাৰ্চৰ ভিতৰত ভাৰতত সাগৰীয় ক্ৰুজ যাত্ৰীৰ সংখ্যা ১০ লাখলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। এই অভিযানৰ জৰিয়তে ৪ লাখ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰো লক্ষ্য লোৱা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে পুৰী আন্তঃৰাষ্ট্ৰীয় ক্ৰুজ টাৰ্মিনেল নিৰ্মাণৰ পৰিকল্পনাৰ বিষয়েও উল্লেখ কৰে। পাৰাদ্বীপ বন্দৰ প্ৰাধিকৰণে ওড়িশা চৰকাৰৰ সৈতে অংশীদাৰিত্বৰে ১,৫০০ কোটি টকা ব্যয়সাপেক্ষে এই টাৰ্মিনেলটো নিৰ্মাণৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। ওড়িশাৰ প্ৰথমটো সুকীয়া ক্ৰুজ টাৰ্মিনেল হিচাপে গঢ়ি তুলিবলৈ পৰিকল্পনা কৰা এই প্ৰকল্পই প্ৰতি বছৰে ২০ মিলিয়নৰো অধিক পৰ্যটকৰ আগমনেৰে সমৃদ্ধ পুৰীক আন্তঃৰাষ্ট্ৰীয় ক্ৰুজ পৰ্যটনৰ এক প্ৰৱেশদ্বাৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ লগতে ৰাজ্যখনৰ পৰ্যটন খণ্ডলৈ নতুন সম্ভাৱনা কঢ়িয়াই আনিব। ভাৰতৰ ১১ হাজাৰ কিলোমিটাৰতকৈও অধিক দৈৰ্ঘ্যৰ উপকূলীয় অঞ্চল দেশখনৰ অৰ্থনৈতিক বিকাশৰ এক বৃহৎ সম্পদ বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে বিগত ১২ বছৰত ভাৰতীয় বন্দৰসমূহত উপকূলীয় সামগ্ৰী পৰিবহনৰ পৰিমাণ ৭৪ নিযুত মেট্ৰিকটনৰ পৰা বৃদ্ধি পাই ১৭৭ নিযুত মেট্ৰিকটন হৈছে। অৰ্থাৎ এই সময়ছোৱাত প্ৰায় ১৪০ শতাংশ বৃদ্ধি হৈছে। ২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰতত ৪,৬২,৬৬১গৰাকী সাগৰীয় ক্ৰুজ যাত্ৰীৰ আগমন আৰু ২১২খন ক্ৰুজ জাহাজৰ বন্দৰ পৰিদৰ্শন পঞ্জীয়ন কৰা হৈছে। ২০১৩-১৪ বিত্তীয় বৰ্ষৰ তুলনাত ক্ৰুজ যাত্ৰীৰ সংখ্যা ৫.৫ গুণ আৰু জাহাজৰ আগমনৰ সংখ্যা ২.১ গুণ বৃদ্ধি পাইছে। তদুপৰি দেশৰ ১৬টা ৰাষ্ট্ৰীয় জলপথৰ অধীনত ইতিমধ্যে ২০টা নদী ক্ৰুজ পৰ্যটন পথ কাৰ্যক্ষম হৈ উঠিছে আৰু পৰ্যায়ক্ৰমে উন্নয়নৰ বাবে আন ৫১টা পথ চিনাক্ত কৰা হৈছে। বৰ্তমান ১৪৩টা নদী ক্ৰুজ টাৰ্মিনেল আৰু অৱতৰণ কেন্দ্ৰ কাৰ্যক্ষম হৈ আছে। এই দুয়োটা গুৰুত্বপূৰ্ণ পদক্ষেপৰ জৰিয়তে সামগ্ৰিকভাৱে ৫.৬ লাখৰো অধিক কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হোৱাৰ লগতে ১.৬ মিলিয়ন মেট্ৰিকটন কাৰ্বন-ডাই-অক্সাইড নিৰ্গমন ৰোধ কৰাৰ সম্ভাৱনা আছে বুলি সোণোৱালে উল্লেখ কৰে। বৈঠকত ওড়িশাৰ ৰাষ্ট্ৰীয় জলপথ-৫ৰ উন্নয়নৰ বিষয়টোও বিশেষভাৱে আলোচনা কৰা হয়। ১৩,০০০ কোটি টকাৰো অধিক ব্যয়সাপেক্ষে নিৰ্মাণৰ পৰিকল্পনা কৰা এই জলপথে তালচেৰ আৰু কলিংগনগৰৰ দৰে ৰাজ্যখনৰ ঔদ্যোগিক তথা খনিজ সম্পদসমৃদ্ধ অঞ্চলসমূহক পূব উপকূলৰ বন্দৰসমূহৰ সৈতে সংযোগ কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। বৈঠকত উপস্থিত সাংসদসকলে দেশৰ সামুদ্ৰিক খণ্ডৰ উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ শলাগ লোৱাৰ লগতে বিভিন্ন অঞ্চলৰ সামুদ্ৰিক আন্তঃগাঁথনিৰ উন্নয়ন সন্দৰ্ভত মূল্যৱান পৰামৰ্শ আগবঢ়ায়। সোণোৱালে সাংসদসকলৰ গঠনমূলক পৰামৰ্শ আৰু সহযোগিতাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ লক্ষ্যৰে ভাৰতক এক প্ৰতিযোগিতামূলক, বহনক্ষম আৰু সমৃদ্ধিশালী সামুদ্ৰিক পৰিবহন ব্যৱস্থাৰ দিশে আগুৱাই নিয়াৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

৩০ নৱেম্বৰত সোণোৱাল কছাৰী-মিচিং

অনুসৰি দুয়োখন পৰিষদতে নিৰ্বাচনী সময়সূচী অনুসৰি আজিৰে পৰা নিৰ্বাচনৰ অধিসূচনা জাৰি কৰা হৈছে। আয়োগে জানিবলৈ দিয়া মতে মনোনয়নপত্ৰ দাখিলৰ অন্তিম দিন ১০ নৱেম্বৰ। ১২ নৱেম্বৰত মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰাৰ লগতে বৈধভাৱে মনোনীত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তিম দিন ১৬ নৱেম্বৰ আৰু একেদিনাই প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ৩০ নৱেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ বিপৰীতে প্ৰয়োজন সাপেক্ষে ১ ডিচেম্বৰত পুনৰ ভোটগ্ৰহণ কৰা হ'ব। ৩ ডিচেম্বৰত ভোটগণনা আৰু নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব। নিৰ্বাচন সম্পূৰ্ণ কৰাৰ অন্তিম দিন ধাৰ্য কৰা হৈছে ৫ ডিচেম্বৰ। মনোনয়নপত্ৰ ৰাজহুৱা বন্ধৰ দিনৰ বাহিৰে আন সকলো কৰ্মদিনত পুৱা ১১ বজাৰ পৰা বিয়লি ৩ বজালৈ গ্ৰহণ কৰা হ'ব। ভোটগ্ৰহণৰ সময় পুৱা ৭.৩০ বজাৰ পৰা বিয়লি ৪ বজালৈ নিৰ্দ্ধাৰণ কৰা হৈছে। পুনৰ ভোটগ্ৰহণৰ ক্ষেত্ৰতো একে সময়সূচী প্ৰযোজ্য হ'ব বুলিও নিৰ্দেশনাটোত উল্লেখ কৰে। ভোটগণনাৰ দিনা পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হ'ব আৰু গণনা সম্পূৰ্ণ নোহোৱালৈকে অব্যাহত থাকিব। উল্লেখ্য যে দুয়োখন পৰিষদতে প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ সীমা আয়োগে প্ৰতিগৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ সৰ্বোচ্চ সীমা দুই লাখ টকা নিৰ্দ্ধাৰণ কৰিছে। আয়োগৰ তথ্য মতে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত মুঠ ভোটাৰৰ সংখ্যা ১,৬৩,৯৬৬ গৰাকী। ইয়াৰে ৭৯,২৯৫গৰাকী পুৰুষ, ৮৪,৬৬৭গৰাকী মহিলা আৰু চাৰিগৰাকী অন্যান্য ভোটাৰ। পৰিষদখনৰ ৩২টা সমষ্টিৰ বিপৰীতে মুঠ ৩৩৭টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। নতুন ভোটাৰৰ নাম অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া মনোনয়নপত্ৰ দাখিলৰ অন্তিম দিনলৈকে অব্যাহত থাকিব। সমষ্টিসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত ২৫টা অনুসূচিত জনজাতিৰ বাবে, ছটা মহিলাৰ বাবে আৰু এটা সাধাৰণ শ্ৰেণীৰ বাবে সংৰক্ষিত কৰা হৈছে। আনহাতে এইবাৰ হ'বলগীয়া মিচিং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত মুঠ ভোটাৰৰ সংখ্যা ৬,৩৫,৪৯৩গৰাকী। ইয়াৰে ৩,১৭,২৯৭গৰাকী পুৰুষ, ৩,১৮,১৯৪গৰাকী মহিলা আৰু দুগৰাকী অন্যান্য ভোটাৰ। নিৰ্বাচনৰ বাবে মুঠ ১,০৩২টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে বুলি উল্লেখ কৰিছে। ৪০টা সমষ্টিৰ ভিতৰত ২৮টা অনুসূচিত জনজাতিৰ বাবে, ৭টা মহিলাৰ বাবে আৰু ৫টা সমষ্টি অসংৰক্ষিত হিচাপে ৰখা হৈছে। মনোনয়নপত্ৰ দাখিলৰ অন্তিম দিনলৈকে নতুন ভোটাৰৰ নাম অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া অব্যাহত থাকিব বুলিও আয়োগে সদৰি কৰিছে।

ইৰানত পাৰমাণৱিক আক্ৰমণৰ বাবে সাজু আমেৰিকা

চলি আছে যদিও পাৰমাণৱিক আক্ৰমণৰ সম্ভাৱনা বৃদ্ধি হোৱা নাছিল। মধ্যপ্ৰাচ্যত আৰম্ভ হোৱা এই সংঘাতৰ সময়ছোৱাত প্ৰথমবাৰৰ বাবে আমেৰিকাই দেশখনৰ ওপৰত পাৰমাণৱিক অস্ত্ৰৰে আক্ৰমণ চলোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। কাৰ্লচনে প্ৰকাশ কৰিছে যে ইজৰাইলৰ প্ৰধানমন্ত্ৰী নেতান্যাহুৱে ইৰানৰ বিৰুদ্ধে পুনৰ এক বৃহৎ তথা ভয়ানক সামৰিক অভিযান আৰম্ভ কৰিবলৈ মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্পৰ ওপৰত অহৰহ হেঁচা প্ৰয়োগ কৰি আহিছে। নেটান্যাহুৱে প্ৰায় দৈনিক ট্ৰাম্পৰ সৈতে যোগাযোগ স্থাপন কৰি ইৰানৰ পাৰমাণৱিক কেন্দ্ৰত আক্ৰমণ চলাবৰ বাবে হেঁচা প্ৰয়োগ কৰিছে। যদিহে আশংকা কৰা মতে আমেৰিকাই পাৰমাণৱিক অস্ত্ৰৰে আক্ৰমণ আৰম্ভ কৰে, তেন্তে এই আক্ৰমণৰ সম্ভাব্য লক্ষ্য হ'ব মধ্য ইৰানৰ পিক এক্স মাউণ্টেইন। মন কৰিবলগীয়া যে পিক এক্স মাউণ্টেইন হৈছে মধ্য ইৰানত অৱস্থিত এটা অতি সুৰক্ষিত ভূগৰ্ভস্থ স্থান। ইয়াৰ আন এটা নাম হৈছে কুহ-এ কোলাং-গাজ লা। এই বিশেষ ভূগৰ্ভস্থ কেন্দ্ৰটো ইৰানৰ পাৰমাণৱিক কেন্দ্ৰৰ ওচৰতে অৱস্থিত। পশ্চিমীয়া চোৰাংচোৱা সংস্থাসমূহে সন্দেহ কৰিছে যে ইৰানে নিজৰ পাৰমাণৱিক কাৰ্যসূচীৰ গুৰুত্বপূৰ্ণ অংশ সুৰক্ষিত কৰিবৰ বাবে এই স্থানত উক্ত ভূগৰ্ভস্থ আন্তঃগাঁথনি নিৰ্মাণ কৰিছে। এই কেন্দ্ৰটো ভূপৃষ্ঠৰ পৰা প্ৰায় ১০০ মিটাৰ গভীৰতাত অৱস্থিত। ইয়াত ইউৰেনিয়াম সমৃদ্ধকৰণৰ বাবে ব্যৱহাৰ কৰা চেণ্ট্ৰিফিউজ আৰু আন পাৰমাণৱিক সা-সৰঞ্জাম স্থাপন কৰিব পৰা যায় বুলি পশ্চিমীয়া চোৰাংচোৱাই আশংকা প্ৰকাশ কৰিছে। আনহাতে, টাকাৰ কাৰ্লচেনে দাবী কৰিছে যে পাহাৰখনৰ তলত থকা আন সুৰংগসমূহ প্ৰায় তিনিশ ফুট ডাঠ গ্ৰেনাইট শিলেৰে সুৰক্ষিত। যাৰ বাবে আমেৰিকাৰ পৰম্পৰাগত বাংকাৰ-বাষ্টাৰ বোমাৰে সেই স্থান সম্পূৰ্ণৰূপে ধ্বংস কৰিব পৰা নাযায়। সেয়ে এই সুৰক্ষিত তথা গোপন স্থানক ধ্বংস কৰিবৰ বাবে আমেৰিকাই পাৰমাণৱিক অস্ত্ৰ ব্যৱহাৰৰ বাদে বিকল্প নাই। যদিহে আমেৰিকাই উক্ত স্থানত পাৰমাণৱিক আক্ৰমণ সংঘটিত কৰে, তেন্তে ইয়াৰ প্ৰভাৱ কেৱল মধ্যপ্ৰাচ্যতে সীমাবদ্ধ হৈ নাথাকিব। এই পাৰমাণৱিক আক্ৰমণ সংঘটিত হ'লে ৰুছিয়া-ইউক্ৰেইন যুদ্ধ, ভাৰত-পাকিস্তানৰ সম্পৰ্ক আৰু উত্তৰ কোৰিয়াক কেন্দ্ৰ কৰিও নতুন পাৰমাণৱিক উত্তেজনাৰ সৃষ্টি হ'ব পাৰে। যি এটা সময়ত হয়তো তৃতীয় বিশ্বযুদ্ধৰ ৰূপ ল'ব পাৰে। অৱশ্যে এই সন্দৰ্ভত এতিয়ালৈকে হোৱাইট হাউছে আনুষ্ঠানিকভাৱে কোনো মন্তব্য ৰাজহুৱা কৰা নাই। সংবাদ মাধ্যমে প্ৰকাশ কৰা বাতৰি অনুসৰি আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি আৰু তেওঁৰ বিশেষ দূত ষ্টিভে সামৰিক অভিযানৰ পৰিৱৰ্তে কূটনৈতিকভাৱে এই সমস্যা সমাধানৰ বাবে আগ্ৰহী। কিন্তু ইয়াৰ বিপৰীত স্থিতিত আছে মাৰ্কিন বিদেশ সচিব মাৰ্কো ৰুবিঅ' আৰু চি আই এৰ সঞ্চালক জন ৰেটক্লিফ। এই দুই শীৰ্ষ বিষয়ায়ো ইজৰাইলৰ প্ৰধানমন্ত্ৰী নেতান্যাহুৰ সৈতে সহমত প্ৰকাশ কৰি এক ভয়ংকৰ সামৰিক অভিযানৰ পক্ষত আছে। এতিয়া প্ৰশ্ন হৈছে— আমেৰিকাই উক্ত স্থানত প্ৰথমেই পাৰমাণৱিক আক্ৰমণ সংঘটিত কৰিব নেকি? কিয়নো এনে ধৰণৰ ভূগৰ্ভস্থ কেন্দ্ৰ ধ্বংসৰ বাবে আমেৰিকাৰ হাতত আছে জি বি ইউ-৫৭ নামৰ এক অতি শক্তিশালী বোমা। ৩০ হাজাৰ পাউণ্ড ওজনৰ এই শক্তিশালী বোমাটো হ'ল বাংকাৰ-বাষ্টাৰ বোমা। মাটিৰ অতি তলত থকা কোনো সামৰিক ঘাটী, সুৰংগ বা কোনো অতি সুৰক্ষিত কেন্দ্ৰ ধ্বংস কৰিবৰ বাবে এই বোমা ব্যৱহাৰ কৰে আমেৰিকাই। ইয়াৰ বিশেষত্ব হৈছে মাটিৰ তলত প্ৰৱেশ কৰি বিস্ফোৰণ ঘটোৱাৰ সম্ভাৱনা। কিন্তু পি এক্স মাউণ্টেইনৰ দৰে গভীৰ আৰু কঠিন শিলত থকা ইৰানৰ উক্ত কেন্দ্ৰটো এইটো বোমাৰে যে ধ্বংস কৰিব পাৰিব, তাক লৈ সন্দিহান স্বয়ং হোৱাইট হাউছ। যদিহে এইটো বোমা বিফল হয় তেন্তে আমেৰিকাই তেওঁলোকৰ 'মাদাৰ অব অল বোম্ছ' বুলি খ্যাত জি বি ইউ-৪৩ বোমা নিক্ষেপ কৰিব পাৰে। ই পূৰ্বৰ বোমাটোৰ দৰে একে পদ্ধতিৰে বিস্ফোৰণ ঘটায় যদিও ইয়াৰ শক্তি অতি প্ৰবল। এনে শক্তিশালী বোমাৰ দ্বাৰা যদি ইৰানৰ উক্ত ভূগৰ্ভস্থ কেন্দ্ৰটো ধ্বংস কৰিব নোৱাৰে, তেন্তে আমেৰিকাই পাৰমাণৱিক বোমা বিস্ফোৰণ ঘটোৱাটো নিশ্চিত হৈ পৰিছে। প্ৰকাশিত তথ্য অনুসৰি ৭ নৱেম্বৰৰ ভিতৰত এই সন্দৰ্ভত মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ট ট্ৰাম্পে কোনো এক সিদ্ধান্ত গ্ৰহণ কৰিব।

পুনৰ ইৰানৰ ওপৰত আক্ৰমণ আমেৰিকাৰ ঃ আমেৰিকাৰ মধ্যৱৰ্তীকালীন নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত হঠাতে পুনৰ ইৰানৰ বিৰুদ্ধে সামৰিক অভিযান আৰম্ভ কৰিলে আমেৰিকাই। কূটনৈতিকভাৱে দুয়োখন দেশৰ মাজত বিৰাজমান সমস্যা সমাধান কৰিবলৈ আগ্ৰহী বুলি ট্ৰাম্পে মন্তব্য কৰি থকাৰ মাজতে হঠাতে হৰমুজ প্ৰণালীৰ কাষতে থকা ইৰানৰ এক গুৰুত্বপূৰ্ণ দ্বীপত আকাশমাৰ্গেৰে আক্ৰমণ চলাইছে আমেৰিকাই। আমেৰিকাৰ সামৰিক বাহিনীয়ে এই আক্ৰমণৰ কথা স্বীকাৰ কৰি কয় যে এয়া এক প্ৰতিৰক্ষামূলক অভিযানহে। সংবাদ মাধ্যমে প্ৰকাশ কৰা বাতৰি অনুসৰি আমেৰিকাৰ সেনাই উক্ত দ্বীপটোৰ কেইবাটাও সামৰিক ঘাটীক লক্ষ্য কৰি বোমাবৰ্ষণ কৰে। আমেৰিকাৰ এগৰাকী শীৰ্ষ সেনা বিষয়াই প্ৰকাশ কৰা মতে ইৰানৰ ইছলামিক ৰিভিউলিচনাৰী গাৰ্ডে আমেৰিকাৰ এখন বিমানক লক্ষ্য কৰি ক্ষেপণাস্ত্ৰৰে আক্ৰমণ চলাইছিল। সেয়ে প্ৰতিৰক্ষামূলক উদ্দেশ্যৰে আমেৰিকাই এই আক্ৰমণ চলালে। অৱশ্যে এই আক্ৰমণত কিমান হতাহত হৈছে, সেয়া এতিয়ালৈকে জানিব পৰা হোৱা নাই।

আমেৰিকাৰ সম্ভাব্য পাৰমাণৱিক আক্ৰমণক লৈ ইৰানত ব্যাপক সতৰ্কতা ঃ আমেৰিকাই ইৰানৰ ওপৰত পাৰমাণৱিক আক্ৰমণ চলোৱাৰ সম্ভাৱনা বৃদ্ধি পোৱাৰ লগে লগে ইৰানে পাৰমাণৱিক আক্ৰমণৰ সময়ত নাগৰিকসকলে নিজৰ জীৱন কেনেদৰে ৰক্ষা কৰিব লাগে, সেই সন্দৰ্ভত এক ভিডিঅ' ৰাজহুৱা কৰিছে। তেহৰানে এই ভিডিঅ' ৰাজহুৱা কৰাৰ পাছতে আমেৰিকাৰ সম্ভাব্য পাৰমাণৱিক আক্ৰমণক লৈ বিশ্বজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। ইৰানৰ চৰকাৰী সংবাদ সংস্থা ইৰনাৰ দ্বাৰা এই বিশেষ ভিডিঅ'টো সম্প্ৰচাৰ কৰা হৈছে। মূলতঃ পাৰমাণৱিক বোমাৰ বিস্ফোৰণ ঘটিলে ইৰানৰ নাগৰিকসকলে কেনেদৰে আশ্ৰয় ল'ব লাগে আৰু তেজস্ক্ৰিয় বিকিৰণৰ পৰা নিজকে কেনেদৰে সুৰক্ষিত কৰিব লাগে, সেয়া উক্ত ভিডিঅ'টোৰ দ্বাৰা সম্প্ৰচাৰ কৰিছে ইৰান প্ৰশাসনে। ভিডিঅ'টোত দেশৰ নাগৰিকসকলক পাৰমাণৱিক বোমা বিস্ফোৰণৰ আশংকা দেখিলেই ভূগৰ্ভত ২৪ ঘণ্টা আশ্ৰয় ল'বলৈ, ঘৰৰ খিৰিকী আৰু দুৱাৰৰ পৰা দূৰত অৱস্থান কৰাৰ লগতে বাহিৰৰ পৰা বতাহ ভিতৰলৈ টানি অনা শীতাতপ নিয়ন্ত্ৰিত যন্ত্ৰ তৎক্ষণাৎ বন্ধ কৰিবলৈ পৰামৰ্শ দিছে। একেদৰে তেজস্ক্ৰিয় ধূলি আৰু দূষিত পদাৰ্থৰ সংস্পৰ্শৰ পৰা নিজকে কেনেকৈ আঁতৰাই ৰাখিব লাগে, সেয়া বিতংভাৱে বিশ্লেষণ কৰা হৈছে এই ভিডিঅ'টোত। উল্লেখ্য যে আমেৰিকাই হঠাতে ইৰানৰ ক'চেম দ্বীপত আক্ৰমণ চলোৱাৰ পাছতে পুনৰ সামৰিক অভিযানৰ আশংকাত ভুগিছে ইৰানবাসী। সমান্তৰালভাৱে এইবাৰ আমেৰিকাই পাৰমাণৱিক বোমাৰে আক্ৰমণ চলোৱাৰ সম্ভাৱনা বৃদ্ধি পোৱাৰ লগে লগে দেশৰ নাগৰিকৰ নিৰাপত্তাক লৈ তৎপৰ হৈ পৰিছে তেহৰান।



শৰীৰতত্ত্ব হেমন্তৰ শিহৰণ

▷▶ ডাঃ ভাৰ্গৱ ভাগৱতী




প্ৰকৃতিৰ অপৰূপ পৰিৱৰ্তনৰ মাজতেই লুকাই আছে মানৱীয় অনুভৱবোৰ। শেৱালিৰে তলসৰা শৰতৰ পাছতেই প্ৰকৃতিৰ বুকুত স্নিগ্ধ হেমন্ত ঋতুৱে ভৰি থয়হি। কাতিৰ মৰকত-সেউজীয়া পথাৰক আঘোণৰ ধানেৰে পৰিপূৰ্ণ সুৱৰ্ণ পথাৰলৈ ৰূপান্তৰিত কৰি গ্ৰাম্য জীৱনৰ অভাৱ-অনাটনৰ ওৰ পেলাই আশাৰ বতৰা কঢ়িয়াই অনাৰ সন্ধিক্ষণ এই হেমন্ত। হেমন্তময় নৱেম্বৰে ব্যস্ত জনজীৱনত প্ৰাণৰ নৱস্পন্দন আনে। এই সময় কেৱল মাত্ৰ ঋতু পৰিৱৰ্তনৰে নহয়। সাধাৰণতে, নৱেম্বৰৰ প্ৰথম সূৰ্যোদয়ৰ লগে লগে পৰিৱেশে নৱৰূপ ধাৰণ কৰে। নিয়ৰসনা পুৱা, চেঁচা বতাহ জাকৰ পৰশ, পুৱাৰ কোমল ৰ'দ আৰু সেমেকা আবেলি — এই সকলো পৰিঘটনাই মনলৈ এক অনিৰ্বচনীয় প্ৰশান্তি লৈ আহে। এই সকলোবোৰ প্ৰাকৃতিক পৰিৱৰ্তনে ধীৰে ধীৰে শীতকাললৈ ৰূপান্তৰিত হৈ জনজীৱনত এক মায়াময় শিহৰণ তোলে। কেতিয়াবা আপুনি কল্পনা কৰিছেনে, যে এই ঋতু পৰিৱৰ্তনে সমান্তৰালভাৱে আমাৰ শাৰীৰিক আৰু মনস্তাত্ত্বিক দিশতো অদ্ভুত জৈৱিক পৰিৱৰ্তন ঘটায়?

অসমীয়া সাহিত্যত হেমন্ত কালৰ পৰিৱেশত বিশেষ প্ৰাকৃতিক সুবাসৰ বৰ্ণনা বহু বিদ্বানে কৰিছে — শালি ধানৰ সুবাস, নিয়ৰসনা ঘাঁহনিৰ গোন্ধ, মাটিৰ সুবাস, ইত্যাদি। এই সুবাসে শৈশৱলৈ আৰু চহা জীৱনৰ সেই পুৰণি দিনবোৰলৈ আমাক টানি লৈ যায়। গোন্ধবোৰে আমাক আৱেগিক কৰি তোলে। এই আৱেগ-প্ৰৱণ মুহূৰ্তবোৰ এক শাৰীৰিক প্ৰতিক্ৰিয়াৰ পৰিণতি। ইয়াৰ আঁৰত স্নায়ু বিজ্ঞান আছে। শৰীৰৰ ঘ্ৰাণেন্দ্ৰিয়ৰ স্নায়ু (Olfactory Nerve) মগজুৰ 'অ'লফেক্টৰী বাল্ব'ৰ সৈতে পোনপটীয়াকৈ যুক্ত, যি শৰীৰৰ বাকী ইন্দ্ৰিয়ৰ বিপৰীতে, 'থেলেমাছ' গ্ৰন্থিক বাইপাছ কৰি পোনপটীয়াকৈ আমাৰ আৱেগ কেন্দ্ৰ, 'এমিগডালা' আৰু স্মৃতি-ভঁৰাল, 'হিপ'কেম্পাছ'ৰ সৈতে সংযোগ স্থাপন কৰে। এই প্ৰক্ৰিয়াটোৱে আমাক 'ঘটনামূলক স্মৃতি' পুনৰুদ্ধাৰ কৰি তাৰ আৱেগিক চিহ্নিতকৰণত সহায় কৰে। নৱেম্বৰৰ চেঁচা আৰু শুকান বতাহে এই গোন্ধৰ অণুবোৰক মাটিৰ ওচৰত বেছি সময় ধৰি ৰাখে, ফলত হেমন্তৰ চিনাকি সুবাসেৰে ভৰা মধুৰ স্মৃতি আৰু বিশেষ অনুভৱবোৰ সজীৱ হয়।

তদুপৰি, নৱেম্বৰৰ কুঁৱলী ফালি পুৱা সাৰ পোৱাটো যেন এক সংগ্ৰাম, এক অনাকাংক্ষিত যুদ্ধৰ প্ৰস্তুতি। উমাল লেপৰ তলৰ পৰা ওলাই আহিবলৈ মন নকৰাটো তেনেই স্বাভাৱিক। সাধাৰণতে মানুহৰ শৰীৰৰ 'আভ্যন্তৰীণ জৈৱিক ঘড়ী' বা 'চাৰ্কেডিয়ান ৰিদম'ক নিয়ন্ত্ৰণ কৰে মগজুৰ হাইপ'থেলেমাছ গ্ৰন্থিত থকা

> ...সাধাৰণতে মানুহৰ শৰীৰৰ 'আভ্যন্তৰীণ জৈৱিক ঘড়ী' বা 'চাৰ্কেডিয়ান ৰিদম'ক নিয়ন্ত্ৰণ কৰে মগজুৰ হাইপ'থেলেমাছ গ্ৰন্থিত থকা 'ছুপ্ৰাকায়াজমেটিক্ নিউক্লিয়াছ' নামৰ এটি সূক্ষ্ম কেন্দ্ৰই। নৱেম্বৰ আৰু আগন্তুক শীতৰ লগে লগে দিনবোৰ চুটি হৈ পৰা বাবে সূৰ্যৰ পোহৰ ক্ৰমান্বয়ে কম পোৱা যায়...



'ছুপ্ৰাকায়াজমেটিক্ নিউক্লিয়াছ' নামৰ এটি সূক্ষ্ম কেন্দ্ৰই। নৱেম্বৰ আৰু আগন্তুক শীতৰ লগে লগে দিনবোৰ চুটি হৈ পৰা বাবে সূৰ্যৰ পোহৰ ক্ৰমান্বয়ে কম পোৱা যায় দৈনিক। এই পৰিপ্ৰেক্ষিতত, ছুপ্ৰাকায়াজমেটিক্ নিউক্লিয়াছে স্নায়ৱিক সংকেত প্ৰেৰণ কৰে অনুকম্পী স্নায়ুতন্ত্ৰৰ যোগেদি 'পিনিয়েল গ্ৰন্থি' লৈ। ফলস্বৰূপে, মগজুৰ পিনিয়েল গ্ৰন্থিয়ে অতিমাত্ৰা 'মেলাট'নিন' হৰম'ন উৎপাদন কৰে। মেলাট'নিন হৈছে টোপনি আৰু জিৰণিৰ সংকেত দিয়া ৰাসায়নিক-প্ৰেৰক। ইয়াৰ বিপৰীতে; মন সজীৱ কৰাৰ, মনৰ দৃঢ়তা, আৱেগিক সহনশীলতা আৰু দীৰ্ঘস্থায়ী তৃপ্তি বজাই ৰখাৰ কাৰক হৰম'ন 'ছেৰোট'নিন'ৰ মাত্ৰা কমি যায়। ফলত শৰীৰে অধিক জিৰণি বিচাৰে। এয়া কোনো এলাহ নহয়, বৰঞ্চ শৰীৰৰ জৈৱিক প্ৰতিক্ৰিয়া।

দিন চুটি হোৱাৰ লগে লগে আমাৰ শৰীৰৰ 'ছাৰ্কেডিয়ান ৰিদম' সলনি হোৱাৰ বাবে ৰাতিৰ টোপনি গভীৰ হৈ পৰে। পুৰণি কালৰ মানুহখিনিয়ে আঘোণৰ পথাৰৰ কাম-কাজ শেষ কৰি সোনকালে শুই পৰা আৰু পুৱতি নিশাই সাৰ পোৱাৰ যি নিয়ম গঢ়িছিল, সেয়া আচলতে আমাৰ শৰীৰৰ জিনীয়-গঠনৰ সৈতে পোনপটীয়াকৈ খাপ খোৱা এক সুন্দৰ বৈজ্ঞানিক জীৱনশৈলী আছিল।

এই ঋতু পৰিৱৰ্তনৰ লগত মানুহে মানসিক স্থিতি খাপ খুৱাবলৈ কৰা চেষ্টাত, মনটোৱে কেতিয়াবা অনুভৱ কৰা ক্ষণস্থায়ী উদাসীনতা আৰু জিৰণিৰ হাবিয়াসক 'উইণ্টাৰ ব্লুজ' বোলে। ই কোনো নেতিবাচক সংজ্ঞা নহয়। কোলাহলৰ পৰা আঁতৰি নিজৰ সৈতে সময় কটোৱাৰ উত্তম সুযোগ। অধিকসংখ্যক ক্ষেত্ৰত দেখা যায়, পৰিৱেশগত-পৰিৱৰ্তন আৰু ৰুচিসন্মত জীৱনশৈলীৰ মাধ্যমেৰে ইয়াক নিয়ন্ত্ৰণ কৰিব পৰা যায়। ই এক আত্ম-পৰিসীমিত মানসিক অৱস্থা। এই একেটি ঋতুভিত্তিক মানসিক অৱসাদে একেৰাহে দুবছৰ ধৰি প্ৰতি বছৰতে দুমাহ বা তাতোধিক সময়ৰ বাবে দীৰ্ঘম্যাদী ৰূপ ধাৰণ কৰিলে ইয়াক 'ছিজ'নেল এফেক্টিভ ডিজ্‌অৰ্দাৰ' বোলা হয়। ইয়াৰ বাবে চিকিৎসকৰ উচিত পৰামৰ্শৰ প্ৰয়োজন হয়। পোহৰৰ অভাৱে মনৰ উৎসাহ ম্লান কৰে। সাধাৰণতে, আঘোণৰ জিলিকা ৰ'দে কুঁৱলীৰ আচ্ছাদন ফালি সোণোৱালী পথাৰ আৰু নতুন ধানৰ গোন্ধ বিয়পাই সকলো মানসিক অৱসাদৰ অন্ত পেলাই নতুন আশাৰ সঞ্চাৰ কৰে। নৱেম্বৰৰ চেঁচা আৰু শুকান বতাহে বায়ুৰ আৰ্দ্ৰতা হ্ৰাস কৰে, যাৰ বাবে ছালৰ বাহ্যিক আৱৰণৰ পৰা বাষ্পীভৱন দ্ৰুত হয়। এই ঋতু পৰিৱৰ্তনে আমাক ছালৰ যত্ন আৰু পৰম্পৰাগত তেল-মালিচৰ দৰে আমাৰ আইতাহঁতৰ পুৰণি দিনীয়া অভ্যাসসমূহলৈ উভতি যাবলৈ সোঁৱৰাই দিয়ে। সমান্তৰালভাৱে, হেমন্তৰ আঘোণমহীয়া পিয়াসী আৰু মৃদু ৰ'দে ছালত অতি-বেঙুনীয়া ৰশ্মিৰ প্ৰভাৱ কমকৈ পেলাই ভিটামিন 'ডি' সংশ্লেষণত সহায় কৰে। এই কোমল ৰ'দে আমাৰ শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰাৰ লগতে মনৰ অৱসাদ দূৰ কৰি ড'পামিন হৰম'নৰ ক্ষৰণ বৃদ্ধি কৰে, যিয়ে আমাক দিনটোৰ বাবে সজীৱ কৰি ৰাখে।

পুৰণি লোকবিশ্বাস অনুসৰি, হেমন্তকালত বা শীতকালত বিশেষকৈ, বয়োজ্যেষ্ঠসকলে আঁঠুৰ বিষ হ'লে সেয়া বতৰৰ আসন্ন পৰিৱৰ্তনৰ দৈহিক বা মানসিক উমান বুলি ধাৰণা কৰে। হেমন্তৰ শেষত চেঁচা বতাহ বা ঘন কুঁৱলীয়ে 'বায়ুমণ্ডলীয় চাপ' হ্ৰাস কৰে। এই চাপ কমি গ'লে শৰীৰৰ গাঁঠিবোৰত থকা সংযোগী কলা আৰু 'অস্থি-সন্ধি তৰল' সামান্য প্ৰসাৰিত হ'বলৈ ধৰে। এই প্ৰসাৰণে আঁঠু বা আন গাঁঠিত থকা স্নায়ুমূৰবোৰত



অতিৰিক্ত হেঁচা প্ৰয়োগ কৰে। ফলত অস্থি-সন্ধিৰ প্ৰদাহ থকা বা পুৰণি আঘাত পোৱা ঠাইবোৰত বিষ অনুভৱ হয়। সেয়েহে, এই পৰিঘটনা শৰীৰৰ ভিতৰৰ এক প্ৰাকৃতিক বেৰ'মিটাৰ। ইয়াৰ উপৰি, শীতৰ সন্ধিয়া গৰম চাহ, গুড়, নাৰিকলৰ লাডু বা পিঠা-পনা আদিৰ প্ৰতি হাবিয়াস বাঢ়ে। এই হাবিয়াস, দৰাচলতে শৰীৰৰ তাপ নিয়ন্ত্ৰণৰ এক তাৎপৰ্যপূৰ্ণ ব্যৱস্থাপনা। চৌদিশৰ তাপমাত্ৰা হ্ৰাস পোৱা সময়ত শৰীৰে নিজৰ আভ্যন্তৰীণ উষ্ণতা বজাই ৰাখিবলৈ অধিক শক্তি খৰচ কৰে। এই প্ৰক্ৰিয়াত শৰীৰৰ 'বিপাকীয় হাৰ' বৃদ্ধি পায়। হাইপ'থেলেমাছ গ্ৰন্থিয়ে অতিৰিক্ত শক্তিৰ প্ৰয়োজনীয়তা অনুভৱ কৰি 'ঘ্ৰেলিন' নামৰ ক্ষুধা বৃদ্ধি কৰা হৰম'ন নিৰ্গত কৰে। এই হৰম'নে উচ্চ কেলৰি-যুক্ত আৰু শৰ্কৰা সমৃদ্ধ খাদ্য গ্ৰহণ কৰিবলৈ সংকেত দিয়ে। লগতে, চাহত থকা কেফেইন, পলিফেনল আৰু অন্যান্য ৰাসায়নিক পদাৰ্থবোৰে হৃদযন্ত্ৰৰ গতি বৃদ্ধি কৰাৰ লগতে ৰক্তনলী প্ৰসাৰিত কৰি প্ৰান্তীয় ৰক্ত-সঞ্চালন বৃদ্ধি কৰে। গুড়ৰ পৰা পোৱা প্ৰাকৃতিক শৰ্কৰাই তাৎক্ষণিক শক্তি যোগান ধৰে, যিটো শৰীৰৰ 'বাদামী চৰ্বি কলা'বোৰ 'থাৰ্ম'জেনেছিছ' প্ৰক্ৰিয়াৰে পুৰি উত্তাপ বৃদ্ধি কৰে।


হেমন্ত ঋতু মাথোঁ পৰিৱৰ্তনৰেই সময় নহয়। ই সামাজিক, বৌদ্ধিক, মানসিক আৰু শাৰীৰিক পৰিঘটনাৰ জীৱন্ত দলিল। পুৰণি লোকবিশ্বাস, আচাৰ ব্যৱহাৰসমূহৰ প্ৰতিখোজতেই ওতপ্ৰোতভাৱে জড়িত হৈ আছে চিকিৎসা বিজ্ঞান আৰু শৰীৰতত্ত্ব। আধুনিক ব্যস্ততাৰ মাজতো আমাৰ শৰীৰৰ প্ৰতিটো কোষে প্ৰকৃতিৰ এই ছন্দোময় পৰিৱৰ্তনক সঠিকভাৱে অনুভৱ কৰিব পাৰে। আগন্তুক সময়ত যেতিয়া আপুনি ৰাতিপুৱাৰ চাহ কাপ হাতত লৈ কুঁৱলীৰ অৱগুণ্ঠন ফালি প্ৰকৃতিৰ সান্নিধ্য ল'ব, অনুভৱ কৰিব আপোঁনাৰ শৰীৰৰ জৈৱ-ৰসায়নৰ নিখুঁত ক্ৰিয়া-প্ৰক্ৰিয়াবোৰ আৰু শীতৰ আগমনৰ অন্তৰ্নিহিত বাৰ্তা।

ফোন ঃ ৭০০২৫৬২২২১

চন্দ্ৰত নতুন গহ্বৰ

চন্দ্ৰৰ বুকুত এটি নতুন গহ্বৰৰ সন্তেদ পাইছে নাছাৰ বিজ্ঞানীসকলে। পৃথিৱীৰ পৰা আমি চন্দ্ৰৰ বুকুত প্ৰত্যক্ষ কৰা দাগবোৰ প্ৰকৃততে একোটা গহ্বৰ। কিন্তু শেহতীয়াভাৱে নাছাৰ বিজ্ঞানীসকলে সন্তেদ পোৱা গহ্বৰটো তেনেই নতুন। চন্দ্ৰৰ বুকুত কোনো ধুমকেতু বা গ্ৰহাণুৱে খুন্দা মৰাৰ ফলত সুবিশাল এই গহ্বৰৰ সৃষ্টি হৈছিল। চন্দ্ৰত বায়ুমণ্ডল নথকাৰ বাবে মহাজাগতিক পদাৰ্থই সততে আঘাত হানে। কিন্তু এনেধৰণৰ বৃহৎ আঘাত শতিকাত এবাৰমানহে প্ৰত্যক্ষ কৰা হয়। শেহতীয়া এই গহ্বৰটোৰ বিষয়ে 'ছায়েন্স এডভাঞ্চেজ' নামৰ এখন পত্ৰিকাত প্ৰকাশ পাইছে। পত্ৰিকাখনত এই গহ্বৰটো মেক্‌গেটচিন বুলি চিনাক্ত কৰা হৈছে। চন্দ্ৰৰ বিষয়ে গৱেষণা কৰি থকা প্ৰখ্যাত বিজ্ঞানী টন মেক্‌গেটচিনৰ নামেৰে এই গহ্বৰৰ নামকৰণ কৰা হৈছে।


এই গহ্বৰটোৰ বিষয়ে প্ৰথম পোহৰলৈ আহে নাছাৰ লুনাৰ ৰিক'নাইচেঞ্চ অৰ্বিটাৰ নামৰ কৃত্ৰিম উপগ্ৰহত থকা কেমেৰাৰ ছবিৰ জৰিয়তে। উক্ত মহাকাশ যানখনৰ সৈতে জড়িত বিজ্ঞানী ৰবাৰ্ট ৱাগনাৰে ২০২৫ চনৰ অক্টোবৰৰ মাহত চন্দ্ৰপৃষ্ঠৰ ছবি নিৰীক্ষণ কৰাৰ সময়ত গহ্বৰটোৰ বিষয়ে অৱগত হয়। আন এগৰাকী বিজ্ঞানী মেক্‌গাটচিনৰ মতে ২০২৪ চনৰ এপ্ৰিল-মে' মাহত চন্দ্ৰপৃষ্ঠত কোনো মহাজাগতিক পাদৰ্থৰ খুন্দাত সৃষ্টি হৈছিল ২২২ মিটাৰ ব্যাসাৰ্দ্ধ আৰু ৪৩ মিটাৰ গভীৰতাৰ গহ্বৰৰ।



মহাকাশৰ অদৃশ্য সংকট

▷▶ ডঃ জিণ্টু শৰ্মা

নিশাৰ নিৰিবিলি আকাশখনলৈ চালে আমি কি দেখা পাওঁ? অনন্ত নীৰৱতা, তিৰবিৰাই থকা তৰা, জোনাকৰ কোমল পোহৰ আৰু এক অপাৰ সৌন্দৰ্য। কিন্তু এই নীৰৱ, নিস্তব্ধ আৰু শান্ত মহাকাশখন জানো সঁচাকৈয়ে সিমান নিৰাপদ আৰু নিকা? পৃথিৱীৰ নদী, সাগৰ, অৰণ্য আনকি হিমালয়ৰ শৃংগলৈকে মানৱজাতিয়ে যিদৰে আৱৰ্জনাৰ পাহাৰ গঢ়ি তুলিছে, তেনে আৱৰ্জনাই মহাকাশতো ভৰি পৰিছে নেকি? মহাকাশত আকৌ কিহৰ আৱৰ্জনা? য'ত মানুহ স্থায়ীভাৱে বাস নকৰে, য'ত কোনো ডাষ্টবিন নাই, তাত ক'ৰ পৰা আহিল এইবোৰ জাবৰ? ই কি, কিয় আৰু কেনেকৈ সৃষ্টি হ'ল? একবিংশ শতিকাত মানৱজাতিৰ অন্যতম নীৰৱ অথচ ভয়াৱহ সংকটৰ নামেই হৈছে-'মহাকাশ আৱৰ্জনা' বা 'স্পেচ জাংক'। বাহ্যিকভাৱে আমাৰ চকুত নপৰিলেও, পৃথিৱীৰ পৰিৱেশৰ দৰেই আমাৰ বায়ুমণ্ডলৰ ঠিক ওপৰৰ মহাজাগতিক অঞ্চলটোও আজি মানুহৰ অবিবেচক কাৰ্যকলাপৰ বলি হৈছে। সাধাৰণ ভাষাত ক'বলৈ গ'লে, মানৱসৃষ্ট যিবোৰ বস্তু বা যন্ত্ৰাংশ মহাকাশত নিষ্ক্ৰিয় হৈ কোনো কাম নকৰাকৈ পৃথিৱীক পৰিভ্ৰমণ কৰি আছে, সেই সকলোবোৰকেই মহাকাশ আৱৰ্জনা বা 'অৰ্বিটেল ডেব্ৰিছ' বোলা হয়। ইয়াৰ ভিতৰত আছে কাৰ্যকাল উকলি যোৱা পুৰণি কৃত্ৰিম উপগ্ৰহ, মহাকাশলৈ ৰকেট প্ৰেৰণ কৰাৰ পাছত এৰি দিয়া ৰকেটৰ বিচ্ছিন্ন অংশ, উপগ্ৰহ নিক্ষেপৰ সময়ত




সৰি পৰা নাট-বল্টু, ধাতুৰ টুকুৰা, ৰকেটৰ উপৰিভাগ, আনকি মহাকাশচাৰীৰ হাতৰ পৰা কোনোকাৰণত মহাকাশত খহি পৰা সঁজুলি (যেনে-স্কাফোল্ডিং সঁজুলি, স্পেনাৰ, কেমেৰা ইত্যাদি)।কেৱল ডাঙৰ অংশই নহয়, মহাকাশত ঘূৰি ফুৰা আনকি ৰঙৰ ক্ষুদ্ৰ টুকুৰা এটাও একো একোটা মাৰাত্মক আৱৰ্জনাৰ ৰূপ লয়। বিজ্ঞানৰ ভাষাৰে, পৃথিৱীৰ নিম্ন কক্ষপথত এনে কোটি কোটি সৰু-বৰ আৱৰ্জনা এতিয়াও ঘণ্টাত প্ৰায় ২৮,০০০ কিলোমিটাৰ বেগেৰে অনবৰতে পৃথিৱীৰ চাৰিওফালে ঘূৰি আছে। এইখিনিতে প্ৰশ্ন হয় কিয় আৰু কেনেকৈ সৃষ্টি হ'ল এই আৱৰ্জনাসমূহৰ? ইয়াৰ পৰা পৰিত্ৰাণৰ উপায় কি? ইয়াৰ পৰা পৃথিৱীৰ কি ক্ষতি হ'ব পাৰে? এইখিনিতে এটা কথা মনত ৰাখিব লাগিব যে— এই সমস্যা এদিনতে সৃষ্টি হোৱা নাই। ১৯৫৭ চনৰ ৪ অক্টোবৰত যেতিয়া ছোভিয়েট ইউনিয়নে মানৱ ইতিহাসৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ 'স্পুটনিক-১' মহাকাশলৈ উৎক্ষেপণ কৰিছিল, তেতিয়াৰ পৰাই মহাকাশ যুগৰ সোণালী অধ্যায়ৰ লগতে এই সমস্যাৰো বীজ ৰোপণ হৈছিল। বিগত ছয়-সাতটা দশকত বিশ্বৰ বিভিন্ন দেশে হাজাৰ হাজাৰ উপগ্ৰহ মহাকাশলৈ প্ৰেৰণ কৰিলে। কিন্তু সমস্যাটো হ'ল— যিবোৰ উপগ্ৰহ বা ৰকেটে নিজৰ কাম শেষ কৰিলে, সেইবোৰক মহাকাশৰ পৰা ওভতাই অনাৰ কোনো সুচিন্তিত পৰিকল্পনা কাৰো হাতত নাছিল। প্ৰধানকৈ কেইবাটাও কাৰণত এই আৱৰ্জনা সৃষ্টি হৈছে আৰু বাঢ়ি ই বাঢ়ি গৈ থাকে। সেইসমূহ হ'ল- অকাৰ্যক্ষম উপগ্ৰহ ঃ এটা কৃত্ৰিম উপগ্ৰহৰ আয়ুস সাধাৰণতে ৫ পৰা ১৫ বছৰ। ইয়াৰ ইন্ধন বা বেটাৰী শেষ হ'লে ই একোটা মৃত যন্ত্ৰত পৰিণত হয়। এনে হাজাৰ হাজাৰ নিষ্ক্ৰিয় উপগ্ৰহ এতিয়াও মহাকাশত অনাই-বনাই ঘূৰি ফুৰিছে। ৰকেটৰ অৱশিষ্ট অংশ ঃ মহাকাশলৈ উপগ্ৰহ কঢ়িয়াই নিয়া ৰকেটবোৰ বিভিন্ন পৰ্যায়ত বিভক্ত হৈ মূল উপগ্ৰহটোক কক্ষপথত স্থাপন কৰে। এই কাম শেষ হোৱাৰ পাছত ৰকেটৰ উকা খোল, ইন্ধনৰ টেংক আদি কক্ষপথতেই ৰৈ যায়। মহাকাশত সংঘৰ্ষ ঃ মহাকাশৰ আৱৰ্জনা বাঢ়ি অহাৰ এটা প্ৰধান কাৰণ হ'ল দুটা বস্তুৰ মাজত হোৱা খুন্দা। উদাহৰণস্বৰূপে, ২০০৯ চনত আমেৰিকাৰ এটা সক্ৰিয় যোগাযোগ উপগ্ৰহ 'ইৰিডিয়াম ৩৩' আৰু ৰুছিয়াৰ এটা নিষ্ক্ৰিয় সামৰিক উপগ্ৰহ 'কচমচ ২২৫১'ৰ মাজত প্ৰচণ্ড সংঘৰ্ষ হৈছিল। এই এটা খুন্দাৰ ফলতেই নিমিষতে দুহাজাৰতকৈও অধিক ডাঙৰ টুকুৰা আৰু হাজাৰ হাজাৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ আৱৰ্জনাৰ সৃষ্টি হৈছিল, যিবোৰ আজিও বিভিন্ন কক্ষপথত উৰি ফুৰিছে। সামৰিক পৰীক্ষণ (এণ্টি-ছেটেলাইট মিছাইল টেষ্ট) ঃ বিভিন্ন শক্তিশালী ৰাষ্ট্ৰই নিজৰ শক্তি প্ৰদৰ্শন কৰিবলৈ পৃথিৱীৰ পৰা মিছাইল নিক্ষেপ কৰি মহাকাশত থকা নিজৰ পুৰণি উপগ্ৰহ ধ্বংস কৰাৰ পৰীক্ষা চলাইছে। ২০০৭ চনত চীনে চলোৱা তেনে এটা পৰীক্ষাৰ ফলত প্ৰায় তিনি হাজাৰৰো অধিক বৃহৎ আৱৰ্জনাৰ সৃষ্টি হৈছিল। ভাৰত, আমেৰিকা আৰু ৰুছয়াইও অনুৰূপ পৰীক্ষা সম্পন্ন কৰিছে, যিয়ে মহাকাশৰ আৱৰ্জনাৰ সংখ্যা ভয়াৱহভাৱে বৃদ্ধি কৰিছে।

কিন্তু এই আৱৰ্জনা কিয় ইমান ভয়াৱহ?

পৃথিৱীত এটা সৰু শিলগুটি বা পেলাই দিয়া প্লাষ্টিকৰ বটলে কাৰো ডাঙৰ ক্ষতি নকৰে, কাৰণ তাৰ কোনো গতিবেগ নাথাকে। কিন্তু মহাকাশত পৰিস্থিতি সম্পূৰ্ণ সুকীয়া। ইয়াৰ প্ৰধান কাৰণ হৈছে মহাকাশত এই আৱৰ্জনাবোৰ বন্দুকৰ গুলিৰ গতিৰ তুলনাত প্ৰায় সাতৰ পৰা দহ গুণ অধিক বেগেৰে ঘূৰি থাকে। ইমান প্ৰচণ্ড গতিবেগ থকাৰ বাবে মহাকাশত এটা মটৰ মাহৰ সমান টুকুৰাই আন এটা সক্ৰিয় উপগ্ৰহত খুন্দা মাৰিলে আধুনিক হেণ্ড গ্ৰেনেড বিস্ফোৰণ হোৱাৰ সমানেই ক্ষতিসাধন কৰিব পাৰে। ইয়াৰ দ্বাৰা আন্তঃৰাষ্ট্ৰীয় মহাকাশ ষ্টেচনত থকা মহাকাশচাৰীসকলৰ জীৱন প্ৰতিমুহূৰ্তে ঘোৰ বিপদাপন্ন হৈ পৰিব পাৰে। ইয়াতকৈও ডাঙৰ শংকাটো হ'ল বিজ্ঞানী ডোনাল্ড কেছলাৰে আগবঢ়োৱা বিখ্যাত তত্ত্ব, যাক 'কেছলাৰ চিনড্ৰ'ম' বোলা হয়। এই ধাৰণা অনুসৰি, যদি মহাকাশত আৱৰ্জনাৰ ঘনত্ব এটা নিৰ্দিষ্ট সীমা পাৰ হৈ যায়, তেতিয়া এটা আৱৰ্জনাই আন এটাক খুন্দা মাৰিব আৰু তাৰ পৰা সৃষ্টি হোৱা নতুন আৱৰ্জনাই আকৌ আন এটাক খুন্দা মাৰিব। এনেদৰে এটা অন্তহীন শৃংখল বিক্ৰিয়া আৰম্ভ হ'ব। যদি তেনে হয়, তেন্তে সমগ্ৰ কক্ষপথটো এনে এটি ধ্বংসস্তূপত পৰিণত হ'ব যে মানুহৰ বাবে মহাকাশলৈ নতুন উপগ্ৰহ পঠিওৱাটো অসম্ভৱ হৈ পৰিব।

আমি উপলব্ধি নকৰিলেও, আমাৰ আধুনিক জীৱনশৈলী সম্পূৰ্ণৰূপে উপগ্ৰহ প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰশীল। যদি মহাকাশৰ আৱৰ্জনাৰ খুন্দাত আমাৰ যোগাযোগ ব্যৱস্থাৰ উপগ্ৰহবোৰ বিকল হৈ পৰে, তেন্তে নিমিষতে ম'বাইল নেটৱৰ্ক, ইণ্টাৰনেট, বেংকিং সেৱা, এটিএম লেনদেন আৰু আন্তঃৰাষ্ট্ৰীয় যোগাযোগ স্তব্ধ হৈ পৰিব। জিপিএছ ব্যৱস্থা বিকল হৈ বিমান আৰু জাহাজ চলাচল বিশৃংখল হৈ পৰিব। বতৰৰ আগজাননী পোৱাটো বন্ধ হৈ পৰিব, যাৰ ফলত ঘূৰ্ণীবতাহ, বানপানী আদি প্ৰাকৃতিক দুৰ্যোগৰ পূৰ্বাভাস নোপোৱাকৈ হাজাৰ হাজাৰ মানুহৰ প্ৰাণহানি ঘটিব। এই সংকটৰ পৰা পৰিত্ৰাণ পাবলৈ বিশ্বৰ মহাকাশ গৱেষণা সংস্থাসমূহ সজাগ হৈ উঠিছে। মহাকাশ পৰিষ্কাৰ কৰাৰ বাবে বিভিন্ন আধুনিক প্ৰযুক্তি উদ্ভাৱন কৰা হৈছে ঃ সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— আৱৰ্জনা নিষ্কাসন প্ৰযুক্তি ডাঙৰ আৱৰ্জনাক জাল, হাৰ্পুন বা ৰবটিক হাতেৰে ধৰি বায়ুমণ্ডললৈ টানি আনি পুৰি নিঃশেষ কৰাৰ পৰীক্ষা চলিছে। লেজাৰ ৰশ্মিৰ ব্যৱহাৰ: পৃথিৱী বা মহাকাশৰ পৰা শক্তিশালী লেজাৰ নিক্ষেপ কৰি আৱৰ্জনাৰ কক্ষপথ সলনি কৰি তাক বায়ুমণ্ডলত জাহ যাবলৈ বাধ্য কৰোৱা। 'ডি-অৰ্বিটিং' ব্যৱস্থা ঃ বৰ্তমান নতুনকৈ প্ৰেৰণ কৰা উপগ্ৰহসমূহত এনে ব্যৱস্থা ৰখা হৈছে, যাতে কাৰ্যকাল শেষ হোৱাৰ পাছত সিহঁতে নিজে নিজেই পৃথিৱীৰ বায়ুমণ্ডলৰ দিশে নামি আহি ঘৰ্ষণৰ ফলত জ্বলি ছাই হৈ যায়। আন্তঃৰাষ্ট্ৰীয় আইন ঃ সকলো মহাকাশ সংস্থাৰ বাবে এখন কঠোৰ আইন প্ৰস্তুত কৰা হৈছে, যাতে কোনো দেশে মহাকাশত ইচ্ছাকৃতভাৱে আৱৰ্জনা সৃষ্টি কৰিব নোৱাৰে। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱেও নিজৰ উপগ্ৰহসমূহক আৱৰ্জনাৰ পৰা নিৰাপত্তা দিবলৈ আৰু নিৰীক্ষণ কৰিবলৈ 'নেত্ৰ' নামৰ এটি বিশেষ প্ৰকল্প কাৰ্যকৰী কৰি তুলিছে।

পৃথিৱীৰ মহাসাগৰসমূহত জমা হোৱা প্লাষ্টিক আৱৰ্জনাই সৃষ্টি কৰা প্ৰদূষণৰ দৰেই পৃথিৱীৰ মহাজাগতিক পৰিৱেশো আজি অপৰিকল্পিত মানৱীয় কাৰ্যকলাপৰ বলি হৈছে। মহাকাশ হৈছে সমগ্ৰ মানৱ জাতিৰ এক উমৈহতীয়া সম্পদ। এই সংকট সমাধানৰ বাবে কেৱল উন্নত প্ৰযুক্তিয়েই যথেষ্ট নহয়, সকলোৱে আন্তঃৰাষ্ট্ৰীয় আইন মানি চলিব লাগিব। মহাকাশৰ নীৰৱতাক ধ্বংসৰ আৱৰ্জনাৰে ভৰাই তোলাৰ পৰিৱৰ্তে তাক নিকা আৰু সুৰক্ষিত কৰি ৰখাটোৱেই হওক আধুনিক বিজ্ঞান আৰু মানৱজাতিৰ অন্যতম প্ৰধান সংকল্প।



নিদান

হৃদৰোগ পৰম্পৰাগত চিকিৎসাৰে নিৰাময়

▷▶ শচীন্দ্ৰ কুমাৰ দাস

আমাৰ পুৰণি লোক-চিকিৎসা আৰু আয়ুৰ্বেদ শাস্ত্ৰত হৃদযন্ত্ৰক সুস্থ ৰাখিবলৈ প্ৰকৃতিৰ বুকুত উপলব্ধ বিবিধ উপাদানৰ ওপৰত গভীৰভাৱে নিৰ্ভৰ কৰা হৈছিল। পৰম্পৰাগত স্বাস্থ্য বিষয়ক জ্ঞানত হৃদৰোগৰ লক্ষণ, ইয়াৰ প্ৰতিকাৰ আৰু খাদ্যাভ্যাসৰ যি বিস্তাৰিত বিৱৰণ পোৱা যায়, সেয়া সঁচাকৈয়ে অনন্য। এই পৰম্পৰাগত বন-দৰৱ আৰু পথ্য-অপথ্যৰ বিধানসমূহ তলত সবিশেষ আলোচনা কৰা হ'ল।

সহজলভ্য বন-দৰৱ আৰু ঘৰুৱা উপায়সমূহ ঃ

আমাৰ থলুৱা চিকিৎসাত ঘৰৰ আশে-পাশে থকা উদ্ভিদ আৰু মছলাৰ দ্বাৰাই হৃদৰোগৰ উপশমৰ পথ নিৰ্দ্ধাৰণ কৰা হৈছিল। ইয়াৰ মুখ্য উপায়সমূহ হ'ল ঃ

অৰ্জুন আৰু জালুকৰ মহৌষধ ঃ অৰ্জুনৰ ৰস ৫ গ্ৰাম আৰু ৩ টা জালুক একেলগে পিহি ৰাতিপুৱা একেৰাহে ১০ দিন সেৱন কৰিব লাগে। তদুপৰি, ১২ গ্ৰাম 'অৰ্জুনঘৃত' ২০ গ্ৰাম মিচিৰিৰ সৈতে গাখীৰত মিহলাই অথবা ১২ গ্ৰাম 'অৰ্জুনচূৰ্ণ' অলপ পানীত মিহলাই পুৱা খালী পেটত খোৱাৰ নিয়ম আছে।

প্ৰাকৃতিক ৰসৰ ব্যৱহাৰ ঃ হৃদযন্ত্ৰ সবল কৰিবলৈ নিতৌ ২৫ গ্ৰামকৈ কুঁহিয়াৰৰ ৰস দুবাৰকৈ খোৱা ভাল। একেদৰে, ১০ গ্ৰাম আমলখিৰ ৰস ২৫০ গ্ৰাম গৰুৰ গাখীৰৰ সৈতে মিহলাই খালেও সুফল পোৱা যায়।

মৌ-জোল আৰু ত্ৰিফলা ঃ পুৱা আৰু গধূলি নিয়মীয়াকৈ ২৫ গ্ৰামকৈ মৌ-জোল সেৱন কৰিলে হৃদৰোগ ভাল হয়। আনহাতে, ২০ গ্ৰাম ত্ৰিফলা পানীত মিশ্ৰণ কৰি আহাৰ গ্ৰহণৰ পাছত খাব লাগে।

ঘৰুৱা উপাদানৰ দিহা ঃ পুৱা খালী পেটত গাখীৰ নোলোৱাকৈ ৰঙা চাহ খোৱাটো হৃদযন্ত্ৰৰ বাবে উপকাৰী। তদুপৰি, ১০-১৫টা পুৰণি বৰথেকেৰাৰ গুটি খুন্দি ১০০ গ্ৰাম পানীত তিয়াই সেই পানী খালে বা প্ৰতি সাঁজৰ আহাৰত অন্ততঃ ৫০ গ্ৰামকৈ চজিনা খালে হৃদৰোগ আৰোগ্য হোৱাত সহায় হয়।

> ৩০ গ্ৰাম অশ্বগন্ধাৰ গুড়ি ১২৫ গ্ৰাম কুহুমীয়া গৰম গৰুৰ গাখীৰত মিহলাই দিনে ২বাৰকৈ খাব লাগে।

অশ্ব গন্ধা আৰু বেলপাত ঃ ৩০ গ্ৰাম অশ্বগন্ধাৰ গুড়ি ১২৫ গ্ৰাম কুহুমীয়া গৰম গৰুৰ গাখীৰত মিহলাই দিনে ২বাৰকৈ খাব লাগে। ইয়াৰ লগতে ১০ খনকৈ বেলপাত একেৰাহে ৫৫ দিন খোৱাৰ বিধানো আছে।

পথ্য ঃ যিবোৰ খাদ্য গ্ৰহণ কৰা উচিত। পৰম্পৰাগত চিকিৎসাত খাদ্যক কেৱল আহাৰ হিচাপে নহয়, ঔষধ হিচাপেও গণ্য কৰা হয়। হৃদৰোগীৰ বাবে উপকাৰী খাদ্যসমূহ হ'ল —

কচু, ঢেঁকীয়া, কলমৌ, কলডিল, পদিনা, মানিমুনিৰ দৰে থলুৱা শাক-পাচলি। মছলাৰ ভিতৰত নহৰু, আদা, ধনিয়া আৰু জালুক খোৱা ভাল। ফল-মূলৰ ভিতৰত খাজুৰী, মচুৰ, সুমথিৰা টেঙা আৰু ডালিম অতি লাভজনক। বিশেষভাৱে উল্লেখ কৰা হৈছে যে পকা কঁঠাল হৃদৰোগৰ বাবে এক উত্তম টনিক।

অপথ্য ঃ যিবোৰ খাদ্য একেবাৰে বৰ্জনীয় ৰোগ উপশমৰ বাবে কিছুমান খাদ্য গ্ৰহণ কৰাটো একেবাৰে নিষেধ কৰা হৈছে ঃ

প্ৰথমতে, প্ৰয়োজনতকৈ অধিক আহাৰ খাব নালাগে। পিয়াঁজ, তিতা কেৰেলা, আলু, কেঁচা জলকীয়া, কবি আৰু আন যিকোনো তিতা দ্ৰব্য খোৱা বেয়া। আমিষ খাদ্য যেনে- মাছ, মাংস আৰু কণী বৰ্জন কৰিব লাগে। লগতে ঘিউ, তেল বা চৰ্বিযুক্ত যিকোনো বস্তু, নিমখ, মাদকদ্ৰব্য আৰু ম'হৰ গাখীৰ সেৱন কৰাটো হৃদৰোগীৰ বাবে ক্ষতিকাৰক বুলি কোৱা হৈছে।


ফোন ঃ ৮৪০৩৮৩৫০৪৮

জিলা প্ৰশাসন-বন বিভাগৰ গুৰুত্বহীনতাই অধিক ভয়াৱহ কৰি তুলিছে পৰিস্থিতি

মাটিয়া-দলগোমাত বন্যহস্তীয়ে তহিলং কৰিছে শালি খেতি

দৈনিক অসমৰ প্ৰতিনিধি

নগৰবেৰা, ৩ নৱেম্বৰ ঃ গোৱালপাৰা জিলাৰ মাটিয়া আৰু দলগোমাত হাতী-মানুহৰ সংঘাতে জটিল ৰূপ ধাৰণ কৰিছে। জিলাখনৰ দুয়োটা অঞ্চলৰ প্ৰতিখন গাঁও, চুবাত বনৰীয়া হাতীয়ে ধাৰাবাহিকভাৱে উপদ্ৰৱ চলোৱাত অঞ্চলবাসীৰ জীৱন-যাপন অধিক ভয়াৱহ হৈ পৰিছে। বিগত ২০ দিন ধৰি পশ্চিম মাটিয়া পাহাৰত আশ্ৰয় লোৱা প্ৰায় ৭০টা বনৰীয়া হাতীয়ে পশ্চিম মাটিয়াৰ লগতে দলগোমাৰ প্ৰতিখন গাঁও, চুবাত সন্ত্ৰাস চলাই ত্ৰাসৰ সৃষ্টি কৰিছে । ১ নৱেম্বৰৰ সন্ধিয়া বৃহৎসংখ্যক বনৰীয়া হাতীয়ে পশ্চিম মাটিয়াৰ পৰা পোনে পোনে কলেজপাৰা হৈ সমগ্ৰ অঞ্চলটোতে সিঁচৰতি হৈ পৰে। পথাৰে পথাৰে বন্যহস্তীৰ এনে উপদ্ৰৱ প্ৰতিহত কৰিবলৈ শ শ লোক হাতে হাতে লাঠী, টৰ্চলাইট লৈ ওলাই আহে যদিও বনৰীয়া হাতীয়ে এফালৰ পৰা তহিলং কৰে শালিধানৰ খেতি। সন্ধিয়া পাঁচ বজাৰ পৰাই দলগোমা অঞ্চলৰ পথাৰে পথাৰে বন্যহস্তীয়ে এনেদৰে উপদ্ৰৱ চলোৱাত আতংকিত হৈ পৰে অঞ্চলবাসী। নিজৰ নিজৰ শালিধানৰ খেতিডৰাৰ লগতে ঘৰ-দুৱাৰ হেৰুৱাই



কেইবাটাও দিন উজাগৰী নিশা কটোৱা একাংশ লোক বন বিভাগৰ অৱহেলাৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ ব্যক্ত কৰে। নিশা একাংশ ক্ষুব্ধ লোকে বন বিভাগৰ লোকক জবাবদিহি কৰা পৰিলক্ষিত হয়। শ শ লোকে আপ্ৰাণ চেষ্টা কৰাৰ পাছতো সমগ্ৰ দলগোমা অঞ্চলত বনৰীয়া হাতীয়ে ওৰেটো নিশা উপদ্ৰৱ চলাই বৃহৎ ভূমিৰ শালিধানৰ খেতি তহিলং কৰে। বৃহৎসংখ্যক বনৰীয়া হাতীয়ে দৈনিক অঞ্চলটোত উপদ্ৰৱ চলাই আতংকৰ সৃষ্টি কৰাৰ বিপৰীতে এনে উপদ্ৰৱ প্ৰতিহত কৰিবলৈ কেইজনমান বন কৰ্মীক পঠিওৱাৰ অভিযোগ উঠিছে। বন বিভাগৰ লগতে জিলা প্ৰশাসনৰ এনে অৱহেলাৰ বাবেই অঞ্চলটোত অধিক ভয়ানক হৈ পৰিছে হাতী-মানুহৰ সংঘাত। ইপিনে একাংশ স্থানীয় লোকে ব্যক্ত কৰা মতে পূৰ্বে বনৰীয়া হাতীয়ে পশ্চিম মাটিয়া অঞ্চলতহে বেছি উপদ্ৰৱ চলাইছিল যদিও এইবাৰ দলগোমা অঞ্চলৰ ন ন অঞ্চলত উপদ্ৰৱ চলাইছে । ইয়াৰ মূল কাৰণ হৈছে খাদ্যৰ অভাৱ আৰু হস্তীদণ্ডিত উদ্যোগ স্থাপনৰ নামত বৃহৎ বৃহৎ গৃহ নিৰ্মাণ। বনাঞ্চল সংকুচিত কৰি উদ্যোগ স্থাপনৰ বাবে গৃহ আৰু ওখ দেৱাল নিৰ্মাণৰ বাবেই বনৰীয়া হাতীয়ে এনেদৰে নতুন নতুন অঞ্চললৈ ঢাপলি মেলিছে। আনহাতে জিলাখনৰ ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত কাণকাটা, জিয়াগুৰি, চেঁচাপানী, বামুণপাৰা, জলাপাৰা আদি অঞ্চলতো বনৰীয়া হাতীৰ আন এটা জাকে উপদ্ৰৱ চলাই শালিধানৰ খেতিৰ বিস্তৰ ক্ষতিসাধন কৰিছে। জানিব পৰা মতে পৰহি নিশা জলাপাৰাৰ প্ৰণৱ দাস নামৰ এজন লোকৰ ঘৰ ভাঙি লণ্ডভণ্ড কৰিছে। মাটিয়া আৰু দলগোমা অঞ্চলত বনৰীয়া হাতীৰ উপদ্ৰৱ ৰোধ কৰাৰ লগতে স্থানীয় লোকৰ জীৱনৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে অঞ্চলটোত পৰ্যাপ্ত বন সুৰক্ষা বাহিনীৰ জোৱানৰ উপৰি আৰক্ষী বাহিনীক নিয়োগ কৰাৰ দাবী জনাইছে ৰাইজে।

ছয়গাঁৱত চিটুৰ প্ৰতিবাদী সমদল

দৈনিক অসমৰ প্ৰতিনিধি

ছয়গাঁও, ৩ নৱেম্বৰ ঃ কামৰূপ জিলাৰ ছয়গাঁৱত কালি চিটুৰ তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। চেণ্টাৰ অব ইণ্ডিয়ান ট্ৰেড ইউনিয়নৰ দক্ষিণ কামৰূপ জিলা কমিটীৰ উদ্যোগত এই কাৰ্যসূচী ৰূপায়ণ কৰে। চিটুৰ দক্ষিণ কামৰূপ জিলাৰ উদ্যোগত শ শ শ্ৰমিকে বিক্ষোভ সমদল কৰি প্ৰতিবাদ সাব্যস্ত কৰে। ছয়গাঁও শ্ৰম পৰিদৰ্শক কাৰ্যালয়ৰ সন্মুখত ইন ক্লাব জিন্দাবাদ, মাননিৰ সলনি শ্ৰমিকক মজুৰি দিয়ক, কামৰ বিনিময়ত শ্ৰমিকক উপযুক্ত মজুৰি দিব নোৱাৰা চৰকাৰ হায় হায় ইত্যাদি শ্ল’গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। শ শ শ্ৰমিকে ছয়গাঁও শ্ৰীমন্ত শংকৰদেৱ কলাকৃষ্টি বিকাশ কেন্দ্ৰ চৌহদৰ পৰা আৰম্ভ কৰা বিক্ষোভ সমদল পৰৱৰ্তী সময়ত ছয়গাঁও শ্ৰম পৰিদৰ্শক কাৰ্যালয়ৰ সন্মুখত উপস্থিত হয়। চিটুৰ দক্ষিণ কামৰূপ জিলাৰ সভাপতি কনকলতা দাস আৰু সম্পাদক মদন তালুকদাৰৰ উপস্থিতিত ছয়গাঁও শ্ৰম পৰিদৰ্শক মাণিক গোস্বামীৰ জৰিয়তে প্ৰতিবাদকাৰীসকলে শ্ৰমমন্ত্ৰীলৈ ন্যূনতম মজুৰিৰ চৰকাৰী জাননী প্ৰকাশ কৰা আৰু শ্ৰমিকৰ সামাজিক সুৰক্ষা বিচাৰি স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ইয়াৰ লগতে অসমত শ্ৰমকোড প্ৰয়োগ বন্ধ ৰাখক, শ্ৰমিকৰ দৈনিক মজুৰি ৮০০ টকা ধাৰ্য কৰি চৰকাৰী জাননী শীঘ্ৰেই প্ৰকাশ কৰক, নিৰ্মাণ শ্ৰমিকৰ আইনী লাভবোৰ পোৱাৰ জটিলতা আঁতৰ কৰক, অংগনৱাড়ী কৰ্মী-সহায়িকা, আশাকৰ্মী আৰু ৰন্ধন কৰ্মচাৰীক শ্ৰমিক হিচাপে স্বীকৃতি দি ন্যূনতম মজুৰি আৰু সামাজিক সুৰক্ষা প্ৰদান কৰা আদি দাবী উত্থাপন কৰে।

মাখিবাহাত স্মাৰক গ্ৰন্থ উন্মোচন

দৈনিক অসমৰ প্ৰতিনিধি

টিহু, ৩ নৱেম্বৰ ঃ এসময়ত টিহু ৰাজহ চক্ৰৰ মাখিবাহা, হাৰিভাঙা, ভোজকুছি, জলখানা আদি সমস্ত অঞ্চলত চাইকেল অথবা ৰিক্সাত উঠি ঘৰে ঘৰে চিকিৎসাসেৱা আগবঢ়াই বহুজনৰ জীৱন ৰক্ষা কৰা ডাঃ তুলসী চৰণ চৌধুৰীৰ দেহাৱসানৰ চল্লিছ বছৰ পাছত পৰিয়ালৰ সহযোগত ১ নৱেম্বৰত চৌধুৰীৰ মাখিবাহাৰ দৌলৰগুৰিস্থিত বাসগৃহত তেওঁৰ গুণগ্ৰাহী, অনুজ, কটুম আদিৰ স্মৃতিলেখাৰে যুগুতোৱা পুথি এখন উন্মোচন কৰা হয়। ‘তুলসী সুবাস’ নামৰ এই পুথিখন উন্মোচন কৰে নলবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ একাডেমীৰ পৰিচালন সঞ্চালক ডঃ শৈলেন্দ্ৰ প্ৰসাদ শৰ্মাই। ডাঃ তুলসী চৰণ চৌধুৰী স্মাৰক গ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি সুনীল ভূষণ চৌধুৰীৰ সভাপতিত্বত হোৱা এই পুথি উন্মোচনী সভাখন উদ্বোধন কৰে মাখিবাহা গ্ৰামোন্নয়ন সমিতিৰ সভাপতি গণেশ দত্তই। সৌৰৱণী পুথিখনৰ সম্পাদনা সমিতিৰ সম্পাদক গোপেন মজুমদাৰে অনুষ্ঠানৰ আঁত ধৰি উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত পৰিয়ালৰ হৈ প্ৰসিদ্ধ চৌধুৰীয়ে আদৰণী ভাষণ আগবঢ়ায়। এই গ্ৰন্থ উন্মোচনী সভাত সৌঁৱৰণী গ্ৰন্থ ‘তুলসী সুবাস’ৰ মুখ্য সম্পাদক দিলীপ কুমাৰ শৰ্মা, অৱসৰপ্ৰাপ্ত অধ্যাপিকা সৰলা তালুকদাৰ প্ৰমুখ্যে কেইবাগৰাকী লোকে ডাঃ তুলসী চৰণ চৌধুৰীৰ কৰ্মজীৱনৰ বিষয়ে আলোকপাত কৰি জটিল ৰোগত আক্ৰান্ত ৰোগীকো কিদৰে সুস্থ কৰি তুলিছিল সেই বিষয়ে সাৱলীল ভাষণ আগবঢ়ায়। ঘন শৰ্মাৰ পৰিচালনাত সমৱেত সংগীতেৰে আৰম্ভ হোৱা এই অনুষ্ঠানত বিনীতা দেৱীয়ে সংগীত পৰিৱেশন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ডাঃ চৌধুৰীৰ পৰিয়ালৰ নিলিমা চৌধুৰী, সতীশ চৌধুৰী, প্ৰদীপ চৌধুৰীসহ পৰিয়ালৰ আন সদস্যসকল আৰু অনুষ্ঠানত উপস্থিত থকা সমাজৰ বিভিন্ন ক্ষেত্ৰৰ লোকসকলে ডাঃ তুলসী চৰণ চৌধুৰীৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি জ্বলোৱাৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।



শ্ৰমিকৰ মজুৰি ৮০০ টকালৈ বৃদ্ধিৰ দাবী

শ্ৰম আইন কাৰ্যকৰী কৰাৰ দাবীত চিটুৰ সাত দফীয়া স্মাৰকপত্ৰ

দৈনিক অসমৰ প্ৰতিনিধি

গোৱালপাৰা, ৩ নৱেম্বৰ ঃ শ্ৰমিকৰ ন্যায্য মজুৰি, সামাজিক সুৰক্ষা আৰু কৰ্মসংস্থাপনৰ নিৰাপত্তা নিশ্চিত কৰাৰ দাবীত সৰৱ হৈ উঠিছে চেণ্টাৰ অব ইণ্ডিয়ান ট্ৰেড ইউনিয়নছ (চিটু), গোৱালপাৰা জিলা কমিটী। শ্ৰমিকৰ বিভিন্ন সমস্যা আৰু দীৰ্ঘদিনীয়া দাবীসমূহৰ সমাধানৰ আহ্বান জনাই গোৱালপাৰা জিলাৰ শ্ৰম বিষয়া তথা সংশ্লিষ্ট কৰ্তৃপক্ষলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে সংগঠনটোৱে। স্মাৰকপত্ৰখনত উল্লেখ কৰা অনুসৰি, ভাৰতীয় শ্ৰমিক সন্মিলনৰ ১৪৫ সংখ্যক অধিৱেশনৰ অনুমোদন অনুসৰি অংগনৱাড়ী কৰ্মী-সহায়িকা, আশাকৰ্মী আৰু অন্যান্য আঁচনিভুক্ত কৰ্মীসকলক শ্ৰমিক হিচাপে স্বীকৃতি প্ৰদান কৰাৰ লগতে তেওঁলোকৰ ন্যূনতম মজুৰি নিৰ্দ্ধাৰণৰ দাবী জনোৱা হৈছে। একেদৰে নিৰ্মাণ শ্ৰমিক, মটৰ শ্ৰমিক, গৃহকৰ্মীকে ধৰি অসংগঠিত খণ্ডৰ শ্ৰমিকসকলৰ সামাজিক সুৰক্ষা নিশ্চিত কৰাৰ লগতে শ্ৰম আইনসমূহ কাৰ্যকৰী কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে সংগঠনটোৱে। সংগঠনটোৰ অভিযোগ অনুসৰি, গোৱালপাৰা জিলাৰ বহু শ্ৰমিক আজিও ন্যূনতম মজুৰিৰ পৰা বঞ্চিত হৈ আছে। বিশেষকৈ ময়জঙ্গা চাহ বাগিচাৰ চাহ শ্ৰমিকসকলে নিৰ্দ্ধাৰিত মজুৰি আৰু কৰ্মপৰিস্থিতিক লৈ সমস্যাৰ সন্মুখীন হোৱাৰ অভিযোগ উত্থাপন কৰা হৈছে। চাহ শ্ৰমিকসকলৰ দৈনিক মজুৰি ৬৬১ টকালৈ বৃদ্ধি কৰাৰ দাবী জনোৱাৰ লগতে শ্ৰমিকৰ ওপৰত অত্যধিক কামৰ বোজা জাপি দি কম মজুৰি প্ৰদান কৰাৰ অভিযোগৰো উচিত তদন্ত দাবী কৰিছে সংগঠনটোৱে। স্মাৰকপত্ৰখনত উল্লেখ কৰা আন এক গুৰুত্বপূৰ্ণ বিষয় হৈছে নিৰ্মাণ শ্ৰমিকৰ পঞ্জীয়ন আৰু কল্যাণমূলক সুবিধা লাভৰ ক্ষেত্ৰত থকা জটিলতা। সংগঠনটোৱে স্মাৰকপত্ৰখনৰ জৰিয়তে সাতটা মূল দাবী উত্থাপন কৰে। দাবীসমূহৰ ভিতৰত আছে—অসমত শ্ৰম কোডৰ প্ৰয়োগ বন্ধ কৰা, শ্ৰমিকৰ দৈনিক ন্যূনতম মজুৰি ৮০০ টকালৈ বৃদ্ধি কৰি চৰকাৰী জাননী প্ৰকাশ কৰা, চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৬৬১ টকালৈ বৃদ্ধি কৰা, পঞ্জীয়নভুক্ত নিৰ্মাণ শ্ৰমিকসকলৰ কল্যাণমূলক সুবিধা লাভৰ জটিলতা দূৰ কৰা, ভাৰতীয় শ্ৰমিক সন্মিলনৰ ১৪৫ সংখ্যক অধিৱেশনৰ সিদ্ধান্তসমূহ কাৰ্যকৰী কৰা, বেচৰকাৰী উদ্যোগ-প্ৰতিষ্ঠানত দীৰ্ঘদিন ধৰি কৰ্মৰত শ্ৰমিকৰ চাকৰি স্থায়ীকৰণ কৰা আৰু ময়জঙ্গা চাহ বাগিচাৰ শ্ৰমিকসকলৰ মজুৰি তথা কৰ্মপৰিস্থিতিৰ সমস্যাসমূহৰ সমাধান কৰা।

শিক্ষাবিদ প্ৰভাত চন্দ্ৰ মহন্তৰ মৃত্যু

দেৰগাঁৱৰ বিভিন্ন দল-সংগঠনৰ শোক প্ৰকাশ

দৈনিক অসমৰ প্ৰতিনিধি

দেৰগাঁও, ৩ নৱেম্বৰ ঃ দেৰগাঁৱৰ এগৰাকী জনপ্ৰিয় ব্যক্তি, শিক্ষাবিদ, সমাজকৰ্মী প্ৰভাত চন্দ্ৰ মহন্তৰ বিয়োগত শোকস্তব্ধ হৈ পৰিছে দেৰগাঁও। কিছুদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি কালি শেষ নিশ্বাস ত্যাগ কৰা মহন্তৰ কালি দেৰগাঁও গেলাবিল শ্মশানঘাটত শেষকৃত্য সম্পন্ন কৰা হয়। উল্লেখ্য যে আইজলৰ এখন শিক্ষানুষ্ঠানত প্ৰবক্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰা প্ৰভাত চন্দ্ৰ মহন্তই পাছত দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত ৰাজনীতি বিজ্ঞান বিষয়ৰ প্ৰবক্তা হিচাপে সুদীৰ্ঘ দিন কাৰ্যনিৰ্বাহ কৰি বিভাগীয় মুৰব্বী আৰু পাছলৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ হিচাপে কৰ্মজীৱনৰ পৰা অৱসৰগ্ৰহণ কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সোণৰ পদক অৰ্জনেৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা মহন্তই কৰ্মজীৱনত সকলোৰে প্ৰিয়ভাজন হ’বলৈ সক্ষম হৈছিল। এগৰাকী লেখক হিচাপেও তেওঁ কেইবাখনো গ্ৰন্থ ৰচনাৰ উপৰি বিভিন্ন কাকত-আলোচনীত বিভিন্ন বিষয়ক প্ৰবন্ধ-নিবন্ধ আদি লিখিছিল। ‘৮২ বছৰ বয়সত পৰলোক হোৱা মহন্তই মৃত্যুৰ সময়ত ইন্দ্ৰাণী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা, পত্নী ৰুণু মহন্তকে ধৰি এজন পুত্ৰ, এগৰাকী কন্যা, জ্যেষ্ঠ ভাতৃ, বোৱাৰী, জোঁৱাই, নাতি আৰু অসংখ্য গুণমুগ্ধক এৰি যায়। তেওঁৰ শেষকৃত্য সম্পন্ন কৰাৰ পূৰ্বে দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয় আৰু দেৰগাঁও সাহিত্য সভালৈ আনি ৰাজহুৱাভাৱে শেষ শ্ৰদ্ধা জনোৱা হয়। কমল দুৱৰা মহাবিদ্যালয়ত একশোকাকুল পৰিৱেশত শিক্ষক-কৰ্মচাৰী, মহাবিদ্যালয়ৰ পৰিচালনা সমিতি, প্ৰাক্তন শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলে তেওঁৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। একেদৰে দেৰগাঁও সাহিত্য সভা, জ্যেষ্ঠ নাগৰিক সন্মিলন, সদৌ অসম ছাত্ৰ সন্থা, দেৰগাঁও ক্ৰীড়া সন্থা, গোলাঘাট জিলা সাংবাদিক সন্থা, দেৰগাঁও সাংবাদিক সন্থা আদি বিভিন্ন অনুষ্ঠানৰ প্ৰতিনিধিৰ লগতে বহুসংখ্যক গুণমুগ্ধই শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পূৰ্বে তেওঁৰ বাসগৃহত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অসম সত্ৰ মহাসভা, সাংস্কৃতিক মহাসভা আদিয়ে শ্ৰদ্ধা জ্ঞাপন কৰে।

মৃত্যু আৰু শোক


শৈব্যাবালা বৈশ্য



কাতি মাহৰ ৬ তাৰিখ (ইং ২৪ অক্টোবৰ ২০২৬) শনিবাৰে গুৱাহাটীৰ খানাপাৰা অঞ্চলৰ সৰ্বৰহী মহিলা শৈব্যাবালা বৈশ্যৰ হৃদৰোগত আক্ৰান্ত হৈ পৰলোক প্ৰাপ্তি হয়। তেওঁ প্ৰয়াত হেমচন্দ্ৰ বৈশ্যৰ পত্নী তথা কুইজ মাষ্টাৰ, স্তম্ভলেখক নৰকান্ত বৈশ্য আৰু কুইজ মাষ্টাৰ, কেৰিয়াৰ পৰামৰ্শদাতা শৈলেন বৈশ্যৰ মাতৃ আছিল। ১৯৫০ চনৰ ৩ ফেব্ৰুৱাৰীত কামৰূপ জিলাৰ শুৱালকুছিৰ বাথানত জন্মগ্ৰহণ কৰা বৈশ্যই ১৯৬৭ চনত তদানীন্তন শুৱালকুছিৰ জনতা হাইস্কুলত শিক্ষয়িত্ৰী ৰূপে কৰ্মজীৱন আৰম্ভ কৰিছিল। পৰৱৰ্তী সময়ত স্বামীৰ কৰ্মস্থান সূত্ৰে তেওঁ গুৱাহাটীৰ খানাপাৰা অঞ্চলৰ স্থায়ী বাসিন্দা হৈ পৰে তথা সন্তানৰ লালন-পালন আৰু শিক্ষাৰ যত্নৰ বাবে নিজৰ সংস্থাপন ত্যাগ কৰি গৃহিণীৰ দায়িত্ব পালনৰ সিদ্ধান্ত গ্ৰহণ কৰে। আজি তেওঁৰ বিদেহ আত্মাৰ সদ্‌গতিৰ বাবে খানাপাৰাৰ নিজ বাসভৱনত নাম-প্ৰসংগৰ দিনটোত তেওঁক শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

অনুপমা চৌধুৰী


মীনাক্ষি কলিতা



যোৱা ২৫ অক্টোবৰ দেওবাৰে অৰ্থাৎ লক্ষ্মী পূজাৰ দিনা মাজনিশা গুৱাহাটী নবীন নগৰ তথা চিৰিয়াখানা পথ নিবাসী মীনাক্ষি কলিতাৰ অপ্ৰত্যাশিত বিয়োগ মৰ্মান্তিক দুখৰ সংবাদ। এই পৃথিৱীত মানুহে জন্মলাভ কৰিলেই এদিন বিদায় ল’ব লাগে। ইয়াৰ কোনো গত্যন্তৰ নাই আৰু এয়াই হৈছে ধ্ৰুৱ। মাত্ৰ ৬৪ বছৰ বয়সত তেওঁ ইহলীলা সম্বৰণ কৰিবলগীয়া হ’ল। দেউতা নৰেন শইকীয়া কেইবা বছৰ আগতে পৃথিৱীৰ পৰা চিৰবিদায় লৈছে। মাতৃ বুলু শইকীয়া সুন্দৰ স্বাস্থ্যৰ অধিকাৰী প্ৰায় ৯০ বছৰৰ ডেওনাৰ ওচৰ পাইছেহি। বাল্যকালৰ পৰাই পঢ়া-শুনাৰ ক্ষেত্ৰত মীনাক্ষিয়ে যথেষ্ট সুনাম অৰ্জন কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিভাগত অতি সুখ্যাতিৰে এম এ ডিগ্ৰীৰ উচ্চস্থান লাভ কৰিবলৈ সক্ষম হৈছিল। মাতৃ বুলু শইকীয়াই চাৰিগৰাকী সন্তানৰ ভিতৰত মীনাক্ষি দ্বিতীয়, গুৱাহাটী তথা জুৰোড আৰু দিছপুৰ বৃহত্তৰ অঞ্চলৰ প্ৰখ্যাত ব্যৱসায়ী হৰিপ্ৰসন্ন কলিতাৰ সৈতে বিবাহপাশত আবদ্ধ হৈ দুজন পুত্ৰ ক্ৰমে গৌৰৱ আৰু পৰাশমণিৰ সৈতে সুখৰ জীৱন-যাপন কৰিছিল। বৰ্তমানে উভয় পুত্ৰদ্বয়ে ভাল চাকৰিত যোগদান কৰিছে। মীনাক্ষিৰ ভায়েক হিৰণ্য শইকীয়া গুৱাহাটী চহৰৰ এগৰাকী প্ৰখ্যাত ব্যৱসায়ী লোক। সৰু কালৰে পৰা মীনাক্ষিয়ে পৰিয়ালৰ লোকৰ সৈতে আত্মীয়-স্বজন, বন্ধু-বান্ধৱ আদি সকলোৰে সৈতে অতি ঘনিষ্ঠ তথা নিবিড় সম্বন্ধ ৰক্ষা কৰিছিল। জুৰোড, নবীন নগৰক কেন্দ্ৰ কৰি গুৱাহাটীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বিশেষকৈ ধৰ্মানুষ্ঠান মন্দিৰ সৈতে ওতপ্ৰোত সম্বন্ধ ৰক্ষা কৰাৰ কথা বহুতেই জানে। এনে এগৰাকী ব্যক্তিৰ অপ্ৰত্যাশিত বিয়োগে মানুহৰ মনত গভীৰ শোক আৰু বেদনাৰ সৃষ্টি কৰিছে। আজি তেওঁৰ আদ্যশ্ৰাদ্ধ উপলক্ষে মীনাক্ষিৰ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা জনালোঁ তথা পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।

দীপালী বৰুৱা, আৰতি মহন্ত

ৰমেশ মেধি



বজালী জিলাৰ অন্তৰ্গত পিপলা গাঁও নিবাসী, সৰ্বৰহী ব্যক্তি ৰমেশ মেধিয়ে যোৱা ২৩ অক্টোবৰত ৫৪ বছৰ বয়সত অকাল মৃত্যুক সাবটি লয়। ৰমেশ মেধি বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থকাৰ লগতে পিপলা চ’কবজাৰ উন্নয়ন সমিতিৰ সম্পাদক পদত দুবাৰকৈ অধিষ্ঠিত হৈছিল আৰু বাৰোৱাৰী শ্ৰীশ্ৰীগণেশ পূজা উদ্‌যাপন সমিতিৰ সক্ৰিয় সদস্য তথা আঞ্চলিক ৰাইন’ ক্লাবৰ (পিপলা চ’ক) সক্ৰিয় সদস্য আছিল। তেওঁৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰে আৰু পিপলা চ’কবজাৰ উন্নয়ন সমিতিৰ তৰফৰ পৰা তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী, পুত্ৰ, ককাইদেউ, ভতিজা আদি বহুতো আত্মীয়-স্বজনক এই সংসাৰত এৰি যায়। আজি পবিত্ৰ আদ্যশ্ৰাদ্ধ/সপিণ্ডনৰ দিনা তেওঁলৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছোঁ।


হেমেন ডেকা

চোৰ-ডকাইতৰ বিৰুদ্ধে তামুলপুৰ আৰক্ষীৰ অভিযান

দৈনিক অসমৰ প্ৰতিনিধি

তামুলপুৰ, ৩ নৱেম্বৰ ঃ কালি তামুলপুৰ জিলা আৰক্ষী-প্ৰশাসনে অপৰাধীৰ বিৰুদ্ধে তীব্ৰৰূপত অভিযান আৰম্ভ কৰিছে। অঞ্চলটোত আইন-শৃংখলা কটকটীয়া কৰা আৰু সমাজবিৰোধী শক্তিক উচিত শিক্ষা দিয়াৰ লক্ষ্যৰে তামুলপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুমন চক্ৰৱৰ্তীৰ নেতৃত্বত, অপৰাধ শাখাৰ উপ-আৰক্ষী অধীক্ষক বাপুকণ মৰাং আৰু তামুলপুৰ সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হাস্থাইচুলা ব্ৰহ্ম, উপ-পৰিদৰ্শক ৰমণি সোণোৱাল সহিতে আৰক্ষীৰ এটা বৃহৎ দল ‘একচন ম’ড’ত নামি পৰিছে। জিলা সদৰৰ তামুলপুৰৰ পুৰাণচ’ক, মটঙাচ’ক, বজাৰচ’ক, ঘগ্ৰাচ’ক, মেডিকেল চ’ক, ডিমিলাপাৰ, কচুবাৰী, কচুকাটা, বৰখাটা আৰু গুৱাকুছি, বৰবিলা আদিকে ধৰি বিভিন্ন প্ৰান্তত ব্যাপক তহলদাৰী চলাই পথচাৰী তথা সন্দেহজনক লোকক তন্নতন্নকৈ সোধ-পোছা কৰে। অভিযানৰ সময়ত আৰক্ষীৰ দলটোৱে বিভিন্ন বাহনৰ নথিপত্ৰ পৰীক্ষা কৰি জৰিমনা বিহে।

শব্দৰ ধেমালি ঃ ৩৮৮




পথালিকৈ

১। এলেহুৱা (৩)
৪। প্ৰণালীবদ্ধ পৰীক্ষা, প্ৰমাণ আদিৰ সহায়ত লাভ কৰা জ্ঞান (৩)
৭। কৃষ্ণ (৬)
৯। হীন, নিকৃষ্ট (৫)
১১। লতিকা (২)
১২। খৰকৈ ওঁঠ বা জিভা লৰাওঁতে হোৱা শব্দ (৪)
১৩। শাস্ত্ৰীয় সংগীতৰ এক বিশেষ তাল (৪)
১৫। জ্যামিতিৰ প্ৰতিভা (৪)
১৬। অন্তিম শয়ন (৫)
১৯। ঠাণ্ডা (২)
২০। লোপ পোৱা (২)
২১। কয়লা খন্দা কাৰ্য (৬)
২৩। শোৱা কাৰ্য (৩)
২৪। নতুন (৩)

থিয়কৈ

২। ইটালীৰ ৰাজধানী (২)
৩। মঞ্চৰ সন্মুখত তলত শাৰী পাতি জ্বলাই থোৱা চাকি (৪)
৪। এবিধ পৰুৱা (৫)
৫। কোনো বিষয়ে লাভ কৰা প্ৰকৃত শিক্ষা-ধাৰণা (২)
৬। গাঢ় নীলা (৩)
৮। এক অপদেৱতা (৩)
১০। বহু চপৰাত বিভক্ত (৬)
১১। বনৰীয়া আঙুৰ আৰু তাৰ গছ (৬)
১৪। কবিতা বা পদ্যৰ সংগ্ৰহ (৫)
১৫। উদাৰ মনে দিয়া আশীৰ্বাদ, ঢালি দিয়া (৩)
১৭। কাৰ্তিকৰ অন্য নাম (৪)
১৮। চকু (৩)
২১। কোৱা, কহয় (২)
২২। ঈশ্বৰপ্ৰেৰিত দূত/পয়গম্বৰ (২)

শব্দৰ ধেমালি ঃ ৩৮৭ৰ উত্তৰ



যশ

ধুবুৰীত পৰিত্যক্ত মূৰ্তি বিসৰ্জনৰ ব্যৱস্থা দীপংকৰ মজুমদাৰৰ

দৈনিক অসমৰ প্ৰতিনিধি

ধুবুৰী, ৩ নৱেম্বৰ ঃ পূজাৰ পাছত ৰাজপথৰ কাষত অথবা দেৱালৰ ওপৰত সনাতন ধৰ্মীয় দেৱ-দেৱীৰ মূৰ্তিসমূহ পৰিত্যক্ত অৱস্থাত পৰি থকা বিষয়টোলৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে ধুবুৰীৰ বিশিষ্ট সমাজসেৱী দীপঙ্কৰ মজুমদাৰে। দীৰ্ঘ দিনৰে পৰা মজুমদাৰে পূজাৰ পাছত ৰাজপথৰ দাঁতি অথবা বিভিন্ন স্থানত পৰিত্যক্ত অৱস্থাত ৰখা দেৱ-দেৱীৰ মূৰ্তিসমূহ নিজাববীয়া ব্যৱস্থাপনাৰে সংগ্ৰহ কৰি বিসৰ্জনৰ দৰে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি অহা দেখা গৈছে। একেদৰে কালিও ধুবুৰী চহৰৰ বিভিন্ন স্থানত পৰিত্যক্ত অৱস্থাত থকা দেৱ-দেৱীৰ মূৰ্তিসমূহ ভক্তিভাৱেৰে সংগ্ৰহ কৰি সনাতন ধৰ্মীয় নীতি-নিয়ম অনুসৰি ধুবুৰীৰ ব্ৰহ্মপুত্ৰৰ বুকুত বিসৰ্জনৰ ব্যৱস্থা কৰে মজুমদাৰে। তেওঁ কয়, দেৱ-দেৱীৰ মূৰ্তি কেতিয়াও আৱৰ্জনা নহয়। পূজা-অৰ্চনা সম্পন্ন হোৱাৰ পাছত কোনো দেৱ-দেৱীৰ মূৰ্তি অসন্মানজনকভাৱে ৰাজপথ, জনসাধাৰণৰ ব্যৱহৃত স্থান অথবা অন্যান্য ঠাইত পেলাই থোৱাটো ধৰ্মীয় ভাবাৱেগ, সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি এয়া অসন্মানজনক। কোনো দেৱ-দেৱীৰ মূৰ্তি পৰিত্যক্ত অৱস্থাত দেখা পালে তাক অৱহেলা নকৰি সন্মানসহকাৰে যথাযথ ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ সকলোৰে প্ৰতি আহ্বান জনায়।

■ আগিয়াত ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ ■


কলিতা জনগোষ্ঠী সন্মিলনৰ মুখ্যমন্ত্ৰীলৈ চাৰি দফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ

দৈনিক অসমৰ প্ৰতিনিধি

আগিয়া, ৩ নৱেম্বৰ ঃ অসম ভূমি আৰু ৰাজহ নিয়ন্ত্ৰণ (সংশোধনী) বিধেয়ক, ২০২৬ত কলিতা জনগোষ্ঠীৰ ভূমিৰ অধিকাৰ, ঐতিহাসিক পৰিচয়, সামাজিক-সাংস্কৃতিক অধিকাৰ আৰু সুৰক্ষাৰ বাবে প্ৰয়োজনীয় সংশোধনৰ ব্যৱস্থা গ্ৰহণৰ দাবীত কালি গোৱালপাৰা জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সহযোগত কলিতা জনগোষ্ঠী সন্মিলন অসমে আগিয়াত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ধুবুৰী, বৰপেটা, দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলাৰ দুই সহস্ৰাধিক স্বজাতিৰ পুৰুষ মহিলাই হাতে হাতে বেনাৰ-প’ষ্টাৰ লৈ দিনৰ এঘাৰ বজাৰ পৰা দুই ঘণ্টীয়া পথ অৱৰোধ কৰাৰ ফলত ব্যাপক যান-জঁটৰ সৃষ্টি হয়। আৰক্ষীৰ তীব্ৰ বাধা নেওচি কলিতা জনগোষ্ঠী সন্মিলন অসমৰ সভাপতি ডঃ সোণেশ্বৰ কলিতাৰ নেতৃত্বত ৰাজপথত শুই-বহি পথ অৱৰোধ কাৰ্যসূচী সফল ৰূপায়ণ কৰে। অৱৰোধথলীত দণ্ডাধীশ নৃপাংকৰ কলিতা আৰু পশ্চিম গোৱালপাৰা সমজিলা আয়ুক্ত ঋতুত্তম বৰা উপস্থিত হোৱাত কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ সভাপতি ডঃ সোণেশ্বৰ কলিতা, কাৰ্যকৰী সভাপতি দিগন্ত দত্ত আৰু সাধাৰণ সম্পাদক ভোগেশ্বৰ ফুকন স্বাক্ষৰিত এখন চাৰিদফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ ৰাজপত্ৰিত বিষয়াদ্বয়ৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। স্মাৰকপত্ৰত উল্লেখ কৰা দাবীসমূহৰ অন্যতম অসম ভূমি আৰু ৰাজহ নিয়ন্ত্ৰণ (সংশোধনী) বিধেয়ক, ২০২৬ত উল্লেখ কৰা থলুৱা জাতিগত সম্প্ৰদায় কলিতাসকলক অন্তৰ্ভুক্ত কৰা । কলিতাসকলৰ তিনিটা প্ৰজন্মৰ নথি বিচৰা প্ৰক্ৰিয়া বন্ধ কৰা আদি।

বিশ্বনাথত ৰাজ্যিক মহিলা আয়োগৰ পৰ্যালোচনা সভা

মহিলাৰ সুৰক্ষা-মানৱ সৰবৰাহ ৰোধত গুৰুত্ব



দৈনিক অসমৰ প্ৰতিনিধি

বিশ্বনাথ চাৰিআলি, ৩ নৱেম্বৰ ঃ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে কালি বিশ্বনাথ জিলাত উপস্থিত হয় অসম ৰাজ্যিক মহিলা আয়োগৰ এটি প্ৰতিনিধি দল। জিলাখনত মহিলাৰ সুৰক্ষা, অধিকাৰ আৰু তেওঁলোকে লাভ কৰা সুবিধা সন্দৰ্ভত জিলা প্ৰশাসন আৰু আৰক্ষীৰ সৈতে এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠকত মিলিত হয় আয়োগৰ অধ্যক্ষা আঙুৰলতা ডেকাসহ দলটি। বিশ্বনাথ জিলা আয়ুক্ত কৰবী শইকীয়া কৰণ, আৰক্ষী অধীক্ষক আছিফ আহমেদ আৰু অন্যান্য বিষয়াসকলৰ উপস্থিতিত আজি অনুষ্ঠিত হয় মহিলা আয়োগৰ এই বিশেষ পৰ্যালোচনা সভা। জিলাখনত প্ৰশাসনে মহিলাৰ সুৰক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপক লৈ আয়োগে সন্তুষ্টি প্ৰকাশ কৰে। সভাৰ অন্তত আয়োগৰ অধ্যক্ষাগৰাকীয়ে জিলা প্ৰশাসনৰ কাৰ্যালয়ত মহিলাৰ বাবে এটি নিৰ্দিষ্ট কক্ষ ৰখাৰ পৰামৰ্শ দিয়ে, যাতে সাধাৰণ মহিলাসকলে আৰক্ষী থানা আদালতলৈ যাব লাগিলে সেই সন্দৰ্ভত উচিত পৰামৰ্শ লাভ কৰিব পাৰে। ইয়াৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ মহিলা হেল্পলাইন নম্বৰ ‘১৮১’ সকলো চৰকাৰী-বেচৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠানত আঁৰি ৰখাৰ বাবে নিৰ্দেশনা প্ৰদান কৰে। আনহাতে, গুৱাহাটীৰ দৰে বিশ্বনাথতো আইনী সাহায্যৰ পৰা বঞ্চিত মহিলাসকলৰ সুবিধাৰ্থে শীঘ্ৰে দুদিনীয়া বা তিনিদিনীয়া এক ৰাজহুৱা শুনানি অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে আয়োগে। তদুপৰি, জিলাখনৰ চাহ বাগিচা এলেকাসমূহত সংঘটিত হোৱা মানৱ সৰবৰাহ বা ট্ৰেফিকিং ৰোধ কৰাৰ বাবে বিশেষ সজাগতা অভিযান চলোৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে আয়োগৰ প্ৰতিনিধি দলটোৱে। অহা এক-দুমাহৰ ভিতৰত এই সকলোবোৰ পদক্ষেপ কাৰ্যকৰী হোৱাৰ আশা প্ৰকাশ কৰিছে মহিলা আয়োগে। মহিলাৰ সুৰক্ষা আৰু অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত মহিলা আয়োগে গ্ৰহণ কৰা এই পদক্ষেপে বিশ্বনাথৰ সাধাৰণ মহিলাসকলক বিশেষভাৱে উপকৃত কৰিব বুলি আশা কৰা হৈছে।

বছৰ বছৰ ধৰি নিবিদা অবিহনে বুজা-পৰা চুক্তি ■ ঐতিহাসিক পহুগড়ৰ খাৰৈ লেছীক আবণ্টন

শিৱসাগৰ মীন উন্নয়ন বিভাগত অনিয়মৰ অভিযোগ

দৈনিক অসমৰ প্ৰতিনিধি
গৌৰীসাগৰ, ৩ নৱেম্বৰ ঃ শিৱসাগৰ জিলাৰ মীন উন্নয়ন বিভাগত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ তথ্য আৰ টি আই প্ৰতিবেদনত উন্মোচন হৈছে। আৰ টি আই প্ৰতিবেদন অনুসৰি ঐতিহাসিক পহুগড়ৰ ভিতৰৰ খাৰৈসমূহ মীনমহল হিচাপে বুজাপৰা চুক্তিৰ ভিত্তিত একেগৰাকী লেছীকে বছৰ বছৰ ধৰি আবণ্টন দি থকা হৈছে। জিলা অতিৰিক্ত আয়ুক্ত কাৰ্যালয়ৰ ২০১৬ চনৰ ২৮ ডিচেম্বৰৰ নিবিদা মৰ্মে ৰিণ্টুমণি বৰুৱা নামৰ লেছীগৰাকীক উক্ত মীনমহলখন আবণ্টন দিয়া হৈছিল। দুটা বছৰৰ বাবে আবণ্টন দিয়া মহলখনৰ বিনিময়ত লেছীগৰাকীয়ে মীন বিভাগক মুঠ ১১ লাখ টকা ৰাজহ আদায় দিয়াৰ চুক্তিত স্বাক্ষৰ কৰা হৈছিল। কিন্তু তাৰে প্ৰথম কিস্তিত লেছীগৰাকীয়ে মুঠ ৪ লাখ টকা আৰু দ্বিতীয় কিস্তিত মুঠ ৭ লাখ টকা আদায় দিয়াৰ চুক্তি হৈছিল। মুঠ ১১ লাখ টকাৰ ২০১৭-১৮ বৰ্ষত প্ৰথম কিস্তিৰ ৩ লাখ টকা আৰু দ্বিতীয় কিস্তিত মাত্ৰ ১ লাখ টকাহে আদায় দিয়ে। বাকী ৭ লাখ টকা অনাদায় হৈ থাকিল। নিবিদাৰ ম্যাদো ২০১৯ চনৰ ১৪ ফেব্ৰুৱাৰীত অন্ত পৰে। নিয়ম অনুসৰি পুনৰ মহলখন নিবিদা হ'ব লাগে যদিও ২০১৬-১৭ বৰ্ষৰ বানত মহলখনৰ বিস্তৰ ক্ষতি হোৱা বুলি ৰিণ্টুমণি বৰুৱাই মীন বিভাগত জনোৱা আবেদনৰ ভিত্তিত মীন কাৰ্যালয়ৰ এছ ডি আৰ এ ৩২/২০১২/৮৭ নংৰ ভিত্তিত পুনৰ কাৰ্যকৰী হোৱাকৈ ১৫ ফেব্ৰুৱাৰী ২০১৯ চনৰ পৰা পুনৰ ৰহস্যজনকভাৱে ম্যাদ বৃদ্ধি কৰি দিয়ে। অতি গুৰুত্বপূৰ্ণ বিষয় যে পুনৰ দুবছৰৰ বাবে ম্যাদ বৃদ্ধি কৰে যদিও লেছীগৰাকীয়ে পূৰ্বৰ আদায় নিদিয়া ৰাজহ সন্দৰ্ভত কোনো নিৰ্দেশনা নিদিয়া বিষয়টো ৰহস্যৰ আৱৰ্তত সোমাই পৰিছে। পূৰ্বৰ একে চুক্তিতে মীন বিভাগে পুনৰ মহলখন একেগৰাকী লেছীক চলাবলৈ অনুমতি প্ৰদান কৰে যদিও এইবাৰো লেছীগৰাকীয়ে দুটা বৰ্ষত মাত্ৰ ১ লাখ ৬৫ হাজাৰ টকা আদায় দিয়া বুলি মীন বিভাগে দিয়া আৰ টি আই প্ৰতিবেদনত স্পষ্টভাৱে উল্লেখ আছে। ইফালে দেশজুৰি হোৱা কোভিড মহামাৰীৰ ফলত পুনৰ মীনমহলখনৰ ব্যাপক লোকচানৰ দোহাই দি পুনৰ ম্যাদ বৃদ্ধিৰ বাবে লেছীগৰাকীয়ে মীন বিভাগত আবেদন জনায়। এইবাৰো লেছীগৰাকীৰ আবেদনৰ ভিত্তিত কাৰ্যালয়ৰ পত্ৰ নং জি মী শি ৬১৭পহু ভি খা/২০২১-২২/৩৩৮৩ নম্বৰৰ ভিত্তিত ১৬ ফেব্ৰুৱাৰী ২০২১ চনৰ পৰা পুনৰ কাৰ্যকৰী হোৱাকৈ দুবছৰৰ বাবে ম্যাদ বৃদ্ধি কৰে। আনহাতে আহোম ৰাজত্ব কালৰ প্ৰথমখন চিৰিয়াখানা ঐতিহাসিক উক্ত পহুগড় মীন বিভাগৰ পৰা শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পত্ৰ নং এছ ভি আৰ ০৫/২০২৪/০৮ শিৱসাগৰ ৬ জুন ২০২৪ অনুসৰি উক্ত কাৰ্যালয়ৰ পত্ৰ নং ডি এফ ডি অ' (এছ) ৬৬২/২০২৪-২৫/৪৩৭-৪৩ শিৱসাগৰ ১৩ জুন ২০২৪ চনত পহুগড়ৰ ভিতৰৰ খাৰৈসমূহৰ লগতে বাহিৰৰ খাৰৈৰ বন্দবস্তি নাকচ কৰি পুৰাতত্ত্ব বিভাগক হস্তান্তৰ কৰা হৈছিল। পুৰাতত্ত্ব বিভাগক হস্তান্তৰ কৰা হৈছিল যদিও লেছীগৰাকীক মাছ ধৰাৰ লগতে বিক্ৰী কৰাৰ অনুমতি প্ৰদান কৰা হৈছিল বুলিও জানিব পৰা গৈছিল। কিন্তু মীন বিভাগে পুনৰ একেগৰাকী লেছীকে চলিত বৰ্ষৰ ২৫ আগষ্টৰ পৰা কাৰ্যকৰী হোৱাকৈ পুনৰ দুবছৰৰ বাবে পহুগড়ৰ ভিতৰৰ খাৰৈসমূহৰ ম্যাদ বৃদ্ধি কৰে। বাৰে বাৰে ৰাজহ ফাঁকি দিয়া একেগৰাকী লেছীকে কিহৰ গোপন বুজাপৰা চুক্তিৰ ভিত্তিত এনেদৰে নিবিদা অবিহনে ম্যাদ বৃদ্ধি কৰা হৈছে তাক লৈ ৰাইজৰ মাজত প্ৰশ্ন উত্থাপন হৈছে। মীন বিভাগৰ এনে অনিয়ম আৰু লেছীগৰাকীৰ ৰাজহ ফাঁকি দিয়া সন্দৰ্ভত কেইজনমান সচেতন যুৱকে দুবছৰ পূৰ্বে সেই সময়ৰ জিলা আয়ুক্তগৰাকীক লিখিত আবেদনো জনাইছিল কিন্তু জিলা আয়ুক্তগৰাকীয়েও কোনো যাৱতীয় ব্যৱস্থা গ্ৰহণ নকৰা কাৰ্যই সচেতন ৰাইজক ক্ষুণ্ণ কৰি তুলিছে।



মানসিকভাৱে অসুস্থ অন্তঃসত্ত্বা মহিলাক ৰক্তদান আৰক্ষী বিষয়া মিণ্টু সন্দিকৈৰ

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি
গোলাঘাট, ৩ নৱেম্বৰ ঃ কোনো নৰ-পিশাচৰ কামনাৰ বলি হৈ গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে এগৰাকী মানসিকভাৱে অসুস্থ কিশোৰী। কিশোৰীগৰাকীৰ গৰ্ভত দুটি সন্তান থকা বুলি ইতিমধ্যে চিকিৎসকে কৰা পৰীক্ষাত স্পষ্ট হৈছে। প্ৰায় দুমাহ ধৰি চিকিৎসালয়খনৰ চৌহদতে থকা অন্তঃসত্ত্বা কিশোৰীগৰাকীক স্বেচ্ছাসেৱী সংগঠন 'ডেউকা হেল্পিং ফাউণ্ডেচন'ৰ বিষয়ববীয়াসকলে চোৱাচিতা কৰি আছে। শেহতীয়াকৈ কিশোৰীগৰাকী অসুস্থ হৈ পৰাত চিকিৎসকে তেজৰ প্ৰয়োজনীয়তাৰ কথা স্বেচ্ছাসেৱী সংগঠনটিক অৱগত কৰে। সংগঠনটোৱে তেজ বিচাৰি থকাৰ কথা জানিব পাৰি গোলাঘাট সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিণ্টু সন্দিকৈয়ে স্ব-ইচ্ছাৰে ৰক্তদান কৰে। 'ৰক্তদান জীৱনদান' কথাষাৰকে সাৰোগত কৰি মানৱতাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰা গোলাঘাট সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিণ্টু সন্দিকৈক 'ডেউকা হেল্পিং ফাউণ্ডেচন'ৰ লগতে চিকিৎসালয় কৰ্তৃপক্ষই বিশেষভাৱে শলাগ লয়।

৩০খন গাঁৱৰ ৰাইজৰ উপস্থিতিত লাইপুলিৰ গোবিন্দপুৰত সাংস্কৃতিক অনুষ্ঠান



দৈনিক অসমৰ প্ৰতিনিধি
তিনিচুকীয়া, ৩ নৱেম্বৰ ঃ তিনিচুকীয়াৰ বৃহত্তৰ লাইপুলি অঞ্চলৰ গোবিন্দপুৰ গাঁৱৰ নামনিচুক শিশু উদ্যানৰ প্ৰাংগনত লাইপুলি ডিমৰুগুৰি অঞ্চলৰ বৃন্দাৱন কৃষ্টি-সংস্কৃতি মঞ্চৰ উদ্যোগত ১ নৱেম্বৰত সাংস্কৃতিক, শৈক্ষিক আৰু আধ্যাত্মিক অনুষ্ঠান সম্পন্ন হৈ যায়। বৃহত্তৰ লাইপুলি অঞ্চলৰ গোবিন্দপুৰ, অমৰাৱতী, ডিমৰুগুৰি, ওকণিমৰীয়া, লোণপুৰীয়া, দিহিঙীয়া, কাপ্তানচুক, কুকুৰেখোৱা গাঁৱকে ধৰি প্ৰায় ৩০খন গাঁৱৰ ৰাইজে অংশগ্ৰহণ কৰা অনুষ্ঠানত সভাপতিত্ব কৰে বৃন্দাৱন কৃষ্টি-সংস্কৃতি মঞ্চৰ সভাপতি দেৱকান্ত চেতিয়াই। মঞ্চৰ সম্পাদিকা জীনা শইকীয়াই আঁত ধৰা অনুষ্ঠানত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সহঃ সম্পাদক শীৰ্ষজ্যোতি নেওগে। শিক্ষাবিদ অমৃত ৰাজখোৱাই সঞ্চালকৰ ভাষণ প্ৰসংগত উল্লেখ কৰে যে 'সংগীতে মানুহৰ মনৰ কলুষতা দূৰ কৰে। নতুন চামৰ মাজত পুৰণি অসমীয়া গীতসমূহৰ ব্যাপক চৰ্চা হোৱা উচিত। এই গীতসমূহৰ চৰ্চাই নতুন প্ৰজন্মৰ লোকসকলৰ মানসিক প্ৰদূষণ দূৰ কৰি এখন সুন্দৰ আৰু শান্তিপূৰ্ণ সমাজ গঢ়াত অৰিহণা যোগায়।' অনুষ্ঠানত বৃন্দাৱন কৃষ্টি-সংস্কৃতি মঞ্চৰ তৰফৰ পৰা দিগন্ত সোণোৱাল, ক্ষীৰোদ বৰা, হলিৰাম সোণোৱাল, মৃদুল শইকীয়া, শৈলেন সোণোৱাল, ক্ষীৰোদ সোণোৱাল, ৰুবুল চেতিয়া, লুইত দাস, প্ৰণতি মেচ, মনদীপ শইকীয়াক চেলেং চাদৰ আৰু ফুলৰ থোপাৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। গুণগুণ শইকীয়াই পৰিৱেশন কৰা এটি বৰগীতেৰে শুভাৰম্ভ হোৱা সাংস্কৃতিক অনুষ্ঠানটিত তুলিকা দাস, অনিৰ্বাণ দাস, বাৰ্ণিছা সোণোৱাল, পুষ্পাঞ্জলি সোণোৱাল, শিখামণি দাস, বাৰ্চিলীনা সোণোৱালে গীত পৰিৱেশন কৰে। নিৰ্মল চেতিয়া, সীমা গগৈ, প্ৰতিভা চেতিয়া, চিন্ময় সোণোৱাল, যতীন সোণোৱাল, পুষ্পাঞ্জলি সোণোৱালে কবিতা পাঠ কৰে। লীজা সোণোৱাল, ডিম্পী সোণোৱাল, জেচিকা সোণোৱাল আৰু মাৰ্চি সোণোৱালে নৃত্য প্ৰদৰ্শন কৰে, কণমানি দিব্যান বৰাই ঢোলবাদন পৰিৱেশন কৰে। গোবিন্দপুৰ গাঁৱৰ নামনিচুক মহিলা দলটোৱে সোণোৱাল কছাৰীৰ লোকগীত 'হালালী' আৰু দুটি দিহানাম পৰিৱেশন কৰে। ৰশ্মিৰেখা সোণোৱালে শলাগৰ শৰাই আগবঢ়োৱা সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ফণীধৰ বৰা, বিবেকা বৰা, কংকণ মেচ, সন্তোলনী ভৰালী, জীনা শইকীয়া, জ্যোতিৰেখা সোণোৱাল, তুল্যমণি চেতিয়াকে ধৰি ভালেসংখ্যক স্থানীয় ৰাইজ। অসম সংগীতেৰে সামৰণি পৰা অনুষ্ঠানটিত 'বৃন্দাৱন কৃষ্টি-সংস্কৃতি মঞ্চৰ' পৰৱৰ্তী কাৰ্যসূচী ২ ডিচেম্বৰত ডিমৰুগুৰি গাঁৱৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।



সমষ্টি নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াক লৈ ডিব্ৰুগড়ত পৰ্যালোচনা সভা

দৈনিক অসমৰ প্ৰতিনিধি
মৰাণ, ৩ নৱেম্বৰ ঃ সমষ্টি নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ পৰ্যালোচনা আৰু আলোচনাৰ উদ্দেশ্যে কালি ডিব্ৰুগড় পৌৰ নিগমৰ প্ৰেক্ষাগৃহত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সমষ্টি নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াৰ বিভিন্ন দিশ সন্দৰ্ভত বিস্তৃত আলোচনা কৰে। সভাত ডিব্ৰুগড় পৌৰ নিগমৰ পৌৰপতি ডাঃ চৈকত পাত্ৰ, ডিব্ৰুগড় জিলাৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী আৰু পৌৰ নিগমৰ আয়ুক্ত শিৱানী জেৰংগল উপস্থিত থাকে। সভাখনত সমষ্টি নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াৰ সৈতে জড়িত প্ৰশাসনিক দিশসমূহৰ লগতে সংশ্লিষ্ট বিষয়সমূহৰ বৰ্তমানৰ স্থিতি পৰ্যালোচনা কৰে। প্ৰক্ৰিয়াটোৰ পৰৱৰ্তী পদক্ষেপ আৰু কৰণীয় বিষয়সমূহ সন্দৰ্ভতো মত বিনিময় কৰে। সমষ্টি নিৰ্দ্ধাৰণৰ দৰে গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া যাতে সুশৃংখল, স্বচ্ছ আৰু নিৰ্দ্ধাৰিত নীতি-নিয়ম অনুসৰি সম্পন্ন হয়, সেই দিশত সভাখনত বিশেষ গুৰুত্ব আৰোপ কৰা হয়।

বোকাখাতত সাংস্কৃতিক মহাসভা, অসমৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



দৈনিক অসমৰ প্ৰতিনিধি
বোকাখাত, ৩ নৱেম্বৰ ঃ প্ৰয়াত শংকৰ দাস আৰু বোকাখাতৰ প্ৰয়াত বদন শৰ্মাৰ নেতৃত্বত প্ৰতিষ্ঠা হোৱা অসম সাংস্কৃতিক মহাসভাই ১৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰিবলৈ আগবাঢ়িছে। অসমৰ বিভিন্ন জিলা আৰু আঞ্চলিক সমিতিৰ লগতে জন্মস্থান বোকাখাততো সংগঠনটোৰ ১৮ সংখ্যক প্ৰতিষ্ঠা দিৱস বোকাখাত আঞ্চলিক সমিতিৰ উদ্যোগত স্থানীয় পাৰিজাত ভৱনত উদ্‌যাপন কৰে। এই উপলক্ষে পুৱা পতাকা উত্তোলন কৰে সাংস্কৃতিক মহাসভা বোকাখাত আঞ্চলিক সমিতিৰ সভাপতি মনোৰঞ্জন সেনে। স্মৃতি তৰ্পণ কৰে মহাসভাৰ সন্মানীয় সদস্য, নুমলীগড় শোধনাগাৰ লিমিটেডৰ জ্যেষ্ঠ বিষয়া নৃপেন্দ্ৰনাথ ডেকাই। পৰৱৰ্তী সময়ত আয়োজিত গীত-মাত আৰু কবিতা পাঠৰ অনুষ্ঠান উদ্বোধন কৰে ডিফলুপৰীয়া শতদল শাখা সাহিত্য সভাৰ সভাপতি মিনতি দলে। এই অনুষ্ঠানৰ আৰম্ভণিতে স্মৃতি তৰ্পণৰ পাছতে বিশিষ্ট অভিনেতা হৰিপ্ৰসাদ বৰঠাকুৰ, শিল্পী পেন্সনাৰ বিজয় শৰ্মা, বোকাখাত প্ৰেছ ক্লাবৰ সভাপতি ভৱানন্দ কলিতাক চিনাকি কৰাই দি জাতীয় বস্ত্ৰ গামোচাৰে আদৰা হয়। আঞ্চলিক সমিতিৰ সম্পাদক দিলীপ বৰাই আঁত ধৰা প্ৰতিষ্ঠা দিৱসৰ গীত-মাত আৰু কবিতা পাঠ অনুষ্ঠানত গীত পৰিৱেশন কৰি শিল্পী মণ্টু শইকীয়াই শুভাৰম্ভ কৰে। অনুষ্ঠানত বিজয় শৰ্মা, প্ৰদীপ খাউণ্ডৰ উপৰি সভাপতি মনোৰঞ্জন সেনে গীত, নৃপেন্দ্ৰনাথ ডেকা, প্ৰদীপ খাউণ্ড, পোনাৰাম গগৈ, মণিকান্ত কুটুমে কবিতা পাঠ কৰে।

বিহপুৰীয়াত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জন্মদিন উদ্‌যাপনৰ প্ৰস্তুতি

দৈনিক অসমৰ প্ৰতিনিধি
নাৰায়ণপুৰ, ৩ নৱেম্বৰ ঃ ১৮ নৱেম্বৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৪ সংখ্যক জন্মদিনটো বিশেষভাৱে উদ্‌যাপন কৰাৰ বাবে বিহপুৰীয়াত প্ৰস্তুতি চলাইছে বিহপুৰীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি স্থাপন সমিতিয়ে। এই উদ্দেশ্যে কালি বিহপুৰীয়া লোকনিৰ্মাণ বিভাগৰ অতিথিশালাত প্ৰতিমূৰ্তি স্থাপন সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। সমিতিৰ সভাপতি অনিল কাকতিৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকখনত বিহপুৰীয়াৰ নিৰ্মীয়মাণ জুবিনক্ষেত্ৰত জন্মদিন উদ্‌যাপনৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰাৰ লগতে প্ৰয়োজনীয় প্ৰস্তুতি সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰে। সমিতিৰ যুটীয়া সম্পাদক হীৰকজ্যোতি বৰুৱাই আঁত ধৰা বৈঠকখনত উপদেষ্টা বিবেক হাজৰিকা, কাৰ্যকৰী সভাপতি জগত বৰা, কোষাধ্যক্ষ তিলক নেওগ, যুটীয়া সম্পাদক প্ৰফুল্ল দেউৰী, উপ-সভাপতি ক্ৰমে সঞ্জীৱ দত্ত, মনু গুপ্তা, ৰবিন দে', ৰাজেন বৰা, চন্দন সাহা, সহকাৰী সম্পাদক ক্ৰমে পংকজ বৰা, বিক্ৰমজিৎ হাজৰিকা, বিকাশ শইকীয়া আৰু সদস্য ক্ৰমে নোমল চেতিয়া, হেমচন্দ্ৰ বৰুৱা আৰু ভাস্কৰ বৰাৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি প্ৰাণৰ শিল্পীগৰাকীৰ জন্মদিন উদ্‌যাপনক লৈ নিজৰ মতামত আৰু পৰামৰ্শ আগবঢ়ায়।

পীতাম্বৰদেৱ গোস্বামীৰ তিৰোভাৱ তিথি পালন



দৈনিক অসমৰ প্ৰতিনিধি
মাজুলী, ৩ নৱেম্বৰ ঃ মাজুলীৰ ঐতিহাসিক ৰজাঘৰীয়া চাৰি সত্ৰৰ অন্যতম শ্ৰীশ্ৰীগড়মূৰ সত্ৰৰ চতুৰ্দশগৰাকী ধৰ্মগুৰু, সমাজ সংস্কাৰক, কুৰি শতিকাৰ 'শংকৰ' খ্যাত শ্ৰীশ্ৰী পীতাম্বৰদেৱ গোস্বামীৰ ৬৫ সংখ্যক তিৰোভাৱ তিথি কালি সত্ৰত পালন কৰা হয়। পৰম্পৰাগতভাৱে পালন কৰা এই তিথিৰ মূল কাৰ্যসূচী পুৱতি নামেৰে আৰম্ভ হোৱাৰ পাছত পুৱা ৪ বজাত আৰম্ভ কৰা ঊষা কীৰ্তন সত্ৰৰ পৰা গড়মূৰৰ তিনিআলিৰ মূল তোৰণলৈকে পৰিভ্ৰমণ কৰে। তাৰ পাছত আইসকলে নাম পৰিৱেশন কৰে। সত্ৰৰ চৌহদত থকা মহান গুৰুজনাৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি পুষ্পাঞ্জলি অৰ্পণ কৰে সত্ৰাধিকাৰ পৰমানন্দ দেৱগোস্বামীৰ লগতে সত্ৰৰ পূজাৰী পৰাগ কটকীসহ জ্যেষ্ঠ বৈষ্ণৱসকলে। পুৱা প্ৰসংগত বৰঘোষা, বৈৰাগী নাম আৰু কীৰ্তন পৰিৱেশনৰ শেষত আশীৰ্বাদ প্ৰদান আৰু প্ৰসাদ বিতৰণ কৰে। গুৰুজনাৰ তিৰোভাৱ তিথিত দূৰ-দূৰণিৰ শিষ্যই অংশগ্ৰহণ কৰি তেওঁৰ কৰ্মৰাজি সোঁৱৰণ কৰে। পৰৱৰ্তী সময়ত দিনৰ ২ বজাৰ পৰা উঠা নামেৰে পুনৰ তিথিৰ কাৰ্যসূচী আৰম্ভ হয়। উঠা নামৰ অন্তত গায়ন-বায়ন, নটুৱা নৃত্য পৰিৱেশন আদি কাৰ্যসূচীৰে দিনৰ ভাগৰ কাৰ্যসূচী সামৰণি পৰে।



খুমটাইৰ বহুপথাৰত মৰাণ বংশৰ বংশাৱলী উন্মোচন

দৈনিক অসমৰ প্ৰতিনিধি
খুমটাই, ৩ নৱেম্বৰ ঃ গোলাঘাট জিলাৰ বহুপথাৰ গাঁওস্থিত চাও-চেং-ৰেণ প্ৰাংগনৰ বংশধৰ লোকাৰাম গগৈ সমন্বয়ক্ষেত্ৰত ১ নৱেম্বৰত মৰাণ বংশৰ এখন পূৰ্ণাংগ বংশাৱলী সভা অনুষ্ঠিত হয়। ৰাজ্যখনৰ বিভিন্ন জিলাত বাস কৰি থকা মৰাণ বংশৰ সাতখন জিলাৰ প্ৰতিনিধি তথা ৰাইজে সভাত অংশগ্ৰহণ কৰে। শিৱসাগৰ কঁঠালবাৰী গাঁৱৰ পৰা ধনশিৰি উপত্যকাৰ গড়গুৰি অঞ্চলত দেশ-জাতিৰ বাবে প্ৰাণ আহুতি দিয়া বিখ্যাত তুংখুংগীয়া ফৈদৰ পিতৃপুৰুষ গেলিচন আহোমে প্ৰতিষ্ঠা কৰা মৰাণ বংশই ইতিমধ্যে গৌৰৱময় ১৩টা প্ৰজন্ম অতিক্ৰমি ১৪ সংখ্যক প্ৰজন্মত পদাৰ্পণ কৰে। মূল গাঁৱৰ পৰা জীৱন-জীৱিকা, বৈবাহিক সম্বন্ধ আৰু অন্যান্য কাৰণত এৰি থৈ দূৰ-দূৰণিলৈ আঁতৰি যোৱা বংশধৰসকলক নিচেই ওচৰৰ পৰা চোৱাৰ হেঁপাহেৰে আৰু নতুন প্ৰজন্মক আগবঢ়াই নিয়াৰ লগতে স্মৃতিবিলাক যুগমীয়া কৰাৰ পৰিকল্পনাৰে উক্ত সভাৰ আয়োজন কৰা হয়। অৱসৰপ্ৰাপ্ত অধ্যক্ষ গুণপ্ৰভা বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়ায় অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফটিক গগৈয়ে। নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে সমাজকৰ্মী যতীন্দ্ৰ কুমাৰ গগৈ, সদৌ অসম মৃদংগীয়া সন্থাৰ কাৰ্যকৰী সভাপতি দেৱেন গগৈ, লখিমপুৰৰ পুণিৰাম বৰা আৰু লাচিত বৰা। সভাত মৰাণ বংশৰ সুদীৰ্ঘ গৌৰৱময় পৰিক্ৰমা আৰু বংশধৰৰ বৰ্ণিল স্মৃতি ৰোমন্থনেৰে ধ্ৰুৱ দেৱ বৰাৰ সম্পাদনাৰে প্ৰকাশিত বংশাৱলী 'হু খ্ৰাই মা বান' (অৰ্থঃ গৰু-ম'হ চৰি উঠাৰ পাছত ঘৰলৈ ঘূৰি অহাৰ সময়) উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ গোলাপ গগৈয়ে। পুৱাৰ ভাগত উদ্‌যাপন সমিতিৰ সভাপতি সৰ্বানন্দ বৰাই পতাকা উত্তোলন কৰাৰ লগতে মূল তোৰণ আৰু বংশধৰ লোকাৰাম গগৈ সমন্বয়ক্ষেত্ৰ উদ্বোধন কৰে পংকজ গগৈয়ে। গছপুলি ৰোপণ কৰে মাণিক গগৈয়ে আৰু স্মৃতি তৰ্পণ কৰে ৰবীন বৰাই।

কানৈ মহাবিদ্যালয়ত 'শিৱনাথ বৰ্মন' স্মাৰক বক্তৃতানুষ্ঠান

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি
ডিব্ৰুগড়, ৩ নৱেম্বৰ ঃ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অসমীয়া বিভাগ আৰু নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন শিক্ষাৰ্থী সমাজৰ উদ্যোগত দ্বিতীয় বাৰ্ষিক শিৱনাথ বৰ্মন স্মাৰক বক্তৃতা ৬ নৱেম্বৰত অনুষ্ঠিত হ'ব। একেধাৰে ইতিহাসবিদ, সাহিত্যিক, সম্পাদক, অনুবাদক তথা অধুনালুপ্ত 'দৈনিক জনসাধাৰণ' কাকতৰ সম্পাদক প্ৰয়াত ডঃ শিৱনাথ বৰ্মনৰ স্মৃতিত নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন শিক্ষাৰ্থী সমাজে তেওঁৰ পৰিয়ালৰ সহযোগিতাত অসমৰ বিভিন্ন স্থানত বাৰ্ষিকভাৱে এই বক্তৃতামালাৰ আয়োজন কৰি আহিছে। ইতিমধ্যে বিগত বৰ্ষত এই বক্তৃতা অনুষ্ঠিত হৈ গৈছে বাক্সা জিলাৰ গোৰেশ্বৰ মহাবিদ্যালয়ত। উক্ত অনুষ্ঠানত প্ৰসিদ্ধ ইতিহাসবিদ, উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ মনোৰমা শৰ্মাই 'সামাজিক ৰূপান্তৰ, বুদ্ধিজীৱীৰ ভূমিকা আৰু বৌদ্ধিক ইতিহাস' বিষয়ক এই বক্তৃতা প্ৰদান কৰিছিল। এইবাৰ বক্তৃতাৰ বিষয় হৈছে 'ধৰ্মান্ধতা ঃ সাম্প্ৰতিক সময় আৰু কিছু শৈক্ষিক প্ৰশ্ন'। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই শুভ উদ্বোধন কৰিবলগীয়া বক্তৃতানুষ্ঠানটিত মুখ্য বক্তা হিচাপে উপস্থিত থাকি বক্তৃতা প্ৰদান কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ জ্যেষ্ঠ অধ্যাপক, বিশিষ্ট চিন্তাবিদ ডঃ দিলীপ বৰাই। উল্লেখ্য যে একেদিনাই দুপৰীয়া ১ বজাত গীতিকবি কেশৱ মহন্তৰ জন্ম শতবৰ্ষ উপলক্ষে তেওঁৰ জীৱন আৰু প্ৰতিভাৰ বিভিন্ন দিশত আলোকপাত কৰি এখন ৰাজ্যিক পৰ্যায়ৰ আলোচনাচক্ৰও অনুষ্ঠিত হ'ব। আলোচনাচক্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ক্ৰমে ডঃ পল্লৱী বুজৰবৰুৱা, ডঃ অৰবিন্দ ৰাজখোৱা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডঃ ভাস্কৰ ভূঞা, অসম বিশ্ববিদ্যালয়, ডিফু চৌহদৰ ডঃ প্ৰভাত ভূঞাকে ধৰি অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ দুকুৰিৰো অধিক অধ্যাপক-অধ্যাপিকাই অংশগ্ৰহণ কৰিব। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত হ'বলগীয়া দুয়োটা অনুষ্ঠানলৈ উদ্যোক্তাসকলে সকলোকে আমন্ত্ৰণ জনাইছে।

টাই আহোম মহিলা পৰিষদৰ গোলাঘাট জিলা সমিতিৰ সভা

১৭ ডিচেম্বৰত 'আইদেউ সন্দিকৈ বঁটা' প্ৰদান

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি
গোলাঘাট, ৩ নৱেম্বৰ ঃ টাই আহোম মহিলা পৰিষদৰ গোলাঘাট জিলা সমিতিৰ এখন সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সভাতে দ্বিতীয় বাৰৰ বাবে 'আইদেউ সন্দিকৈ বঁটা' প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অহা ১৭ ডিচেম্বৰত গোলাঘাট নগৰত এই বঁটা প্ৰদান কৰা হ'ব। এই উদ্দেশ্যে বঁটা নিৰ্বাচক সমিতি এখনো গঠন কৰা হয়। এই সমিতিখনে ৰাজ্যৰ এগৰাকী স্বনামধন্য শিল্পীক নিৰ্বাচিত কৰিব। লগতে এই বঁটা প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰিবৰ বাবে পূৰ্ণ ৰাজখোৱা, ৰোহিত গগৈ, বিমান বৰুৱা, মুকুন্দ গগৈ আৰু মনালী বৰুৱা গোহাঁইক লৈ এখন সমিতি গঠন কৰা হয়। উল্লেখ্য যে বিগত বৰ্ষত 'আইদেউ সন্দিকৈ বঁটা' প্ৰদান কৰা হৈছিল জনপ্ৰিয় অভিনেত্ৰী গীতাৱলী ৰাজকুমাৰীক।

শিক্ষাবিদ টাকাব চন্দ্ৰ মেদকৰ মৃত্যু বাৰ্ষিকী পালন


মেধাৱী ছাত্ৰক বঁটা প্ৰদান, কৃতী শিক্ষকক বিশেষ সম্বৰ্দ্ধনা



দৈনিক অসমৰ প্ৰতিনিধি
জোনাই, ৩ নৱেম্বৰ ঃ জোনাই-মূৰ্কংচেলেক অঞ্চলৰ শৈক্ষিক জগতৰ অন্যতম বাটকটীয়া, বিশিষ্ট শিক্ষাবিদ তথা ঐতিহ্যমণ্ডিত জোনাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ টাকাব চন্দ্ৰ মেদকৰ ২৬ সংখ্যক মৃত্যুবাৰ্ষিকী কালি বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগতে শিক্ষাবিদগৰাকীৰ প্ৰতিমূৰ্তিত যজ্ঞেশ্বৰ মেদক আৰু জন্মেশ্বৰ মেদকে বন্তি প্ৰজ্বলন কৰাৰ লগতে পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। আনহাতে মূৰ্কংচেলেক মিচিং কৃষ্টি কেবাঙৰ প্ৰেক্ষাগৃহত টাকাব চন্দ্ৰ মেদক স্মৃতি ন্যাসৰ সভাপতি তথা জোনাই বিজ্ঞান মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ৰাজেশ্বৰ পেগুৰ সভাপতিত্বত স্মৃতিচাৰণ আৰু বঁটা প্ৰদান সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ন্যাসৰ সম্পাদক ৰয়েল পেগুৱে আৰু আদৰণী ভাষণ আগবঢ়ায় ন্যাসৰ পৃষ্ঠপোষক হৰিপ্ৰসাদ মিলিয়ে। জোনাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰাণজিত পেগুৱে উদ্বোধন কৰা সভাৰ লগত সংগতি ৰাখি 'গ্ৰামাঞ্চলৰ গুণগত শৈক্ষিক পৰিৱেশ গঢ়ি তোলাত ৰাইজৰ ভূমিকা' শীৰ্ষক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি চিলাপথাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ লক্ষীনাথ পেগুৱে গ্ৰামাঞ্চলৰ শিক্ষাৰ মান উন্নয়ন, শৈক্ষিক পৰিৱেশ গঢ়ি তোলা আৰু এইক্ষেত্ৰত সমাজৰ সামূহিক দায়িত্বৰ বিষয়ে বক্তব্য আগবঢ়ায়। সভাত জোনাই সমষ্টিৰ বিধায়ক ভুৱন পেগু, মূৰ্কংচেলেক মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ হৰকান্ত পেগু, চিমেন চাপৰি মহাবিদ্যালয়ৰ অধ্যক্ষ শচীন দলে, জ্যেষ্ঠ নাগৰিক কৰ্জুন পাইত আদিয়ে বিশিষ্ট শিক্ষাবিদ টাকাব চন্দ্ৰ মেদকৰ কৰ্মময় জীৱন, শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত তেওঁৰ অৱদান আৰু আদৰ্শৰ বিষয়ে আলোকপাত কৰে। পল্লৱী হাজৰিকা দলেয়ে আঁত ধৰা অনুষ্ঠানত চিকিৎসা বিজ্ঞানৰ কৃতী শিক্ষাৰ্থী অনন্ত চিন্তেক 'টাকাব চন্দ্ৰ মেদক সোঁৱৰণী কৃতী ছাত্ৰ বঁটা' প্ৰদান কৰাৰ লগতে ২০ হাজাৰ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হয়। আনহাতে, শৈক্ষিক ক্ষেত্ৰৰ লগতে সমাজ জীৱনলৈ আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ স্বীকৃতিস্বৰূপে বাহিৰ জোনাই প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিশিষ্ট শিক্ষক তোয়েশ্বৰ দলেক প্ৰশস্তিপত্ৰ আৰু মিচিং মাফলাৰেৰে বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়।

লোকপিয়ল সন্দৰ্ভত ৰাজ্যিক আলোচনাচক্ৰৰ আয়োজন

লখিমপুৰত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা



দৈনিক অসমৰ প্ৰতিনিধি
লখিমপুৰ, ৩ নৱেম্বৰ ঃ সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ 'আছা'ৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাখন উত্তৰ লখিমপুৰ সাহিত্য সভা ভৱনত ৩১ অক্টোবৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। সংগঠনটোৰ সভাপতি গডউইন হেমব্ৰমৰ পৌৰোহিত্যত আৰু জিলাসমূহৰ পৰা অহা বিষয়ববীয়াৰ উপস্থিতিত অনুষ্ঠিত সভাখনত বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখ্য যে সংগঠনটোৰ উদ্যোগত নৱেম্বৰত জাতিগত লোকপিয়ল সন্দৰ্ভত ৰাজ্যিক পৰ্যায়ত আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। ইয়াৰ সমান্তৰালকৈ সংগঠনটোৰ চলিত কাৰ্যনিৰ্বাহকক ২০ ডিচেম্বৰ পৰ্যন্ত কাৰ্যভাৰ চলাই নিয়াৰ সিদ্ধান্ত লয়। শোণিতপুৰ জিলাৰ আতিথ্যত ১৯, ২০ ডিচেম্বৰত সংগঠনটোৰ কেন্দ্ৰীয় অধিৱেশন অনুষ্ঠিত হ'ব। সেয়েহে ১৫ ডিচেম্বৰৰ পূৰ্বে সমূহ জিলা আৰু আঞ্চলিকৰ অধিৱেশন অনুষ্ঠিত কৰাৰ নিৰ্দেশ জাৰি কৰিছে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিয়ে। প্ৰণিধানযোগ্য যে ২০২৭ বৰ্ষৰ এপ্ৰিলৰ প্ৰথম সপ্তাহত লখিমপুৰ জিলাত ২২ সংখ্যক আদিবাসী মহাসভা অনুষ্ঠিত হ'ব।

মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ নতুন অতিথি

গঁড়ৰ পোৱালিৰ জন্ম



দৈনিক অসমৰ প্ৰতিনিধি

শালবাৰী, ৩ নৱেম্বৰ ঃ বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ শেহতীয়াকৈ নতুন অতিথিৰ আগমন ঘটিছে, যিয়ে সমগ্ৰ ৰাজ্যৰ বনপ্ৰেমী আৰু বনকৰ্মীসকলৰ মাজত ব্যাপক উৎসাহৰ সৃষ্টি কৰিছে। প্ৰাপ্ত খবৰ অনুসৰি, মানাহৰ পোহনীয়া হাতী 'মৃদুলা'ই এটা মতা পোৱালি জন্ম দিয়াৰ বিপৰীতে উদ্যানখনৰ গৌৰৱগ্ৰন্থত সংযোজন হৈছে এক সুন্দৰ গঁড় পোৱালি। মুখ্য হাতী মাউত দণ্ডেশ্বৰ বড়োৱে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, মৃদুলা নামৰ হাতীজনীয়ে পোৱালি জন্ম দিয়াৰ ঘটনাই বন বিভাগৰ কৰ্মীসকলক অতিশয় আনন্দিত কৰি তুলিছে। ইয়াৰ সমান্তৰালভাৱে বিগত দিনত ব্ৰহ্মপুত্ৰৰ ভয়াৱহ বানত উদ্ধাৰ হৈ মানাহত আশ্ৰয় লোৱা 'গংগা' নামৰ গঁড়জনীৰ বংশলতা তথা দ্বিতীয় প্ৰজন্মই কিছুদিন পূৰ্বে এটি পোৱালি জন্ম দিয়ে। গংগাৰ পৰা আৰম্ভ হোৱা এই সংৰক্ষণৰ যাত্ৰা আজি তিনিটা প্ৰজন্ম অতিক্ৰম কৰি প্ৰকৃতিৰ কোলাত এক সেউজ অধ্যায় ৰচনা কৰিছে, যি খোদ ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মায়ো নিজৰ সামাজিক মাধ্যমত প্ৰকাশ কৰি আনন্দ আৰু গৌৰৱ ব্যক্ত কৰিছে।

বকোৰ ৰাজাপাৰাত ৪০টাৰো অধিক বন্যহস্তীৰ তাণ্ডৱ

তহিলং কৰিছে ধাননি, ব্যাহত যাতায়াত ব্যৱস্থা



দৈনিক অসমৰ প্ৰতিনিধি

বকো, ৩ নৱেম্বৰ ঃ বকোৰ ৰাজাপাৰা অঞ্চলত পুনৰ বন্যহস্তীৰ উপদ্ৰৱে আতংকিত কৰি তুলিছে অঞ্চলবাসীক। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চললৈ ওলাই অহা প্ৰায় ৪০টাৰো অধিক বনৰীয়া হাতীৰ এটা বৃহৎ জাকে ৰাজাপাৰা, মুহিপাৰা, চেঁচাপানী, কুকুৰমাৰা আৰু ডেকাপাৰাকে ধৰি বিস্তীৰ্ণ অঞ্চলত তাণ্ডৱ চলাইছে। হাতীৰ জাকটোৱে অঞ্চলটোৰ বিস্তীৰ্ণ ধাননি পথাৰ আৰু কলবাগান তহিলং কৰাত মূৰে-কপালে হাত দিবলগীয়া হৈছে কৃষকসকলে। বন্দাপাৰা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত বৃহৎ এলেকাটোত বন্যহস্তীৰ এনে অবাধ বিচৰণে ৰাইজৰ মাজত গভীৰ আতংকৰ সৃষ্টি কৰিছে। বিশেষকৈ পকা ধান চপোৱাৰ সময়তে হাতীৰ জাকটোৱে পথাৰত প্ৰৱেশ কৰি শস্য নষ্ট কৰাত মূৰৰ ঘাম মাটিত পেলাই খেতি কৰা কৃষকসকল ব্যাপক লোকচানৰ সন্মুখীন হৈছে। ইফালে, বন্যহস্তীৰ জাকটোৰ বিচৰণৰ ফলত বিয়লিৰ ভাগত বহু সময় ধৰি ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যান-বাহনৰ চলাচল ব্যাহত হৈ পৰে। হাতীৰ জাকটোৱে পথ অতিক্ৰম কৰাৰ সময়ত পথৰ দুয়োকাষে যান-বাহনৰ দীঘলীয়া শাৰীৰ সৃষ্টি হয়। ফলত যাত্ৰী আৰু পথচাৰীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। স্থানীয় ৰাইজৰ মতে, অঞ্চলটোত বন্যহস্তীৰ আগমন নতুন ঘটনা নহয়। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চললৈ নামি অহা হাতীৰ জাকে প্ৰায়ে কৃষিভূমি, বাৰীৰ শস্য আৰু বাসগৃহৰ ক্ষতিসাধন কৰি আহিছে। ফলত হাতী-মানুহৰ সংঘাতে ক্ৰমাৎ গুৰুতৰ ৰূপ ধাৰণ কৰিছে। বনাঞ্চলিক বিষয়া কুলুমনালী গগৈয়ে জানিবলৈ দিয়ে যে বন বিভাগৰ কৰ্মচাৰীসকলে হাতীৰ জাকটোক বনাঞ্চললৈ খেদি পঠিওৱাৰ বাবে অহৰহ চেষ্টা অব্যাহত ৰাখিছে। উল্লেখ্য যে বকো অঞ্চলত হাতী-মানুহৰ সংঘাত দীৰ্ঘদিনীয়া সমস্যা হিচাপে পৰিগণিত হৈছে। ইয়াৰ পূৰ্বেও অঞ্চলটোৰ বিভিন্ন স্থানত বনৰীয়া হাতীৰ আক্ৰমণত মানুহৰ মৃত্যু হোৱাৰ লগতে হাতীৰো অস্বাভাৱিক মৃত্যুৰ ঘটনা সংঘটিত হৈছে।

১৮ নৱেম্বৰত বাৰ্তাজীৱী সংঘৰ প্ৰতিষ্ঠা দিৱস

দৈনিক অসমৰ প্ৰতিনিধি

সৰ্থেবাৰী, ৩ নৱেম্বৰ ঃ 'অসম বাৰ্তাজীৱী সংঘ'ৰ ৫৩ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু বৰপেটা জিলা বাৰ্তাজীৱী সংঘৰ দ্বি-বাৰ্ষিক সৰ্থেবাৰী অধিৱেশন ১৮ নৱেম্বৰত সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। তদুপলক্ষে অভ্যৰ্থনা সমিতিৰ এখন সভা ৩১ অক্টোবৰত আবেলি অনুষ্ঠিত হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি শিক্ষাৰত্ন অধৰ চন্দ্ৰ ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক গুণজিৎ চৌধুৰীয়ে। সভাত আগন্তুক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী সুচাৰুৰূপে চলাই নিয়াৰ বাবে বাজেট নিৰ্দ্ধাৰণ, পুঁজি সংগ্ৰহ, অতিথিৰ আদৰ-আপ্যায়নকে ধৰি বিভিন্ন দিশ বিশদভাৱে আলোচনা কৰি পৰিকল্পনা প্ৰস্তুত কৰা হয়। সভাই কাৰ্যসূচী পৰিচালনাৰ ক্ষেত্ৰত মূল সমিতিক সহায় কৰাৰ বাবে আদৰণি, আপ্যায়ন আৰু সাংস্কৃতিক উপ-সমিতি গঠন কৰে। সভাত অধিৱেশনৰ লগত সংগতি ৰাখি প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থ সম্পৰ্কেও চমু আভাস দাঙি ধৰে বৰপেটা জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি ছাহেদ আলী আহমেদে। তেওঁ আগ্ৰহী লেখকসকলক স্মৃতিগ্ৰন্থত প্ৰকাশৰ বাবে ৫ নৱেম্বৰৰ ভিতৰত তেওঁলোকৰ লেখাসমূহ জমা দিবলৈ আহ্বান জনায়। সভাত অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি চক্ৰেশ্বৰ ডেকা, উপদেষ্টা আদিত্য লহকৰ, সদানন্দ শইকীয়া, খগেন্দ্ৰ নাথ ভূঞা, সদস্য অৰূপ কুমাৰ শৰ্মা, ধঞ্জিত ডেকা, চাণক্য ডেকা, অম্বিকা ডেকা আদিয়ে কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে কেতবোৰ পৰামৰ্শ আগবঢ়ায়। সভাত অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে।

■ জিলা আয়ুক্ত, খাদ্য-অসামৰিক যোগান বিভাগক অভিযোগ দাখিল ভুক্তভোগীৰ ■

নলবাৰীত ধান বিক্ৰী কেন্দ্ৰৰ ভাৰা আদায় নোপোৱাৰ অভিযোগ

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

নলবাৰী, ৩ নৱেম্বৰ ঃ 'ধান বিক্ৰী কেন্দ্ৰ'ৰ মাহিলি ভাৰা আদায় পোৱাৰ ক্ষেত্ৰত বেমেজালি সংঘটিত হোৱা বুলি গুৰুতৰ অভিযোগ উঠিছে। ভাৰা আদায়ৰ ক্ষেত্ৰত বিড়ম্বনা হোৱা এই ধান বিক্ৰী কেন্দ্ৰটো হ'ল— কাপলাবড়ী ধান বিক্ৰী কেন্দ্ৰ। এনে অভিযোগ জিলা আয়ুক্তৰ ওচৰ পাইছে। জানিব পৰা মতে, ৰাজ্যৰ আন জিলাৰ লগতে কৃষি চহকী জিলা নলবাৰীতো অসম খাদ্য আৰু অসামৰিক যোগান বিভাগৰ ৰাজ সাহায্যত কৃষকৰ ৬টা উৎপাদিত ধান বিক্ৰী কেন্দ্ৰৰ অনুমোদন দিয়া হয়। ইয়াৰে বৰক্ষেত্ৰী সমষ্টিৰ কাপলাবড়ী ধান বিক্ৰী আৰু ধান ভঁৰাল কেন্দ্ৰটো বিভাগীয়ভাৱে নিৰ্মাণৰ দায়িত্ব লাভ কৰে (পত্ৰ নং-এ এফ চি এছ চি এল ১০৪/২০২০/২১/২৯৪) নলবাৰীৰ 'মধুৰজ্যোতি নেচাৰেল উদ্যোগ' নামৰ ক্ষুদ্ৰ প্ৰতিষ্ঠানটোৱে। সেইমতে প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰী পংকজ বৰুৱাই জগত চন্দ্ৰ মেধি আৰু ব্ৰজেন বৰ্মন নামৰ দুগৰাকী ব্যক্তিৰ পৰা ১ বিঘা, ১২ লেচা মাটি কাপলাবড়ীত চুক্তিপত্ৰ সম্পাদন কৰি লীজত লয় আৰু পংকজ বৰুৱাই পিতৃ কান্দোৰাম বৰুৱাৰ নামত থকা মাটি বেংকত বন্ধকত দি ইণ্ডিয়ান অভাৰছিজ বেংক, নলবাৰী শাখাত ১৫ লাখ টকা ঋণ লৈ আৰু হাতৰ কিছু জমা ধন খৰচ কৰি ধান বিক্ৰী কেন্দ্ৰ-ভঁৰালটোৰ নিৰ্মাণ ২০২২ চনত সম্পূৰ্ণ কৰি তোলে। কেন্দ্ৰটো নিৰ্মাণৰ ক্ষেত্ৰত সহায়ক হোৱাৰ কথা ভাবি পাছত পংকজ বৰুৱাই মাটিৰ গৰাকী জগত চন্দ্ৰ মেধিসহ পাঁচগৰাকী সদস্যক অন্তৰ্ভুক্ত কৰে। ইয়াৰ পাছত চুক্তি মতে ২০২৩ চনৰ ১ ডিচেম্বৰত উক্ত কেন্দ্ৰটো আনুষ্ঠানিকভাৱে অসম খাদ্য আৰু অসামৰিক যোগান বিভাগক হস্তান্তৰ কৰা হয়। ইয়াৰ মাজতে ধান বিক্ৰী কেন্দ্ৰটো নিৰ্মাণৰ নামত পাবলগীয়া ৰাজসাহায্য আদায় পোৱা হৈছে যদিও একেৰাহে বহু মাহ ধৰি কেন্দ্ৰটোৰ মাহিলি ভাৰা চৰকাৰীভাৱে আদায় পোৱা নাই বুলি অভিযোগ উঠিছে। ইতিমধ্যে পংকজ বৰুৱাই নলবাৰী জিলা আয়ুক্ত আৰু অসম খাদ্য আৰু অসামৰিক যোগান বিভাগৰ উৰ্দ্ধতন কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰা অভিযোগ মতে— জগত চন্দ্ৰ মেধি নামৰ সদস্যগৰাকীয়ে অতি চতুৰালিৰে বেংক কৰ্তৃপক্ষক বিপথে পৰিচালিত কৰি মধুৰজ্যোতি নেচাৰেল উদ্যোগৰ নামত অসম গ্ৰামীণ বিকাশ বেংক, কাপলাবড়ী শাখাত একাউণ্ট খুলি উক্ত ধান বিক্ৰী কেন্দ্ৰৰ ভাৰা আদায় লোৱাৰ এক গভীৰ ষড়যন্ত্ৰ ৰচিছে। ১-১২-২০২৪লৈ কেন্দ্ৰটোৰ মাহিলি ভাৰা আদায় পোৱাৰ পাছত আজিলৈকে ভাৰা আদায় নোপোৱাত এতিয়া কেন্দ্ৰ পৰিচালকগৰাকীয়ে বেংকত ঋণৰ কিস্তি পৰিশোধ কৰাত সমস্যাই দেখা দিয়ে। কি কাৰণত আজিলৈকে ভাৰা আদায় পোৱা নাই, সেয়া এক ৰহস্যজনক বিষয় হৈ পৰিছে বুলি অভিযোগকাৰীয়ে আশংকা কৰিছে। ধান বিক্ৰী কেন্দ্ৰৰ ভাৰা আদায়ৰ ক্ষেত্ৰত জিলা আয়ুক্ত আৰু অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ কৰ্তৃপক্ষক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে।

ভাৰতৰ সপোন নিৰ্দ্ধাৰণ কৰিব যুৱ প্ৰজন্মই

সাংসদ দেৱাশিস শৰ্মাৰ মন্তব্য

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

নগাঁও, ৩ নৱেম্বৰ ঃ যুৱ প্ৰজন্ম কেৱল দেশৰ ভৱিষ্যৎ নহয়— বৰ্তমান ৰাষ্ট্ৰৰ এক শক্তিশালী সত্তা। যুৱসকলৰ অংশগ্ৰহণে সুযোগৰ সন্ধানৰ লগতে দায়িত্ববোধৰ অভিব্যক্তি দাঙি ধৰে। যুৱশক্তিয়ে সদায় শক্তিশালী, সদাজাগ্ৰত আৰু এক সুন্দৰ ভৱিষ্যতৰ বাবে সদাপ্ৰস্তুত থাকিব লাগিব। কালি 'মেৰা যুৱ ভাৰত কেন্দ্ৰ', নগাঁৱৰ উদ্যোগত বটদ্ৰৱা শ্ৰীশ্ৰীশংকৰদেৱ মহাবিদ্যালয়ৰ ব্যৱস্থাপনাত বহুমুখী গ্ৰাম্য বিকাশ পৰিষদৰ সহযোগত বটদ্ৰৱা শ্ৰীশ্ৰীশংকৰদেৱ মহাবিদ্যালয়ত অনুষ্ঠিত 'বিকশিত ভাৰত যুৱ সংবাদ— নিজৰ ভোটৰ বিষয়ে জ্ঞান' কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকি এই মন্তব্য আগবঢ়ায়। তেওঁ লগতে উল্লেখ কৰে যে ভাৰতৰ সপোন নিৰ্দ্ধাৰণ কৰিব যুৱ প্ৰজন্মই। আৱেগেৰে নহয়, বিবেকেৰে ভোটদান কৰিব লাগিব। তেতিয়াহে এক শক্তিশালী গণতন্ত্ৰ প্ৰতিষ্ঠা হ'ব। বটদ্ৰৱা শ্ৰীশ্ৰীশংকৰদেৱ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি, অৱসৰপ্ৰাপ্ত অধ্যাপক সুজিত কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যসূচীত তিনি শতাধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত শ্ৰীশ্ৰীশলগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্ত, সত্ৰীয়া সংস্কৃতিৰ সাধক ৰঞ্জিৎ মহন্ত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। বটদ্ৰৱা শ্ৰীশ্ৰীশংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষা ডঃ নমিতা কলিতাই আদৰণী ভাষণ প্ৰদান কৰে।

মীন মহাবিদ্যালয়ত নৱাগত আদৰণী সভা ■ ব্যায়ামাগাৰৰ বাবে বিধায়কৰ ১০ লাখ

থলুৱা মাছৰ সংৰক্ষণ-উৎপাদনত গুৰুত্ব



দৈনিক অসমৰ প্ৰতিনিধি

ৰহা, ৩ নৱেম্বৰ ঃ ৰহা মীন মহাবিদ্যালয়ত কালি অনুষ্ঠিত হয় ৩৯ সংখ্যক নৱাগত আদৰণী সভা। সভাত অংশগ্ৰহণ কৰি মন্ত্ৰী নীলিমা দেৱীয়ে মহাবিদ্যালয়ৰ সামগ্ৰিক পৰিৱেশ দেখি আপ্লুত হৈ পৰা বুলি মন্তব্য কৰে। সভাত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে মীন বিভাগৰ বিভিন্ন উন্নয়নমূলক পৰিকল্পনা হাতত লোৱা বুলি জানিবলৈ দিয়াৰ লগতে বিল-জলাশয়ত থলুৱা মাছৰ সংৰক্ষণ আৰু উৎপাদন বৃদ্ধিৰ বাবে পৰিকল্পনাৰ বিষয়ে জানিবলৈ দিয়ে আৰু মীন আইন সম্পৰ্কত অধিক কঠোৰ হ'ব বুলি কয়। ইয়াৰ আগেয়ে মন্ত্ৰীগৰাকীয়ে মীন মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'দেৱালিকা' আৰু বাৰ্ষিক আলোচনী 'পিচিনা' উন্মোচন কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসম পশু আৰু মীন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ নিৰঞ্জন কলিতা, ৰহাৰ বিধায়ক শশীকান্ত দাস আৰু অসম চৰকাৰৰ মীন বিভাগৰ সঞ্চালক গৌড়ীশংকৰ দাস, মহাবিদ্যালয়ৰ ডীন প্ৰদীপ চন্দ্ৰ ভূঞা উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানতে ৰহাৰ বিধায়ক শশীকান্ত দাসে মহাবিদ্যালয়খনত অভাৱ হৈ থকা এটা ব্যায়ামাগাৰ নিৰ্মাণৰ বাবে তেওঁৰ বিধায়ক পুঁজিৰ পৰা ১০ লাখ টকাৰ অনুদান দিয়াৰ কথা ঘোষণা কৰে।



চাপৰত দিব্যাংগলৈ সহায়ক সামগ্ৰী বিতৰণ

দৈনিক অসমৰ প্ৰতিনিধি

চাপৰ, ৩ নৱেম্বৰ ঃ বিলাসীপাৰা বিধানসভা সমষ্টিৰ বিধায়ক জীৱেশ ৰায়ে কালি সমষ্টিটোৰ অন্তৰ্গত চাপৰ-শালকোচা সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পৰ উদ্যোগত আয়োজিত অনুষ্ঠানত ২২১গৰাকী দিব্যাংগ হিতাধিকাৰীৰ মাজত বিভিন্ন ধৰণৰ সহায়ক সঁজুলি বিতৰণ কৰে। এই অনুষ্ঠানত উপস্থিত থাকি আৰু সহায়ক সামগ্ৰীসমূহ বিতৰণ কৰি বিধায়ক জীৱেশ ৰায়ে কয় যে এই পদক্ষেপৰ জৰিয়তে বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ দৈনন্দিন জীৱন অধিক সহজ, স্বাচ্ছন্দ্যপূৰ্ণ আৰু স্বাৱলম্বী কৰি তোলাৰ প্ৰয়াস কৰা হৈছে। অসম চৰকাৰৰ এনেবোৰ অভিলাষী আঁচনিয়ে সমাজৰ অন্য শ্ৰেণীৰ ৰাইজৰ লগতে বিশেষভাৱে সক্ষম লোকসকলো সমান্তৰালভাৱে আগবাঢ়ি যোৱাত সহায় হ'ব। উক্ত অনুষ্ঠানত উপস্থিত থাকে চাপৰ-শালকোচাৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া শৰ্মিষ্ঠা দে, সমাজকৰ্মী জয়ন্ত নাথ, শিশু উন্নয়ন প্ৰকল্পৰ সমূহ বিষয়ববীয়াসকল আৰু হিতাধিকাৰীসকল।

টিহুত 'ভূপেন্দ্ৰ সংগীত' প্ৰতিযোগিতা

দৈনিক অসমৰ প্ৰতিনিধি

টিহু, ৩ নৱেম্বৰ ঃ টিহুৰ প্ৰেৰণা আৰু সহযোগ গোষ্ঠীৰ উদ্যোগত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ গীতৰ মাজেৰে নতুন প্ৰজন্মৰ মাজত মানৱতা, সম্প্ৰীতি আৰু অসমীয়া সংস্কৃতিৰ চৰ্চা অব্যাহত ৰখাৰ লক্ষ্যৰে ৫ নৱেম্বৰত ডঃ ভূপেন হাজৰিকাৰ পঞ্চদশ মৃত্যুবাৰ্ষিকী উপলক্ষে এখন স্কুলভিত্তিক আমন্ত্ৰণমূলক 'ভূপেন্দ্ৰ সংগীত' প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। টিহুৰ কালী মন্দিৰৰ চোতালত হ'বলগীয়া প্ৰতিযোগিতাখনৰ বাবে নিৰ্বাচিত গীতসমূহৰ ভিতৰত আছে— 'মানুহে মানুহৰ বাবে', 'বুকু হম হম কৰে', 'অ' মোৰ ধৰিত্ৰী আই', 'কঁহুৱা বন মোৰ অশান্ত মন', 'অসম আমাৰ ৰূপহী', 'কত জোৱানৰ মৃত্যু হ'ল', 'মই এটি যাযাবৰ', 'সাগৰ সংগমত', 'হে হে ঢোলে-দগৰে', 'মোৰ গান হওক বহু আশাহীনতাৰ', 'মোৰ গীতৰ হেজাৰ শ্ৰোতা', 'আকাশীগংগা বিচৰা নাই', 'জিকমিক দেৱালীৰ বন্তি জ্বলে', 'চিৰযুগমীয়া ঢৌ তুলি' আৰু 'শাৰদী ৰাণী তোমাৰ হেনো নাম'। প্ৰতিযোগিতাখনৰ ভৰ্তি মাচুল ২০০ টকা। প্ৰতিযোগিতাৰ দিনা পুৱা ৯.৩০ বজাৰ পৰা পঞ্জীয়নৰ ব্যৱস্থা থাকিব। প্ৰতিযোগিতাখনত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা প্ৰতিযোগীক ক্ৰমে ৪,০০১, ৩,০০১ আৰু ২,০০১ টকাৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব। তদুপৰি 'প্ৰেৰণা বঁটা' হিচাপে ১,০০১ টকা আগবঢ়োৱা হ'ব। প্ৰতিগৰাকী প্ৰতিযোগীক ডঃ ভূপেন হাজৰিকা বিষয়ক একোখন কিতাপ আৰু মানপত্ৰ প্ৰদান কৰা হ'ব।

ভাৰত বিকাশ পৰিষদৰ বীৰঝৰা শাখাৰ ৰাষ্ট্ৰীয় বৃন্দগান প্ৰতিযোগিতা



দৈনিক অসমৰ প্ৰতিনিধি

চিৰাং, ৩ নৱেম্বৰ ঃ ভাৰত বিকাশ পৰিষদৰ বীৰঝৰা শাখাৰ উদ্যোগত ১ নৱেম্বৰত ৰাষ্ট্ৰীয় বৃন্দগান প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। বঙাইগাঁৱৰ বীৰঝৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এই প্ৰতিযোগিতা হিন্দী, সংস্কৃত আৰু আঞ্চলিক লোকগীত এই তিনিটা শাখাত অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ এই তিনিওটা শাখাতে চিৰাং জিলাৰ ঢালিগাঁৱৰ বঙাইগাঁও ৰিফাইনেৰী হায়াৰ ছেকেণ্ডাৰী স্কুল চমুকৈ বি জি আৰ এইচ এছ স্কুলে প্ৰথম স্থান দখল কৰি কৃতিত্ব অৰ্জন কৰে। লগতে বিদ্যালয়খনে সামগ্ৰিকভাৱে শ্ৰেষ্ঠ পাৰদৰ্শিতাৰ সন্মান লাভ কৰে। বিদ্যালয়খনৰ সংগীত শিক্ষক অম্লানজ্যোতি শৰ্মাৰ পৰিচালনাত শিক্ষাৰ্থী জুৰি দাস, আৰহিদা পাৰবিন, ৰুবিনা পাৰবিন, সোহিনী দাস, নিবেদিতা বৰ্মন, বন্দিতা বৰ্মন, অনিন্দিতা ৰয় আৰু অংকিতা সাহাই ৰাষ্ট্ৰীয় বৃন্দ গান প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

মৰোৱাত কৰুণা বৈশ্যৰ স্মৃতিচাৰণ সভা

দৈনিক অসমৰ প্ৰতিনিধি

বৰভাগ, ৩ নৱেম্বৰ ঃ নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত মৰোৱা গাঁৱৰ সদ্যপ্ৰয়াত বিশিষ্ট সমাজকৰ্মী কৰুণা বৈশ্যৰ স্মৃতিচাৰণ সভা এখন ১ নৱেম্বৰত অনুষ্ঠিত হৈ যায়। গ্ৰামীণ বিকাশ সংস্থা, বৰভাগৰ উদ্যোগত আৰু ল'টাছ প্ৰ'গ্ৰেছিভ চেণ্টাৰ, মৰোৱা তথা পৰিয়ালবৰ্গৰ সহযোগত অনুষ্ঠিত স্মৃতিচাৰণ সভাত তেওঁৰ জীৱন আৰু কৰ্মৰাজিৰ বিষয়ে বিভিন্নজনে আলোকপাত কৰে। কৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক কনৌজ বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত নলবাৰী জিলা পৰিষদৰ সভানেত্ৰী গীতুমণি বৈশ্য, মেঘালয়ৰ লাঙাম প্ৰেছবিটেৰিয়ান হায়াৰ ছেকেণ্ডাৰী স্কুল, মাউথেংকুটৰ অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল আজিজ আহমেদ, মিলন হাইস্কুল, আৰিকুছিৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰফুল্ল চক্ৰৱৰ্তী, মাধাপুৰ প্ৰাথমিক বিদ্যাপীঠৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক উপেন্দ্ৰ নাথ শৰ্মা, নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰশান্ত নাৰায়ণ চৌধুৰী, কৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক অখিল চন্দ্ৰ দেৱশৰ্মা, সমাজসেৱী বিনোদ চন্দ্ৰ বৰুৱা, ৰাতুল বৈশ্য, কন্দৰ্প বৈশ্য আদিয়ে প্ৰয়াত কৰুণা বৈশ্যৰ স্মৃতি ৰোমন্থন কৰে। গ্ৰামীণ বিকাশ সংস্থাৰ সচিব তথা ছাত্ৰনেতা ফণীধৰ বৰুৱাই আঁত ধৰা আৰু ল'টাছ প্ৰ'গ্ৰেছিভ চেণ্টাৰৰ সম্পাদক তপন বৈশ্যই উদ্দেশ্য ব্যাখ্যা কৰা সভাৰ আৰম্ভণিতে প্ৰয়াত কৰুণা বৈশ্যৰ প্ৰতিচ্ছবিৰ সন্মুখত সহধৰ্মিণী দীপালী বৈশ্যৰ লগতে পৰিয়ালবৰ্গ, কটপুহাৰ গাঁওপ্ৰধান কমল ডেকা, সমাজহিতৈষী পৰেশ বেজবৰুৱা, জিতেন বৈশ্য, অনুপ কুমাৰ বৈশ্য আৰু শুভাকাংক্ষীসকলে শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। স্মৃতিচাৰণ সভাত ৫৭৮ সংখ্যক শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উদ্‌যাপন সমিতি আৰু মৰোৱা গাঁও উন্নয়ন সমিতি তথা শ্ৰীমন্ত শংকৰদেৱৰ নামঘৰ পৰিচালনা সমিতিয়ে শোকপ্ৰস্তাৱ পত্ৰ পৰিয়ালবৰ্গৰ হাতত অৰ্পণ কৰে।

ৰণথলীলৈ বাৰপূজীয়া ব্লক পি এইচ চি প্ৰশাসনিক বিভাগ

স্থানীয় ৰাইজৰ তীব্ৰ বিৰোধিতা

দৈনিক অসমৰ প্ৰতিনিধি

বাৰপূজীয়া, ৩ নৱেম্বৰ ঃ বাৰপূজীয়া ব্লক পি এইচ চিখনৰ প্ৰশাসনিক বিভাগটো সুদূৰ ৰণথলীলৈ উঠাই নিয়া সম্পৰ্কত কালি স্থানীয় ৰাইজে নগাঁও জিলাৰ আয়ুক্তক লিখিতভাৱে অৱগত কৰে। উল্লেখ্য যে এই বাৰপূজীয়া ব্লক পি এইচ চিখনৰ প্ৰশাসনিক বিভাগটোৰ পৰা Death & Registration unit, Leprosy, B.P.M unit, Laboratory, Malaria, Medical unitসহ কেইবাটাও বিভাগ ৰণথলী চিকিৎসালয়লৈ স্থানান্তৰ কৰাৰ এক নিৰ্দেশ দিয়া বুলি জানিব পৰা গৈছে। উল্লেখ্য যে এই চিকিৎসালয়খনৰ পৰা এই গুৰুত্বপূৰ্ণ বিভাগকেইটা উঠাই নিলে, বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণ তীব্ৰ অসুবিধাৰ সন্মুখীন হ'ব লাগিব। সেয়েহে অঞ্চলটোৰ স্থানীয় জনসাধাৰণে বাৰপূজীয়া ব্লক পি এইচ চি প্ৰশাসনিক বিভাগটো ৰণথলীলৈ স্থানান্তৰ নকৰি বাৰপূজীয়াতে ৰাখিবলৈ জিলা আয়ুক্তক অনুৰোধ জনাইছে। তদুপৰি সুদূৰ লাওপানী ৰাজ্যিক চিকিৎসালয়, পুঠিমাৰী চিকিৎসা কেন্দ্ৰ, জুকুতা চিকিৎসা কেন্দ্ৰ, গুইমাৰি চিকিৎসা কেন্দ্ৰসহ আন বহুকেইটা চিকিৎসা কেন্দ্ৰ এই বাৰপূজীয়া ব্লক পি এইচ চিৰ অধীনত আছে। যদি জিলা আয়ুক্ত, জিলা চিকিৎসা বিভাগৰ যুটীয়া সঞ্চালকে এই বিষয়ে কোনো ধৰণৰ ইতিবাচক পদক্ষেপ নলয়, তেনেহ'লে স্থানীয় জনসাধাৰণে আন্দোলন আৰু প্ৰতিবাদী কাৰ্যসূচী হাতত ল'বলৈ বাধ্য হ'ব বুলি জনাইছে।

পূব টংলা আঞ্চলিক শ্ৰীশ্ৰীকৃষ্ণ ৰাস উৎসৱৰ কাৰ্যালয় মুকলি

দৈনিক অসমৰ প্ৰতিনিধি

টংলা, ৩ নৱেম্বৰ ঃ ওদালগুৰি জিলাৰ পূব টংলা আঞ্চলিক শ্ৰীশ্ৰীকৃষ্ণ ৰাস উৎসৱ বিশেষ কাৰ্যসূচীৰে পালন কৰা হ'ব। নৈসৰ্গিক পৰিৱেশৰ মাজত প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰ, পলাহগড়ত ৰাইজে উপভোগ কৰিব পাৰিব প্ৰাকৃতিক দুৰ্যোগৰ আধাৰত ভিন্ন পৰিস্থিতিৰ দৃশ্যাৱলী। পূব টংলা আঞ্চলিক ৰাস উৎসৱৰ অস্থায়ী কাৰ্যালয় আৰু ৰচিদ বুক উন্মোচনী অনুষ্ঠানত উপস্থিত থাকি কালি এই কথা প্ৰকাশ কৰে বিশিষ্ট নাট্যযোদ্ধা পৱিত্ৰ ৰাভাই। অহা ২৪ নৱেম্বৰৰ পৰা ৪ ডিচেম্বৰলৈ এইবেলি এঘাৰদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব তৃতীয় বাৰ্ষিক ৰাস উৎসৱ। কালি বি টি চিৰ খালিংদুৱাৰ সমষ্টিৰ টি চি এল চি চিৰ অধ্যক্ষ ৰঞ্জিৎ বড়োৱে ৰাস উৎসৱৰ অস্থায়ী কাৰ্যালয় উদ্বোধন কৰাৰ পাছতে ৰচিদ বহী উন্মোচন কৰে বনগাঁও ভি চি ডি চিৰ চেয়াৰমেন হৰেশ্বৰ ডেকাই। ৰাস উৎসৱৰ স্থায়ী সমিতিৰ সভাপতি ডিম্বেশ্বৰ ডেকা, উদ্‌যাপন সমিতিৰ সভাপতি উপেন্দ্ৰ নাথ ডেকা, সম্পাদক মুকুট ডেকা, পূব টংলা আঞ্চলিক সাংস্কৃতিক যুৱ মঞ্চ, পলাহগড় আঞ্চলিক সাৰ্বজনীন দুৰ্গা পূজা সমিতি, পলাহগড় ব্যৱসায়ী সন্থাৰ লগতে ৰাস উৎসৱ উদ্‌যাপন সমিতিৰ বিষয়ববীয়া এই অনুষ্ঠানত উপস্থিত থাকে।

নালন্দাৰ ৰাষ্ট্ৰীয় শিশু সমাৰোহত উজলিল অসমৰ ১১ শিশু



দৈনিক অসমৰ প্ৰতিনিধি

ৰঙাপৰা, ৩ নৱেম্বৰ ঃ বিহাৰৰ ঐতিহাসিক নালন্দাৰ পাৱাপুৰীত অনুষ্ঠিত ৰাষ্ট্ৰীয় শিশু সমাৰোহত অংশগ্ৰহণ কৰি অসমৰ ১১গৰাকী শিশুৱে ৰাজ্যখনৰ সাংস্কৃতিক ঐতিহ্য আৰু স্বকীয় পৰিচয় দেশৰ বিভিন্ন প্ৰান্তৰ শিশুৰ মাজত উজলাই তুলিবলৈ সক্ষম হৈছে। যোৱা ২৫ অক্টোবৰৰ পৰা ৩০ অক্টোবৰলৈ ৬দিনীয়াকৈ অনুষ্ঠিত এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিশু সমাৰোহত অসমক প্ৰতিনিধিত্ব কৰা দলটিয়ে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে নিজৰ প্ৰতিভা আৰু সৃষ্টিশীলতাৰ পৰিচয় দাঙি ধৰি আয়োজক তথা উপস্থিত লোকসকলৰ সমাদৰ লাভ কৰে। ৰাষ্ট্ৰীয় যুৱ যোজনাৰ উদ্যোগত নালন্দাৰ মাডাৰ টেৰেছা স্কুল আৰু সৰস্বতী বিদ্যা মন্দিৰৰ সহযোগত আয়োজন কৰা এই সমাৰোহত অসমৰ উপৰি কেৰালাম, পশ্চিমবংগ, ওড়িশা, ঝাৰখণ্ড, দিল্লী, মধ্যপ্ৰদেশকে ধৰি দেশৰ বিভিন্ন ৰাজ্যৰ শিশুৱে অংশগ্ৰহণ কৰে। ৰঙাপৰা মহাবিদ্যালয় (স্বায়ত্তশাসিত), বালিপৰা শংকৰদেৱ শিশু নিকেতন, বালিপৰা চেন্ট জন স্কুল আৰু চতিয়াৰ মুঠ ১১গৰাকী শিশুক লৈ গঠিত অসমৰ দলটিক নেতৃত্ব দিয়ে ৰঙাপৰা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিষয়া ডঃ অশ্বিনী কুমাৰ ডেকা, বালিপৰা শংকৰদেৱ শিশু নিকেতনৰ আচাৰ্য সন্ধ্যাশ্ৰী দাস আৰু ত্ৰিদীপ দাসে। অসমৰ দলটোত ৰঙাপৰা মহাবিদ্যালয়ৰ বিদিশা দাস আৰু বৰষা কোচৰ লগতে বালিপৰা শংকৰদেৱ শিশু নিকেতনৰ কহিমা মেধি, শৰ্মিষ্ঠা দাস, অনিৰ্বাণ কোচ, পুলক শইকীয়া, জ্যোতি দাস আৰু মঞ্জিল কাশ্যপ, বালিপৰা ছেইণ্ট জন স্কুলৰ জয়িতা দাস আৰু চতিয়াৰ তন্ময় হাজৰিকা তথা কীৰ্তিৰাজ হাজৰিকাই অংশগ্ৰহণ কৰে। ছদিনীয়া এই শিবিৰত দৈনিক পুৱা যোগাভ্যাস, শ্ৰমদান, ভাষা শিক্ষণ, সাংস্কৃতিক আদান-প্ৰদান, হস্তকলা আৰু চিত্ৰাংকনকে ধৰি বিভিন্ন শিক্ষামূলক তথা সৃষ্টিশীল কাৰ্যসূচী অনুষ্ঠিত হয়। এনে কাৰ্যসূচীৰ জৰিয়তে শিশুসকলৰ মাজত ৰাষ্ট্ৰীয় সংহতি, ভাতৃত্ববোধ, পাৰস্পৰিক সহযোগিতা আৰু সাংস্কৃতিক সম্প্ৰীতিৰ ভাব অধিক সুদৃঢ় কৰাৰ প্ৰয়াস কৰা হয়। উল্লেখ্য যে ৰাষ্ট্ৰীয় যুৱ যোজনাৰ প্ৰতিষ্ঠাপক এছ এন চুব্বা ৰাওৰ পঞ্চম মৃত্যুবাৰ্ষিকী (২৭ অক্টোবৰ)ৰ সৈতে সংগতি ৰাখি এই বিশেষ শিবিৰৰ আয়োজন কৰা হৈছিল। সমাৰোহৰ অন্যতম আকৰ্ষণীয় কাৰ্যসূচী 'ভাৰত কি সন্তান'ত অংশগ্ৰহণ কৰি ৰঙাপৰা মহাবিদ্যালয়ৰ ছাত্ৰী বিদিশা দাস আৰু বৰষা কোচে একোখনকৈ বিশেষ প্ৰশংসাপত্ৰ লাভ কৰিবলৈ সক্ষম হয়। তদুপৰি সমাৰোহত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী শিশুক অংশগ্ৰহণৰ প্ৰমাণপত্ৰৰ লগতে স্মাৰক হিচাপে একোটিকৈ বুদ্ধৰ মূৰ্তি প্ৰদান কৰা হয়। সমাৰোহৰ সময়ছোৱাত অসমৰ প্ৰতিনিধি দলটিয়ে আয়োজকসকলৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক গঢ়ি তোলাৰ লগতে অসমৰ স্বাভিমান আৰু জাতীয় পৰিচয়ৰ প্ৰতীক গামোচাৰে অতিথি তথা আয়োজকসকলক সন্মান জনায়। ৰাষ্ট্ৰীয় যুৱ যোজনাৰ কালাইল সুকুমাৰণ, হবি বিশ্বাস, সাধুসূদন দাস, ৰোহিত কুমাৰ, নিৰজ কুমাৰ, মাডাৰ টেৰেছা স্কুল আৰু সৰস্বতী বিদ্যা মন্দিৰৰ কৰ্তৃপক্ষৰ লগতে সমাৰোহত উপস্থিত থকা অভ্যাগতসকলক অসমৰ গামোচাৰে সম্বৰ্দ্ধনা জনোৱা হয়। অসমৰ এই পৰম্পৰাগত আতিথ্য আৰু সাংস্কৃতিক পৰিচয়ৰ নিদৰ্শনক উপস্থিত সকলোৱে প্ৰশংসা কৰে।

অনিৰ্দিষ্ট কালৰ প্ৰতিবাদৰ নামত স্থান দখল কৰা উচিত নহয়

জ্ঞানেশবিৰোধী বিক্ষোভৰ মাজতে বৃহৎ বাৰ্তা ন্যায়ালয়ৰ



নতুন দিল্লী, ৩ নৱেম্বৰ ঃ প্ৰতিবাদৰ নামত অনিৰ্দিষ্ট কালৰ বাবে স্থান দখল কৰি ৰাখিব নোৱাৰিব। আজি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে চলা একাধিক বিক্ষোভ সম্পৰ্কীয় গোচৰত এই ৰায় দিয়ে উচ্চতম ন্যায়ালয়ে। ইয়াৰ লগতে ন্যায়ালয়ে জনাই দিয়ে যে নিৰ্দ্ধাৰিত স্থানসমূহত কাৰ্যসূচী ৰূপায়ণৰ এটা নিৰ্দিষ্ট সময়সীমা থকা উচিত। জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে একাধিক অনিয়মৰ অভিযোগ উত্থাপন কৰি তেওঁৰ পদত্যাগৰ দাবীত দিল্লীৰ ৰাজপথত নামিছে বিৰোধী দলসমূহৰ লগতে বিভিন্ন সংগঠন। ভোটাৰ তালিকাৰ বিশেষ সংশোধন (এছ আই আৰ)ত নিৰ্বাচন আয়োগৰ ভূমিকাক লৈও প্ৰশ্ন উত্থাপন কৰিছে তেওঁলোকে। যোৱামাহত দিল্লীৰ যন্তৰ-মন্তৰত বিক্ষোভ কাৰ্যসূচী গ্ৰহণ কৰে ককৰোচ জনতা পাৰ্টীয়ে। ইয়াৰ পাছত যোৱা দেওবাৰে ৰামলীলা ময়দানত সমাৰেশ কৰে বিৰোধী জোঁট 'ইণ্ডিয়া'ই। ধাৰাবাহিক বিক্ষোভ-প্ৰতিবাদৰ বাবে ক্ষোভ প্ৰকাশ কৰিছে দিল্লীৰ ব্যৱসায়ীসকলে। তেওঁলোকৰ দাবী— উৎসৱৰ বতৰত বিক্ষোভৰ ফলত কোটি কোটি টকাৰ ক্ষতি হৈছে। আজি শীৰ্ষ আদালতত এই প্ৰসংগও আলোচনালৈ আহে। শুনানিৰ সময়ত মুখ্য ন্যায়াধীশ সূৰ্যকান্তে কয়— আপোনালোকে চিৰদিনৰ বাবে কোনো ঠাই দখল কৰি ৰাখিব নোৱাৰিব; আৰু অন্য প্ৰতিবাদকাৰীও আছে। তেনেহ'লে কৃষকসকল আৰু আইনজীৱীসকল ক'লৈ যাব? প্ৰতিবাদ কৰাৰ অধিকাৰ সকলোৰে আছে। উল্লেখ্য যে উৎসৱৰ বতৰত প্ৰতিবাদী কাৰ্যসূচী বন্ধ কৰাৰ আবেদন জনাই ব্যৱসায়ী সংগঠনসমূহে দাখিল কৰা এখন আবেদনৰ পৰিপ্ৰেক্ষিতত তেওঁ কেন্দ্ৰীয় চৰকাৰকো প্ৰত্যুত্তৰ দিবলৈ জাননী দিছে। আনহাতে, কেন্দ্ৰৰ ছ'লিছিটৰ জেনেৰেল তুষাৰ মেহতাই কয় যে যোৱা ২০ জুলাইৰ বিক্ষোভৰ অনুমতি কেৱল এদিনৰ বাবে দিয়া হৈছিল। কিন্তু বিক্ষোভকাৰীসকলে সেই স্থান দখল কৰি লয় আৰু আনকি সংসদৰ ফালে সমদলো উলিয়ায়।



ত্ৰিপুৰাৰ সীমান্তৰে চোৰাং সামগ্ৰী সৰবৰাহ
বি এছ এফক আক্ৰমণ কৰা ৯জনক গ্ৰেপ্তাৰ

ত্ৰিপুৰা, ৩ নৱেম্বৰ ঃ ত্ৰিপুৰাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী আশাবাৰী গাঁৱত সোমবাৰে সীমান্ত নিৰাপত্তা বাহিনীৰ এজন কমাণ্ডাৰক আক্ৰমণ কৰা ঘটনাৰ সৈতে জড়িত থকা ৯জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। স্থানীয় আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি উক্ত কোম্পানী কমাণ্ডাৰজনৰ নেতৃত্বত বি এছ এফৰ এটা দল সেই সময়ত নিয়মীয়া তালাচীৰ বাবে গাঁওখনত উপস্থিত হৈছিল। সেই সময়তে একাংশ লোকে সীমান্তৰে কোনো সামগ্ৰী চোৰাংভাৱে সৰবৰাহ কৰা চকুত পৰে টহলদাৰী দলটোৰ। তেওঁলোকে এই সামগ্ৰীসমূহ জব্দ কৰিবলৈ ধৰাৰ সময়তে গাঁওখনৰ একাংশ বাসিন্দাই তেওঁলোকক আক্ৰমণ কৰে। লাঠী, জোং আদিৰে কৰা এই আক্ৰমণত বি এছ এফৰ কমাণ্ডাৰজন গুৰুতৰভাৱে আহত হয়। ইয়াৰ পাছতে স্থানীয় আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে গুৰুতৰভাৱে আহত জোৱানজনক স্থানীয় এখন চিকিৎসালয়ত ভৰ্তি কৰায়। ইফালে, এনেদৰে লাঠী-জোঙেৰে বি এছ এফৰ টহলদাৰী দলটোৰ ওপৰত আক্ৰমণ চলোৱা ৯জন লোকক ইতিমধ্যে আটক কৰা হৈছে। আটকাধীন লোকসকলৰ মাজত আছে তিনিগৰাকী মহিলাও। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি তেওঁলোকে সীমান্তৰে অবৈধ ভাং সৰবৰাহ কৰিছিল।


প | ল | ক | তে



এভাৰেষ্টত মুখামুখি সংঘৰ্ষ দুখন হেলিকপ্টাৰৰ

কাঠমাণ্ডু ঃ নেপালৰ ৰাজধানী কাঠমাণ্ডুৰ পৰা ২৫০ কিলোমিটাৰ দূৰত অৱস্থিত খোলুখুম্বুত বৰফেৰে আবৃত এটা অঞ্চলত অৱতৰণৰ সময়ত দুখন হেলিকপ্টাৰৰ সংঘৰ্ষ হোৱাত দুয়োখন ভাগি চূৰ্ণ-বিচূৰ্ণ হয়। প্ৰায় একে স্থানতে অৱতৰণ কৰিবলৈ চেষ্টা কৰোঁতেই এই ঘটনাটো ঘটে। দুৰ্ঘটনাটোত এজন লোকৰ মৃত্যু হোৱাৰ লগতে তিনিজন বিদেশী নাগৰিক গুৰুতৰভাৱে আহত হয়। উল্লেখ্য যে পাৰ্বত্য নেপালৰ বিভিন্ন অঞ্চলত পৰ্যটকসকলক পৰিভ্ৰমণৰ বাবে এনেধৰণৰ সৰু হেলিকপ্টাৰ ব্যৱহাৰ কৰা হয়।

অভিনেত্ৰী দিয়া মিৰ্জাৰ পক্ষত ন্যায়ালয়



মুম্বাই ঃ পৰিৱেশ ৰক্ষাৰ বাৰ্তা দিবলৈ গৈ ৰাজনৈতিক বিতৰ্কৰ সন্মুখীন হৈছিল বলীউডৰ অভিনেত্ৰী দিয়া মিৰ্জা। দীপাৱলী আৰু কালী পূজাত আতছবাজীৰ বিৰোধিতা কৰি সচেতনতা প্ৰচাৰত অংশগ্ৰহণ কৰাৰ বাবে তেওঁক হিন্দুবিৰোধী বুলি আক্ৰমণ কৰিছিল বিজেপিৰ কেইজনমান নেতাই। সেই ঘটনাত অসন্তোষ প্ৰকাশ কৰিছে মুম্বাই উচ্চ ন্যায়ালয়ে। অভিনেত্ৰীগৰাকীৰ পক্ষত থিয় দি ন্যায়ালয়ে সোঁৱৰাই দিয়ে যে ভাৰত এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ। পৰিৱেশ আৰু জনস্বাস্থ্যৰ দৰে বিষয়ক কোনো ধৰ্মীয় দৃষ্টিভংগীৰে বিচাৰ কৰা উচিত নহয় বুলি ন্যায়ালয়ে ৰায় দিয়ে।

উত্তৰাখণ্ডৰ পাহাৰত দুই পৰ্বতাৰোহীৰ মৃতদেহ উদ্ধাৰ

ৰায়পুৰ ঃ উত্তৰাখণ্ডৰ কেদাৰতাল অঞ্চলত পৰ্বতাৰোহণলৈ গৈ তুষাৰপাতত সন্ধানহীন হৈছিল আঠজন পৰ্বতাৰোহী। বিগত পাঁচ দিন ধৰি তেওঁলোকৰ সন্ধানত দুৰ্গম পাহাৰীয়া অঞ্চলত হেলিকপ্টাৰেৰে অনুসন্ধান চলাইছিল উত্তৰাখণ্ড প্ৰশাসনে। আজি দুই পৰ্বতাৰোহীৰ মৃতদেহ উদ্ধাৰ কৰা হয়। ইয়াৰে এগৰাকী মহিলা আৰু আনজন পুৰুষ বুলি জনোৱা হৈছে। কাইলৈ পুৱাৰ পৰা পুনৰ উদ্ধাৰ অভিযান আৰম্ভ কৰা হ'ব।



ইউৰোপৰ একাধিক দেশৰ ছুপাৰ মাৰ্কেটত চাইবাৰ আক্ৰমণ

ফ্ৰীজৰ উষ্ণতা বৃদ্ধি কৰি ভয়ংকৰ কাণ্ড ঃ কোটি কোটি টকাৰ খাদ্য-সামগ্ৰী নষ্ট



ব্ৰুছেল্‌ছ, ৩ নৱেম্বৰ ঃ ইউৰোপৰ কেইবাখনো দেশৰ ছুপাৰ মাৰ্কেটৰ ফ্ৰীজত দুষ্কৃতিকাৰীয়ে সংঘটিত কৰে চাইবাৰ আক্ৰমণ। হেকাৰে ছুপাৰ মাৰ্কেটসমূহৰ ফ্ৰীজ আৰু খাদ্য-সামগ্ৰী শীতল কৰি ৰখা আন যন্ত্ৰসমূহৰ উষ্ণতা বৃদ্ধি কৰি দিয়াৰ ফলত এই দেশসমূহত কোটি কোটি টকাৰ খাদ্য-সামগ্ৰী নষ্ট হৈছে। প্ৰাপ্ত তথ্য অনুসৰি ২ নৱেম্বৰত বেলজিয়াম, এষ্টোনিয়া, ফিনলেণ্ড, এয়াৰলেণ্ড, ছুইডেন, ইটালী, লাক্সেমবাৰ্গ, নেদাৰলেণ্ডছ আৰু পৰ্তুগালকে ধৰি কমেও ৯খন ইউৰোপীয় দেশৰ ছুপাৰ মাৰ্কেটত এই চাইবাৰ আক্ৰমণৰ ঘটনা সংঘটিত হয়। হেকাৰে এই ছুপাৰ মাৰ্কেটসমূহৰ ফ্ৰীজ আৰু ফ্ৰীজাৰৰ নিয়ন্ত্ৰণ ব্যৱস্থাত প্ৰৱেশ কৰি ইয়াৰ উষ্ণতা অস্বাভাৱিকভাৱে বৃদ্ধি কৰি দিয়ে। যাৰ বাবে এনে ফ্ৰীজসমূহত শীতল কৰি ৰখা খাদ্য-সামগ্ৰীসমূহ পলকৰ ভিতৰতে নষ্ট হৈ পৰে। ইউৰোপৰ সংবাদ মাধ্যমে প্ৰকাশ কৰা বাতৰি অনুসৰি ছুইডেনৰ কেইবাখনো ছুপাৰ মাৰ্কেটৰ ফ্ৰীজাৰৰ উষ্ণতা ৫০ ডিগ্ৰী চেলছিয়াছ পৰ্যন্ত বৃদ্ধি হৈছিল। যাৰ বাবে মুহূৰ্তৰ ভিতৰতে ফ্ৰীজৰ ভিতৰত থকা মাছ, মাংস, দুগ্ধজাত সামগ্ৰীকে ধৰি বিভিন্ন সা-সামগ্ৰী ব্যৱহাৰৰ অনুপযোগী হৈ পৰে। ফলত ছুপাৰ মাৰ্কেটসমূহে এই খাদ্য-সামগ্ৰীসমূহ পেলাই দিবলৈ বাধ্য হয়। বেলজিয়ামত এই আক্ৰমণৰ প্ৰভাৱ তুলনামূলকভাৱে অধিক পৰিলক্ষিত হৈছিল। দেশখনৰ কেৰেফ'ৰ, ডেলহেইজ, কলৰুইট আৰু ইণ্টাৰমাৰ্ছেৰ দৰে বৃহৎ খুচুৰা ব্যৱসায়িক প্ৰতিষ্ঠানৰ কেইবাখনো বিপণীত শীতলীকৰণ যন্ত্ৰসমূহ অকামিলা হৈ পৰিছিল। দেশখনত থকা কেৰেফ'ৰৰ প্ৰায় ১৫খন বিপণীত এই সমস্যাৰ সৃষ্টি হয়। একেদৰে ছুইডেনৰ আই চি এ আৰু ক'প নামৰ ছুপাৰ মাৰ্কেট শৃংখলাৰ একাধিক দোকানৰ শীতাতপ যন্ত্ৰৰ উষ্ণতা হেকাৰে বৃদ্ধি কৰি দিছিল। আয়াৰলেণ্ডতো ১৩খনতকৈও অধিক ছুপাৰ মাৰ্কেটত একে অৱস্থাৰ সৃষ্টি হৈছিল। ইফালে, ইউৰোপ সংঘৰ খাদ্য আৰু কৃষি আয়ুক্ত ক্ৰিষ্টোভ হেনছেনে এই ঘটনাটোক গুৰুত্ব সহকাৰে গ্ৰহণ কৰি প্ৰকাশ কৰিছে যে এই আক্ৰমণ কেৱল ব্যৱসায়িক প্ৰতিষ্ঠানৰ ক্ষতি কৰাৰ উদ্দেশ্যে কৰা নাই। বৰং ইউৰোপৰ খাদ্য আৰু যোগান ব্যৱস্থাক ব্যাহত কৰাৰ বাবে এয়া এক পৰিকল্পিত প্ৰচেষ্টা হোৱাৰ আশংকা অধিক। মন কৰিবলগীয়া যে কিছুদিন পূৰ্বে অনুৰূপ ঘটনা সংঘটিত হৈছিল ফ্ৰান্সত। যোৱা ১২ অক্টোবৰত ফ্ৰান্সৰ কেইবাশ ছুপাৰ মাৰ্কেটত এনেদৰে চাইবাৰ আক্ৰমণ সংঘটিত হৈছিল। সেইবাৰো হেকাৰে শীতলীকৰণ যন্ত্ৰৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ আনি এনে যন্ত্ৰসমূহৰ উষ্ণতা বৃদ্ধি কৰিছিল। ইফালে, এতিয়ালৈকে কোনো সংগঠনে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা নাই। বেলজিয়াম চৰকাৰে ইতিমধ্যে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। চাইবাৰ সুৰক্ষা বিশেষজ্ঞসকলৰ মতে ইণ্টাৰনেটৰ সৈতে সংযুক্ত হৈ থকা এই শীতলীকৰণ ব্যৱস্থা দুৰ্বল নিৰাপত্তাৰ দিশ আৰু পুৰণি ছফ্টৱেৰৰ সুযোগ লৈ হেকাৰসকলে এই আক্ৰমণ চলালে।

■ আৰব সাগৰত ভাৰতীয় নৌসেনা-বায়ুসেনাৰ অভিযান ■
জলদস্যুৰ হাতত বন্দী ২০জনক উদ্ধাৰ



নতুন দিল্লী, ৩ নৱেম্বৰ ঃ আৰব সাগৰত সক্ৰিয় ছোমালিয়াৰ জলদস্যু। যোৱা বৃহস্পতিবাৰে এখন ইৰাণী ট্ৰলাৰ অপহৰণ কৰা হৈছিল। ৪৮ ঘণ্টাৰ অভিযানত সেই ট্ৰলাৰত থকা ২০জনক উদ্ধাৰ কৰে ভাৰতীয় নৌসেনাই। তেওঁলোকৰ সৈতে এই অভিযানত অংশ লৈছিল ভাৰতীয় বায়ুসেনায়ো। যোৱা বৃহস্পতিবাৰে ট্ৰলাৰখন অপহৰণ কৰা হ'লেও দেওবাৰেহে খবৰ পোহৰলৈ আহিছিল। তাৰ পাছতে আৰম্ভ হয় অভিযান। মুম্বাইৰ পৰা তিনি হাজাৰ কিলোমিটাৰ দূৰৰ অঞ্চলত আৰব সাগৰত এই অভিযান চলায় বায়ুসেনাৰ যুদ্ধজাহাজে। সমান্তৰালভাৱে আকাশী পথেৰেও ৰখা হৈছিল দৃষ্টি। শেষ পৰ্যন্ত অপহৃত ২০জন লোককেই উদ্ধাৰ কৰা হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই অভিযানৰ বাবে নৌসেনা আৰু বায়ুসেনাক অভিনন্দন জনাইছে। তেওঁ লিখিছে— বায়ুসেনাৰ সময়োচিত সহায়ৰ বাবে অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত জলদস্যুৰ হাতৰ পৰা নাৱিক আৰু জাহাজখন দ্ৰুতভাৱে উদ্ধাৰ কৰাৰ লগতে বন্দীসকলক নিৰাপদে উদ্ধাৰ কৰাৰ ঘটনা উচ্চ পৰ্যায়ৰ কৰ্ম-তৎপৰতা আৰু সমগ্ৰ অঞ্চলটোত সামুদ্ৰিক বিপন্নতাৰ বিৰুদ্ধে কাৰ্যকৰী পদক্ষেপ গ্ৰহণৰ সক্ষমতাৰে পৰিচয় দিছে।

জালনোট নহয়, এইবাৰ দেশত জাল মুদ্ৰা
ভাৰতত ৭০ কোটি টকাৰ জাল মুদ্ৰা প্ৰচলন কৰা চক্ৰক গ্ৰেপ্তাৰ



নতুন দিল্লী, ৩ নৱেম্বৰ ঃ ভাৰতৰ বজাৰত সম্প্ৰতি প্ৰচলন হৈ আছে ৭০ কোটিৰো অধিক টকাৰ জাল মুদ্ৰা। জালনোটৰ বিৰুদ্ধে সঘনে বিভিন্ন বা-বাতৰি শুনা যায় যদিও দেশত এনে বৃহৎ পৰিমাণৰ জাল মুদ্ৰাৰ যে প্ৰচলন হৈ আছে সেয়া কাৰো ধাৰণা নাছিল। শেহতীয়াকৈ উত্তৰ প্ৰদেশ আৰক্ষীয়ে ৰাজ্যখনৰ সাহাৰণপুৰত জাল মুদ্ৰা প্ৰচলন কৰা এটা চক্ৰৰ পাঁচজন লোকক আটক কৰাৰ পাছতে এই কথা পোহৰলৈ আহিছে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি এই চক্ৰটোৱে দিল্লী, হাৰিয়ানা, পঞ্জাৱ, উত্তৰ প্ৰদেশ, বিহাৰ আৰু ঝাৰখণ্ডকে ধৰি কেইবাখনো ৰাজ্যত ৭০ কোটি টকাৰো অধিক মূল্যৰ জাল মুদ্ৰা ইতিমধ্যে প্ৰচলন কৰিছে। হাৰিয়ানাৰ এক স্থানৰ পৰা উত্তৰ প্ৰদেশলৈ মুদ্ৰা প্ৰস্তুত কৰা এটা যন্ত্ৰ স্থানান্তৰ কৰাৰ সময়তে আৰক্ষীয়ে এই চক্ৰটোক আটক কৰে। আৰক্ষীয়ে তেওঁলোকৰ হাতৰ পৰা এনেধৰণৰ ছটা যন্ত্ৰ, ৬,৪০০ টকাৰ নকল ২০ টকীয়া মুদ্ৰা আৰু প্ৰায় পাঁচ লাখ টকাৰ অৰ্দ্ধনিৰ্মিত মুদ্ৰা উদ্ধাৰ কৰিছে। আৰক্ষীয়ে লগতে প্ৰকাশ কৰিছে যে হাৰিয়ানাত প্ৰায় দহ মাহ ধৰি নকল মুদ্ৰা প্ৰস্তুতৰ কাৰখানা চলাই থকাৰ পাছত আৰক্ষীৰ চকুত ধৰা নপৰিবৰ বাবে তেওঁলোকে এই কাৰখানা উত্তৰ প্ৰদেশলৈ স্থানান্তৰ কৰিবলৈ যো-জা চলাইছিল। এই চক্ৰটোৱে ১০০ টকা মুদ্ৰাৰ একোটা পেকেট মধ্যস্থতাকাৰীৰ হাতত তুলি দিয়ে। পাছত এই মুদ্ৰাসমূহ টোলগেট, সুৰাৰ বিপণী, সৰু সৰু দোকান আৰু গ্ৰামাঞ্চলৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত প্ৰচলন কৰা হৈছিল। চক্ৰটোৱে দৈনিক ১০-১২ হাজাৰ টকাৰ নকল মুদ্ৰা প্ৰস্তুত কৰিছিল।

লক্ষ্ণৌত চিকিৎসকৰ বিৰুদ্ধে আৰক্ষীৰ দ্বাৰস্থ যুৱতী
১৩ বছৰ যৌন শোষণ, ধৰ্ম সলনিৰ চেষ্টা



লক্ষ্ণৌ, ৩ নৱেম্বৰ ঃ ১৩ বছৰ ধৰি যৌন শোষণ, গৰ্ভপাত আৰু ধৰ্মান্তৰকৰণৰ চেষ্টা আদি গুৰুতৰ অভিযোগ উত্থাপন কৰি লক্ষ্ণৌৰ এজন চিকিৎসকৰ বিৰুদ্ধে আৰক্ষীৰ দ্বাৰস্থ হৈছে এগৰাকী যুৱতী। জানিব পৰা মতে অভিযুক্ত লোকজন লক্ষ্ণৌৰ কিং জৰ্জ মেডিকেল ইউনিভাৰ্চিটীৰ প্ৰাক্তন আৱাসিক চিকিৎসক ৰামিজউদ্দিন নায়েক। তেওঁৰ সন্ধানত আৰক্ষীয়ে অভিযান আৰম্ভ কৰিছে। নিৰ্যাতিতাৰ অভিযোগ অনুসৰি ২০১২ চনত এম বি বি এছ কৰাৰ সময়ত ৰামিজৰ সৈতে আলাপ হৈছিল যুৱতীগৰাকীৰ। সেই বছৰ তেওঁক বিভিন্ন অজুহাতত মাতি আনি মাদকমিশ্ৰিত পানী খুৱাই আৰু বিবাহৰ প্ৰতিশ্ৰুতি দি তেওঁৰ সৈতে যৌন সম্পৰ্ক কৰে। তেতিয়াই গোপনে আপত্তিকৰ ছবি আৰু ভিডিঅ' লোৱা হয়। ইয়াৰ পাছত সেই ছবি, ভিডিঅ' দেখুৱাই ব্লেকমেইল কৰি দিনৰ পাছত দিন যৌন শোষণ কৰে ৰামিজে। ২০১৬ চনত অন্তঃসত্ত্বা হোৱাত বিয়াৰ কথা কয় যুৱতীগৰাকীয়ে। কিন্তু তেওঁ বিয়া কৰাবলৈ অমান্তি হয় আৰু এখন ক্লিনিকলৈ নি গৰ্ভপাত কৰোৱায়। দাবী অনুসৰি ইয়াৰ পাছত প্ৰায় তিনি বছৰ ৰামিজৰ সৈতে কোনো সম্পৰ্ক ৰখা নাছিল যুৱতীগৰাকীয়ে। ২০১৯ চনত তেওঁৰ বিবাহ অন্য ঠাইত ঠিক হয় যদিও পুৰণা ছবি আৰু ভিডিঅ' দেখুৱাই বিয়া ভাঙি দিয়ে। ইয়াৰ পাছতো কেইবাবাৰো সম্পৰ্ক ভংগ কৰা বুলি অভিযোগ কৰে। ২০২৩ চনত লক্ষ্ণৌ ফ্লেটত ৰামিজৰ পৰিয়ালৰ সৈতে যুৱতীগৰাকীক একেলগে থাকিবলৈ বাধ্য কৰায়। তেতিয়াই তেওঁক ধৰ্ম সলনি কৰাৰ বাবে চাপ দিবলৈ আৰম্ভ কৰে ৰামিজে। ইয়াৰ পাছতে সমগ্ৰ বিষয়টো আৰক্ষীক অৱগত কৰি অভিযুক্তৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণ কৰিবলৈ গোচৰ তৰে যুৱতীগৰাকীয়ে।

আইএএছ ৰাকেশ আগৰৱালাৰ হত্যা
আগ্ৰাত গ্ৰেপ্তাৰ মূল অভিযুক্ত

আগ্ৰা, ৩ নৱেম্বৰ ঃ অৱসৰপ্ৰাপ্ত আই এ এছ ৰাকেশ আগৰৱালাৰ হত্যাৰ মূল্য অভিযুক্ত বৰুণ কুমাৰক উত্তৰ প্ৰদেশৰ আগ্ৰাৰ পৰা গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। আজি অভিযুক্ত বৰুণ কুমাৰক মধ্য প্ৰদেশৰ ভূপাললৈ নিয়া হৈছিল। দাবী কৰা মতে সেই সময়ত আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টা কৰে তেওঁ। আৰক্ষীৰ সৈতে অভিযুক্তৰ হতাহতি হৈছিল। আনকি আৰক্ষীৰ ওপৰত আক্ৰমণৰ চেষ্টা চলাইছিল বুলিও অভিযোগ কৰা হৈছে। ফলত আৰক্ষীয়ে গুলী চলাবলৈ বাধ্য হয় আৰু তেওঁৰ ভৰিত গুলী লাগে। আৰক্ষীয়ে আহত অৱস্থাত অভিযুক্ত বৰুণক হাস্পতাললৈ নিয়ে। তাতেই তেওঁৰ চিকিৎসা অব্যাহত আছে। আজি পুৱা ৫ বজাত ঘটনাটো সংঘটিত হয়। আৰক্ষীয়ে জনাইছে যে অভিযুক্ত বৰুণে আই এ এছ আগৰৱালাৰ ঘৰত কেয়াৰ-টেকাৰৰ কাম কৰিছিল। ১ অক্টোবৰৰ পুৱা ভূপালৰ সুৰযনগৰ অঞ্চলৰ নিজ ঘৰত অৱসৰপ্ৰাপ্ত বিষয়াজনৰ মৃতদেহ উদ্ধাৰ হয়। ৩০ ছেপ্টেম্বৰৰ নিশা তেওঁক চোকা অস্ত্ৰৰে হত্যা কৰা হৈছিল। ওচৰৰ কোঠাত আছিল তেওঁৰ পত্নী। পুৱা উঠি তেওঁ স্বামীৰ মৃতদেহ দেখিবলৈ পায় আৰু তাৰ পাছতেই আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰি জানিব পাৰে যে হত্যাৰ পাছত প্ৰমাণ নাইকিয়া কৰিবলৈ ঘৰত জুই জ্বলোৱাৰ পৰিকল্পনা কৰিছিল অভিযুক্তই। ৰান্ধনিঘৰত গেছ চিলিণ্ডাৰৰ পাইপ খোলা অৱস্থাত পোৱা গৈছে। কিন্তু সেই পৰিকল্পনা সফল নহ'ল। মৃতদেহ উদ্ধাৰৰ পাছত কেয়াৰ-টেকাৰ বৰুণৰ সন্তেদ নোপোৱাত আৰক্ষীৰ সন্দেহ ঘনীভূত হয়। তাৰ পাছতে অভিযান চলাই অৱশেষত বৰুণক গ্ৰেপ্তাৰ কৰে।

উত্তৰ প্ৰদেশৰ মীৰাটত বিজেপি নেতাৰ পুত্ৰৰ আত্মহত্যা

পত্নী-পৰিয়ালৰ বিৰুদ্ধে নিৰ্যাতনৰ অভিযোগ



লক্ষ্ণৌ, ৩ নৱেম্বৰ ঃ পত্নী আৰু শহুৰেকৰ পৰিয়ালৰ বিৰুদ্ধে মানসিক নিৰ্যাতনৰ অভিযোগ উত্থাপন কৰি আত্মঘাতী হ'ল উত্তৰ প্ৰদেশৰ মীৰাটৰ বিজেপি নেতাৰ পুত্ৰ। মৃতকৰ নাম প্ৰবাল কুমাৰ গুপ্তা। তেওঁ বিষ পান কৰা বুলি প্ৰাথমিক তদন্তত জানিব পৰা গৈছে। চিকিৎসা চলি থকাৰ সময়তে মৃত্যু হয় প্ৰবালৰ। মীৰাটৰ কংকেৰবাড়া থানাৰ অন্তৰ্গত অঞ্চলত সংঘটিত এই ঘটনাৰ পাছতে মৃতকৰ পিতৃ অসুস্থ হৈ পৰে আৰু হৃদৰোগত আক্ৰান্ত হয়। গাজিয়াবাদত এটা বেচৰকাৰী সংস্থাত কাম কৰিছিল প্ৰবালে। ২০২৫ চনৰ ২ নৱেম্বৰত ঋষিনগৰৰ যুৱতী স্নেহা গুপ্তাৰ সৈতে বিয়া হৈছিল প্ৰবালৰ। আত্মঘাতী হোৱাৰ পূৰ্বে এটা ভিডিঅ' ৰেকৰ্ড কৰে প্ৰবালে। সেই ভিডিঅ'ত তেওঁৰ মৃত্যুৰ বাবে পুত্ৰ আৰু শহুৰেকৰ পৰিয়ালক দায়ী কৰিছে। প্ৰবালৰ অভিযোগ অনুসৰি পত্নী আৰু শহুৰেক-শাহুৰেকে ধাৰাবাহিকভাৱে তেওঁৰ লগতে সমগ্ৰ পৰিয়ালটোক মানসিকভাৱে নিৰ্যাতন চলাইছিল। ৩১ অক্টোবৰত দুয়ো পক্ষক থানালৈ মাতি আনি বিষয়টো সমাধান কৰাৰ চেষ্টা কৰা হয় যদিও প্ৰবালৰ অভিযোগ মতে তাতো তেওঁক অপদস্থ কৰা হয়। ইয়াৰ পাছতে ১ নৱেম্বৰত প্ৰবালৰ মৃতদেহ উদ্ধাৰ হয়।

আহমেদাবাদৰ কাৰ্যালয়ত অগ্নিকাণ্ড

আহমেদাবাদ, ৩ নৱেম্বৰ ঃ আহমেদাবাদৰ এটা তথ্য-প্ৰযুক্তি সংস্থাৰ কাৰ্যালয়ত বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হয়। প্ৰাণ ৰক্ষা কৰিবলৈ ওপৰ মহলাৰ পৰা জাঁপ মাৰে এজন কৰ্মচাৰীয়ে। এই পৰ্যন্ত এজন লোকৰ মৃত্যুৰ খবৰ আহিছে আৰু কেইবাজনো লোক আহত হৈছে। আহমেদাবাদৰ থালতেজ অঞ্চলৰ মেগনেট পাৰ্কত ঘটনাটো ঘটে সোমবাৰে নিশা প্ৰায় ৯ বজাত। সেই সময়ত বেচৰকাৰী সংস্থাৰ কাৰ্যালয়টোত ৩০-৪০জন কৰ্মচাৰীয়ে কাম কৰি আছিল। অগ্নিকাণ্ডৰ পাছতে হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। প্ৰাণ ৰক্ষা কৰিবলৈ কৰ্মচাৰীসকলে দৌৰাদৌৰি আৰম্ভ কৰে। কিন্তু সেই সময়লৈ ক'লা ধোঁৱাই অঞ্চলটো আৱৰি ধৰে। উপায়হীন হৈ প্ৰাণ বচাবলৈ বহুকেইজন কৰ্মীয়ে জালনা ভাঙি জঁপিওৱাৰ চেষ্টা কৰে। স্থানীয় লোকে কৰ্মীসকলক উদ্ধাৰ কৰে যদিও ওপৰৰ পৰা জাঁপ দিবলৈ গৈ ৰছিদ পেটেল নামৰ এজন ২৩ বছৰীয়া যুৱকৰ মৃত্যু হয়।

ভাৰতৰে বাণিজ্যিক সম্পৰ্ক ওভতাই আনিবলৈ উদ্‌গ্ৰীৱ পাকিস্তান

ব্যৱসায়ত বৃহৎ ক্ষতিৰ সন্মুখীন

ইছলামাবাদ, ৩ নৱেম্বৰ ঃ পুলৱামাত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ পাছৰ পৰাই ভাৰত আৰু পাকিস্তানৰ মাজত দ্বিপাক্ষিক বাণিজ্য বন্ধ হৈ পৰিছিল। ইয়াৰ ফলত বিগত সাত বছৰত তিনি লাখ কোটি টকাৰো অধিক অৰ্থনৈতিক ক্ষতিৰ সন্মুখীন হ'বলগীয়া হৈছে পাক ব্যৱসায়ীসকল। ইফালে ক্ৰমবৰ্দ্ধমান অৰ্থনৈতিক ক্ষতি, আনফালে আমদানি ব্যয় অবিশ্বাস্যভাৱে বৃদ্ধি পোৱাত ত্ৰাহি মধুসূদন সুঁৱৰিছে দেশখনৰ ব্যৱসায়ীসকলে। এনে পৰিস্থিতিত ভাৰতৰ সৈতে বাণিজ্যিক সম্পৰ্ক পুনৰুদ্ধাৰৰ আহ্বান জনাইছে পাকিস্তানৰ ব্যৱসায়ী সমাজে। পাক-ভাৰত বিজনেছ কাউন্সিলৰ তথ্য অনুসৰি ২০১৯ চনত দ্বিপাক্ষিক বাণিজ্যিক সম্পৰ্ক স্থগিত হোৱাৰ পাছৰ পৰা পাকিস্তান প্ৰায় ৪০ বিলিয়ন ডলাৰৰ ক্ষতিৰ সন্মুখীন হৈছে। ভাৰতীয় মূল্যত এই পৰিমাণ ৩ লাখ ৭৯ হাজাৰ ২৪১ কোটি টকা। কাউন্সিলৰ অধ্যক্ষ নূৰ মহম্মদ কাছুৰীয়ে জনাইছে যে দীৰ্ঘদিনীয়া এই অচলাৱস্থাৰ কাৰণে প্ৰয়োজনীয় কেঁচামাল আৰু শিল্প-সামগ্ৰী দূৰৰ দেশসমূহৰ পৰা সংগ্ৰহ কৰিবলৈ বাধ্য হৈছে। ইয়াৰ ফলত সামগ্ৰী পৰিবহণৰ ব্যয় আৰু সামগ্ৰী নিৰ্দিষ্ট ঠাইত উপনীত কৰোৱাৰ সময় অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। তেওঁৰ মতে ভাৰতৰ পৰা প্ৰয়োজনীয় কেঁচামালৰ আমদানি পুনৰায় আৰম্ভ হ'লে কেৱল পাকিস্তানৰ ঔষধ উদ্যোগেই বছৰি দুইৰ পৰা তিনি বিলিয়ন ডলাৰ ৰাহি কৰিবলৈ সক্ষম হ'ব। লগতে তেওঁ হিচাপ দিয়ে যে ব্ৰাজিল, মিছৰ, চীন আৰু আমেৰিকাৰ দৰে দেশৰ পৰা তুলা সংগ্ৰহ কৰিবলৈ গৈ বস্ত্ৰ উৎপাদনকাৰীসকলে প্ৰায় পাঁচ বিলিয়ন ডলাৰ অতিৰিক্ত ব্যয় কৰিবলগীয়া হৈছে। কেৱল তুলা বা ঔষধেই নহয়, নিত্য প্ৰয়োজনীয় সামগ্ৰীও দূৰৰ দেশৰ পৰা আমদানি কৰিবলগীয়া হৈছে। ইয়াৰ ব্যাপক প্ৰভাৱ পৰিছে পাকিস্তানৰ অৰ্থনীতিত। সেই বাবে দেশখনৰ ব্যৱসায়ী মহলে দ্বিপাক্ষিক বাণিজ্য পুনৰ আৰম্ভ কৰিবলৈ ৰাষ্ট্ৰসংঘৰ কাষ চপাৰ সিদ্ধান্ত লৈছে।



দীপাৱলীৰ প্ৰাক্‌মুহূৰ্তত তেজপুৰত ফটকা-আতছবাজীৰ অবৈধ গুদাম ছীল

দৈনিক অসমৰ প্ৰতিনিধি

তেজপুৰ, ৩ নৱেম্বৰ ঃ তেজপুৰত একাংশ ফটকা-আতছবাজী ব্যৱসায়ীয়ে দীৰ্ঘদিনৰ পৰাই চলাই অহা অবৈধ বেহাৰ বিৰুদ্ধে অৱশেষত তৎপৰ হৈছে শোণিতপুৰ জিলা প্ৰশাসন। তেজপুৰত চলি থকা এনে কেইবাখনো অবৈধ ফটকা- আতছবাজীৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ ভিতৰত কালি নিশা অভিযান চলায় জিলা প্ৰশাসনে। ফটকাৰ এই অবৈধ বিপণী তথা গুদাম জিলা দণ্ডাধীশৰ নিৰ্দেশত নিশা ছীল কৰা হয়। উল্লেখ্য যে তেজপুৰত চলি থকা ফটকা আৰু আতছবাজীৰ অবৈধ বেহাৰ বিষয়ে সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ পাছত আয়ুক্তৰ নিৰ্দেশৰ ভিত্তিত শোণিতপুৰৰ অতিৰিক্ত জিলা আয়ুক্ত জেমছ আইণ্ডে নিশা তেজপুৰ চহৰৰ কবৰখানাত থকা ফটকাৰ ক'লা বেপাৰী বিপ্লৱ সাহাৰ গুদামত অভিযান চলায়। আৰক্ষীসহ সংশ্লিষ্ট বিভাগৰ বিষয়াক লগত লৈ অতিৰিক্ত জিলা আয়ুক্তগৰাকীৰ আগমনৰ উমান পাই বিপ্লৱ সাহাই গুদামত তলা লগাই পলায়ন কৰে। অৱশ্যে কৰ্মচাৰীৰ দ্বাৰা গুদামৰ তলা খুলি অবৈধভাৱে মজুত কৰি ৰখা কেইবালক্ষ টকাৰ ফটকা-আতছবাজী ক্ৰয়ৰ যাৱতীয় তথ্য পাতি পৰীক্ষা কৰাৰ লগতে জিলা প্ৰশাসনৰ অনুজ্ঞাপত্ৰ নথকা গুদামটো অৱশেষত ছীল কৰিবলৈ বাধ্য হয়। উল্লেখ্য যে তেজপুৰত কেৱল বিপ্লৱ সাহাই নহয়, ভোলা সাহা, পুটন, মিঠুন আদিৰ লগতে আন বহুকেইজন ক'লা বেপাৰীয়ে গোপনে তেজপুৰৰ বিভিন্ন স্থানত মজুত কৰি ৰাখিছে কোটি কোটি টকাৰ ফটকা-আতছবাজী। এই সন্দৰ্ভত অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে তেওঁলোকৰ বিৰুদ্ধেও ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্তব্য কৰিছে যদিও যোৱা নিশাৰ পাছত আজি তেজপুৰত এনে অভিযান চলা নাই।



ব্ৰহ্মপুত্ৰৰ মাজতে ১০৮ নৌকা এম্বুলেন্সত কন্যা সন্তান জন্ম

স্বাস্থ্যকৰ্মীৰ তৎপৰতাত সুকলমে প্ৰসৱ

দৈনিক অসমৰ প্ৰতিনিধি

জেংৰাইমুখ, ৩ নৱেম্বৰ ঃ বিভিন্ন প্ৰত্যাহ্বানৰ মাজতে পুনৰ মানৱতাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিলে ১০৮ নৌকা এম্বুলেন্সৰ কৰ্মীয়ে। দুদিন পূৰ্বে মাজুলীৰ দক্ষিণপাটৰ বৰ্ষাৰাণী হাজৰিকা নামৰ এগৰাকী প্ৰসূতিক গড়মূৰস্থিত পিতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়ৰ পৰা উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছিল। নৌকা এম্বুলেন্সেৰে ব্ৰহ্মপুত্ৰ পাৰ হ'বলৈ ধৰা সময়তে প্ৰসূতিগৰাকীৰ প্ৰসৱ বেদনা আৰম্ভ হয় আৰু নদীৰ মাজভাগত ১০৮ এম্বুলেন্সতে এটি সুস্থ কন্যা সন্তানৰ জন্ম দিয়ে। ১০৮ সেৱাৰ কৰ্মী ঈশানন্দ নৰহ, ৰাহুল পামেগাম আৰু কাৰ্তিক দেৱনাথে সুকলমে প্ৰসৱ কৰাই মাতৃ আৰু সদ্যোজাতক তাৎক্ষণিকভাৱে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। চিকিৎসালয়ত উপস্থিত হোৱাৰ পাছত দুয়োগৰাকীক প্ৰয়োজনীয় চিকিৎসা প্ৰদান কৰা হয়। বৰ্তমান মাতৃ আৰু কন্যা দুয়ো সুস্থ বুলি জানিব পৰা গৈছে। ১০৮ সেৱাৰ কৰ্মীসকলৰ মানৱীয় দায়বদ্ধতা, সাহস আৰু কৰ্তব্যনিষ্ঠাৰ এক প্ৰশংসনীয় নিদৰ্শন হিচাপে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে।

সাংবাদিকৰ সমস্যাক লৈ গুৰুত্বপূৰ্ণ আলোচনা

অসম বাৰ্তাজীৱী সংঘই মুকলি কৰিব 'সাংবাদিক কল্যাণ ন্যাস'

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ সাংবাদিকসকলৰ কল্যাণৰ বাবে আগন্তুক সময়ত অসম বাৰ্তাজীৱী সংঘই আনুষ্ঠানিকভাৱে মুকলি কৰিব এটি ন্যাস। 'আছাম ইউনিয়ন অব ৱৰ্কিং জাৰ্নেলিষ্ট হেল্‌থ এণ্ড ৱেলফেয়াৰ ট্ৰাষ্ট' নামৰ এই ন্যাস পৰিচালনাৰ বাবে অসম বাৰ্তাজীৱী সংঘই ইতিমধ্যে এখন পাঁচজনীয়া সমিতি গঠন কৰাৰ লগতে চৰকাৰীভাৱে এই ন্যাসৰ পঞ্জীয়নো সম্পন্ন কৰিছে। চিকিৎসাজনিত কাৰণকে ধৰি অন্যান্য বিপদৰ সময়ত এই ন্যাসৰ ধনেৰে ৰাজ্যৰ ভিন্ন প্ৰান্তত থকা অসম বাৰ্তাজীৱী সংঘৰ সদস্যসকলক সংঘই সহায়ৰ হাত আগবঢ়াব। এই কথা সদৰি কৰিছে অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক অঞ্জন কুমাৰ শৰ্মাই। অসম সাহিত্য সভাৰ গুৱাহাটীস্থিত কাৰ্যালয়ত কালি অনুষ্ঠিত অসম বাৰ্তাজীৱী সংঘৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত বাৰ্তাজীৱী সংঘৰ উক্ত ন্যাস মুকলিৰ কাম অন্তিম পৰ্যায়ত থকা বুলি সদৰি কৰে। উল্লেখ্য যে কালি অসম বাৰ্তাজীৱী সংঘৰ উপ-সভাপতি যতীন ভাগৱতীৰ সভাপতিত্বত অসম বাৰ্তাজীৱী সংঘৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সংঘৰ সাধাৰণ সম্পাদক শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা উক্ত সভাত ৰাজ্যখনৰ সাংবাদিক-সংবাদকৰ্মীসকলৰ বিভিন্ন সমস্যা, দা-দৰমহা, প্ৰাপ্য মাননী আদায়কে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰা হয়। উক্ত সভাত বাৰ্তাজীৱী সংঘৰ বহু প্ৰত্যাশিত ন্যাস অহা বৰ্ষৰ জানুৱাৰী মাহত আনুষ্ঠানিকভাৱে মুকলি কৰাৰ বিষয়ে আলোচনা কৰা হয়। অৱশ্যে প্ৰথম অৱস্থাত কেৱল মাত্ৰ অসম বাৰ্তাজীৱী সংঘৰ সদস্যসকলেহে এই ন্যাসৰ সুবিধা লাভ কৰিব। আন কোনো সাংবাদিক সংগঠন নতুবা ন্যাসৰ সদস্যই বাৰ্তাজীৱী সংঘৰ ন্যাসৰ সুবিধা লাভ নকৰাৰ বিষয়টোও সভাত আলোচনা কৰা হয়। উল্লেখ্য যে অহা বছৰৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত শিৱসাগৰত অনুষ্ঠিত হ'ব সংঘৰ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক তথা বাৰ্ষিক সাধাৰণ সভা। উক্ত সভাৰ পূৰ্বে অসম বাৰ্তাজীৱী সংঘৰ যিসমূহ জিলা সমিতিৰ দুবছৰীয়া কাৰ্যকাল ইতিমধ্যে উকলিছে সেইসমূহ জিলা সমিতিৰ অধিৱেশন অনুষ্ঠিত কৰিবলৈও সভাই সংশ্লিষ্ট জিলা সমিতিসমূহক আহ্বান জনায়। অসম বাৰ্তাজীৱী সংঘৰ উপদেষ্টা মুকুটৰাজ শৰ্মা, উপ-সভাপতি ভাস্কৰ শৰ্মা, সহকাৰী সাধাৰণ সম্পাদক সোণাধৰ ডেকা, অখিল কলিতা, কাৰ্যালয় সম্পাদক আদিত্য চন্দ্ৰ বৰ্মন, সাংগঠনিক সম্পাদক অশ্বিনী দুৱৰা, প্ৰশান্ত মোদক, কিশোৰজ্যোতি শৰ্মা, প্ৰচাৰ সম্পাদক হেমন্ত বৰ্মন, পত্ৰিকা সম্পাদক লক্ষীকান্ত কলিতা, কাৰ্যনিৰ্বাহক কমল তালুকদাৰ, ছাহেদ আলী আহমেদ, ভাৰত ৰাজবংশী, তৰণীচৰণ কলিতা, প্ৰদীপ বৰ্মন, আইনকোষৰ অধ্যক্ষ ধীৰাজ শৰ্মা প্ৰমুখ্যে বিষয়ববীয়া, সদস্যসকলে অংশগ্ৰহণ কৰে। সভাত অসম বাৰ্তাজীৱী সংঘই ৰাজ্যৰ শ্ৰম বিভাগৰ আয়ুক্তক ইতিপূৰ্বে প্ৰদান কৰা স্মাৰকপত্ৰৰ বিষয়ে আলোচনা কৰি ৰাজ্যৰ কৰ্মৰত সাংবাদিকৰ বিভিন্ন সমস্যাক লৈ শীঘ্ৰে পুনৰ শ্ৰম বিভাগৰ আয়ুক্তক সাক্ষাৎ কৰিবলৈও সিদ্ধান্ত গ্ৰহণ কৰা হয়। একেদৰে অহা ১৮ নৱেম্বৰত অসম বাৰ্তাজীৱী সংঘৰ ৫৩ সংখ্যক প্ৰতিষ্ঠা দিৱস সৰ্থেবাৰীত বৰপেটা জিলা বাৰ্তাজীৱী সংঘৰ উদ্যোগত পালন কৰিবলৈও সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

দিল্লী বিশ্ববিদ্যালয়ত গোলাঘাটৰ ছাত্ৰীৰ সাফল্য

ভূগোল বিষয়ত শীৰ্ষ স্থানেৰে সোণৰ পদক লাভ হৰিদ্ৰা বৰাৰ



দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

গোলাঘাট, ৩ নৱেম্বৰ ঃ দিল্লী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মিৰাণ্ডা হাউছৰ পৰা ভূগোল বিষয়ত গৱেষণাসহ সন্মানসহকাৰে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিছে গোলাঘাটৰ ছাত্ৰী হৰিদ্ৰা বৰাই। দিল্লী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত সকলো মহাবিদ্যালয়ৰ কলা শাখাৰ ভিতৰত প্ৰথম স্থান লাভ কৰি সোণৰ পদক লভিবলৈ সক্ষম হয় ছাত্ৰীগৰাকীয়ে। দিল্লীত সৰ্বোচ্চ নম্বৰ লাভ কৰি মেধাৰ পৰিচয় দিবলৈ সক্ষম হোৱা হৰিদ্ৰা বৰাৰ এই সফলতাই গোলাঘাটলৈ গৌৰৱ কঢ়িয়াই আনিছে। দিল্লী বিশ্ববিদ্যালয়ৰ অধীনৰ মিৰাণ্ডা হাউছৰ পৰা ভূগোল বিষয়ত স্নাতক ডিগ্ৰীত টপাৰ হৈ চি জি পি এ ঃ ৯.৩১ লাভ কৰি উত্তীৰ্ণ হোৱা হৰিদ্ৰা বৰাই ২০২২ চনত নুমলীগড়ৰ দিল্লী পাব্লিক স্কুলৰ পৰা ৯৯.৪ শতাংশ নম্বৰ লাভ কৰি উত্তৰ-পূবৰ ভিতৰত চতুৰ্থ স্থান লাভ কৰিছিল আৰু সৰ্বভাৰতীয় পৰ্যায়ত ১২ নম্বৰ স্থান দখল কৰিবলৈ সক্ষম হৈছিল। সেইদৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত গোলাঘাট ছেক্ৰেট হাৰ্ট হাইস্কুলৰ পৰা ২০২০ চনত শতকৰা ৯৮ নম্বৰ লাভ কৰি ৰাজ্যৰ ভিতৰত ষষ্ঠ স্থান লাভ কৰিছিল। হৰিদ্ৰাৰ পিতৃ ডঃ ৰুবুল বৰা বোকাখাত চি এন বি কলেজৰ গণিত বিভাগৰ অধ্যাপক। মাতৃ মধুস্মিতা শইকীয়া গোলাঘাটৰ এগৰাকী জ্যেষ্ঠ অধিবক্তা।

নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ সমীপত নৱজাতকৰ মৃতদেহ উদ্ধাৰ

দৈনিক অসমৰ প্ৰতিনিধি

ঘগ্ৰাপাৰ, ৩ নৱেম্বৰ ঃ নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ সমীপত পথৰ কাষৰ হাবিত এটি নৱজাতকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। দিন-দুপৰতে সংঘটিত এই ঘটনাক কেন্দ্ৰ কৰি স্থানীয় ৰাইজৰ মাজত বিভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ লগতে সচেতন মহলেও গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। জানিব পৰা মতে, স্থানীয় এখন দোকানৰ স্বত্বাধিকাৰীয়ে প্ৰস্ৰাৱ কৰিবলৈ যোৱাৰ সময়তে পথৰ কাষৰ হাবিত নৱজাতকৰ মৃতদেহটো প্ৰত্যক্ষ কৰে। তেওঁ লগে লগে স্থানীয় লোকসকলক অৱগত কৰাৰ লগতে ঘগ্ৰাপাৰ আৰক্ষীক খবৰ দিয়ে। খবৰ লাভ কৰাৰ পাছতে ঘগ্ৰাপাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি প্ৰয়োজনীয় তদন্ত আৰম্ভ কৰে। নৱজাতকৰ মৃতদেহটো কোনে, কি কাৰণত আৰু কেনেদৰে উক্ত স্থানত পেলাই থৈ গ'ল, সেয়া এতিয়াও স্পষ্ট হোৱা নাই। ইফালে, এটি নিষ্পাপ নৱজাতকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোৰ ৰাইজক হতচকিত কৰি তুলিছে। এনে অমানৱীয় কাৰ্য কোনে সংঘটিত কৰিলে, তাৰ আঁৰৰ প্ৰকৃত ৰহস্য উদ্‌ঘাটন কৰিবলৈ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰাৰ সমান্তৰালভাৱে সচেতন মহলে দোষী ব্যক্তিক চিনাক্ত কৰি উচিত শাস্তি বিহিবলৈ দাবী জনাইছে।

তৃতীয় পৃষ্ঠাৰ পৰা

জিৰিকিন্দেঙত খুলশালিয়েকে প্ৰাণ

খুলশালিয়েকৰ মাজত নিশা সুৰা সেৱনক কেন্দ্ৰ কৰি হোৱা সামান্য বাক-বিতণ্ডাই লৈছিল ভয়ংকৰ ৰূপ। সুৰাৰ ৰাগিত মতলীয়া হৈ খুলশালিয়েকে উৰালমাৰিৰে প্ৰথমে মূৰত তাৰ পাছতেই উপৰ্যুপৰি মৰিয়াই মৰিয়াই হত্যা কৰে ভিনিহিয়েকক। নিশাৰ ভাগত সংঘটিত এই হত্যাকাণ্ডই সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিহত লোকজন বাবু টেৰণ বুলি জানিব পৰা গৈছে। খুলশালিয়েক বিজয় ফাংছ'ক জিৰিকিন্দেং আৰক্ষীয়ে ঘটনাস্থলীতেই আটক কৰে। দিনটোৰ কঠোৰ পৰিশ্ৰমৰ অন্তত নিশা দুয়োৰে একেলগে সুৰা সেৱন কৰিবলৈ বহাৰ সময়তেই কোনো কথাত আৰম্ভ হৈছিল তৰ্কযুদ্ধ। এই তৰ্কযুদ্ধৰ পৰিণতিতেই প্ৰাণ গ'ল ভিনিহিয়েকৰ। সম্প্ৰতি আৰক্ষীৰ জিম্মাত থকা অভিযুক্তক আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰাখিছে।

সাংস্কৃতিক মন্ত্ৰী বিমল বড়াৰ অধ্যক্ষতাত

চলোৱা হৈছে। ৰাজ্য চৰকাৰে গঠন কৰা বিভিন্ন সমিতিৰ সদস্যসচিবসকলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বড়াৰ অধ্যক্ষতাত আজি জনতা ভৱনৰ কাৰ্যালয় কক্ষত অনুষ্ঠিত হয়। বৈঠকত আগন্তুক সামৰণী অনুষ্ঠানৰ প্ৰস্তুতি, বিভিন্ন সমিতিৰ মাজত সমন্বয় আৰু দায়িত্বসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে প্ৰতিটো দিশৰ অগ্ৰগতি পৰ্যালোচনা কৰা হয়। নতুন দিল্লীৰ ভাৰত মণ্ডপমত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিল্পীসকলৰ অংশগ্ৰহণেৰে আয়োজিত হ'ব লগা অনুষ্ঠানটিৰ প্ৰতিটো পৰ্যায় যাতে সুচাৰুৰূপে আৰু সুনিয়ন্ত্ৰিতভাৱে সম্পন্ন হয়, তাৰ বাবে সকলোৰে সমূহীয়া প্ৰচেষ্টাৰ ওপৰত বৈঠকত গুৰুত্ব আৰোপ কৰা হয়। সুধাকণ্ঠৰ কালজয়ী অৱদানৰ প্ৰতি এক উপযুক্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে সংগীত, সাহিত্য, চলচ্চিত্ৰ আৰু সমাজ জীৱনলৈ তেওঁ আগবঢ়াই থৈ যোৱা অনন্য অৱদান যাতে নতুন দিল্লীৰ অনুষ্ঠানটোত সঠিক ৰূপত উপস্থাপন হয় সেই সন্দৰ্ভত মন্ত্ৰী বড়াই বৈঠকখনত বিশেষ দৃষ্টি নিক্ষেপ কৰে। এই সামৰণী অনুষ্ঠান কেৱল এগৰাকী মহান শিল্পীৰ জীৱনযাত্ৰাৰ উদ্‌যাপনেই নহয়, বৰঞ্চ ইয়াৰ জৰিয়তে অসমৰ চহকী সংস্কৃতিও বাংময় হ'ব। ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ডঃ বি কল্যাণ চক্ৰৱৰ্তী, সাংস্কৃতিক সঞ্চালক ৰাহুল চন্দ্ৰ দাসকে ধৰি ভালেসংখ্যক উচ্চপদস্থ বিষয়া উপস্থিত থকা সভাত শতবাৰ্ষিকীৰ সামৰণী অনুষ্ঠানটিত যাতে কোনো ধৰণৰ খুঁত ৰৈ নাযায় তাৰ বাবে সকলো নিয়াৰিকৈ সম্পন্ন হোৱাৰ ক্ষেত্ৰত বৈঠকত সাংস্কৃতিক মন্ত্ৰী বড়াই গুৰুত্ব দিয়ে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত জনতা ভৱনত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সামৰণী অনুষ্ঠানৰ সৈতে ৰজিতা খুৱাই আয়োজন কৰিবলৈ লোৱা সাংস্কৃতিক কাৰ্যসূচী সন্দৰ্ভত বিশেষজ্ঞ সমিতিৰ এক বৈঠক অনুষ্ঠিত হয়। অতিৰিক্ত মুখ্য সচিব ডঃ বি কল্যাণ চক্ৰৱৰ্তী, সাংস্কৃতিক সঞ্চালক ৰাহুল চন্দ্ৰ দাস, সদানন্দ গগৈ, মনীষা হাজৰিকা, ৰূপম তালুকদাৰ, কমল কটকী, ৰামেশ্বৰ তালুকদাৰ, ৰঞ্জিৎ গগৈ আদিৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত জন্ম শতবাৰ্ষিকীৰ সামৰণী সমাৰোহত পৰিৱেশন কৰিবলগা গীতৰ সৈতে থকা নৃত্যাংশৰ সংৰচনা, অনুষ্ঠানৰ পৰিকল্পনা, আলোক চিত্ৰৰ আৰ্হি, শিল্পীসকলে পৰিৱেশন কৰিবলগা সংগীতানুষ্ঠান সন্দৰ্ভতো আলোচনা কৰা হয়।

ট্ৰাইবেল ব্লক-বেল্টত শীঘ্ৰেই বেদখল

জনগোষ্ঠীয় ছাত্ৰ সংগঠনটোৰ নেতৃবৰ্গই অহা ১০ নৱেম্বৰত মৰিগাঁৱত তিৱা জনজাতিৰ সৰ্বাংগীন উন্নয়নৰ স্বাৰ্থত এক নতুন ৰাজনৈতিক মঞ্চ গঠনৰ গুৰুত্বপূৰ্ণ ঘোষণা কৰে। তদুপৰি ট্ৰাইবেল বেল্ট আৰু ব্লকসমূহত বিগত সময়ত হোৱা বেদখল আৰু প্ৰবল ধ্বংস কাৰ্যত উদ্বিগ্নতা প্ৰকাশ কৰি ইয়াৰ বিৰুদ্ধে কঠোৰ উচ্ছেদ অভিযান নচলালে অহা ১৩ নৱেম্বৰত জাগীৰোডত গণ-ধৰ্মঘটৰ কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি কয়। ইপিনে, সদৌ তিৱা ছাত্ৰ সন্থাৰ লগতে আন কেইবাটাও তিৱা সংগঠনৰ নেতৃত্বই অংশগ্ৰহণ কৰা আজিৰ সংবাদমেলত তিৱা স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন অহা ৩১ ডিচেম্বৰৰ ভিতৰত অনুষ্ঠিত কৰাৰ লগতে পৰিষদৰ নিৰ্বাচনত দলীয় প্ৰতীক ব্যৱহাৰ নকৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে লোৱা সিদ্ধান্তৰ শলাগ লয়। অৱশ্যে তিৱা জনগোষ্ঠীৰ বহুকেইটা জ্বলন্ত সমস্যা এতিয়াও সমাধান নকৰি এইক্ষেত্ৰত চৰকাৰী পক্ষই আওকণীয়া মনোভাবহে প্ৰদৰ্শন কৰা বুলি ক্ষোভ প্ৰকাশ কৰে। সংবাদমেলত তিৱা নেতৃত্বই তিৱা স্বায়ত্তশাসিত পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি লক্ষ্য ৰাখি যোৱা বছৰৰ ২৫ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ লগত নতুন দিল্লীত তিৱা নেতৃত্বৰে হোৱা গুৰুত্বপূৰ্ণ আলোচনা মৰ্মে সমগ্ৰ বিষয়টোৰ সন্দৰ্ভত মধ্যস্থতাকাৰী হিচাপে অৱসৰপ্ৰাপ্ত আই পি এছ বিষয়া ডাঃ লজ্জাৰাম বিষ্ণুয়াক নিয়োগ কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু ভৈয়াম জনজাতি পৰিক্ৰমা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ শলাগ লয়। আনহাতে, উন্নয়নৰ নামত ট্ৰাইবেল বেল্ট-ব্লক ধ্বংস কৰাৰ অপচেষ্টা হিচাপে জাগীৰোডত নগৰ পালিকা গঠনৰ সিদ্ধান্ত পৰিহাৰ নকৰিলে অহা ১৩ নৱেম্বৰৰ প্ৰস্তাৱিত গণধৰ্ণা কাৰ্যসূচী অধিক তীব্ৰতৰ কৰি তোলাৰ হুংকাৰ দিয়ে।

৬৪ সমিতিৰে আয়ুক্তৰ বৈঠক

প্ৰাণ পাই উঠিছে আৰু অহা ২৩ নৱেম্বৰৰ পৰা সমগ্ৰ মাজুলীতে তিনিদিনীয়াকৈ শ্ৰীকৃষ্ণৰ ৰাসলীলা মঞ্চস্থ কৰাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে। মাজুলীৰ শাৰদীয় সাৰ্বজনীন উৎসৱ শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা উদ্‌যাপনৰ দিন চমু চাপি অহাৰ লগে লগে তৎপৰ হৈ পৰিছে মাজুলী জিলা প্ৰশাসন। শান্তি-শৃংখলাৰে আগন্তুক ৰাস উৎসৱ কেনেদৰে উদ্‌যাপন কৰিব পাৰি সেই বিষয়ে আলোচনা কৰিবলৈ আজি জিলা প্ৰশাসনে ৰাস আয়োজক সমিতিসমূহৰ বিষয়ববীয়াসকলক লৈ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন সভা অনুষ্ঠিত কৰে। জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে জিলাখনত শান্তি-শৃংখলাৰে ৰাস উদ্‌যাপনত গুৰুত্ব আৰোপ কৰি সত্ৰানুষ্ঠানৰ প্ৰতিনিধি, ৰাস আয়োজক সমিতিৰ বিষয়ববীয়াসকলৰ পৰা এই দিশত পৰামৰ্শ বিচাৰে। সভাত আয়োজক সমিতিৰ হৈ প্ৰভাত বৰা বুঢ়াভকত, মুনীন্দ্ৰ ভুঞা, যদু কলিতা, দিপু বৰা, পৱিত্ৰ গোস্বামী, অৰুণ কুমাৰ পাঠক, প্ৰশান্ত হাজৰিকা, জয়প্ৰকাশ ভুঞা, সঞ্জীৎ বৰা আদিয়ে বক্তব্য ৰাখি ৰাস আয়োজক সমিতিক চৰকাৰে আৰ্থিক সাহায্য প্ৰদান কৰা, মাজুলী সংযোগী বিশেষকৈ কমলাবাৰী-নিমাতী পাৰঘাটৰ যাতায়াত ব্যৱস্থা সুচল কৰি ৰখা, অন্যান্য পাৰঘাটসমূহতো ৰাসৰকেইদিনত পৰ্যাপ্ত ফেৰীৰ ব্যৱস্থা কৰা, বিদ্যুৎ যোগান এতিয়াৰ পৰাই নিয়মীয়া কৰা, ৰাস উৎসৱৰ বাবে এদিন স্থানীয় বন্ধ ঘোষণা কৰা, ভগা-ছিগা পথসমূহ মেৰামতি কৰা, পথৰ দাঁতিৰ হাবি-জংঘল পৰিষ্কাৰ কৰা, নতুন স্পীড ব্ৰেকাৰ স্থাপন আৰু পুৰণি স্পীড ব্ৰেকাৰসমূহ ৰং কৰি জিলিকাই তোলা, মাজুলীৰ মুখ্য দ্বাৰ কমলাবাৰীৰ টুনী দলঙৰ মূৰত থকা তোৰণখনত ৰঙৰ ব্যৱস্থা কৰা, অবৈধ সুৰাৰ সৰবৰাহ বন্ধ কৰা আদি বিভিন্ন দিশত গুৰুত্ব দিবলৈ জিলা প্ৰশাসনক আহ্বান জনায়। জিলা আয়ুক্তই পৰ্যটকৰ আকৰ্ষণ বৃদ্ধিৰ বাবে টুনী নদীত নদী পৰ্যটনৰ ব্যৱস্থা কৰাৰ লগতে সুন্দৰভাৱে ৰাসোৎসৱ উদ্‌যাপনত সকলোৰে সহযোগিতা বিচাৰে। আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে ৰাস উৎসৱ সফল ৰূপায়ণৰ বাবে যথাসম্ভৱ সকলো ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰাৰ লগতে বাৰ্ষিক আধ্যাত্মিক উৎসৱত এক পৰিৱেশ সৃষ্টিৰ পোষকতা কৰি ঘৰৰ লগতে ৰাস উদ্‌যাপনস্থলীত বন্তি প্ৰজ্বলনৰ পোষকতা কৰি আয়োজক সমিতিক তৎপৰ হ'বলৈ আহ্বান জনায় আৰু মাজুলীৰ বাহিৰৰ দৰ্শনাৰ্থীয়ে যাতে এটা ভাল বাৰ্তা লৈ যায় তাৰ প্ৰতি গুৰুত্ব দিবলৈ আহ্বান জনায়। ২৫ নৱেম্বৰত স্থানীয় বন্ধ দিয়াৰ কথাও ব্যক্ত কৰে। সভাত জিলা আয়ুক্তগৰাকীৰ লগতে জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিন শুভদৰ্শিনী, অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধনদিয়া, অতিৰিক্ত আয়ুক্ত শুভ্ৰম আদিত্য বৰা, অপৰূপা বৰগোহাঁই, ৰাস উদ্‌যাপন সমিতিৰ সভাপতি, সম্পাদকসকল, বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া উপস্থিত থাকে।

তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ দল-সংগঠনৰ

উত্থাপন হোৱাৰ মাজতে পুনৰ নতুন উদ্যোগ স্থাপনৰ যো-জাই স্থানীয় ৰাইজৰ লগতে ডিমৰীয়াৰ বিভিন্ন দল-সংগঠনৰ মাজত তীব্ৰ ক্ষোভ-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কৃষিভূমি, জলসম্পদ, জনস্বাস্থ্য আৰু জৈৱবৈচিত্ৰ্যৰ প্ৰতি ভাবুকিৰ আশংকা প্ৰকাশ কৰি প্ৰস্তাৱিত উদ্যোগটোৰ বিৰোধিতাত সৰৱ হৈ পৰিছে বিভিন্ন দল-সংগঠন। 'প্ৰগ্ৰেছিভ ইনোকেম এল এল পি' নামৰ প্ৰতিষ্ঠানটোৰ এই প্ৰকল্পটো বৰ্তমানৰ প্ৰগ্ৰেছিভ ফাৰ্টিকেম প্ৰাইভেট লিমিটেডৰ এটা ইউনিট হিচাপে স্থাপন কৰাৰ পৰিকল্পনা কৰা হৈছে। প্ৰকল্পটোৰ বাবে প্ৰায় ৬.২৩ হেক্টৰ ভূমি নিৰ্দ্ধাৰণ কৰাৰ লগতে মুঠ ৪৫৩ কোটি টকা বিনিয়োগৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। প্ৰকল্পটোত দৈনিক ২০০ মেট্ৰিক টন ক'ষ্টিক ছ'ডা, ১০০ মেট্ৰিক টন ক্ল'ৰিনেটেড পেৰাফিন মোম, ২০ মেট্ৰিক টন ক্ল'ৰিনেটেড পলিভিনাইল সামগ্ৰী, ৫০ মেট্ৰিক টন পলি এলুমিনিয়াম ক্ল'ৰাইড, ৩০ মেট্ৰিক টন ব্লীচিং পাউডাৰ আৰু ২০ মেট্ৰিক টন ফেৰিক ক্ল'ৰাইড উৎপাদনৰ পৰিকল্পনা কৰা হৈছে। তদুপৰি ২৫ মেগাৱাট ক্ষমতাসম্পন্ন নিজা বিদ্যুৎ উৎপাদন কেন্দ্ৰ স্থাপনৰো প্ৰস্তাৱ আছে। আনহাতে, প্ৰস্তাৱিত উদ্যোগটোৰ বাবে নিৰ্দ্ধাৰণ কৰা ভূমিৰ গাতে লাগি থকা একেটা প্ৰতিষ্ঠানৰ আন এটা উদ্যোগৰ বিৰুদ্ধে ইতিমধ্যে বৃহত্তৰ কৃষিভূমি প্ৰদূষিত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, এম/এছ প্ৰগ্ৰেছিভ ইনোকেম এল এল পিৰ সৈতে জড়িত বৰ্তমানৰ উদ্যোগটোৰ পৰা নিৰ্গত ৰাসায়নিক বৰ্জিত পদাৰ্থই দাঁতিকাষৰীয়া কৃষিভূমি, জলাশয়, নলা-নৰ্দমা আৰু পানীৰ উৎসসমূহৰ ওপৰত বিৰূপ প্ৰভাৱ পেলোৱাৰ অভিযোগ উত্থাপন হৈছে। বিশেষকৈ বৰ্জিত পদাৰ্থত আৰ্ছেনিক থকাৰ অভিযোগ উত্থাপন কৰি ৰাইজে কৃষিভূমিৰ উৰ্বৰতা আৰু পৰিৱেশৰ সুৰক্ষাক লৈ গভীৰ আশংকা প্ৰকাশ কৰিছে। খেতিপথাৰ আৰু জলাশয়লৈ বিষাক্ত বৰ্জিত পদাৰ্থ বিয়পি পৰাৰ ফলত মাছকে ধৰি বিভিন্ন জলজ প্ৰাণীৰ জীৱনলৈও ভাবুকি আহিছে বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। এনে পৰিস্থিতিত পূৰ্বৰ উদ্যোগটোৰ পৰা সৃষ্টি হোৱা প্ৰদূষণৰ অভিযোগৰ নিৰপেক্ষ তদন্ত আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰাকৈ একেটা প্ৰতিষ্ঠানৰ ঔদ্যোগিক পৰিসৰ বৃদ্ধি কৰি পুনৰ বৃহৎ ৰাসায়নিক উদ্যোগ স্থাপনৰ প্ৰচেষ্টাক সহজভাৱে লোৱা নাই ডিমৰীয়াৰ সচেতন ৰাইজে। তেওঁলোকৰ মতে, পূৰ্বৰ উদ্যোগটোৰ পৰা কৃষিভূমি আৰু পৰিৱেশৰ ওপৰত প্ৰভাৱ পৰাৰ অভিযোগৰ মাজতে নতুন উদ্যোগটো কাৰ্যক্ষম হ'লে অঞ্চলটোৰ পৰিস্থিতি অধিক জটিল হোৱাৰ আশংকা আছে। ইফালে, প্ৰস্তাৱিত উদ্যোগটোৰ বাবে যোৱা ৩০ অক্টোবৰত অনুষ্ঠিত ৰাজহুৱা শুনানিক কেন্দ্ৰ কৰিও বিতৰ্কৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, বৃহৎ উদ্যোগ স্থাপনৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ত সংশ্লিষ্ট অঞ্চলৰ জনসাধাৰণক যথাযথভাৱে অৱগত নকৰাকৈ ৰাজহুৱা শুনানি অনুষ্ঠিত কৰা হৈছে। শুনানিক অবৈধ আৰু একপক্ষীয় আখ্যা দি ইয়াৰ স্বচ্ছতা আৰু গ্ৰহণযোগ্যতাক লৈও প্ৰশ্ন উত্থাপন কৰিছে বিভিন্ন দল-সংগঠনে। উল্লেখ্য যে ৰাজহুৱা শুনানিৰ পাছদিনা অৰ্থাৎ ৩১ অক্টোবৰত সদৌ তিৱা ছাত্ৰ সন্থাৰ কামৰূপ জিলা সমিতি, আমৰি কাৰ্বি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতি আৰু সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাই পৃথকে পৃথকে ডিমৰীয়া সমজিলা আয়ুক্তৰ জৰিয়তে প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ সদস্য সচিবলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰৰ জৰিয়তে সংগঠনকেইটাই ৩০ অক্টোবৰৰ ৰাজহুৱা শুনানি অবৈধ ঘোষণা কৰাৰ লগতে প্ৰস্তাৱিত ৰাসায়নিক উদ্যোগটোৰ সম্প্ৰসাৰণ প্ৰক্ৰিয়া বন্ধ কৰাৰ দাবী জনায়। প্ৰশাসন আৰু সংশ্লিষ্ট কৰ্তৃপক্ষই জনস্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰিলে সদৌ তিৱা ছাত্ৰ সন্থা, আমৰি কাৰ্বি ছাত্ৰ সন্থা, সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাকে ধৰি ডিমৰীয়াৰ বিভিন্ন দল-সংগঠনে ঐক্যবদ্ধভাৱে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিছে। প্ৰয়োজন সাপেক্ষে বিষয়টো লৈ উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈ ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰাৰ কথাও সংগঠনকেইটাই ঘোষণা কৰিছে।

নগাঁও, হাইলাকান্দিত চাৰি চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ

হয়। ইপিনে, নগাঁও আৰক্ষীয়ে যোৱা নিশা এক গোপন সূত্ৰৰ পমখেদি নগাঁও চহৰৰ সমীপৰ কাটিমাৰীৰ পৰা দুজন দুৰ্দ্ধৰ্ষ চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নগাঁও সদৰ থানাৰ আৰক্ষীয়ে চাইবাৰ অপৰাধীৰ বিৰুদ্ধে যোৱা নিশা অভিযান চলাই এই সফলতা লাভ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা চাইবাৰ অপৰাধী দুজন নগাঁও সদৰ থানাৰ অন্তৰ্গত ছোট ৰূপহীৰ আফজল হুছেইন আৰু ৰছিদুল হক। দুয়োজন অপৰাধীয়ে চাইবাৰ অপৰাধৰ জৰিয়তে সৰ্বসাধাৰণৰ পৰা লাখ লাখ টকা লুণ্ঠন কৰাৰ তথ্য আৰক্ষীয়ে লাভ কৰিছে। আৰক্ষীয়ে তেওঁলোকৰ জিম্মাৰ পৰা ২২খন এ টি এম কাৰ্ড, ১৯ খন পান কাৰ্ড, ৪খন বেংকৰ চেক, ১০টা ম'বাইল ফোন, ৫০খন ছীম কাৰ্ড জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰামতে, তেওঁলোকে বহিঃৰাজ্যৰ বহু একাউণ্টৰ পৰা প্ৰায় ১৫ কোটি টকা লুটিছিল। এই দুই অপৰাধীৰ লগত বহিঃৰাজ্যৰ আন চাইবাৰ অপৰাধীৰ যোগসূত্ৰ আছে। আৰক্ষীয়ে এই অপৰাধৰ লগত আন কোনো লোক জড়িত আছে নেকি সেয়া অনুসন্ধান চলাই থকাৰ লগতে দুই অপৰাধীক জেৰা অব্যাহত ৰাখিছে

হাইলাকান্দিত গ্ৰেপ্তাৰ দুজন চাইবাৰ অপৰাধীক

হাইলাকান্দিৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ হাইলাকান্দি আৰক্ষীয়ে যোৱা নিশা হাইলাকান্দি জিলাৰ ভিন্ন স্থানৰ পৰা চাইবাৰ অপৰাধ সংঘটিত কৰা ঘটনাৰ লগত জড়িত দুজনক গ্ৰেপ্তাৰ কৰে। হৰীশনগৰ দ্বিতীয় খণ্ড গাঁৱৰ নিজাম উদ্দিন বৰভূঞা (২৫) আৰু হাইলাকান্দি জিলাৰ অলইচৰা চতুৰ্থ খণ্ড গাঁৱৰ ইমৰাণ হুছেইন লস্কৰ (২১) বুলি চিনাক্ত কৰা হৈছে। সূত্ৰসমূহে জনোৱা মতে, তেওঁলোকে গ্ৰাহক সেৱা কেন্দ্ৰৰ কৰ্মীৰূপে ধন সংগ্ৰহ কৰি আছিল আৰু মিউল একাউণ্টলৈ ট্ৰেন্সফাৰ কৰিছিল। মিউল একাউণ্ট হৈছে চাইবাৰ অপৰাধীয়ে অবৈধভাৱে লাভ কৰা বা চুৰি ধন গ্ৰহণ, ৰখা আৰু স্থানান্তৰ কৰিবলৈ ব্যৱহাৰ কৰা এটা বৈধ বেংক একাউণ্ট। ভাৰতীয় ন্যায় সংহিতাৰ ৬১(২), ৩১৬(২), ৩১৭(২), ৩১৮(৪) ধাৰা আৰু তথ্য প্ৰযুক্তি আইনৰ ৬৬ (ডি)ৰ অধীনত কাটলিচৰা থানাত ১৩০/২০২৬ নম্বৰৰ গোচৰ ৰুজু কৰা হৈছে। আৰক্ষীয়ে এই গোচৰৰ তদন্ত আৰম্ভ কৰিছে। আগন্তুক দিনত আৰু অধিক লোক গ্ৰেপ্তাৰ হোৱাৰ সম্ভাৱনা আছে বুলি সূত্ৰই প্ৰকাশ কৰিছে।

শিলচৰত প্ৰতিবাদী

পৰিভ্ৰমণ কৰি কাছাৰৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত উপস্থিত হয়। তাত বিক্ষোভ প্ৰদৰ্শন কৰি সংশ্লিষ্ট অভিযোগসমূহৰ নিৰপেক্ষ তদন্তৰ দাবী জনায় আন্দোলনকাৰীসকলে। তেওঁলোকৰ মতে, সাংস্কৃতিক আৰু শিক্ষাৰ চহৰ শিলচৰৰ জনপ্ৰতিনিধিৰ শিক্ষাগত অৰ্হতাক লৈ এনে বিতৰ্ক অত্যন্ত উদ্বেগজনক। আজিৰ নীৰৱতাই অনাগত প্ৰজন্মৰ ভৱিষ্যৎ বিপন্ন কৰিব পাৰে বুলিও তেওঁলোকে সকীয়াই দিয়ে। উল্লেখ্য যে অহা ৫ নৱেম্বৰত শিলচৰ পৌৰ নিগমৰ নৱনিৰ্বাচিত কাউন্সিলাৰসকলৰ শপতগ্ৰহণ অনুষ্ঠান। ইয়াৰ পূৰ্বে বিতৰ্কিত শিক্ষাগত অৰ্হতাৰ অভিযোগসমূহ নিষ্পত্তি নোহোৱা পৰ্যন্ত সংশ্লিষ্ট কাউন্সিলাৰসকলৰ শপতগ্ৰহণ স্থগিত ৰখাৰ দাবী জনাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে। উল্লেখ্য যে শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনত শাসকীয় দল বিজেপিৰ ছগৰাকী প্ৰাৰ্থীৰ বিৰুদ্ধে ভুৱা প্ৰমাণপত্ৰ জমা দিয়াৰ অভিযোগত শিলচৰ সদৰ আৰক্ষী থানাত কেইবাটাও গোচৰ ৰুজু হৈছিল। পাছত তেওঁলোকক শিলচৰ আদালতে চমন জাৰি কৰিছিল। কিন্তু যোৱা পৌৰ নিগমৰ নিৰ্বাচনত ভুৱা প্ৰমাণপত্ৰ দাখিল কৰি শাসকীয় দলৰ ছগৰাকী প্ৰাৰ্থীয়ে অৱতীৰ্ণ হৈছিল বুলি অভিযোগ উত্থাপন হৈছে। ছেপ্টেম্বৰ মাহত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত কেইবাজনো প্ৰাৰ্থীয়ে শিক্ষাগত অৰ্হতাৰ প্ৰমাণপত্ৰ জাল কৰাৰ অভিযোগ উত্থাপন হৈছিল। তথ্য জনাৰ অধিকাৰ আইনৰ জৰিয়তে সংগ্ৰহ কৰা তথ্যৰ ভিত্তিত নিখিল দাস নামৰ এজন সমাজকৰ্মীয়ে অভিযোগ কৰে যে বিভিন্ন ৱাৰ্ডৰ একাংশ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰৰ লগতে অকৰ্তৃত্বশীল শিক্ষানুষ্ঠানৰ ভুৱা বা ভুৱা প্ৰমাণপত্ৰ দাখিল কৰিছে। আইনী জাননী আৰু আদালতৰ তদন্তৰ সন্মুখীন হোৱা প্ৰাৰ্থীসকলৰ ভিতৰত আছে ৬ নং ৱাৰ্ডৰ প্ৰাৰ্থী কাঞ্চন দেৱ, ৮ নং ৱাৰ্ডৰ প্ৰাৰ্থী মহীতোষ মণ্ডল, ১৪ নং ৱাৰ্ডৰ প্ৰতীক্ষা দেৱ, ১৫ নং ৱাৰ্ডৰ পাপলি কৰ্মকাৰ, ২১ নং ৱাৰ্ডৰ সুমনা দাস, ১৭ নং ৱাৰ্ডৰ অগপ প্ৰাৰ্থী মিয়া খান। তেওঁলোকৰ বিৰুদ্ধে গোচৰ ৰুজু হৈছিল। এই অভিযোগৰ পাছতে অসম ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া আৰু স্থানীয় বিজেপি নেতাসকলে দাবী কৰে যে প্ৰাৰ্থীসকলক তেওঁলোকৰ সকলো নথি-পত্ৰ পৰীক্ষা কৰি টিকট দিয়া হৈছিল আৰু এই অভিযোগ সম্পূৰ্ণ ভিত্তিহীন। যিহেতু এই গোচৰ আদালতত বিচাৰাধীন হৈ আছে, গতিকে আদালতে চূড়ান্ত সিদ্ধান্ত ল'ব বুলিও দলৰ পক্ষৰ পৰা জানিবলৈ দিয়ে। উল্লেখ্য যে নিৰ্বাচন আয়োগৰ তদন্তৰ সময়ত বিজেপি আৰু কংগ্ৰেছ প্ৰাৰ্থীৰ প্ৰায় সকলো মনোনয়ন পত্ৰ প্ৰয়োজনীয় প্ৰাথমিক পৰীক্ষণৰ অন্তত বৈধ বুলি ঘোষণা কৰা হৈছিল। কিন্তু প্ৰমাণপত্ৰ জালিয়াতিৰ বিষয়টোক লৈ ৰাজনৈতিক আৰু আইনী বিতৰ্ক অব্যাহত আছে। এই ছগৰাকী প্ৰাৰ্থীয়ে সাধাৰণ শ্ৰেণীৰ বাবে বি এ আৰু অনুসূচিত জাতিৰ প্ৰাৰ্থীয়ে ঝাৰখণ্ড, তামিলনাড়ু, পশ্চিমবংগ, ছিকিম আদি ঠাইৰ পৰা শিক্ষাগত অৰ্হতাৰ প্ৰমাণপত্ৰ দাখিল কৰিছিল।

গহপুৰত দুৰ্ঘটনাত

ওলাই খোজকাঢ়ি ঘৰলৈ গৈ থকা অৱস্থাত একে দিশেৰে অহা এ এছ-৩১ চি-৬৩৮৮ নম্বৰৰ এখন বাজাজ ৰেগ' তিনিচকীয়া ইলেক্ট্ৰিক অটোৱে মহিলাগৰাকীক পিছফালৰ পৰা খুন্দিয়ায়। ফলত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় বৃদ্ধাগৰাকী। পৰৱৰ্তী সময়ত পৰিয়ালৰ লোকে তেওঁক উন্নত চিকিৎসাৰ বাবে বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মহিলাগৰাকীক মৃত বুলি ঘোষণা কৰে। সৰবৰহী মহিলাগৰাকীৰ আকস্মিক মৃত্যুৰ বাতৰিয়ে সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পেলাইছে। উল্লেখ্য যে কলিমা গগৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৰঙাজান প্ৰাথমিক শাখাৰ এগৰাকী সক্ৰিয় সদস্য আছিল। মৃত্যুৰ সময়ত তেওঁ এগৰাকী পুত্ৰৰ লগতে তিনিগৰাকী বিবাহিত কন্যাক এৰি যায়। দুৰ্ঘটনা সংঘটিত কৰা ইলেক্ট্ৰিক অটোখন হেলেম আৰক্ষীয়ে জব্দ কৰি ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে।

এ বি এম এছ ইউৰ

জিলা কমিটীয়ে। তামুলপুৰ জিলা কমিটীৰ সাধাৰণ সম্পাদক বাবুল আলী স্বাক্ষৰিত এক বিবৃতি প্ৰকাশ কৰিছে। উল্লেখ্য যে যোৱা ১ নৱেম্বৰৰ নিশা গোৰেশ্বৰ-বাইহাটা চাৰিআলিৰ পথৰ গেৰুৱাত তামুলপুৰ জিলা কমিটীৰ শিক্ষা সম্পাদক চৈয়দ মনিৰ আহমেদ আৰু গোৰেশ্বৰ আঞ্চলিক কমিটীৰ সভাপতি চৈয়দ নৰুল হকে ডাম্পাৰ ৰখাই সংগঠনৰ নামত অবৈধভাৱে ধন সংগ্ৰহ কৰিছিল। এই ঘটনাৰ লগে লগে ফেচবুক আৰু প'ৰ্টেলত প্ৰচাৰ হোৱাত কেন্দ্ৰীয় কমিটীৰ নিৰ্দেশ মৰ্মে জিলা কমিটীয়ে দুয়োজন সদস্যকে সাধাৰণ সদস্য পদৰ পৰা নিলম্বন কৰে।

SRIMANTA SANKARADEVA UNIVERSITY OF HEALTH SCIENCES
(A State University of Assam)
Narakasur Hilltop, Bhangagarh, Guwahati-32, Assam, India
Phone: 09531462050 (O) E-mail: ssuhs@assam.gov.in *Website:* www.ssuhs.ac.in

No. SSUHS/201/2010/Pt.V/৫০৬২

EDUCATIONAL NOTICE
(Extension of Last Date for Submission of Application Forms for Ph.D. Entrance Test – 2026)

This is for information of all concerned that the last date for submission of application forms for admission to the Ph.D. Programme under Srimanta Sankaradeva University of Health Sciences for the session 2026 has been extended up to **9th November, 2026, till 4:00 P.M.** Candidates who have already submitted their applications are not required to apply again.

It is further notified that the written entrance test for admission to the Ph.D. Programme for the session 2026 will be held on **27th November, 2026 (Friday), from 11:00 A.M. onwards** at the University premises.

Applications, along with supporting testimonials, are invited from eligible candidates belonging to Health Sciences and Allied Health Sciences for appearing in the entrance test for admission to the Ph.D. Programme in the faculties of Allopathic Medicine, Dentistry, Ayurvedic Medicine, Nursing, Pharmacy and Allied Health Sciences under Srimanta Sankaradeva University of Health Sciences.

Intending candidates are required to apply online through the Google Form link available on the University website www.ssuhs.ac.in. The duly filled-in application form, along with the payment receipt and other supporting documents, must be submitted through the prescribed Google Form. Hard copies of the application form, along with all relevant documents submitted through the Google Form, must also be sent to the following address:

The Registrar (Academic)
Srimanta Sankaradeva University of Health Sciences
Narakasur Hilltop, Bhangagarh, Guwahati – 781032, Assam.

Candidates possessing qualifications in subjects not falling under Medical Education and AYUSH are advised not to apply for the Ph.D. Programme under this University.

The eligibility criteria, application fees, updated seat matrix for the Ph.D. Entrance Test, and the Rules for the Award of the Degree of Doctor of Philosophy (Ph.D.), as amended up to 10th July, 2024, are available on the University website.

All concerned candidates are advised to take note of the extended deadline and submit their applications within the stipulated time.

Sd/-
Registrar (Academic)
Srimanta Sankaradeva University of Health Sciences

DIPR/D/DA/483/4-Nov-26

তেজ দি হ'লেও মাটি ৰখাৰ হুংকাৰ ■ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদক সকীয়নি তিনি সংগঠনৰ

পাম্প ষ্ট'ৰেজৰ নামত ভূমি হস্তান্তৰৰ বিৰোধিতা

দৈনিক অসমৰ প্ৰতিনিধি
বৈঠালাংছ', ৩ নৱেম্বৰ ঃ পাহাৰীয়া জিলা পশ্চিম কাৰ্বি আংলঙৰ বৈঠালাংছ'ত আজি ভূমি সুৰক্ষাৰ দাবীৰে এক ব্যাপক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অটোনমাছ পিপল মুভমেণ্ট, সদৌ তিৱা ছাত্ৰ সন্থা আৰু কাৰ্বি যুৱ ছাত্ৰ পৰিষদ নামৰ তিনিটাকৈ সংগঠনে যুটীয়াভাৱে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি চৰকাৰ তথা স্বায়ত্তশাসিত পৰিষদৰ নীতিৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰে। পাহাৰীয়া জিলাখনত পাম্প ষ্ট'ৰেজ প্ৰকল্প নিৰ্মাণৰ নামত পুঁজিপতিক খিলঞ্জীয়াৰ ভূমি হস্তান্তৰ কৰাৰ পৰিকল্পনা, জনজাতীয় নেতা প্ৰণৱ দলেৰ দীৰ্ঘদিনীয়া কাৰাবাস আৰু আন্তঃৰাজ্যিক তথা আন্তঃজিলা সীমা সমস্যা শীঘ্ৰে সমাধানৰ দাবীতে এই কাৰ্যসূচী গ্ৰহণ কৰা হয়। উক্ত প্ৰতিবাদী কাৰ্যসূচীত অটোনমাছ পিপ্‌ল মুভমেণ্টৰ দোৱাৰ আমলা পৰিষদীয় সমষ্টিৰ মুখপাত্ৰ ৰামছিং টকবী, মুখ্য আহ্বায়ক আংতং ইংতিকাথাৰ, আহ্বায়ক ৰবিন্দ্ৰ ৰংপী, মুখপাত্ৰ ছাৰছিং ইংলেং, সদৌ তিৱা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰমোদ ছাগ্ৰা আৰু কাৰ্বি যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক এডিচন টকবীকে ধৰি অন্যান্য নেতাসকলে অংশগ্ৰহণ কৰে। প্ৰতিবাদী সভাত অটোনমাছ পিপ্‌ল মুভমেণ্টৰ মুখপাত্ৰ ছাৰছিং ইংলেঙে চৰকাৰ আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ভূমিকাক কঠোৰ ভাষাৰে সমালোচনা কৰি কয় যে বৰ্তমানৰ বিজেপি নেতৃত্বাধীন কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ দিনত উন্নয়ন আৰু পাম্প ষ্ট'ৰেজ প্ৰকল্পৰ নামত পশ্চিম কাৰ্বি আংলঙৰ হাজাৰ হাজাৰ বিঘা খিলঞ্জীয়াৰ ভূমি পুঁজিপতিক গতাই দিয়াৰ এক সুপৰিকল্পিত চৰকাৰী ষড়যন্ত্ৰ চলিছে। ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত কাৰ্বি, ডিমাচা, তিৱা আদি খিলঞ্জীয়া জনজাতিয়ে যুগ যুগ ধৰি এই ভূমিত বসবাস কৰি আহিছে আৰু ভূমিৰ আইনী অধিকাৰ খিলঞ্জীয়াৰ হাততেই ন্যস্ত আছে। কিন্তু অত্যন্ত পৰিতাপৰ বিষয় যে এই ভূমি বৃহৎ কৰ্প'ৰেট গোষ্ঠীসমূহক গতাই দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ইতিপূৰ্বে দহ হাজাৰ বিঘাৰো অধিক মাটি এপিডিচিএলক হস্তান্তৰ কৰাৰ পাছত বৰ্তমান তুলিৰাম ৰংহাং নেতৃত্বাধীন পৰিষদে থাৰাকুপ্পী, ঔগুৰি, বাজংলেকথে,



বৈঠালাংছ' আদি বিভিন্ন এলেকাত হাজাৰ হাজাৰ বিঘা মাটি নতুনকৈ এপিডিচিএলৰ বাবে আবণ্টন দি খিলঞ্জীয়া লোকসকলক উচ্ছেদ কৰাৰ আঁচনি হাতত লৈছে। তেওঁ কয় যে খিলঞ্জীয়া জনজাতিয়ে চৰকাৰৰ এই ষড়যন্ত্ৰ কেতিয়াও সফল হ'বলৈ নিদিয়ে। প্ৰয়োজনসাপেক্ষে তেজ দি হ'লেও নিজৰ মাটি ৰক্ষা কৰা হ'ব আৰু আম্বানি-আদানিৰ হাতত খিলঞ্জীয়াৰ ভূমি কোনোপধ্যেই তুলি দিবলৈ দিয়া নহ'ব। পৰিষদৰ মূল দায়িত্ব আছিল এই পিছপৰা অঞ্চলসমূহৰ তিৱা, কাৰ্বি, ডিমাচা ৰাইজক যাতায়াত, শিক্ষা আৰু জৰুৰী মৌলিক সুবিধাখিনি আগবঢ়োৱা। কিন্তু তাৰ পৰিবৰ্তে নিজৰ ভূমিত খিলঞ্জীয়া মানুহখিনিক শৰণাৰ্থী সজোৱাৰ চেষ্টা চলাইছে বুলি তেওঁ তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। এই সভাৰ জৰিয়তে স্বায়ত্তশাসিত পৰিষদক সতৰ্ক কৰি দিয়া হয় যে থাৰাকুপ্পী, ঔগুৰি, বাজংলেকথে, উমচুৰাই, মলাই, লাংচিংবাৰ, জিৰিকিন্দেং, ওমৰু, লাংছ'মেপী আদি অঞ্চলত মাটি হস্তান্তৰ কৰাৰ পদক্ষেপ শীঘ্ৰে প্ৰত্যাহাৰ কৰা নহ'লে অটোনমাছ পিপ্‌ল মুভমেণ্টে আগভাগ লৈ এক তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব। এই পৰিস্থিতিৰ বাবে মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং দায়ী বুলি প্ৰতিবাদস্থলীৰ পৰা কোৱা হয়। উল্লেখ্য যে পাহাৰীয়া জিলাখনৰ দীৰ্ঘদিনীয়া সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ নকৰিলে আৰু জনজাতীয় নেতা প্ৰণৱ দলেক বিনাচৰ্তে শীঘ্ৰে মুকলি কৰি নিদিয়া পৰ্যন্ত এই সংগ্ৰাম অব্যাহত থাকিব বুলিও প্ৰতিবাদী সংগঠনসমূহে সকীয়াই দিয়ে।

নদীবান্ধবিৰোধী বন্ধত স্তব্ধ অৰুণাচলৰ তিনি জিলাৰ জনজীৱন

আপাৰ চিয়াঙত বন্ধ ইণ্টাৰনেট সেৱা

দৈনিক অসমৰ প্ৰতিনিধি
জোনাই, ৩ নৱেম্বৰ ঃ অৰুণাচল প্ৰদেশৰ আপাৰ চিয়াং জিলাৰ সদৰ য়িংকিয়ঙকে ধৰি জিলাখনৰ একাংশ অঞ্চলত দেওবাৰে নিশাৰ পৰা মোবাইল ইণ্টাৰনেট আৰু অন্যান্য যোগাযোগ সেৱা ব্যাহত হোৱা বুলি জানিব পৰা গৈছে। চিয়াং ইণ্ডিজেনাছ ফাৰ্মাৰ্ছ ফ'ৰাম আৰু চিয়াং আপাৰ মাল্টিপাৰপাছ প্ৰজেক্টৰ দ্বাৰা প্ৰভাৱিত এলেকাৰ যুৱ সংগঠনে আহ্বান জনোৱা ৩৬ ঘণ্টীয়া বন্ধৰ সময়তে এই যোগাযোগ ব্যৱস্থা ব্যাহত হোৱাৰ খবৰ পোৱা গৈছে। এই বন্ধৰ ফলত জিলাখনৰ স্বাভাৱিক জনজীৱন প্ৰায় স্তব্ধ হৈ পৰে। শেহতীয়াকৈ চিয়াং আপাৰ মাল্টিপাৰপাছ প্ৰজেক্ট বিৰোধী আন্দোলনৰ সময়ত পাছিঘাটত আটক কৰা ব্যক্তিসকলক বিনাচৰ্তে মুক্তি দিয়াৰ দাবীত প্ৰতিবাদকাৰী সংগঠন দুটাই চিয়াং, আপাৰ চিয়াং আৰু পূব চিয়াং জিলা বন্ধৰ কাৰ্যসূচী গ্ৰহণ কৰিছিল। উল্লেখ্য যে প্ৰস্তাৱিত ১১,২০০ মেগাৱাট শক্তিসম্পন্ন চিয়াং আপাৰ মাল্টিপাৰপাছ প্ৰজেক্টক কেন্দ্ৰ কৰি অঞ্চলটোত দীৰ্ঘদিন ধৰি তীব্ৰ প্ৰতিবাদ, বিৰোধিতা অব্যাহত আছে। থলুৱা সংগঠন, সমাজকৰ্মী আৰু স্থানীয় ৰাইজৰ আশংকা অনুসৰি, এই বৃহৎ জলবিদ্যুৎ প্ৰকল্প ৰূপায়ণ হ'লে বিস্তীৰ্ণ পৈতৃক ভূমি জলমগ্ন হোৱাৰ লগতে বহু থলুৱা পৰিয়ালৰ স্থানচ্যুতি ঘটিব। তদুপৰি হিমালয়ৰ পৰিৱেশতন্ত্ৰৰ ওপৰতো ইয়াৰ বিৰূপ প্ৰভাৱ পৰাৰ আশংকা প্ৰকাশ কৰিছে বিভিন্ন দল-সংগঠনে। শেহতীয়াকৈ পূব চিয়াং জিলাৰ পাছিঘাটত চিয়াং আপাৰ মাল্টিপাৰপাছ প্ৰকল্প বিৰোধী প্ৰতিবাদক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সংঘাতৰ পাছতে পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে। উক্ত ঘটনাৰ সৈতে জড়িত কৰি আৰক্ষীয়ে কেইবাটাও গোচৰ ৰুজু কৰাৰ লগতে স্থানীয় কৰ্মী, যুৱ নেতা আৰু কিশোৰসহ মুঠ ২৬গৰাকী লোকক গ্ৰেপ্তাৰ কৰা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। ইফালে, আপাৰ চিয়াং জিলাত যোগাযোগ সেৱা ব্যাহত হোৱাৰ ফলত স্থানীয় ৰাইজে দৈনন্দিন কাম-কাজ, ব্যৱসায়-বাণিজ্য আৰু পৰস্পৰৰ সৈতে যোগাযোগ স্থাপনৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছে। বন্ধৰ পৰিস্থিতি সন্দৰ্ভত নিৰ্ভৰযোগ্য তথ্য লাভ কৰাতো অসুবিধাৰ সৃষ্টি হৈছে। বন্ধ ইতিমধ্যে শান্তিপূৰ্ণভাৱে সমাপ্ত হৈছে যদিও বৰ্তমানেও ইণ্টাৰনেট সেৱা কৰ্তন কৰা হৈছে বুলি অভিযোগ উত্থাপন কৰাৰ উপৰি প্ৰতিবাদী সংগঠনসমূহে এই যোগাযোগ কৰ্তনৰ ঘটনাক লৈ অসন্তুষ্টি প্ৰকাশ কৰি ইয়াক জনসাধাৰণৰ প্ৰতিবাদী কণ্ঠ ৰোধ কৰাৰ চেষ্টা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে।



আনহাতে, আপাৰ চিয়াং মাল্টিপাৰপাছ প্ৰকল্পৰ যিকোনো কাৰ্যসূচীৰ প্ৰতি সমৰ্থন জনাবলৈ আয়োজক সংগঠনসমূহে ৰাজ্যখনৰ বিভিন্ন ছাত্ৰ সংগঠন, সামাজিক-সাংস্কৃতিক সংগঠন আৰু নাগৰিক সমাজৰ প্ৰতিনিধিসকলক আহ্বান জনাইছে। থলুৱা জনসাধাৰণৰ অধিকাৰ, ঐতিহাসিক ভূমি আৰু ভৱিষ্যৎ প্ৰজন্মৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে ঐক্যবদ্ধ আন্দোলনৰ প্ৰয়োজনীয়তা আছে বুলি সংগঠনসমূহে মত প্ৰকাশ কৰিছে। একে সময়তে ইণ্টাৰনেট সেৱা কেতিয়া পুনৰ স্বাভাৱিক হ'ব আৰু আটকাধীন লোকসকলৰ মুক্তিৰ বিষয়টো কেতিয়া সমাধান হ'ব, সেই সন্দৰ্ভত স্থানীয় ৰাইজে প্ৰশাসনৰ আনুষ্ঠানিক ঘোষণালৈ অপেক্ষা কৰিছে। আটকাধীন লোকসকলক যদিহে শীঘ্ৰেই মুকলি কৰি নিদিয়ে তেন্তে বান্ধ বিৰোধী সংগঠনসমূহে অতি কম সময়ৰ ভিতৰত উপায়ুক্তৰ কাৰ্যালয় ঘেৰাওকে ধৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। ইপিনে লৱাৰ দিবাং ভেলী জিলাৰ সদৰ ঠাই ৰয়িঙতো আজি বান্ধবিৰোধী সহস্ৰাধিক লোকে প্ৰতিবাদী ৰেলী উলিওৱা পৰিলক্ষিত হয়। হাতে হাতে প্লেকাৰ্ড লৈ এন এইচ পি চি গ' বেক, বৃহৎ নদীবান্ধ বাতিল কৰক , পেমা খাণ্ডু হায় হায় আদি ধ্বনিৰে ৰয়িং চহৰৰ পৰিৱেশ উত্তাল কৰি তোলে।

নথি জালিয়াতিৰে দৰিদ্ৰ কৃষকৰ ভূমি বিক্ৰী

ৰঙিয়াত প্ৰৱঞ্চক আইদুল ইছলামৰ পাঁচ সহযোগীক গ্ৰেপ্তাৰ

দৈনিক অসমৰ প্ৰতিনিধি
ৰঙিয়া, ৩ নৱেম্বৰ ঃ নকল ছীল-মোহৰ প্ৰস্তুত কৰি নথি জালিয়াতিৰে ৰাইজক প্ৰৱঞ্চনা কৰি অহা প্ৰৱঞ্চক ৰঙিয়াৰ আইদুল ইছলামৰ স্বীকাৰোক্তিৰ ভিত্তিত তেওঁৰ পাঁচজনকৈ সহযোগীক ৰঙিয়া আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হৈছে । তেওঁলোক ক্ৰমে ইয়াছিন আলী, হবিবৰ ৰহমান, মিৰাজুল আলী, আমজেদ আলী আৰু ৰিয়াজুল আলী। ৰঙিয়া সমজিলাৰ উপ-আৰক্ষী অধীক্ষক ত্ৰিনয়ন দত্তৰ নেতৃত্বত আৰক্ষীৰ দল এটাই যোৱানিশা ৰঙিয়াৰ উদিয়ানা অঞ্চলত অভিযান চলাই এই লোককেইজনক আটক কৰে। অভিযোগ অনুসৰি এই পাঁচজন লোকে আইদুলৰ লগ লাগি নথি জালিয়াতিৰে ৰঙিয়াৰ উদিয়ানা, বালাগাঁও, ভাতকুছি, বৰকুকুৰীয়া, নোনাপাৰ আদি অঞ্চলৰ কৃষক ৰাইজৰ সাতামপুৰুষীয়া ভূমি হস্তগত কৰি বহিৰাগত বণিক গোষ্ঠীক বিক্ৰী কৰি আহিছিল। সম্প্ৰতি আইদুল সমন্বিতে আটাইকেইজন লোককে ৰঙিয়া থানাত জেৰা চলাই থকা হৈছে। উল্লেখ্য যে যোৱা ৩১ অক্টোবৰত ৰঙিয়া সমজিলা আয়ুক্তৰ নিৰ্দেশ ক্ৰমে ৰঙিয়া আৰক্ষীয়ে চহৰখনৰ হাইৰে চ'কত এক অভিযান চলাই আইদুল ইছলাম নামৰ মহাপ্ৰৱঞ্চকজনক গ্ৰেপ্তাৰ কৰিছিল। প্ৰথম অৱস্থাত তেওঁ নিজকে ৰঙিয়া ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ এজন তৰণী বুলি চিনাকি দি আৰক্ষীক বিভ্ৰান্ত কৰাৰ চেষ্টা কৰিছিল যদিও আৰক্ষীয়ে তেওঁৰ পীতাম্বৰ হাটবজালীস্থিত ঘৰত অভিযান চলোৱাৰ লগে লগে সকলো গোমৰ ফাঁক হৈ পৰে। আৰক্ষীয়ে মহাপ্ৰৱঞ্চক আইদুল ইছলামৰ ঘৰৰ পৰা সেইদিনা ১৬৮টাকৈ ভুৱা ছীল-মোহৰৰ উপৰি নগদ ১,১১,০০০ টকা জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে পাছত এই ছীল মোহৰসমূহ পৰীক্ষা কৰাত সেই সকলোবোৰ ছীল মোহৰেই ভুৱা বুলি নিশ্চিত হয় আৰু তেওঁৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰে। আৰক্ষীয়ে পাছত আইদুলক ৰঙিয়া মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰাই ৩ দিনৰ জিম্মাত লয়। প্ৰাপ্ত তথ্য মতে আৰক্ষীয়ে যোৱা তিনি দিনে আইদুলক জেৰা চলাই কেতবোৰ বিস্ফোৰক তথ্য লাভ কৰিবলৈ সক্ষম হৈছে। আৰক্ষীৰ সূত্ৰে জানিব পৰামতে আইদুলে বিগত ১৫ বছৰ ধৰি ৰঙিয়াত ভূমিৰ নকল দলিলৰ উপৰি অন্যান্য বিভিন্ন ভুৱা নথি জালিয়াতিৰে প্ৰস্তুত কৰি প্ৰতি মাহে লাখ লাখ টকা উপাৰ্জন কৰি আহিছিল। আৰক্ষীয়ে আইদুলৰ ঘৰত তালাচী চলাই জব্দ কৰা ছীলসমূহৰ ভিতৰত কামৰূপ, নলবাৰী, তামুলপুৰ, দৰং আদি জিলাৰ আয়ুক্ত, সহকাৰী আয়ুক্ত, উপ-পঞ্জীয়ক, ৰাজহ চক্ৰ বিষয়া, মণ্ডল, দণ্ডাধীশ আদিৰ ছীল আছে বুলি জানিব পৰা গৈছে। আইদুলে বিগত ১৫ বছৰ ধৰি এই ভুৱা ছীল মোহৰসমূহ ব্যৱহাৰ কৰি অগণন লোকক যোগান ধৰি আহিছিল ভূমি সংক্ৰান্তীয় বিভিন্ন নথি আৰু দলিল। ৰঙিয়া ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, ৰঙিয়া সমজিলা আয়ুক্ত কাৰ্যালয়, কামৰূপ জিলা আয়ুক্তৰ কাৰ্যালয়, ৰঙিয়া উপ-পঞ্জীয়কৰ কাৰ্যালয় আদিত আছিল আইদুলৰ অবাধ আহ-যাহ। বহু তৰণী অথবা মহৰিয়ে কৰি দিব নোৱাৰা ভূমি সংক্ৰান্তীয় কাম আইদুলে চাৰি-পাঁচ দিনৰ ভিতৰতে সমাধা কৰি দিছিল। সেয়েহে দিনক দিনে বৃদ্ধি পাইছিল আইদুলৰ কদৰ। শেহতীয়াকৈ জানিব পৰা মতে আইদুলে ষ্টেট বেংক, বন্ধন বেংক, এইচ ডি এফ চি বেংক আদিত যিকোনো লোককে ঋণৰ ব্যৱস্থা কৰাই দিব পাৰিছিল। ভাৰতীয় ষ্টেট বেংকৰ ভালেমান শাখাৰ প্ৰবন্ধক তথা আন বিষয়াৰ সৈতে আইদুলৰ আছিল অত্যন্ত মধুৰ সম্পৰ্ক। ঋণ কৰাই দিয়াৰ নামতো আইদুলে প্ৰতিমাহে কেইবা লাখ টকা সৰকাবলৈ সক্ষম হৈছিল। সম্প্ৰতি আৰক্ষীৰ হাতত আটক হোৱা পাঁচ সহযোগীৰ জেৰাৰ অন্তত আৰু বহু বিস্ফোৰক তথ্য উদ্‌ঘাটন হোৱাৰ আশা প্ৰকাশ কৰিছে আৰক্ষীয়ে।

৮০ বছৰত ডিব্ৰুগড়ৰ এ এম চি এইচ

দৈনিক অসমৰ প্ৰতিনিধি
ডিব্ৰুগড়, ৩ নৱেম্বৰ ঃ চিকিৎসা শিক্ষা, গৱেষণা আৰু জনস্বাস্থ্যৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ এক উজ্জ্বল নক্ষত্ৰ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় (এ এম চি এইচ)। ৭৯টা গৌৰৱোজ্জ্বল বৰ্ষ অতিক্ৰম কৰি ৮০ বছৰত ভৰি দিয়া দেশৰ ঐতিহ্যমণ্ডিত চিকিৎসা প্ৰতিষ্ঠানটোৱে আজি উদ্‌যাপন কৰিলে ৮০ সংখ্যক প্ৰতিষ্ঠা দিৱস। এই ঐতিহাসিক ক্ষণত প্ৰতিষ্ঠানটোৰ উন্নয়নৰ বাবে ধনৰ অভাৱ হ'বলৈ দিয়া নহ'ব বুলি দৃঢ় আশ্বাস প্ৰদান কৰি ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংঘলে কয়, অসমত ধনৰ অভাৱ নাই, অভাৱ কেৱল সদিচ্ছাৰ। ধন আৰু মনেৰে একেলগে কাম কৰিলে উন্নয়নৰ প্ৰতিটো লক্ষ্যত উপনীত হোৱাটো সম্ভৱ। মহাবিদ্যালয়খনৰ জন বেৰী হোৱাইট প্ৰেক্ষাগৃহত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে স্বাস্থ্যমন্ত্ৰী অশোক সিংহল। সভাত মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰতিবেদন পাঠ কৰাৰ লগতে মন্ত্ৰীগৰাকীৰ উপস্থিতিত উন্মোচন কৰা হয় 'এমকল' শীৰ্ষক বাৰ্ষিক স্মৃতিগ্ৰন্থ। প্ৰতিষ্ঠা দিৱসৰ মঞ্চৰ পৰাই স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে বৰ্তমান সমাজত উদ্বেগজনকভাৱে বৃদ্ধি পোৱা বিভিন্ন জীৱনশৈলীৰ ৰোগৰ প্ৰসংগ উত্থাপন কৰে। কেৱল ৰোগীৰ চিকিৎসা কৰাই চিকিৎসকসকলৰ একমাত্ৰ দায়িত্ব নহয়, এখন সুস্থ আৰু স্বাস্থ্যৱান সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰতো চিকিৎসকসকলে অগ্ৰণী ভূমিকা পালন কৰিব লাগিব বুলি মন্তব্য কৰে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে। অনুষ্ঠানত ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, বিধায়ক তৰংগ গগৈ, চক্ৰধৰ গগৈ, এ এম চি এইচৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতি, উপাধ্যক্ষ ডাঃ ৰীমা নাথ, অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাৰ লগতে কেইবাগৰাকীও জ্যেষ্ঠ চিকিৎসক, অধ্যাপক আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰতিষ্ঠা দিৱসৰ উপলক্ষে শৈক্ষিক উৎকৰ্ষতাৰ স্বীকৃতি স্বৰূপে মহাবিদ্যালয়খনৰ বিভিন্ন বিভাগৰ লগতে স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ কৃতী শিক্ষাৰ্থীসকলক বঁটা প্ৰদান কৰা হয়।

সৌৰশক্তিচালিত লাইট জ্বলাই নিশা তৎপৰ হৈ পৰে বালি মাফিয়া

ডুমডুমাত অবাধে চলিছে বালি খনন

দৈনিক অসমৰ প্ৰতিনিধি
ডুমডুমা, ৩ নৱেম্বৰ ঃ সৌৰশক্তি চালিত ছ'লাৰ লাইট জ্বলাই নিশা বালি ব্যৱসায়ীয়ে নদীত বালিৰ খননকাৰ্য চলাই পুৱা ৭ বজাৰ ভিতৰত দূৰ-দূৰণিলৈ বালি পৰিবহন কৰিবলৈ লোৱা ঘটনাই তিনিচুকীয়া জিলাৰ ডুমডুমাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ অনুসৰি ডুমডুমা বন সংমণ্ডলৰ বন প্ৰাধিকাৰী আৰু ডুমডুমা আঞ্চলিক বন বিষয়াক দমন নীতিৰে এগৰাকী প্ৰভাৱশালী ৰাজনৈতিক নেতাৰ প্ৰভাৱ খটুৱাই বালি ব্যৱসায়ীয়ে ডুমডুমাত বালি মহলৰ নিবিদা বন্ধ কৰাই নিজে উঠিৰজা-বহিৰজা হৈ নদীত বালি খনন আৰু বালি পৰিবহন অব্যাহত ৰাখিছে। উল্লেখ্য যে তিনিচুকীয়া জিলাৰ ডুমডুমা অঞ্চলৰ ডিব্ৰু নদী, মৈলাজান নৈ আৰু ডুমডুমা নদীত বালিৰ অবৈধ খনন আৰু পৰিবহন চলি থকা সন্দৰ্ভত 'দৈনিক অসম' কাকতত ধাৰাবাহিকভাৱে বাতৰি পৰিৱেশন হোৱাৰ পাছত ডুমডুমা বন সংমণ্ডলৰ অন্তৰ্গত ডুমডুমা আঞ্চলিক বন কাৰ্যালয়ত যোৱা ৩০ অক্টোবৰত আঞ্চলিক বন বিষয়াৰ সৈতে বালি ব্যৱসায়ীসকলে এক ৰুদ্ধদ্বাৰ বৈঠকত মিলিত হৈছিল। ডুমডুমা আঞ্চলিক বন কাৰ্যালয়ত বন বিষয়াৰ সৈতে বালি ব্যৱসায়ীসকলে ৰুদ্ধদ্বাৰ বৈঠকত মিলিত হোৱাৰ মূলতে যিকোনো পৰিস্থিতিত নদীত বালি খনন কৰি বালি সৰবৰাহৰ বাট মুকলি কৰি দিয়াটোৱেই বৈঠকৰ কাৰণ আছিল বুলি অভিযোগ উঠিছিল। ডুমডুমা বন প্ৰাধিকাৰীগৰাকীৰ জ্ঞাতসাৰেই ডুমডুমা আঞ্চলিক বন কাৰ্যালয়ত বন বিষয়াৰে বালি ব্যৱসায়ীসকলে বৈঠকত মিলিত হোৱাৰ পাছত বালি ব্যৱসায়ীয়ে নদীত বালি খনন আৰু বালি পৰিবহনৰ নতুন কৌশল অৱলম্বন কৰিছে বুলি অভিযোগ উঠিছে। বালি ব্যৱসায়ীয়ে নিশা অন্ধকাৰত নদীত বালি খনন কৰিবৰ বাবে সৌৰশক্তি চালিত লাইট জ্বলাই শ্ৰমিকক বালি খনন কাৰ্যত ব্যৱহাৰ কৰিছে বুলি অভিযোগ উঠিছে। যোৱা ৩০ অক্টোবৰত নিজৰ চৰকাৰী কাৰ্যালয়ত বালি ব্যৱসায়ীৰ সৈতে বৈঠকত মিলিত হোৱা বন বিষয়াগৰাকীয়ে যোৱা ২৮ অক্টোবৰত তিনিচুকীয়াত মুখ্যমন্ত্ৰী উপস্থিত হোৱাৰ কেইঘণ্টামান আগে আগে বালি ব্যৱসায়ীক দুদিনমানৰ বাবে বালি খনন আৰু পৰিবহন বন্ধ ৰাখিবলৈ পৰামৰ্শ প্ৰদান কৰিছিল বুলি অভিযোগ উঠিছিল।

তামুলপুৰৰ গড়গড়ীত হত্যাকাণ্ড

দুৰ্বৃত্তৰ আক্ৰমণত মৃত্যু নৱবিবাহিত যুৱকৰ



দৈনিক অসমৰ প্ৰতিনিধি
তামুলপুৰ, ৩ নৱেম্বৰ ঃ তামুলপুৰ জিলাৰ অন্তৰ্গত তথা সদৰ আৰক্ষী থানাৰ অধীনৰ গড়গড়ী গাঁৱত সংঘটিত এক লোমহৰ্ষক ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ডুবাইত কৰ্মৰত তামুলপুৰ জিলাৰ শালমাৰাৰ স্থায়ী বাসিন্দা ইকবাল হুছেইনে (২৭) দিন পূৰ্বে গড়গড়ীৰ জমিৰ আলীৰ কন্যাৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল। নৱবিবাহিত যুৱকজনে আজি পুনৰ কৰ্মথলীলৈ উভতি যোৱাৰ পূৰ্বে নিশাটো শহুৰেকৰ ঘৰত আলহী খাই ঘৰলৈ উভতি অহাৰ সময়তে পূৰ্বপৰিকল্পিতভাৱে একে গাঁৱৰে ওমৰ আলীৰ নেতৃত্বত কেইজনমান দুৰ্বৃত্তই চোকা অস্ত্ৰৰে তেওঁক আক্ৰমণ কৰে। এই ঘটনাত যুৱকজনে গুৰুতৰভাৱে আঘাত পোৱাত পৰিয়ালৰ লোক আৰু স্থানীয় গাঁওবাসীয়ে উন্নত চিকিৎসাৰ বাবে ততাতৈয়াকৈ গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত ভৰ্তি কৰায় যদিও চিকিৎসাধীন অৱস্থাত আজি পুৱা তেওঁৰ মৃত্যু ঘটে। এই জঘন্য হত্যাকাণ্ডৰ খবৰ বিয়পি পৰাৰ পাছতে তামুলপুৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ আক্ৰমণত ব্যৱহৃত চোকা অস্ত্ৰ-শস্ত্ৰসমূহ জব্দ কৰে যদিও মূল অভিযুক্ত ওমৰ আলীসহ অন্যান্য সহযোগীসকলে পলায়ন কৰিবলৈ সক্ষম হয়। কিন্তু পৰৱৰ্তী সময়ত ৰাইজৰ সজাগতা আৰু তৎপৰতাত মূল আক্ৰমণকাৰী ওমৰ আলীৰ সহযোগী তথা অভিযুক্ত তাহেৰ আলীক তুলসীবাৰী অঞ্চলত স্থানীয় ৰাইজে ধৰি আৰক্ষীক গতাই দিয়ে। বৰ্তমান এই লোমহৰ্ষক ঘটনাৰ মূল অভিযুক্ত ওমৰ আলীকে ধৰি পলায়ন কৰা চহৰ আলী, মহৰ আলী আৰু মনীৰ আলীক গ্ৰেপ্তাৰ কৰাৰ বাবে তামুলপুৰ আৰক্ষীয়ে ব্যাপক আৰু বিস্তৃত তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

বজালীৰ নিজ বৰলাত দুটাকৈ পথ নিৰ্মাণৰ শুভাৰম্ভ

দৈনিক অসমৰ প্ৰতিনিধি
বজালী, ৩ নৱেম্বৰ ঃ বজালী জিলাৰ অন্তৰ্গত নিজ বৰলাত আজি দুটাকৈ পথ নিৰ্মাণৰ শুভাৰম্ভ কৰে বজালী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ে। উল্লেখ্য যে পঞ্চদশ বিত্ত আঁচনিৰ অধীনত জিলা পৰিষদৰ দ্বাৰা নিৰ্মাণ হ'বলগীয়া কামৰ শুভাৰম্ভ কৰি বিধায়কগৰাকীয়ে ভাষণ প্ৰসংগত কয়, দীৰ্ঘদিন ধৰি এই বৃহত্তৰ অঞ্চলটোৰ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগৰ সন্মুখীন হৈ আহিছিল আৰু পথটো নিৰ্মাণ হৈ উঠিলে অঞ্চলটোৰ ৰাইজৰ দীৰ্ঘদিনীয়া সমস্যাৰ অৱসান হ'ব। অনুষ্ঠানত বিধায়কগৰাকীৰ সৈতে বজালী জিলা পৰিষদৰ অধ্যক্ষ মীনাক্ষী দাস, বজালী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ধ্ৰুৱজ্যোতি দাস, অভিযন্তা নিতুল তহবিলদাৰ, গোপীনাথ পঞ্চায়তৰ বিষয়ববীয়া, জিলা পৰিষদৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

ধেমাজিৰ বৰদলনিত খাদ্যত বিষক্ৰিয়া

দৈনিক অসমৰ প্ৰতিনিধি
ধেমাজি, ৩ নৱেম্বৰ ঃ ধেমাজিৰ বৰদলনিৰ বৰবাম দিহিঙ্গীয়া গাঁৱত আজি খাদ্যত বিষক্ৰিয়াৰ ঘটনা এটা সংঘটিত হৈছে। উল্লেখ্য যে, বৰবাম দিহিঙীয়া গাঁৱৰে পদ্মেশ্বৰ গগৈৰ ঘৰত আদ্যশ্ৰাদ্ধ উপলক্ষে ৰাইজে প্ৰসাদ খাইছিল। প্ৰসাদৰ পৰা বিষক্ৰিয়া হৈ বৰ্তমালৈকে শিশুসহ ৮৭ গৰাকী ব্যক্তি অসুস্থ হোৱা বুলি জানিব পৰা গৈছে। ইয়াৰে গুৰুতৰভাৱে অসুস্থ ১৫ জন লোকক উন্নত চিকিৎসাৰ বাবে ইতিমধ্যে ধেমাজি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণকৰা হৈছে। তদুপৰি ৩৭৮ নং বৰবাম গৰুবন্ধা প্ৰাথমিক বিদ্যালয়ত সামূহিকভাৱে চিকিৎসা অব্যাহত ৰখা চিকিৎসকসকলৰ নেৰানেপেৰা প্ৰচেষ্টাৰ ফলত কিছুসকলৰ স্বাস্থ্য কিছু উন্নত হোৱাত তেওঁলোকক ঘৰলৈ যাবলৈ দিয়া হয়। উল্লেখ্য যে, উক্ত দহা-কাজ অনুষ্ঠানত প্ৰসাদ খোৱাৰ পাছতে মূৰৰ বিষ, শৌচ, বমি, জ্বৰ আদি আনুসাংগিক বেমাৰত আক্ৰান্ত হৈছিল কেইবাজনো লোক। উক্ত ঘটনাৰ লগে লগে চিকিৎসকৰ দল ঘটনাস্থলীত উপস্থিত হৈ চিকিৎসা সেৱা আৰম্ভ কৰে যদিও গুৰুতৰভাৱে অসুস্থ লক্ষ্মীমাই কোঁৱৰ(৪৬), চুনীয়া গগৈ(১৬), মাইনো বুঢ়াগোহাঁই গগৈ (২৪), দয়মন্তী দিহিঙীয়াসহ ১৫ জন লোকক উন্নত চিকিৎসাৰ বাবে ইতিমধ্যে ধেমাজি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

সংবিধান পৰিপন্থী প্ৰতিনিধি সভাৰ আহ্বানক প্ৰত্যাহ্বান প্ৰাক্তন আইনী উপদেষ্টাৰ

অসম সাহিত্য সভাক জৰিমনা বিহিলে গুৱাহাটী উচ্চ ন্যায়ালয়ে

দৈনিক অসমৰ বাতৰি
গুৱাহাটী, ৩ নৱেম্বৰ ঃ অসম সাহিত্য সভাৰ সংবিধান উলংঘা কৰি বৰ্তমানৰ কেন্দ্ৰীয় সমিতিখনে অনুষ্ঠিত কৰিবলৈ লোৱা এখন বিশেষ প্ৰতিনিধি সভা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত কামৰূপ মহানগৰ জিলাৰ এখন দেৱানী আদালতে জাৰি কৰা অন্তৰ্বৰ্তী স্থগিতাদেশ গুৱাহাটী উচ্চ ন্যায়ালয়ে বাহাল ৰাখিছে। সাহিত্য সভাৰ আজীৱন সদস্য তথা প্ৰাক্তন আইনী উপদেষ্টা, অধিবক্তা অনন্তৰাম মেধিয়ে দাখিল কৰা এটা দেৱানী গোচৰত কামৰূপ মহানগৰ জিলাৰ দেৱানী ন্যায়াধীশৰ (ছিনিয়ৰ ডিভিজন) আদালতে জাৰি কৰা অন্তৰ্বৰ্তী আদেশ তথা গোচৰটোক প্ৰত্যাহ্বান জনাই অসম সাহিত্য সভাই দাখিল কৰা এখন আবেদনৰ ৰায়দান কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মৃদুল কলিতাৰ বিচাৰপীঠে আজি এই নিৰ্দেশ দিয়ে। আদালতে লগতে গুচৰীয়া অসম সাহিত্য সভাৰ ওপৰত জৰিমনাও আৰোপ কৰে। উল্লেখ্য যে অসম সাহিত্য সভাৰ সংবিধান অনুসৰি নিৰ্দ্ধাৰিত দুখন প্ৰতিনিধি সভাৰ উপৰি বৰ্তমানৰ সমিতিখনে যোৱা জুলাই মাহত গোলাঘাটত আন এখন প্ৰতিনিধি সভা আহ্বান কৰিছিল। সাহিত্য সভাৰ সংবিধান সংশোধনকে ধৰি কেতবোৰ গুৰুত্বপূৰ্ণ বিষয় আলোচনাৰ বাবে এই সভাৰ আহ্বান কৰা হৈছে বুলি জানিব পাৰি জাতীয় সংগঠনটোৰ প্ৰাক্তন আইন উপদেষ্টা তথা আজীৱন সদস্য, অধিবক্তা অনন্তৰাম মেধিয়ে উক্ত প্ৰতিনিধি সভা আহ্বানৰ জাননীক প্ৰত্যাহ্বান জনাই সাহিত্য সভাৰ বিৰুদ্ধে কামৰূপ মহানগৰ জিলাৰ দেৱানী ন্যায়াধীশৰ আদালতত গোচৰ তৰে। সেই গোচৰৰ ভিত্তিত কামৰূপ মহানগৰ জিলাৰ দেৱানী ন্যায়াধীশ (ছিনিয়ৰ ডিভিজন)ৰ আদালতে গোচৰটো নিষ্পত্তি নোহোৱা পৰ্যন্ত সাহিত্য সভাই জুলাইত আহ্বান কৰা প্ৰতিনিধি সভাখন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত অন্তৰ্বৰ্তী স্থগিতাদেশ জাৰি কৰে। নিম্ন আদালতৰ এই অন্তৰ্বৰ্তী আদেশ তথা নিম্ন আদালতৰ গোচৰটোক প্ৰত্যাহ্বান জনাই অসম সাহিত্য সভা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপে। উক্ত আবেদনৰ ভিত্তিত উচ্চ ন্যায়ালয়ে যোৱা আগষ্ট মাহত হোৱা শুনানিত দেৱানী আদালতৰ আদেশ কাৰ্যকৰীকৰণত অন্তৰ্বৰ্তী স্থগিতাদেশ জাৰি কৰিছিল আৰু পৰৱৰ্তী সময়ত আবেদনখনৰ ৰায় সংৰক্ষিত ৰাখিছিল। আজি ন্যায়াধীশ মৃদুল কলিতাৰ বিচাৰপীঠে এই গোচৰৰ ৰায়দান কৰি অসম সাহিত্য সভাৰ আবেদনখন খাৰিজ কৰে। আদালতে কামৰূপ মহানগৰ জিলাৰ দেৱানী ন্যায়াধীশৰ আদালতত চলি থকা অধিবক্তা অনন্তৰাম মেধিৰ গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া বাহাল ৰাখে। উল্লেখ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ত অধিবক্তা অনন্তৰাম মেধিয়ে নিজেই নিজৰ হৈ যুক্তি দৰ্শায়।

পঞ্চম পৃষ্ঠাৰ পৰা

মৰিয়া যুৱ-ছাত্ৰ সন্থাৰ তীব্ৰ বিৰোধিতা

যুৱ-ছাত্ৰ সন্থাই। সদৌ অসম মৰিয়া ছাত্ৰ সন্থাৰ নেতৃত্বত লখিমপুৰ জিলা সমিতিৰ উদ্যোগত, মৰিয়া ৰাইজৰ সহযোগত লখিমপুৰৰ বালিজান গাঁৱৰ ১২৩টা খিলঞ্জীয়া মৰিয়া পৰিয়ালক উচ্ছেদ বন্ধ কৰাৰ দাবীৰে আজি লখিমপুৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সমীপত গণ অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদস্থলীৰ পৰাই জিলা আয়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ খিলঞ্জীয়াক উচ্ছেদ বন্ধ কৰা দাবীৰ লগতে উচ্ছেদৰ পূৰ্বে খিলঞ্জীয়া পৰিয়ালসমূহক পুনৰ সংস্থাপন কৰিবলৈ চাৰিদফীয়া দাবীসম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ কৰে। মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা স্মাৰকপত্ৰত উল্লেখ কৰে যে সুদীৰ্ঘ ৬০০ বছৰীয়া এক চহকী ইতিহাস বহন কৰা মৰিয়া জনগোষ্ঠী অসমৰ বৃহত্তৰ সমাজজীৱন আৰু জাতীয় গাঁথনিৰ এক অবিচ্ছেদ্য অংশ। ব্ৰহ্মপুত্ৰ উপত্যকাৰ কৃষ্টি-সংস্কৃতি, ধাতৰ শিল্প (কাঁহ, পিতলৰ কাৰুকাৰ্য) আৰু ৰাজ্যখনৰ সুৰক্ষাত মৰিয়া জনগোষ্ঠীৰ ঐতিহাসিক অৱদান চিৰস্মৰণীয়। অত্যন্ত পৰিতাপৰ বিষয় যে খিলঞ্জীয়া হোৱা সত্বেও আজিও এই সম্প্ৰদায়টো অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিকভাৱে চূড়ান্ত উপেক্ষিত তথা প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হৈ আহিছে। স্মাৰকপত্ৰৰ যোগেদি লখিমপুৰ জিলাৰ বালিজানৰ ক্ষতিগ্ৰস্ত হ'ব লগা পৰিয়ালসমূহক যথোপযুক্ত স্থানত পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰি ভূমিৰ পট্টা প্ৰদান কৰা, মৰিয়া উন্নয়ন পৰিষদ গঠনৰ ক্ষেত্ৰত কোনো ধৰণৰ দলীয় বা ৰাজনৈতিক দৃষ্টিকোণ নাৰাখি সমাজলৈ প্ৰকৃত অৱদান আগবঢ়োৱা নিষ্ঠাৱান, যোগ্য আৰু জনগোষ্ঠীটোৰ বাবে নিস্বাৰ্থভাৱে কাম কৰা প্ৰতিনিধিক অন্তৰ্ভুক্ত কৰা, পৰিষদৰ জৰিয়তে শিক্ষা, স্বাস্থ্য, আন্তঃগাঁথনি আৰু জনগোষ্ঠীয় পৰম্পৰাগত কাৰুশিল্পৰ সংৰক্ষণ তথা আধুনিকীকৰণৰ বাবে বাৰ্ষিক ন্যূনতম পাঁচ কোটি টকাৰ এককালীন উন্নয়ন পুঁজি আবণ্টনৰ স্থায়ী ব্যৱস্থা কৰা, ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা মৰিয়া জনগোষ্ঠীৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে অসম চৰকাৰক মৰিয়া উপগ্ৰহীয় স্বায়ত্তশাসিত পৰিষদ গঠনৰ দাবী জনায়। মৰিয়া যুৱ ছাত্ৰ সন্থাই ৪৮ ঘণ্টীয়া গণ অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণৰ আয়োজন কৰিছিল যদিও প্ৰশাসনে অনুমতি প্ৰদান নকৰাত কেইঘণ্টামানৰ পাছতে প্ৰতিবাদী কাৰ্যসূচীৰ সামৰণি মাৰিব লগা হয়। প্ৰতিবাদী কাৰ্যসূচীত কেন্দ্ৰীয় সমিতিৰ সভাপতি আছাদুৰ ৰহমানসহ কেন্দ্ৰীয় বিষয়ববীয়াসকল, লখিমপুৰ জিলা সমিতিৰ সভাপতি ফইজুল হক, সম্পাদক ৰিতুল আলী, ভাতৃ সংগঠন গৰীয়া মৰিয়া দেশী জাতীয় পৰিষদৰ লখিমপুৰ জিলাৰ সভাপতি, সম্পাদককে প্ৰমুখ্য কৰি অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা মৰিয়া ৰাইজ উপস্থিত থাকে।

কাছাৰত ৯.৮ কোটি টকাৰ নিচাজাতীয়

জব্দ কৰাৰ লগতে ৫গৰাকী সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থপ্ৰতিম দাসে জনোৱা মতে, ধলাইৰ লাইলাপুৰ নাকা চেকিং পইণ্টত গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই এখন বাহনৰ গোপন চেম্বাৰৰ পৰা ১৯,৪০০টা ইয়াবা টেবলেট উদ্ধাৰ কৰা হয়। এই অভিযানত দুজনক আটক কৰা হয়। মাটাচিন আলী মীৰা (চালক) আৰু আব্দুল আহাদ লস্কৰ দুয়োজন ৰাজগোবিন্দপুৰ, ধলাইৰ বাসিন্দা। বাহনখনে মিজোৰামৰ পৰা ইয়াবা কঢ়িয়াই আনিছিল। পাৰ্থপ্ৰতিম দাসে জনোৱা মতে, বৰখলাৰ পুঠিচেৰা টোল গেটত এণ্টি-নাৰ্কটিকছ অপাৰেচনত এখন বাহনৰ চেনিৰ বেগৰ তলত লুকুৱাই থোৱা ৪৭,০০০ বটল কাহৰ ছিৰাপ থকা ৪৭০টা কাৰ্টন উদ্ধাৰ কৰা হয়। এই অভিযানতো দুজনক আটক কৰা হয়। আয়ুব খান (চালক) আৰু ৰেহাবৰ আলী (সহঃ চালক) দুয়ো মধ্যপ্ৰদেশৰ ভূপালৰ বাসিন্দা। গাড়ীখন কাণপুৰৰ পৰা আগৰতলা অভিমুখে আহি আছিল। তেওঁলোকে বৈধ নথি দেখুওৱাত ব্যৰ্থ হয়। ইপিনে শিলচৰ চেংকুৰী বাইপাছত ৩৮ আছাম ৰাইফলছৰ সৈতে যৌথ অভিযানত এখন স্কুটীৰ ডিকিৰ পৰা ১২ হাজাৰ সন্দেহযুক্ত ইয়াবা টেবলেট উদ্ধাৰ কৰা হয়। তদুপৰি শিলচৰৰ কণকপুৰ দ্বিতীয় খণ্ডৰ নজৰুল ইছলাম লস্কৰ নামৰ ব্যক্তিজনক আটক কৰা হয়। আটাইকেইটা ঘটনাৰ তদন্ত অব্যাহত আছে বুলি তেওঁ জানিবলৈ দিয়ে।

ৰূপহীহাটত মেলাৰ নামত অশ্লীল নৃত্য

অনুসৰি, ৰূপহীহাটৰ বিভিন্ন ঠাইত মেলা আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজনৰ আঁৰত একাংশ লোকে অসামাজিক কাৰ্যকলাপ চলাই আহিছে। বিশেষকৈ মেলাৰ নামত নাৰীৰ দ্বাৰা অশ্লীল নৃত্য প্ৰদৰ্শন কৰা কাৰ্যই অভিভাৱক, শিক্ষিত সমাজ আৰু সচেতন নাগৰিকসকলৰ মাজত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি কৰিছে। এনে কাৰ্যকলাপে কণ কণ ছাত্ৰ-ছাত্ৰী তথা নৱপ্ৰজন্মৰ মানসিকতাত বিৰূপ প্ৰভাৱ পেলোৱাৰ লগতে অঞ্চলটোৰ সামাজিক আৰু সাংস্কৃতিক মূল্যবোধকো অৱক্ষয়ৰ দিশলৈ ঠেলি দিয়াৰ আশংকা প্ৰকাশ কৰিছে সচেতন মহলে। অঞ্চলটোত জুৱা খেলৰ প্ৰকোপ বৃদ্ধি পোৱাৰ অভিযোগেও ৰাইজক চিন্তিত কৰি তুলিছে। জুৱাৰ নিচাত আসক্ত হৈ একাংশ লোকে নিজৰ সাঁচতীয়া ধন হেৰুৱাই আৰ্থিক সংকটত পৰাৰ লগতে বহু পৰিয়ালৰ মাজত অশান্তি সৃষ্টি হোৱা বুলিও অভিযোগ উত্থাপন হৈছে। মেলাৰ নামত এনে কাৰ্যকলাপ চলি থকাটো কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বুলি মত প্ৰকাশ কৰিছে সচেতন নাগৰিকসকলে। শিক্ষানুষ্ঠান, ধৰ্মীয় অনুষ্ঠান আৰু সামাজিক সম্প্ৰীতিৰ বাবে পৰিচিত ৰূপহীহাট অঞ্চলত শেহতীয়াকৈ এনে অসামাজিক কাৰ্যকলাপৰ অভিযোগ উত্থাপন হোৱাত অঞ্চলটোৰ শৈক্ষিক পৰিৱেশক লৈও উদ্বিগ্নতা প্ৰকাশ কৰিছে অভিভাৱকসকলে। বিশেষকৈ শিক্ষানুষ্ঠানৰ ওচৰে-পাঁজৰে এনে অনুষ্ঠানৰ আয়োজন হ'লে ছাত্ৰ-ছাত্ৰীৰ ওপৰত ইয়াৰ নেতিবাচক প্ৰভাৱ পৰাৰ সম্ভাৱনা অধিক বুলি তেওঁলোকে মত প্ৰকাশ কৰিছে। সেয়েহে ৰূপহীহাটৰ সচেতন নাগৰিক, অভিভাৱক আৰু বিভিন্ন দল-সংগঠনে সমগ্ৰ বিষয়টো গুৰুত্বসহকাৰে লৈ আৰক্ষী প্ৰশাসনক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। মেলাৰ নামত অশ্লীল নৃত্য প্ৰদৰ্শন আৰু জুৱা খেলৰ বিৰুদ্ধে নিয়মীয়া অভিযান চলোৱাৰ লগতে এনে কাৰ্যকলাপৰ সৈতে জড়িত লোকসকলক চিনাক্ত কৰি আইন অনুসৰি ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ৰাইজে।

৯ মাহে ভাৰাতীয়া শিক্ষকেৰে চলিছে

প্ৰাথমিক শিক্ষাৰ প্ৰকৃত স্বৰূপ। বিদ্যালয়খনত নাই পৰ্যাপ্ত শিক্ষক, নাই প্ৰয়োজনীয় আন্তঃগাঁথনি, নাই বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা। আনকি ছাত্ৰ-ছাত্ৰীৰ বাবে চৰকাৰী মধ্যাহ্ন ভোজনৰ ব্যৱস্থাও কাৰ্যতঃ অচল হৈ পৰাৰ অভিযোগ উত্থাপন হৈছে। ফলত বিগত প্ৰায় ৯ মাহ ধৰি প্ৰকৃত শিক্ষাৰ পৰা বঞ্চিত হৈ আহিছে বিদ্যালয়খনৰ কণ কণ শিক্ষাৰ্থীসকল। প্ৰাপ্ত অভিযোগ অনুসৰি, বিদ্যালয়খনত বৰ্তমান মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা মাত্ৰ ২৩জন। অথচ এইসকল শিক্ষাৰ্থীৰ পাঠদানৰ দায়িত্ব পালন কৰিবলৈ বিদ্যালয়খনত নাই কোনো নিয়মীয়া চৰকাৰী শিক্ষক। বিগত প্ৰায় ৯ মাহ ধৰি শিক্ষক অবিহনেই চলি আছে বিদ্যালয়খনৰ শৈক্ষিক কাম-কাজ। এনে পৰিস্থিতিত স্থানীয় একাংশ সচেতন লোকে নিজাববীয়াকৈ উদ্যোগ গ্ৰহণ কৰি এগৰাকী স্থানীয় শিক্ষয়িত্ৰীক ভাৰাতীয়া হিচাপে নিয়োগ কৰি কোনোমতে বিদ্যালয়খন চলাই ৰখাৰ চেষ্টা কৰিছে। কিন্তু প্ৰশ্ন হয়, চৰকাৰী বিদ্যালয় এখনত চৰকাৰী শিক্ষক নিযুক্তিৰ ব্যৱস্থা নকৰি স্থানীয় ৰাইজৰ ওপৰত দায়িত্ব এৰি দিয়াটো কিমান যুক্তিসংগত? অভিযোগ অনুসৰি, বিদ্যালয়খনলৈ ছাত্ৰ-ছাত্ৰীসকল নিয়মীয়াকৈ আহে যদিও উপযুক্ত পাঠদানৰ পৰিৱেশ নথকাত বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ সম্পূৰ্ণৰূপে বিনষ্ট হোৱাৰ উপক্ৰম হৈছে। শিক্ষকৰ অভাৱত শিক্ষাৰ্থীসকলে নিয়মীয়াকৈ পাঠ গ্ৰহণ কৰিব পৰা নাই। বিদ্যালয়লৈ আহি কিছু সময় ইফালে-সিফালে ঘূৰি ফুৰা, খেলা-ধূলা আৰু দৌৰা-দৌৰি কৰি পুনৰ ঘৰলৈ উভতি যাবলগীয়া হয় বুলি অভিযোগ উত্থাপন কৰিছে স্থানীয় অভিভাৱকসকলে। ইয়াৰ ফলত কণ কণ শিক্ষাৰ্থীসকলৰ শৈক্ষিক ভেটি দুৰ্বল হোৱাৰ লগতে ভৱিষ্যতৰ প্ৰতিও গভীৰ অনিশ্চয়তাই দেখা দিছে। কেৱল শিক্ষক সংকটেই নহয়, বিদ্যালয়খনৰ আন্তঃগাঁথনিও অতি শোচনীয়। বিদ্যালয়গৃহটো জৰাজীৰ্ণ হৈ পৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ বাবে নাই পৰ্যাপ্ত শৌচাগাৰ আৰু বিশুদ্ধ খোৱাপানীৰ উপযুক্ত ব্যৱস্থা। আনহাতে, চৰকাৰী বিদ্যালয়সমূহত শিক্ষাৰ্থীৰ পুষ্টি আৰু স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি ৰূপায়ণ কৰা মধ্যাহ্ন ভোজন আঁচনিৰো কোনো সুচল ব্যৱস্থা বিদ্যালয়খনত নাই বুলি জানিব পৰা গৈছে। ফলত বিদ্যালয়খনৰ সামগ্ৰিক পৰিৱেশক লৈ অভিভাৱকসকলৰ মাজত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি হৈছে। আনহাতে, বিদ্যালয়খনৰ এনে দুৰৱস্থাৰ বিষয়ে স্থানীয় ৰাইজে ইতিমধ্যে কেইবাবাৰো সংশ্লিষ্ট শিক্ষা বিভাগ, ছমৰীয়া শিক্ষা খণ্ডৰ শিক্ষা বিষয়া আৰু বিদ্যালয় পৰিদৰ্শকক অৱগত কৰাৰ পাছতো আজিলৈকে কোনো স্থায়ী সমাধান নোহোৱাৰ অভিযোগ উঠিছে। বাৰম্বাৰ অৱগত কৰাৰ পাছতো বিভাগীয় কৰ্তৃপক্ষৰ পৰা কিয় প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই, সেয়া এতিয়া বৃহত্তৰ অঞ্চলটোৰ সচেতন মহলৰ মাজত এক ডাঙৰ প্ৰশ্ন হৈ পৰিছে। উল্লেখ্য যে চৰকাৰী বিদ্যালয়সমূহত বিনামূলীয়া আৰু গুণগত শিক্ষা প্ৰদানৰ লক্ষ্যৰে চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰি আহিছে। কিন্তু ছমৰীয়াৰ আগৰচৰ প্ৰাথমিক বিদ্যালয়ৰ এই অৱস্থাই চৰকাৰী আঁচনিৰ সফল ৰূপায়ণ আৰু তৃণমূল পৰ্যায়ত শিক্ষা বিভাগৰ তদাৰকী ব্যৱস্থাৰ ওপৰতে প্ৰশ্ন উত্থাপন কৰিছে। বিশেষকৈ গ্ৰামাঞ্চলৰ দৰিদ্ৰ পৰিয়ালৰ সন্তানসকলৰ বাবে চৰকাৰী বিদ্যালয়েই শিক্ষাৰ একমাত্ৰ ভৰসা। তেনে এখন বিদ্যালয়ত যদি ন মাহ ধৰি নিয়মীয়া শিক্ষক নাথাকে, তেন্তে সেই অঞ্চলৰ শিশুসকলৰ শৈক্ষিক ভৱিষ্যতৰ দায়িত্ব কোনে ল'ব বুলিও বহু প্ৰশ্ন উত্থাপন হৈছে। সেয়েহে ছমৰীয়া শিক্ষা খণ্ডৰ অধীনস্থ আগৰচৰ প্ৰাথমিক বিদ্যালয়ৰ এই গুৰুতৰ সমস্যাসমূহ শীঘ্ৰে সমাধানৰ বাবে ছমৰীয়া শিক্ষা খণ্ডৰ শিক্ষা বিষয়া, কামৰূপ জিলা আয়ুক্ত, ৰাজ্যৰ শিক্ষামন্ত্ৰী আৰু চৰকাৰৰ ওচৰত দাবী জনাইছে বৃহত্তৰ অঞ্চলটোৰ সচেতন অভিভাৱক তথা স্থানীয় ৰাইজে। বিদ্যালয়খনৰ শৈক্ষিক আৰু আন্তঃগাঁথনিগত অৱস্থাৰ এক নিৰপেক্ষ তদন্ত কৰি নিয়মীয়া শিক্ষক নিযুক্তি, জৰাজীৰ্ণ বিদ্যালয়গৃহৰ মেৰামতি, বিশুদ্ধ খোৱাপানী আৰু মধ্যাহ্ন ভোজনৰ ব্যৱস্থা পুনৰ সুচল কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মীয়া পাঠদান নিশ্চিত কৰিবলৈ দাবী উত্থাপন কৰিছে। এতিয়া প্ৰশ্ন হয়— শিক্ষাৰ অধিকাৰৰ কথা কোৱা চৰকাৰ আৰু শিক্ষা বিভাগে আগৰচৰ প্ৰাথমিক বিদ্যালয়ৰ এই দুৰৱস্থাৰ প্ৰতি কেতিয়া চকু মেলিব? নে স্থানীয় ৰাইজৰ নিজাববীয়া প্ৰচেষ্টাতেই চলি থাকিব চৰকাৰী বিদ্যালয়খনৰ শিক্ষাদানৰ নামত এই ব্যতিক্ৰমী ব্যৱস্থা?

বাংলা বজাৰত দীৰ্ঘদিন ধৰি চলিছে জুৱাৰ

থকাৰ অভিযোগ উত্থাপন হৈছে ঝাণ্ডি-মুণ্ডাৰ জুৱা। কিন্তু এনে কাৰ্যকলাপৰ বিৰুদ্ধে এতিয়ালৈকে কিয় কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা নাই প্ৰশাসনে তাক লৈ সৃষ্টি হৈছে ব্যাপক প্ৰতিক্ৰিয়াৰ। পূব লামডিং পঞ্চায়তৰ অন্তৰ্গত বাংলা বজাৰৰ গণেশ মন্দিৰৰ সন্মুখত মুকলিকৈ চলি আছে ঝাণ্ডি-মুণ্ডা। স্থানীয় একাংশ যুৱকৰ নেতৃত্বত দীৰ্ঘদিন ধৰি এই জুৱাৰ বেহা চলি থকাৰ অভিযোগ উত্থাপন হৈছে। নিশাৰ ভাগত মানুহৰ সমাগমৰ মাজত চলা এই জুৱা খেলক লৈ এতিয়া সচেতন মহলৰ মাজত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত সাংবাদিকৰ ষ্টিং অপাৰেচনত কেমেৰাত বন্দী হৈছে মুকলিকৈ চলি থকা ঝাণ্ডি-মুণ্ডাৰ দৃশ্য। কেমেৰাত বন্দী হোৱা এই দৃশ্যই বাংলা বজাৰৰ এই অঞ্চলত চলি থকা জুৱাৰ আড্ডাৰ বিষয়টো পুনৰ চৰ্চালৈ আনিছে। উল্লেখযোগ্য যে ঝাণ্ডি-মুণ্ডাৰ জুৱাৰ বেহা কেৱল বাংলা বজাৰতে সীমাবদ্ধ হৈ থকা নাই বুলি অভিযোগ উঠিছে। লামডিঙৰ বিভিন্ন প্ৰান্ততো একাংশ লোকে বিভিন্ন স্থানত এনে জুৱা খেল চলাই থকাৰ অভিযোগ উত্থাপন হৈছে। ইয়াৰ ফলত বিশেষকৈ যুৱপ্ৰজন্মৰ ওপৰত ইয়াৰ নেতিবাচক প্ৰভাৱ পৰাৰ আশংকা প্ৰকাশ কৰিছে সচেতন নাগৰিকসকলে। তাৎপৰ্যপূৰ্ণ বিষয়টো হ'ল, এখন জনবসতিপূৰ্ণ অঞ্চলত গণেশ মন্দিৰৰ সন্মুখতে কেনেদৰে দীৰ্ঘদিন ধৰি চলি থাকিব পাৰিছে এনে জুৱাৰ আড্ডা? স্থানীয় লোকৰ চকুৰ সন্মুখতে যদি এনে কাৰ্যকলাপ অব্যাহত থাকে, তেন্তে প্ৰশাসনৰ দায়িত্ব আৰু তৎপৰতাক লৈ প্ৰশ্ন উত্থাপন হোৱাটো স্বাভাৱিক। এতিয়া ৰাইজৰ মনত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰশ্নই দেখা দিছে। এই জুৱাৰ বেহাৰ আঁৰত কোন কোন জড়িত হৈ আছে? কাৰ নেতৃত্বত পৰিচালিত হৈছে এই অবৈধ কাৰ্যকলাপ? কোনো প্ৰভাৱশালী ব্যক্তিৰ আশ্ৰয়-প্ৰশ্ৰয়ত চলিছে নেকি এই জুৱাৰ আড্ডা? নে আৰক্ষীৰ চকুত ধূলি দি দীৰ্ঘদিন ধৰি চলাই থকা হৈছে এই বেহা? কেৱল জুৱা খেল চলাই থকাই নহয়, এনে কাৰ্যকলাপে অঞ্চলটোৰ সামাজিক পৰিৱেশৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলোৱাৰ আশংকা নুই কৰিব নোৱাৰি। সেয়েহে বিষয়টোক গুৰুত্বসহকাৰে লৈ প্ৰশাসনে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰাটো সময়ৰ দাবী বুলি মত প্ৰকাশ কৰিছে সচেতন মহলে। এতিয়া সকলোৰে দৃষ্টি লামডিং আৰক্ষীৰ ভূমিকাৰ ওপৰত। সাংবাদিকৰ কেমেৰাত বন্দী হোৱা দৃশ্য আৰু উত্থাপিত অভিযোগৰ ভিত্তিত আৰক্ষীয়ে নিজাববীয়াকৈ তদন্ত আৰম্ভ কৰিবনে? বাংলা বজাৰত চলি থকা বুলি অভিযোগ উঠা এই জুৱাৰ আড্ডা বন্ধ কৰিবলৈ আৰক্ষীয়ে বিশেষ অভিযান চলাবনে? লগতে এই কাৰ্যকলাপৰ সৈতে জড়িতসকলক চিনাক্ত কৰি আইনৰ আওতালৈ অনা হ'বনে? নে এনেদৰেই প্ৰশাসনৰ চকুৰ সন্মুখতে অব্যাহত থাকিব ঝাণ্ডি-মুণ্ডাৰ ৰমৰমীয়া বেহা? এই প্ৰশ্নবোৰৰ উত্তৰ এতিয়া বিচাৰিছে লামডিঙৰ সচেতন নাগৰিকে।

সোণতলীত অগ্নিকাণ্ডত

স্থানীয় ৰাইজৰ তৎপৰতাত জুই নুমুৱাবলৈ সক্ষম হয় যদিও পৰিয়ালটোৰ তিনিটা ঘৰ, মূল্যৱান সামগ্ৰীৰ লগতে আচবাব পত্ৰৰ উপৰি প্ৰয়োজনীয় নথিপত্ৰ ভস্মীভূত হয়। বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলত হোৱা অগ্নিকাণ্ডত পৰিয়ালটোৰ কেইবা লক্ষ টকাৰ সম্পত্তি নষ্ট হোৱা বুলি জানিব পৰা গৈছে।

ছিপাঝাৰত জব্দ নকল

ট্ৰেভেলছৰ শ্লীপাৰ বাছৰ আৰোহী হিচাপে আছিল মহিলাগৰাকী। বাছখন অৰুণাচল প্ৰদেশৰ পৰা শিলিগুৰি অভিমুখে গৈ থকা অৱস্থাত বাছখনৰ যাত্ৰী হিচাপে থকা উক্ত মহিলাগৰাকীৰ পৰা আৰক্ষীয়ে অভিযান কালত পাঁচটা নকল সোণৰ কলহৰ লগতে দুটা ম'বাইল ফোনো জব্দ কৰিবলৈ সক্ষম হয়।

গোলাঘাটত 'মাছ'ৰ প্ৰতিষ্ঠা

সভাত উদ্দেশ্য ব্যাখ্যা কৰে 'মাছ'ৰ গোলাঘাট জিলা সমিতিৰ প্ৰাক্তন সচিব ভদ্ৰেশ্বৰ বৰাই। সভাত মাছৰ প্ৰতিষ্ঠা দিৱস, লক্ষ্য-উদ্দেশ্য আৰু সাম্প্ৰতিক পৰিস্থিতিত মাছৰ প্ৰাসংগিকতাৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়ায় মাছৰ প্ৰাক্তন সচিবপ্ৰধান পল্লৱ বৰবৰাই। সভাত জাতীয়তাবাদ পুনৰ নিৰ্মাণ সমিতিৰ কেন্দ্ৰীয় সচিব প্ৰশান্ত হাটীমতা, কাছৰ সচিব বিমল বৰা, চুতীয়া জাতি ছাত্ৰ সন্থাৰ অসীম হাজৰিকা, সাংবাদিক জয়ন্ত হাজৰিকা, অমৃত গগৈ, ৰাতুল গগৈ, কেশৱ কলিতা আদি বহুকেইজন ব্যক্তিয়ে বক্তব্য আগবঢ়ায়। সভাত একৈশজনীয়া গোলাঘাট সমিতি গঠন কৰা হয়। নতুন সমিতিৰ সভাপতি হিচাপে প্ৰদীপ কোঁৱৰ, মুখ্য সচিব কামাখ্যা বৰা, সহঃ সচিব অমৃত গগৈ আৰু জয়ন্ত হাজৰিকা, মুখ্য সাংগঠনিক সচিব কেশৱ কলিতা, সাংগঠনিক সচিব ৰাতুল গগৈ, দিগন্ত হাজৰিকা আৰু উজ্জ্বল দুৱৰা, বিত্ত সচিব পৰমানন্দ ঠেঙালক কাৰ্যনিৰ্বাহক সদস্য হিচাপে লৈ এখন শক্তিশালী জিলা সমিতি গঠন কৰা হয়। জিলা সমিতিৰ উপদেষ্টা হিচাপে জাতীয়তাবাদী নেতা প্ৰশান্ত হাটীমতা, মানস শৰ্মা, বিপুল চন্দ্ৰ দাস, অৰূপ শইকীয়া আৰু স্পনিল চেতিয়াক দায়িত্ব দিয়া হয়। সভাই এটা প্ৰস্তাৱ মৰ্মে অহা ১০ ডিচেম্বৰত 'আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ দিৱস' কেন্দ্ৰীয়ভাৱে গোলাঘাটত পাতিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰি কেন্দ্ৰীয় সমিতিৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰে।

কাজিৰঙা নিউজ নেটৱৰ্কৰ

কৰিছে। কাজিৰঙা নিউজ নেটৱৰ্কে জনোৱা মতে, এইবাৰ অসম ভিত্তিত ধনীল বৰঠাকুৰ সোঁৱৰণী শ্ৰেষ্ঠ নৱীন সাংস্কৃতিক কৰ্মী বঁটা লাভ কৰিছে সত্ৰীয়া আৰু লোকসংস্কৃতিৰ সাধক বোকাখাত সমজিলা কুৰুৱাবাহীৰ ললিত দাসে। একেদৰে কাজিৰঙা নিউজ নেটৱৰ্কে প্ৰদান কৰি অহা প্ৰদ্যুৎ মহন্ত সোঁৱৰণী গোলাঘাটত জিলা ভিত্তিত শ্ৰেষ্ঠ সাংবাদিক বঁটা লাভ কৰিছে গোলাঘাট বাদুলিপাৰৰ 'অসম আদিত্য'ৰ সাংবাদিক চন্দন গগৈয়ে। সুৰেশ চন্দ্ৰ ফুকন সোঁৱৰণি গোলাঘাট জিলা ভিত্তিত শ্ৰেষ্ঠ নৱীন সাহিত্য বঁটা লাভ কৰিছে বোকাখাত লখৌজানৰ সু-লেখিকা, সাংস্কৃতিক কৰ্মী উষাজোন হাজৰিকা ফুকনে। মহেন্দ্ৰ নাথ শইকীয়া আৰু ডিম্বেশ্বৰ শইকীয়া সোঁৱৰণী গোলাঘাট জিলা ভিত্তিত শ্ৰেষ্ঠ শৈক্ষিক বঁটা লাভ কৰিছে উচ্চতৰ মাধ্যমিক পৰীক্ষাত জিলা ভিত্তিত সৰ্বোচ্চনম্বৰ লাভ কৰা পৰীক্ষাৰ্থী ক্ৰমে গোলাঘাট জিলাৰ ঢেকিয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চান্দিনী নাথে আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত জিলাখনৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা পৰীক্ষাৰ্থী, বোকাখাতৰ ৰেষ্ট একাডেমী সীমান্ত নাথে। একেদৰে শুক্লেশ্বৰ ভৰালী আৰু বীণাপাণি ভৰালী সোঁৱৰণী ক্ৰীড়া বঁটা লাভ কৰিছে জাপানত অনুষ্ঠিত বিশ্ব পাঞ্জাত ৰূপৰ পদক বিজয়ী বোকাখাতৰ জীয়ৰী ছেহৰিজ চুলতানা আহেমেদে বুলি আজি কাজিৰঙা নিউজ নেটৱৰ্কে জনাইছে। এই বঁটাসমূহ অহা ২১ নৱেম্বৰত বোকাখাত লখিমী ভৱনত আয়োজিত অনুষ্ঠানত প্ৰদান কৰা হ'ব বুলি লগতে জনাইছে।

নুমলীগড়ত নন-ট্ৰেড চিমেণ্টৰ

বোকাখাতৰ সন্দীপ কুমাৰ নিমোডীয়া নামৰ ব্যৱসায়ীজনৰ অধীনত চলি থকা এএছ-১২চিচি-০৬৮৯ নম্বৰৰ এখন চিমেণ্টভৰ্তি ট্ৰাক ৩১ অক্টোবৰৰ নিশা একাংশ সচেতন যুৱকে ৰখাই নুমলীগড় আৰক্ষীক চমজাই দিয়াৰ পাছতে সমগ্ৰ ঘটনা পোহৰলৈ আহে। অভিযোগ অনুসৰি বাহনখনত নিৰ্দ্ধাৰিত সীমাতকৈ ১৫ টন অধিক বোজা কঢ়িওৱাৰ লগতে বাহনখনৰ বৈধ নথি-পত্ৰৰো ম্যাদ উকলি গৈছিল। সাংবাদিকৰ আগত ট্ৰাকখনৰ চালকজনে নিজেই বাহনখনৰ নথি-পত্ৰৰ ম্যাদ উকলি যোৱা আৰু ১৫ টন অতিৰিক্ত বোজা কঢ়িয়াই অনাৰ কথা স্বীকাৰ কৰে। আনহাতে, নিশাৰ ভাগতহে বাহনখন চলাচল কৰাৰ কাৰণ সন্দৰ্ভত চালকজনে 'মালিকৰ চেটিংছ' থকাৰ বাবেই বাহনখন নিশাৰ ভাগত চলে বুলিও মন্তব্য কৰে। চালকজনৰ এই মন্তব্যই সমগ্ৰ ঘটনাক লৈ অধিক ৰহস্যৰ সৃষ্টি কৰিছে। ইফালে, ব্যৱসায়ীজনৰ অধীনত এনে কেইবাখনো বাহন অঞ্চলটোত চলাচল কৰি অহাৰ লগতে নিশাৰ আন্ধাৰত এই বাহনসমূহৰ জৰিয়তে নন-ট্ৰেড চিমেণ্টৰ অবৈধ সৰবৰাহ চলি থকাৰ অভিযোগ উত্থাপন হৈছে। আনকি এই বৃহৎ অবৈধ বেহাৰ আঁৰত আৰক্ষীৰ একাংশ উচ্চপদস্থ বিষয়াৰো সহযোগিতা তথা আশ্ৰয়-প্ৰশ্ৰয় থকাৰ গুৰুতৰ অভিযোগ উঠিছে। অৱশ্যে এই অভিযোগসমূহৰ সত্যতা তদন্তৰ পাছতহে স্পষ্ট হ'ব। উল্লেখ্য যে নুমলীগড় শোধনাগাৰৰ সম্প্ৰসাৰণ প্ৰকল্পৰ কামক কেন্দ্ৰ কৰি অঞ্চলটোত নিৰ্মাণ সামগ্ৰীৰ চাহিদা বৃদ্ধি পোৱাৰ সময়তে এনে অবৈধ ব্যৱসায়ৰ অভিযোগে বিশেষ তাৎপৰ্য বহন কৰিছে। সচেতন যুৱকসকলৰ তৎপৰতাত এখন ট্ৰাক জব্দ হোৱাৰ পাছত এতিয়া প্ৰশ্ন উত্থাপন হৈছে দীৰ্ঘদিন ধৰি কাৰ আশ্ৰয়-প্ৰশ্ৰয়ত চলি আছিল এই চিমেণ্টৰ ক'লা বেহা? আৰক্ষীৰ সৈতে বুজাবুজি থকাৰ চালকৰ দাবীৰো নিৰপেক্ষ তদন্ত হ'বনে? সমগ্ৰ চক্ৰটোৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সচেতন মহলে।

আজিৰ পৰা আছুৰ উদ্যোগত

ধাৰা অব্যাহত ৰাখি পঞ্চম বৰ্ষত ভৰি থ'লে। ইতিমধ্যে ভাওনা সমাৰোহৰ প্ৰস্তুতি সম্পূৰ্ণ হোৱা বুলি উদ্‌যাপন সমিতিৰ মুখ্য সম্পাদক সীমান্ত নেওগে জানিবলৈ দিয়ে। কাইলৈ পুৱা পৰিৱেশ নিকাকৰণৰ পাছতে সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰিব হাৰমতী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰঞ্জিত স্বৰ্গীয়াৰীয়ে। পঞ্চম ভাওনা সমাৰোহৰ পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি দীপক বৰুৱাই। পুৱা ১১ বজাত শ্বহীদ তৰ্পণ কৰিব হাৰমতী আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক পংকজ ভৰালীয়ে। ইয়াৰ পাছতেই হাৰমতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অস্থায়ীকৈ নিৰ্মাণ কৰা গুৰুগৃহৰ আসন প্ৰতিষ্ঠা, নাম-প্ৰসংগ আৰু সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব যোগেন দাসে। সন্ধিয়া ৪.৩০ বজাত পঞ্চম বাৰ্ষিক আমন্ত্ৰণমূলক ভাওনা সমাৰোহ উদ্বোধন কৰিব শংকৰদেৱ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক অৰুণ গোস্বামীয়ে। সন্ধিয়া ৫ বজাত যোৰহাট উদয়ন শিল্পী সমাজৰ 'কূৰ্ম অৱতাৰ' নাটভাগ প্ৰদৰ্শন কৰা হ'ব। উল্লেখ্য যে ভাওনা সমাৰোহৰ অন্তিম দিনা ভাওনা উদ্বোধন কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই। সেইদিনাই 'ভাওনা বৈভৱ' বঁটা প্ৰদান কৰিব।

টীয়কত গ্ৰন্থমেলা-সাহিত্য

পাব্লিচাৰ্চ এণ্ড বুক ছেলাৰ্ছ গিল্ড, নৰ্থ ইষ্ট আৰু টীয়কবাসীৰ সহযোগত এই গ্ৰন্থমেলা ১১ নৱেম্বৰলৈকে ৯ দিনীয়াকৈ চলিব। বকুলবনৰ কবি আনন্দ চন্দ্ৰ বৰুৱা ক্ষেত্ৰ, টীয়ক উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজি পুৱা ৯ বজাত পতাকা উত্তোলন কৰে টীয়ক গ্ৰন্থমেলা আৰু সাহিত্য সমাৰোহ-২০২৬ৰ সভাপতি তথা আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডঃ মাধুৰ্যমণ্ডিত বৰুৱাই। টীয়ক ই-মিডিয়া ফ'ৰামৰ পতাকা উত্তোলন কৰে সভাপতি অমৃত দত্তই। পুৱা ৯.৩০ বজাত স্মৃতি তৰ্পণ কৰে টীয়কৰ বিধায়ক বিকাশ শইকীয়াই। আনহাতে পুৱা ১০ বজাত গ্ৰন্থমেলাৰ দ্বাৰ মুকলি কৰে ঢেকীয়াখোৱা বৰনামঘৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰবীণ কলিতাই। কাৰ্যকৰী সভাপতি অঞ্জন প্ৰকাশ বৰুৱাই আঁতধৰা উদ্বোধনী অনুষ্ঠানটো উদ্বোধন কৰে শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱ গোস্বামীয়ে। আজি গ্ৰন্থমেলাত বিভিন্ন প্ৰকাশনৰ গ্ৰন্থৰ বিপণীৰ লগতে সাহিত্য, সংস্কৃতিৰ বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। গ্ৰন্থমেলাৰ প্ৰথমটো দিনত নিয়ৰ প্ৰকাশনৰ দ্বাৰা যুৱ লেখিকা স্মৃতিপ্ৰিয়া লহনৰ 'প্ৰেমৰ সিপাৰে তেজৰ চেকুৰা' নামৰ এখন গল্প কিতাপ আৰু ধৰ্মেশ্বৰ বৰুৱাৰ 'মহাভাৰতৰ বাছকবনীয়া কাহিনী' নামেৰে এখনি গ্ৰন্থ উন্মোচন হয়।

নগাঁৱৰ নেহৰুবালিত ৰাজ্যিক হস্ততাঁত-বস্ত্ৰমেলা আৰম্ভ

মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে মুকলি কৰিলে মেলা



দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

নগাঁও, ৩ নৱেম্বৰ ঃ আৰ্টফেডে ভাৰত চৰকাৰৰ হস্ততাঁত উন্নয়ন আয়ুক্ত, বস্ত্ৰ মন্ত্ৰণালয়ৰ আৰ্থিক সাহায্যত আৰু ৰাষ্ট্ৰীয় হস্ততাঁত উন্নয়ন কাৰ্যসূচীৰ অধীনত ৰাজ্যিক হস্ততাঁত বস্ত্ৰ হাথকৰঘা মেলা ২০২৫-২৬ নগাঁৱত আয়োজন কৰিছে। এই ৰাজ্যিক হস্ততাঁত বস্ত্ৰমেলাখন নগাঁও চহৰৰ ঐতিহ্যমণ্ডিত নেহৰুবালি খেলপথাৰত ১ নৱেম্বৰৰ পৰা আৰম্ভ হৈছে। অসমৰ বিভিন্ন জিলাৰ পৰা অহা হস্ততাঁত বোৱা-কটা সমবায় সমিতি, আত্মসহায়ক গোট আৰু স্থানীয় উদ্যোগী প্ৰতিষ্ঠানে নিজ নিজ উৎপাদিত সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰিছে। এই হস্ততাঁত বস্ত্ৰ মেলাৰ মুখ্য উদ্দেশ্য হৈছে হস্ততাঁত উদ্যোগৰ লগত জড়িত শিপিনীসকলৰ বাবে এক সুন্দৰ বিপণন মঞ্চৰ সুযোগ প্ৰদান কৰি হস্ততাঁত খণ্ডক শক্তিশালী কৰা আৰু ঐতিহ্যপূৰ্ণ হস্ততাঁত বস্ত্ৰ তথা ঐতিহ্যৰ দীৰ্ঘম্যাদী সংৰক্ষণ সুনিশ্চিত কৰা। ইয়াৰ প্ৰধান উদ্দেশ্যসমূহ ক্ৰমে শিপিনী আৰু গ্ৰাহকসকলক বিপণনৰ সুবিধা প্ৰদান কৰা। পৰম্পৰাগত হস্ততাঁত বস্ত্ৰ শিল্পৰ প্ৰতি সজাগতা বৃদ্ধি কৰা। উৎপাদক আৰু গ্ৰাহকৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক স্থাপন কৰি শিপিনীসকলৰ জীৱিকা সুনিশ্চিত কৰা ইত্যাদি। হস্ততাঁত বস্ত্ৰ মেলাখনিত প্ৰায় ২ কোটি টকাৰ ব্যৱসায়ৰ লক্ষ্য স্থিৰ কৰা হৈছে। এই হস্ততাঁত বস্ত্ৰ মেলাৰে সংগতি ৰাখি নিৰ্বাচিত দিনত শিপিনী সম্পৰ্কীয় কৰ্মশালা আৰু সাংস্কৃতি সন্ধিয়া ইত্যাদিৰ আয়োজন কৰা হৈছে। আৰ্টফেডৰ পৰিচালন সঞ্চালক ময়ূৰী ওজাই আদৰণী ভাষণ আগবঢ়োৱা অনুষ্ঠানত উপস্থিত থাকে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, আৰ্টফেডৰ উপাধ্যক্ষ প্ৰহ্লাদ গোৱালা, জিলা আয়ুক্ত আৰণ্যক শইকীয়া, আৰ্টফেডৰ সম্পাদক চয়দ ৰিয়াজুল হক, আৰ্টফেডৰ সহকাৰী কাৰ্যবাহী অভিযন্তা কুশল কুমাৰকে আদি কৰি অন্যান্য বিষয়ববীয়া তথা কৰ্মচাৰীসকলৰ লগতে হস্ততাঁত বস্ত্ৰ শিল্পৰ লগত জড়িত ব্যক্তিসকলৰ উপৰি স্থানীয় ৰাইজ উপস্থিত থাকে। কাৰ্যবাহী অভিযন্তা কুশল কুমাৰে সামগ্ৰিকভাৱে আঁতধৰা অনুষ্ঠানটিৰ শেষত শলাগৰ শৰাই আগবঢ়ায় চৈয়দ ৰিয়াজুল হকে। ইয়াৰ লগতে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে।

মাহমৰাত লাচিত দিৱসৰ লাইখুঁটা স্থাপন



দৈনিক অসমৰ প্ৰতিনিধি

মাহমৰা, ৩ নৱেম্বৰ ঃ অসমীয়া যুৱ মঞ্চ চৰাইদেউ জিলা সমিতিৰ উদ্যোগত মাহমৰা আঞ্চলিক সমিতিৰ আতিথ্যত, স্থানীয় ৰাইজৰ সহযোগত ২৪ নৱেম্বৰত মাহমৰাৰ জজলীত অনুষ্ঠিত হ'বলগীয়া লাচিত দিৱসৰ আজি লাইখুঁটা স্থাপন কৰা হয়। তদুপলক্ষে আয়োজিত অনুষ্ঠানত উদ্‌যাপন সমিতিৰ সভাপতি প্ৰাক্তন প্ৰধান শিক্ষক টংকেশ্বৰ ফুকন, সমাজকৰ্মী অকন বৰুৱা, যুটীয়া সম্পাদকদ্বয় মনোজ বৰুৱা আৰু জিণ্টু ফুকন, মাহমৰা আঞ্চলিক সমিতিৰ সভাপতি প্ৰণৱ চেতিয়া, অসমীয়া যুৱ মঞ্চৰ চৰাইদেউ জিলাৰ সভাপতি মানসপ্ৰতিম খামন, সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি গগৈৰ লগতে ভালেসংখ্যক লোক উপস্থিত থাকে।

পঞ্চম পৃষ্ঠাৰ পৰা

মৰাণৰ ৰাজীৱ বৰাৰ বিয়োগ

ৰাজীৱ বৰাই। ডিব্ৰুগড় জিলাৰ মৰাণ অভয়পুৰ (ফটিকাছোৱা অভয়পুৰীয়া বঙালী গাঁও) নিৱাসী বৰাৰ মৃত্যুৰ বাতৰিয়ে সমগ্ৰ মৰাণ অঞ্চলতে গভীৰ শোকৰ ছাঁ পেলাইছে। তেওঁৰ বিয়োগত মৰাণৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন আৰু গুণমুগ্ধই গভীৰ শোক প্ৰকাশ কৰিছে। ৭৫ বছৰীয়া ৰাজীৱ বৰাই প্ৰায় দুমাহ ধৰি ডিব্ৰুগড়ৰ কেইবাখনো ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ থকাৰ পাছত শেহতীয়াকৈ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসা গ্ৰহণ কৰি আছিল। চিকিৎসাধীন অৱস্থাত আজি পুৱা ৪.৩০ বজাত শেষ নিশ্বাস ত্যাগ কৰে। ১৯৫১ চনত জন্মগ্ৰহণ কৰা ৰাজীৱ বৰাই মৰাণ নগৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰি মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মাধ্যমিক শিক্ষা গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত অধ্যয়ন কৰি স্নাতক ডিগ্ৰী লাভ কৰে। কৰ্মজীৱনৰ আৰম্ভণিতে ৰাজগড়ৰ দাংপৰা উচ্চ মাধ্যমিক বিদ্যালয় আৰু বৰপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰাৰ পাছত ১৯৭৭ চনত বিজ্ঞান বিষয়ৰ শিক্ষক হিচাপে মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোগদান কৰে। সুদীৰ্ঘ ৩৪ বছৰ শিক্ষকতা জীৱন অতিবাহিত কৰি ২০১১ চনৰ ৩০ ছেপ্টেম্বৰত বিদ্যালয়খনৰ অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। এগৰাকী নিষ্ঠাৱান শিক্ষাবিদ হিচাপেই নহয়, অতি অমায়িক, সৰল আৰু হাস্যমধুৰ ব্যক্তিত্বৰ অধিকাৰী ৰাজীৱ বৰাই মৰাণৰ সামাজিক-সাংস্কৃতিক জীৱনতো বিশেষ ভূমিকা পালন কৰিছিল। তেওঁ মৰাণ অভয়পুৰ নামঘৰৰ নামঘৰীয়া, মৰাণ সংগীত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উন্নয়ন আৰু পৰিচালনা সমিতিৰ সভাপতিকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ দায়িত্ব নিষ্ঠাৰে পালন কৰিছিল। তেওঁৰ সান্নিধ্য আৰু কৰ্মৰাজিয়ে অঞ্চলটোৰ বহুজনৰ মনত এক সুকীয়া স্থান অধিকাৰ কৰি আছিল। আজি তেওঁৰ নশ্বৰদেহ কৰ্মজীৱনৰে ওতপ্ৰোতভাৱে জড়িত মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণলৈ অনা হয়। বিদ্যালয়ৰ পৰিয়াল আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোগত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। মৰাণৰ জ্যেষ্ঠ সাংবাদিক ত্ৰৈলোক্য চেতিয়াই আঁত ধৰা অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী, মৰাণ প্ৰেছ ক্লাব, মৰাণহাট প্ৰেছ ক্লাব, মৰাণ লায়নছ ক্লাব, মৰাণ মিলিত শিল্পী সমাজ, পূৰ্বোত্তৰ মাৰোৱাৰী সন্মিলনৰ মৰাণ শাখা, বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সমাজ আৰু জ্যেষ্ঠ নাগৰিক সন্মিলনৰ মৰাণ শাখাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে প্ৰয়াত শিক্ষাবিদগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰাজীৱ বৰাৰ বিয়োগত ৰাজ্যসভাৰ সাংসদ যোগেন মহন, স্থানীয় বিধায়ক তথা মন্ত্ৰী বিমল বড়া, মৰাণ শতদল শাখা সাহিত্য সভাৰ সভাপতি অজিত চুতীয়া, মৰাণ প্ৰেছ ক্লাবৰ সভাপতি দয়ানন্দ সিং, কাৰ্যকৰী সভাপতি যদুনাথ পুৰী, সম্পাদক কৰুণা ফুকন, অৰুণোদয় সংবাদ কাকতৰ সম্পাদক ত্ৰৈলোক্য চেতিয়া আৰু সদৌ অসম চাহ বৈশ্যই সন্মিলনৰ সম্পাদক তিলক চাহুকে ধৰি বহু বিশিষ্ট ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ ভাতৃ-বোৱাৰী, তিনি কন্যা-জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক এৰি থৈ যায়। ৰাজীৱ বৰাৰ বিয়োগত মৰাণে এগৰাকী নিষ্ঠাৱান শিক্ষাবিদ, সমাজহিতৈষী আৰু সৰবৰহী ব্যক্তিক হেৰুৱালে।

SHORT NOTICE INVITING TENDER

Sealed Quotations affixing a non refundable court fee stamp of Rs. 8.25 (Rupees eight & paise twenty five) only are invited from registered private Printing Presses for printing of Photo Electoral Rolls (PER) in connection with the Special Summary Revision of Photo Electoral Rolls w.r.t. 01-01-2027 as qualifying date under the following terms and conditions.

The quotation will be received by the Election Officer, Kamrup Metropolitan District on behalf of the undersigned during office hours upto 2.30 PM of **07/11/2026** and shall be opened on the same day at 3.00 PM in presence of the quotationers or their authorized representatives.

Terms and conditions:

1. Quotations are invited to determine a competitive and reasonable rate for the printing of Photo Electoral Rolls (PER).
2. The Printing Press must be registered with the Printing and Stationery Department, Govt. of Assam (copy of registration to be enclosed).
3. The Quotationers must furnish attested copies of the documents relating to PAN Card, GST Registration with up-to-date GST Clearance Certificate, Up-to-date Income Tax Clearance Certificate, Trade Licence and similar work Experience Certificate for last 3 (three) years etc. along with the quotation.
4. The quotation should be dropped in the drop box kept in front of the Election Office, Kamrup Metropolitan District, Rupnagar, Guwahati-32. Quotations without attested copies of the documents/certificates will be rejected.
5. The rate of printing of PER per copy on both sides of A4 size paper of 75 GSM should not be above **Rs. 2.80** and in case of single side of A4 size paper of 75 GSM should not be above **Rs. 1.90**. The quoted rates should be inclusive of paper cost and exclusive of GST.
6. The Printing Press should have sufficient Technical and Manpower capacity to print and deliver the PER on an emergency basis as and when required. No excuse for delay/failure to print the Electoral Rolls within the stipulated time on account of power failure or any other reason will be entertained.
7. The rate should be quoted separately for single side and both side printing.
8. The Quotationers should not have been blacklisted by any Government Department/Agency during the last 3 (three) financial years and the current financial year i.e. FY 2023-24, FY 2024-25 and 2025-26.
9. The soft copy of the Electoral Roll shall be provided in DVD by the Election Office, Kamrup Metro for printing.
10. The tendering authority reserves the right to reject any bid based on past unsatisfactory performance such as failure to execute previous work orders, supply of substandard materials, breach of contract, or abandoning work. The decision of the tendering authority in this regard shall be final and binding.
11. The undersigned reserves the right to accept or reject any or all quotations without assigning any reason thereof.

District Election Officer,
Kamrup Metropolitan District,
Guwahati.

DIPR/CF/DA/2191/4-Nov-26





সুধাকণ্ঠ

মহাবাহু ব্ৰহ্মপুত্ৰৰ সুবিশাল বুকুত
যাযাবৰীৰূপে জন্ম লৈ
ৰচিছিলা, গাইছিলা হাজাৰ-বিজাৰ গীত
সুৰৰ 'সুধাকণ্ঠ' হৈ।
'পদ্মশ্ৰী', 'পদ্মভূষণ' 'অসম-ভাৰত ৰত্ন'
আৰু যে কত সন্মান,
অসমী আয়ে নাপাব কাহানিও
এনে সুযোগ্য সন্তান।
গীত গাই গাই জাতিক বান্ধিছিল
একতা আহিবৰ ভাবে,
মানুহৰ মাজত হিংসা দেখি গাইছিল
'মানুহে মানুহৰ বাবে'।

অনুৰাগ পাটোৱাৰী
সপ্তম শ্ৰেণী, অসম জাতীয় বিদ্যালয়, গুৱাহাটী

জিজ্ঞাসা



■ দীপাংকৰ কৌশিক

আজিৰ শিতানটো সজোৱা হৈছে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা সম্পৰ্কীয় তথ্যৰে—

১। ডঃ ভূপেন হাজৰিকাক 'সুধাকণ্ঠ' উপাধিটো কোনে প্ৰদান কৰিছিল?
২। বশিষ্ঠ মালাকাৰৰ কণ্ঠ সংগীতত আছিল ভূপেন হাজৰিকাৰ কণ্ঠৰ প্ৰতিধ্বনি। ক'ত বাৰু?
৩। ১৯৬৮ চনৰ ২৬ জানুৱাৰীত খাদ্য সমস্যাৰ বাবে গুৱাহাটীৰ ফাঁচীবজাৰত সংঘটিত এটা ঘটনাৰ অৱলম্বনত সুধাকণ্ঠই কোনটো যুগমীয়া গীত ৰচনা কৰিছিল?
৪। 'এই বাঁটা হ'ল অসমলৈ ৰঙালী বিহুৰ এক বিশেষ উপহাৰ।'—সুধাকণ্ঠলৈ কোনটো ৰাষ্ট্ৰীয় বাঁটা ঘোষণা কৰাৰ সময়ত অসমৰ বাতৰি কাকতত এনেদৰে বাতৰি প্ৰকাশ পাইছিল?
৫। কোনখন চলচ্চিত্ৰ মুক্তিৰ পাছত 'দ্য ষ্টেট্‌ছমেন' কাকতে লিখিছিল এইদৰে— Another genius of Assam after Pramathesh Baruah?
৬। সুধাকণ্ঠ বিষয়ক প্ৰথমখন জীৱনী গ্ৰন্থ প্ৰকাশ পাইছিল ১৯৮৬ চনৰ ১৫ নৱেম্বৰত। লেখক কোন? গ্ৰন্থখনৰ নাম কি?
৭। ভূপেন হাজৰিকাই সংগীত পৰিচালনা কৰা আৰু দুটা গীতত সুৰ দিয়া ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰথম নাটকখনৰ পৰিচালনা কোনে কৰিছিল?
৮। সুধাকণ্ঠৰ প্ৰথমখন গীতৰ পুথি তেওঁৰে এটি গীতৰ প্ৰথম শাৰী। কি বাৰু?
৯। 'উৰণীয়া মৌ' ডঃ ভূপেন হাজৰিকাৰ জীৱনভিত্তিক উপন্যাস। কোন বাৰু ঔপন্যাসিকগৰাকী?

চিত্ৰ সংকেত

১০। সুধাকণ্ঠৰ সৈতে থকা ব্যক্তিগৰাকী কোন বাৰু?



ভুৰ


১। আনন্দ চন্দ্ৰ বৰুৱা, ২। থিয়েটাৰ ভাগ্যদেৱীৰ মঞ্চত 'শৈশৱতে ধেমালিতে' নাটকত, ৩। আমি অসমীয়া নহওঁ দুখীয়া। ৪। দাদা চাহেব ফাল্কে বঁটা। ৰঙালী বিহুৰ 'উৰুকা'ত ঘোষণা হৈছিল বঁটাটো, ৫। এৰা বাটৰ সুৰ, ৬। ৰতি মোহন নাথ। কলাৰত্ন ডঃ ভূপেন হাজৰিকা, ৭। ৰত্ন ওজা। 'ইন্দ্ৰধনু থিয়েটাৰ'ৰ নাট 'শকুন্তলা', ৮। জিলিকাব লুইতৰে পাৰ, ৯। গোবিন কুমাৰ খাউণ্ড, ১০। কিশোৰ কুমাৰ।

পঢ়ুৱৈৰ বাবে প্ৰশ্ন

১১। সুধাকণ্ঠই কণ্ঠদান কৰা অন্তিমখন হিন্দী চলচ্চিত্ৰৰ নাম কি আছিল?

(অহা সোমবাৰৰ ভিতৰত আমালৈ ৯৮৬৪৩-২৩৪৯৯ ফোন নম্বৰত হোৱাট্‌ছএপ কৰি উত্তৰ পঠিয়াব পাৰিব।)

যোৱা সংখ্যাৰ **'পঢ়ুৱৈৰ বাবে প্ৰশ্ন'**ৰ শুদ্ধ উত্তৰ—মামণি ৰয়ছম গোস্বামী। আমালৈ শুদ্ধ উত্তৰ পঠিয়াইছে—
গুৱাহাটীৰ ছয়মাইলৰ প্ৰিয়াংশু বৈশ্য, শুৱালকুছিৰ গন্ধমৌৰ সুনীল বৈশ্য, বাইহাটা চাৰিআলিৰ কংকণা শালৈ, নলবাৰীৰ ছান্দকুছিৰ অনন্যা শৰ্মা, জাপৰিগোগৰ নন্দনপুৰৰ ৰুবী দেৰী, মিৰ্জাৰ কংকণা কলিতা, নলবাৰীৰ পানীগাঁৱৰ সংযুক্তা ভৰদ্বাজ, জালাহঘাটৰ প্ৰাঞ্জল দাস, সৰভোগৰ গীতাঞ্জলি দাস, নলবাৰীৰ ৰৱনৰ্দ্দীৰ জয়ন্ত ডেকা, অসম জাতীয় বিদ্যালয়ৰ জিজ্ঞাসা ৰয়, ৰশ্মিনন্দা কলিতা, অৰিয়ন অনুভৰ কলিতা, গুৱাহাটীৰ গণেশপাৰাৰ ৰুমা দেৰী, বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বৃষ্টি তালুকদাৰ, ধেমাজিৰ বিকাশ গোহাঁই, দৰঙৰ দীঘিৰপাৰৰ ধীৰাজ ডেকা, পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমীৰ অৰ্ণৱ হৃষিকেশন, বলয় বৈভৱ মেধি, নলবাৰীৰ ৰৱমূৰিকোণাৰ কৱেন্দ্ৰ চক্ৰৱৰ্তী, চানমাৰিৰ ভণিতা দাস, তেজপুৰৰ দ্বিজেন মাহাতো, নলবাৰীৰ দেহাৰকুছি কলবাৰীৰ কনক চন্দ্ৰ শৰ্মা, মমাতনগৰৰ সুৰেশ চন্দ্ৰ ডেকা, টিহুৰ অশ্বিনী ডেকা, নলবাৰী ৰৱনৰ্দ্দীৰ লাৱণ্য দেৰী, গুৱাহাটীৰ মুকুট চৌধুৰী, বৰ্ণালী চৌধুৰী মহন্ত, পুৰণিগুদামৰ কবিতা ৰৱা কলিতা, কটন কলেজিয়েটৰ ত্ৰিদিপ ৰঞ্জন পাঠক, জালুকবাৰীৰ হিমা কলিতাই।



বিশ্ৰুতি প্ৰিয়া বৈশ্য, *চতুৰ্থ শ্ৰেণী, আদৰ্শ জাতীয় বিদ্যালয়, গণমৌ*



ৰুদ্ৰাণী কিংকৰ, *প্ৰভাত শ্ৰেণী, শংকৰদেৱ শিশু কুঞ্জ, অম্বিকাগিৰী নগৰ*

ভণ্টীৰ স্কুল

মোৰ স্কুলত পঢ়াৰ
দুৰ্বাৰ হেঁপাহ তাইৰ,
মোক স্কুলত থৈ আহি
স্কুল যোৱাৰ অভিনয় কৰে।

মোৰ যি পৰীক্ষা থাকে
তাইবো বোলে আছে,
পুৱা উঠি দেউতাক, আইতাক
তাকে ক'বলৈ ধৰে।



সৌম্যদীপ কলিতা
পঞ্চম শ্ৰেণী, অসম জাতীয় বিদ্যালয়, গুৱাহাটী

উত্তম আৰু অধম

মূল বাংলা ঃ সত্যেন্দ্ৰনাথ দত্ত
ভাবানুবাদ ঃ সুৰেন্দ্ৰ মোহন দাস

কুকুৰটো আহি মানুহজনৰ
ভৰিত কামো�ৰ দিলে

ভৰিৰ লগতে পিন্ধা পেণ্টটোৱো
বখলা-বখল নিলে।

ঘৰলৈ উভতি আহি বেচেৰাৰ
বিষত টোপনি নাই

ছোৱালীজনীও উজাগৰে থাকি
পিতাকক থাকে চাই।

পিছে পিতাকক ভেঙুচালি কৰি
ক'লে দাঙি তাই হাত

'তুমি কিয় পিতা এৰি দিলা তাক
নাইনে তোমাৰ দাঁত?'

কোনোমতে হাঁহি দেউতাকে ক'লে
'হুঁহুৱালি দেই তই

দাঁত আছে বুলি কুকুৰক বাৰু
কেনেকৈ কামোৰোঁ মই?

কুকুৰৰ কাম কুকুৰে কৰিছে
দোষ নাই পিছে তাৰো

সেইবুলি আমি তাক কামুৰিলে
ভাল দেখি জানো বাৰু?

ফোন ঃ ৯১০১৪৬৪৮৯৩



দৰ্শিল দীপ ডেকা, *কে জি, হাৰ্ভাৰ্ড পাব্লিক স্কুল, দদৰা*



ৰিয়াঞ্চী হাজৰিকা, *প্ৰভাত শ্ৰেণী, শংকৰদেৱ শিশু কুঞ্জ, অম্বিকাগিৰী নগৰ*

কৃত্ৰিম বুদ্ধিমত্তা

বিজ্ঞানৰ কাহিনী



ডাঃ অজয় কুমাৰ ভূঞা




কৃত্ৰিম বুদ্ধিমত্তা বা চমুকৈ এ আই (Artificial Intelligence)। সহজ কথাত ক'বলৈ গ'লে, আমি মানুহে যেনেকৈ সৰুৰে পৰা চাৰিওফালৰ পৰিৱেশ দেখি, শুনি আৰু পঢ়ি কথা শিকোঁ, ঠিক তেনেকৈ যেতিয়া এটা কম্পিউটাৰ প্ৰগ্ৰেমক মানুহৰ দৰে চিন্তা কৰিবলৈ, নতুন কথা শিকিবলৈ আৰু সিদ্ধান্ত ল'বলৈ শিকোৱা হয়, তাকেই 'কৃত্ৰিম বুদ্ধিমত্তা' বোলে। ইয়াৰ কোনো নিজা মগজু বা অনুভূতি নাই। কিন্তু, ই ইণ্টাৰনেটত থকা অগণন তথ্য (Data) বিশ্লেষণ কৰি নিমিষতে যিকোনো সমস্যাৰ সমাধান দিব পাৰে।

অৱশ্যে 'এ আই' হঠাৎ এদিনতে সৃষ্টি হোৱা নাই। ইয়াৰ আঁৰত আছে এক দীঘলীয়া আৰু আমোদজনক ইতিহাস। ১৯৫০ চনতে বৃটিছ বিজ্ঞানী এলান টিউৰিঙে (Alan Turing) প্ৰথমবাৰৰ বাবে চিন্তা কৰিছিল— 'যন্ত্ৰই মানুহৰ দৰে চিন্তা কৰিব পাৰেনে?' ইয়াৰ পাছত ১৯৫৬ চনত আমেৰিকাৰ বিজ্ঞানী জন মেককাৰ্থীয়ে (John McCarthy) পোনপ্ৰথমবাৰৰ বাবে 'Artificial Intelligence' শব্দটো ব্যৱহাৰ কৰে। সেই সময়ত কম্পিউটাৰবোৰ এটা কোঠাৰ সমান ডাঙৰ আছিল। ১৯৯৭ চনত বিশ্ববাসী তেতিয়া আচৰিত হৈ পৰিছিল, যেতিয়া 'ডিপ ব্লু' (Deep Blue) নামৰ এটা কম্পিউটাৰে তদানীন্তন বিশ্ব দবা চেম্পিয়ন গেৰী কাস্পাৰভক দবা খেলত হৰুৱাছিল! লাহে লাহে ইণ্টাৰনেটৰ বিস্তাৰ হ'ল আৰু ম'বাইল ফোনত 'ছিৰি' (Siri) বা 'গুগল এছিষ্টেণ্ট' আহিল। আৰু বৰ্তমান সময়ত 'ChatGPT' বা 'Gemini'-ৰ দৰে আধুনিক এ আয়ে সমগ্ৰ বিশ্বতে এক নতুন বিপ্লৱৰ সূচনা কৰিছে। তোমালোকে হয়তো নজনাকৈয়ে দৈনন্দিন জীৱনত এ আই ব্যৱহাৰ কৰি আছা। ইউটিউব বা ইনষ্টাগ্ৰাম খুলিলে, তোমালোকে ভাল পোৱা ভিডিঅ'বোৰ যে নিজে নিজে ওপৰত ভাহি আহে বা গুগলত কিবা এটা লিখিবলৈ লওঁতেই যে বাকীখিনি নিজে নিজে ওলাই পৰে— এই সকলোবোৰেই এ আইৰ কৌশল। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এ আই ২৪ ঘণ্টাই লগত থকা এগৰাকী ঘৰুৱা শিক্ষকৰ দৰে। বিজ্ঞানৰ কোনোবাটো জটিল সূত্ৰ বা গণিতৰ কোনোবাটো অংক বুজি নাপালে, এ আইক সুধিলে ই অতি সহজ ভাষাত, উদাহৰণসহ বুজাই দিব পাৰে। নতুন ভাষা শিকা, ইংৰাজী ব্যাকৰণ শুদ্ধ কৰা, বিজ্ঞান মেলাৰ বাবে নতুন প্ৰজেক্টৰ ধাৰণা উলিওৱা বা কম্পিউটাৰ কোডিং (Coding) শিকাত ই তোমালোকক যথেষ্ট সহায় কৰিব পাৰে। কিন্তু, সকলো বস্তুৰে ভাল আৰু বেয়া দুটা দিশ থকাৰ দৰে এ আইৰো কিছুমান নেতিবাচক দিশ আছে, যিবোৰৰ বিষয়ে কিশোৰ-কিশোৰীসকল সচেতন হোৱাটো অত্যন্ত জৰুৰী। আজি-কালি বহুত ছাত্ৰ-ছাত্ৰীয়ে স্কুলৰ হ'মৱৰ্ক বা ৰচনা নিজে চিন্তা কৰি নিলিখি, এ আইৰ পৰা হুবহু নকল (Copy-Paste) কৰা দেখা যায়। এনে কৰিলে, তোমাৰ কামটো হয়তো কম সময়তে শেষ হ'ব। কিন্তু, তোমাৰ নিজৰ চিন্তাশক্তি, মৌলিকতা আৰু কল্পনাশক্তি দিনে দিনে ভোটা হৈ পৰিব।

তদুপৰি এ আয়ে দিয়া সকলো তথ্য সদায় এশ শতাংশ শুদ্ধ নহ'বও পাৰে। ই কেতিয়াবা ভুল তথ্যও অতি আত্মবিশ্বাসেৰে সাঁচ যেন লগাকৈ উপস্থাপন কৰিব পাৰে। আনহাতে, বৰ্তমান 'ডীপফেক' (Deepfake) প্ৰযুক্তিৰ জৰিয়তে এজন মানুহৰ মুখখন আন এজনৰ ভিডিঅ'ত লগাই বা কণ্ঠস্বৰ নকল কৰি ভুৱা ভিডিঅ' তৈয়াৰ কৰা হয়। সেয়েহে ইণ্টাৰনেটত দেখা বা শুনা সকলো কথাকে চকু মুদি বিশ্বাস নকৰি সত্যাসত্য বিচাৰ কৰাটো তোমালোকৰ দায়িত্ব।

সদায় মনত ৰাখিবা, এ আই তোমালোকৰ মগজুৰ বিকল্প নহয়। ই মগজুৰ শক্তি বৃদ্ধি কৰা এটা আধুনিক সঁজুলিহে। চাইকেলখনে যেনেকৈ তোমাক বেগাই যাবলৈ সহায় কৰে। কিন্তু, পেডেল তুমি নিজেই মাৰিব লাগে। ঠিক তেনেকৈ এ আইক তোমাৰ জ্ঞানৰ পৰিসৰ বঢ়াবলৈ ব্যৱহাৰ কৰা, এলেহুৱা হ'বলৈ নহয়। কাৰণ, যন্ত্ৰ যিমানেই বুদ্ধিমান নহওক কিয়, মানুহৰ হৃদয়ৰ আৱেগ, সহানুভূতি আৰু সৃষ্টিশীল চিন্তাশক্তিৰ সমান কেতিয়াও হ'ব নোৱাৰে!



মুক্তিদাতা পৰী

সৰগী ফুলৰ অপু�ৰাতন পাপৰি চুমি,
যাওঁ পাখি মেলি দূৰ, বহুদূৰ।
পৰিতাপাবদ্ধ চিত্তৰ মুকুৰ ভাঙি তুমি,
বোৱাই দিয়াহি বন্ধ্ৰে-বন্ধ্ৰে নিৰ্বাণৰ সুৰ।
এয়েই মোৰ কল্পনাপ্ৰিয় চিত্তৰ কামনা।

দেৱ কাশ্যপ, *একাদশ শ্ৰেণী*
আনন্দৰাম বৰুৱা একাডেমী, পাঠশালা

সাহসী নায়কজন



(যোৱা সংখ্যাৰ পাছৰ পৰা)

মুম্বাইৰ ঘাটকোপাৰ নামৰ অঞ্চলত এটা বস্ত্ৰ ব্যৱসায়ৰ লগত জড়িত পৰিয়ালত এটি শিশুৰ জন্ম হৈছিল। শৈশৱৰে পৰা তেওঁৰ লক্ষ্য আছিল বস্ত্ৰ ব্যৱসায়তে যোগদান কৰাৰ। তেওঁ প্ৰথমে 'টেক্সটাইল ইঞ্জিনীয়াৰিং' পঢ়ে। কিন্তু, পাছলৈ তেওঁৰ মন বিভিন্ন কাৰণত বিমান চালনাৰ ফালে ঢাল খালে। পাইলট হোৱাৰ সিদ্ধান্ত লোৱাৰ পাছত নিউজিলেণ্ডলৈ প্ৰশিক্ষণৰ বাবে গ'লেও প্ৰশিক্ষণ সমাপ্ত কৰি দেশপ্ৰেমী ল'ৰাজন উভতি আহি ভাৰতৰ বিমান সংস্থা 'স্পাইচজেট' (Spicejet)ত বাণিজ্যিক পাইলট হিচাপে যোগ দিয়ে। তাত তেওঁ সুদীৰ্ঘ ১১ বছৰতকৈও অধিক সময় ধৰি সেৱা আগবঢ়াই 'ছিনিয়ৰ কামাণ্ডাৰ' আৰু 'লাইন ট্ৰেইনিং কেপ্টেইন' পদলৈ উন্নীত হয়।

২০২২ চনত তেওঁৰ UAEৰ বিমান পৰিবহন সংস্থা 'ফ্লাই দুবাই' (Fly Dubai)ৰ এগৰাকী জ্যেষ্ঠ কেপ্টেইন হিচাপে যোগদান কৰে। বৰ্তমানলৈ তেওঁৰ প্ৰায় ৯,৭৫০ ঘণ্টাতকৈও অধিক সময়ত বিমান উৰুওৱাৰ এক বৃহৎ অভিজ্ঞতা আছে।

৩০ ছেপ্টেম্বৰ, ২০২৬, বুধবাৰে সেই নিষ্ঠুৰ পুৱা ৯ বাজি, ২১ মিনিটত ছৌদি আৰবৰ আকাশত উৰি থকা এখন বিমান ৩৪ হাজাৰ ফুট উচ্চতাৰ পৰা তীব্ৰবেগে ১৭ হাজাৰ ফুট তললৈ পতিত হ'বলৈ ধৰে। বিমানখনৰ গতি প্ৰতিঘণ্টাত ৭৬০ কিলোমিটাৰৰ পৰা ১,১১০ কিলোমিটাৰলৈ আকস্মিকভাৱে বৃদ্ধি পাইছিল। আতংকিত হৈ পৰিছিল বিমানখনৰ ১৭৪ গৰাকী যাত্ৰী তথা ক্ৰু মেম্বাৰ। প্ৰথমে ইয়াক বিমানখনৰ কাৰিকৰী বিসংগতিৰ কাৰণ বুলি ধাৰণা কৰা হৈছিল যদিও পাছত পোহৰলৈ আহিল প্ৰকৃত তথ্য। বিমানৰ কক্‌পিটৰ ভিতৰত তেজেৰে লুতুৰি-পুতুৰি হৈ ১৮০ গৰাকী যাত্ৰীৰ প্ৰাণৰক্ষাৰ্থে যুঁজিছিল এজন নায়কে। জানিব পৰা মতে, বিমানখনৰ কক্‌পিটত আছিল কেপ্টেইনৰ ৰূপত সেই ল'ৰাজন আৰু সহঃপাইলটগৰাকী। বিমানখন আৰব আমিৰ শ্বাহীৰ ডুবাই আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা উৰা মাৰিছিল ইজবাইলৰ তেল আভিভ অভিমুখে। পুৱা প্ৰায় ৮ বজাত বিমানখনে আকাশমাৰ্গৰ ৩৫,০০০ ফুট উচ্চতাত আৰোহণ কৰে আৰু স্বাভাৱিকভাৱে লক্ষ্যস্থান অভিমুখে যাত্ৰা অব্যাহত ৰাখিছিল। ইয়াৰ পাছতে সংঘটিত হয় ভয়াৱহ ঘটনাটো। প্ৰথমে বিমানখনৰ লাইটবোৰ বন্ধ হৈ যায় আৰু কেবিনৰ চাপ কম হ'বলৈ আৰম্ভ কৰে। ৯.২১ বজাত বিমানখনত তীব্ৰ জোকাৰণি অনুভৱ কৰা হয় আৰু তাৰ পাছত ই প্ৰথমতে ওপৰলৈ উঠি গৈ তৎক্ষণাৎ দ্ৰুতগতিত তললৈ নামিবলৈ আৰম্ভ কৰে। প্ৰথমে ৯.২৮ বজাত কক্‌পিটৰ পৰা ইমাৰজেন্সী ক'ড ৭৭০০ প্ৰেৰণ কৰা হৈছিল। ইয়াৰ পাছত ৯.৩৫ বজাত ক'ডটো সলনি হৈ ৭৫০০ হয়, যাৰ অৰ্থ অবৈধ দখল বা বিমান অপহৰণৰ চেষ্টা। বিমানখনৰ সহঃপাইলট হাম্মামিয়ে কেপ্টেইনজনক চোকা অস্ত্ৰৰে মূৰ, হাত আদিত আক্ৰমণ কৰাৰ পাছতো তেওঁ নিয়ন্ত্ৰণ নেহেৰুৱাই ৰক্তাক্ত দেহেৰে কক্‌পিটৰ দৰ্জাখন কোনোমতে খুলি দিছিল আৰু যাত্ৰীসকলে আক্ৰমণকাৰীক আটক কৰিবলৈ সুবিধা পাইছিল।

ৰশ্মিনন্দা কলিতা
ষষ্ঠ শ্ৰেণী, অসম জাতীয় বিদ্যালয়।

ভুল তুমিও কৰা নেকি!



ভুল সকলোৱে হ'ব পাৰে। তোমালোকৰো ভুল হোৱাটো স্বাভাৱিক। ভুলৰ পৰা পোৱা শিক্ষাই নতুন নতুন অভিজ্ঞতাৰ সঞ্চয় কৰে। তোমালোকৰ বয়সত হোৱা ভুলৰ প্ৰকাৰ এনে ধৰণৰ—

নিজৰ কৰ্তব্য যথাযথৰূপে পালন নকৰা।
আনৰ লগত নিজৰ তুলনা কৰা।
কথাৰে মা-দেউতা তথা জ্যেষ্ঠজনক মানসিক আঘাত দিয়া।
ভোগবাদী মানসিককতা তথা বন্ধু-বান্ধৱক দেখি বস্তু লোৱাৰ ইচ্ছা।
বেয়া বস্তু সেৱন কৰা।
ম'বাইল গেম অত্যন্ত ভালপোৱা।
মা-দেউতাৰ পৰা কথা লুকুৱাই ৰখা।

এবাৰ ভুল হোৱাটো ডাঙৰ কথা নহয়। কিন্তু, সেই ভুল পুনৰ নকৰি শুধৰাবৰ চেষ্টা কৰাটো উচিত। ভুল শুধৰোৱাৰ কেইটামান উপায়—

প্ৰথমতে, ভুল স্বীকাৰ কৰাৰ সৎ সাহস থকাটো উচিত।
নিজৰ আত্মবিশ্বাস দৃঢ় ৰাখি পাছলৈ ভুলৰ পুনৰাবৃত্তি নকৰিবা।
বস্তুৰ 'প্ৰয়োজনীয়তা' চাইহে কিনিবা। আনক দেখি বা চখ পূৰণৰ বাবে নহয়।
যিকোনো নিচাজাতীয় বস্তুৰ পৰা নিজকে আঁতৰাই ৰাখিবা।
সদায় বিনম্ৰতাৰে কথা ক'বা।
ফলাফল আশা নকৰি মাথোঁ নিজৰ কাম কৰি যোৱা।
মা-দেউতাই ভুলটো আঙুলিয়াই দিলে, তেনে কামৰ পৰা আঁতৰি থাকিবা।
মা-দেউতাক সকলো কথাই লুকুৱাই নাৰাখি খুলি কোৱা।
সকলো বস্তুৰেই ভাল-বেয়া থাকে। তোমালোকৰ ম'বাইল গেমৰ প্ৰতি অত্যধিক ভালপোৱা শাৰীৰিক তথা মানসিক দুয়ো দিশতেই ক্ষতিকাৰক। সেয়ে ডাঙৰৰ পৰামৰ্শ মতেহে ম'বাইল চাবা দেই।
মৰমৰ অকণিহঁত, এতিয়া তোমালোকৰ পঢ়াৰ সময়, ভালকৈ পঢ়া-শুনা কৰা আৰু ভাল মানুহ হোৱা। ভুলবোৰ শুধৰাই জীৱন-বাটত আগুৱাই যোৱা, সদায় কুশলে থাকা...।

জোনাকী দেৱী কাশ্যপ
ফোন ঃ ৮৭২৪০-৮৬৬৩০



উত্তৰ গুৱাহাটী আনন্দৰাম উচ্চ বুনিয়াদী বিদ্যালয়ত তিনিবাৰ চুৰিকাণ্ড

বিদ্যালয়ৰ পৰা নিলে ৬খন চিলিং ফেন

দৈনিক অসমৰ প্ৰতিনিধি

উত্তৰ গুৱাহাটী, ৩ নৱেম্বৰ ঃ আনন্দৰাম উচ্চ বুনিয়াদী বিদ্যালয় চোৰৰ লক্ষ্য হৈ পৰিছে। বিদ্যালয়খনত বিগত দুৰ্গা পূজাৰ পাছত এবাৰ-দুবাৰ নহয়, তিনিবাৰকৈ চুৰিকাণ্ড সংঘটিত হৈছে। যোৱানিশা পুনৰ বিদ্যালয়খনত চোৰ প্ৰৱেশ কৰি বিদ্যালয়খনৰ কেইবাখনো চিলিং ফেনৰ লগতে বৈদ্যুতিক তাঁৰ চুৰি কৰি নিয়ে। দুৰ্গা পূজাৰ পাছত সংঘটিত হোৱা তিনিবাৰকৈ চুৰিকাণ্ডত বিদ্যালয়ৰ তিনিটা কোঠাৰ দুখনকৈ মুঠ ৬খন চিলিং ফেন চোৰে লৈ যায়। ইয়াৰ পূৰ্বে গৰমৰ বন্ধতো বিদ্যালয়খনৰ পৰা চোৰে বহু মূল্যৱান সামগ্ৰী চুৰি কৰি লৈ যায়। চলিত বৰ্ষতে চোৰে বিদ্যালয়খনৰ পানী উঠোৱা মটৰ এটাও লৈ যায়। বিদ্যালয়খনত ধাৰাবাহিকভাৱে সংঘটিত চুৰিকাণ্ড সন্দৰ্ভত উত্তৰ গুৱাহাটী আৰক্ষী থানাক অৱগত কৰা হৈছে যদিও আজিলৈকে আৰক্ষীয়ে এটা চোৰকো আটক কৰিবলৈ সক্ষম হোৱা নাই। বিদ্যালয়খনত ধাৰাবাহিকভাৱে সংঘটিত চুৰিকাণ্ডক লৈ গভীৰ শংকাত ভুগিবলগীয়া হৈছে বিদ্যালয়খনৰ প্ৰধান শিক্ষক, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকল। বিদ্যালয় কৰ্তৃপক্ষৰ লগতে স্থানীয় ৰাইজে বিদ্যালয়খনৰ লগতে উত্তৰ গুৱাহাটীত ধাৰাবাহিকভাৱে হৈ অহা চুৰিকাণ্ড ৰোধ কৰিবলৈ আৰু এই চুৰিকাণ্ডত জড়িত দুৰ্বৃত্তক কৰায়ত্ত কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ বাবে কামৰূপ জিলা আৰক্ষী প্ৰশাসনক দাবী জনাইছে।

বাৰিষাৰ পূৰ্বেই প্ৰতিৰোধৰ ব্যৱস্থা



জনতা ভৱনত ‘মিছন বানমুক্ত গুৱাহাটী’ সন্দৰ্ভত গুৰুত্বপূৰ্ণ বৈঠক

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ মন্ত্ৰী কৌশিক ৰায়ৰ অধ্যক্ষতাত আজি জনতা ভৱনত ‘মিছন বানমুক্ত গুৱাহাটী’ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ ক্ষেত্ৰত বিভিন্ন প্ৰত্যাহ্বান, বৰ্তমান উপলব্ধ ব্যৱস্থাসমূহৰ সীমাবদ্ধতা আৰু ল’বলগীয়া পদক্ষেপ সন্দৰ্ভত আলোচনা কৰা হয়। লগতে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ ভিতৰত অহাবছৰৰ বাৰিষাৰ পূৰ্বেই সকলো প্ৰতিৰোধমূলক ব্যৱস্থা সম্পূৰ্ণ কৰা, নলা-নৰ্দমা চাফ-চিকুণ আৰু বোকা নিষ্কাশনৰ কাম পৰিকল্পিত আৰু সঠিক সময়ত ৰূপায়ণৰ বাবে এছ অ’ পি প্ৰস্তুত কৰা, বিভাগসমূহৰ মাজত সমন্বয়, দায়বদ্ধতা আৰু ফলপ্ৰসূ নিৰীক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়, লগতে নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত কাম সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়া হয়। বৈঠকত মুখ্য সচিব ডঃ ৰবি কোটা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব কবিতা পদ্মনাভন, কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত স্বপ্নিল পাল, লোক নিৰ্মাণ বিভাগৰ আয়ুক্ত সচিব সঞ্জীৰ শ্যাম, গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত চিন্ময় প্ৰকাশ ফুকনকে ধৰি সংশ্লিষ্ট বিভাগ আৰু সংস্থাসমূহৰ বিষয়াসকল উপস্থিত থাকে।

অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ত ভয়ংকৰ ঘটনা

মৃত বান্দৰ ওপঙি থকা টেংকীৰ পানী খাই অসুস্থ শতাধিক শিক্ষাৰ্থী



দৈনিক অসমৰ প্ৰতিনিধি

জালুকবাৰী, ৩ নৱেম্বৰ ঃ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ত এক ভয়ংকৰ ঘটনা সংঘটিত হৈছে। মহাবিদ্যালয়ৰ ছাত্ৰাৱাসৰ পানীৰ টেংকীত ওলাইছে মৃত বান্দৰ। এসপ্তাহ ধৰি বান্দৰ ওপঙি থকা পানীয়েই নিত্য-নৈমিত্তিক কামত ব্যৱহাৰ কৰাৰ ফলত ছাত্ৰাৱাসৰ আৱাসীসকল অসুস্থ হৈ পৰে। ছাত্ৰাৱাসৰ টেংকীত বান্দৰ মৰাৰ ফলত বমি, ডায়ে�ৰীয়া, পেটৰ বিষত আক্ৰান্ত হোৱা একাংশ আৱাসীক কালি আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰাবলগীয়া হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত খবৰ অনুসৰি মহাবিদ্যালয়খনৰ সাত নম্বৰ ছাত্ৰাৱাসত এই ভয়ংকৰ ঘটনা সংঘটিত হৈছে। জৰাজীৰ্ণ ৰূপ লোৱা ছাত্ৰাৱাসটোত বৰ্তমান আৱাসী আছে প্ৰায় ৮০জন। ছাত্ৰাৱাসটোত বৰ্তমান যিসকল আৱাসী আছে, তেওঁলোকে হঠাতে কালি পানীত দুৰ্গন্ধ পায়। লগে লগে একাংশ আৱাসীয়ে আৱাসৰ ছাদলৈ গৈ পানীৰ টেংকীটো পৰীক্ষা কৰে। এনে সময়তে আৱাসীসকলে টেংকীৰ পানীত এটা বান্দৰ মৰি থকা প্ৰত্যক্ষ কৰে। বান্দৰ মৰি বিষাক্ত হোৱা সেই টেংকীটোৰ পানী সেৱন কৰা আৱাসীসকল কালি দুপৰীয়াৰ পৰা লাহে লাহে অসুস্থ হ’বলৈ ধৰে। বিষাক্ত পানী খাই অসুস্থ হোৱা অৰ্দ্ধশতাধিক অসুস্থ আৱাসী কালি চিকিৎসালয়লৈ আহে। অসুস্থ আৱাসীসকলৰ স্বাস্থ্য পৰীক্ষা কৰি চিকিৎসকে যাৱতীয় ঔষধ আদি প্ৰদান কৰে। আনহাতে একাংশ আৱাসীক চিকিৎসালয়ত ভৰ্তি কৰি যাৱতীয় চিকিৎসাৰ অন্তত যাবলৈ দিয়া হয়। কিন্তু প্ৰশ্ন হয়— কাৰ গাফিলতিৰ বাবে এনেধৰণৰ মাৰাত্মক ঘটনা সংঘটিত হ’বলৈ পালে অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ দৰে এখন উচ্চ শিক্ষা প্ৰতিষ্ঠানত? দুৰ্গা পূজাৰ পৰাই উক্ত টেংকীৰ পানী গ্ৰহণ কৰিছিল আৱাসীসকলে। ইপিনে ছাত্ৰাৱাসৰ খাদ্যও প্ৰস্তুত কৰিছিল উক্ত পানীৰে। এখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানত এনেধৰণৰ মাৰাত্মক ঘটনা সংঘটিত হোৱা বিষয়টোৱে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

আই এ এছ এছ টিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

দৈনিক অসমৰ প্ৰতিনিধি

জালুকবাৰী, ৩ নৱেম্বৰ ঃ গুৱাহাটীৰ ইনষ্টিটিউট অৱ এডভান্সড ষ্টাডী ইন ছায়েন্স এণ্ড টেকন’লজী (আই এ এছ এছ টি)য়ে আজি প্ৰতিষ্ঠানখনৰ ৪৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰে। কাৰ্যসূচী প্ৰতিষ্ঠানখনৰ পতাকা উত্তোলনেৰে আৰম্ভ হয়। ইয়াৰ পাছতে বন্তি প্ৰজ্বলন কৰা হয়। আই এ এছ এছ টিৰ সঞ্চালক অধ্যাপক আশিস কুমাৰ মুখাৰ্জীয়ে আদৰণী ভাষণত প্ৰতিষ্ঠানখনৰ বিকাশ আৰু অগ্ৰগতিৰ ক্ষেত্ৰত আই এ এছ এছ টি পৰিয়ালৰ প্ৰতিজন সদস্যই আগবঢ়াই অহা নিৰন্তৰ সহযোগিতা, নিষ্ঠা আৰু অৱদানৰ বাবে অভিনন্দন জ্ঞাপন কৰে। উদ্বোধনী অনুষ্ঠানত ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠান (আই আই এছ চি) বেংগালুৰুৰ বিশিষ্ট বিজ্ঞানী অধ্যাপক ৰাঘৱন ৰৱদৰাজন আৰু ভাৰতীয় জ্যোতিৰ্বিজ্ঞান প্ৰতিষ্ঠান (আই আই এ পি), বেংগালুৰুৰ সঞ্চালক অধ্যাপিকা অন্নপূৰ্ণী সুব্ৰমণিয়মে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে।



পিয়লি ফুকন নগৰ সাহিত্য সভা গঠন

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ পিয়লি ফুকন নগৰ সাহিত্য সভাৰ প্ৰথমখন সাধাৰণ সভা স্থানীয় যশস্বী সাহিত্যিক-সমাজকৰ্মী কানন শৰ্মাৰ সভাপতিত্বত যোৱা ২ নৱেম্বৰত অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ শাখা হিচাপে স্বীকৃতি লাভ কৰাৰ পাছত এই সভাতেই পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সমিতি এখন গঠন কৰি শাখাটোৱে কাৰ্যনিৰ্বাহ কৰাৰ বাবে সাধাৰণ সভাৰ অনুমোদন লাভ কৰে। সাধাৰণ সভাতেই প্ৰায় দুকুৰি লোকে শাখাটোৰ সাধাৰণ সদস্যপদ গ্ৰহণ কৰে। তাৰে ৩২গৰাকীয়ে সভাৰ আজীৱন সভ্যপদ গ্ৰহণ কৰাটোৱে উৎসাহজনক ইংগিত বহন কৰিছে। নৱগঠিত শাখা সভাখনৰ সভাপতি ৰূপে জ্যোতিষ চন্দ্ৰ কলিতা, কাৰ্যকৰী সভাপতি কানন শৰ্মা, উপ-সভাপতি অচ্যুত তালুকদাৰ, সম্পাদক নিত্যানন্দ সভাপণ্ডিত আৰু পত্ৰিকা সম্পাদক ৰূপে ওমপ্ৰকাশ দাসক মনোনীত কৰা হয়।

ব্ৰেইন ষ্ট্ৰোকত আক্ৰান্ত হৈ ৪৪ বছৰ বয়সতে পৰলোক প্ৰাপ্তি

অভিনেতা অপূৰ্ব কুমাৰ ডেকাৰ মৃত্যু

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ অসমীয়া ধাৰাবাহিক আৰু চলচ্চিত্ৰৰ জনপ্ৰিয় অভিনেতা অপূৰ্ব কুমাৰ ডেকা (অপু অনিৰুদ্ধ)ৰ আজি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল (জি এম চি এইচ)ত দেহাৰসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৪ বছৰ । উল্লেখ্য যে যোৱা দেওবাৰে মগজুৰ ষ্ট্ৰ’কত আক্ৰান্ত হোৱাত ডেকাক জি এম চি এইচত ভৰ্তি কৰোৱা হয়। চিকিৎসাধীন অৱস্থাতে আজি তেওঁৰ মৃত্যু হয়। অভিনেতাজনৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে হাস্পতালত অগণন গুণমুগ্ধই ভিৰ কৰে। প্ৰথমে তেওঁৰ মৃতদেহ ৰাজগড়স্থিত সাংবাদিক হেমন্ত শৰ্মাৰ উদ্যোগত স্থাপন হোৱা জুবিন ক্ষেত্ৰলৈ অনা হয়। তাত গুণমুগ্ধই অভিনেতাজনলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তাৰ পাছত তেওঁৰ মৃতদেহ চন্দ্ৰপুৰৰ নিজ বাসগৃহলৈ লৈ যোৱা হয় আৰু চন্দ্ৰপুৰত শেষকৃত্য সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত অভিনেতা অপূৰ্ব কুমাৰ ডেকাই পত্নী আৰু এটি ৬ বছৰীয়া সন্তানৰ উপৰি মাতৃ, ভগ্নী, তিনি ভাতৃক ইহসংসাৰত এৰি থৈ যায়। উল্লেখ্য যে বিগত দুটা দশক ধৰি অসমীয়া চলচ্চিত্ৰ আৰু ধাৰাবাহিকৰ লগতে সাংস্কৃতিক জগতখনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত আছিল অভিনেতাজন। যোৱা অক্টোবৰত মুক্তি লাভ কৰা অসমীয়া চলচ্চিত্ৰ ‘ৰতনপুৰ’ৰ ‘মদন’ নামৰ এটা চৰিত্ৰত শেষবাৰৰ বাবে দেখিবলৈ পোৱা গৈছিল অপুক। অভিনয়ৰ সমান্তৰালকৈ চিত্ৰনাট্য ৰচনা, সংলাপ ৰচনা আৰু পৰিচালনাৰ ক্ষেত্ৰতো তেওঁ নিজৰ প্ৰতিভাৰ স্বাক্ষৰ ৰাখি গৈছে। সাংস্কৃতিক ক্ষেত্ৰখনৰ সমান্তৰালকৈ অতি পৰিশ্ৰমী অপুৰে ঘৰতে এখন সৰু গেলামালৰ দোকান আৰু নাৰ্হাৰী খুলি জীৱন-জীৰিকা আৰম্ভ কৰিছিল। অভিনেতাগৰাকীৰ অকাল বিয়োগত গুৱাহাটীৰ বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে।



স্বদেশ ভট্টাচাৰ্যলৈ শ্ৰদ্ধাঞ্জলি

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ গুৱাহাটী শোধনাগাৰ প্ৰৰেশদ্বাৰৰ সন্মুখত আজি চিপিআই(এম-এল), এ আই চি চি টি ইউ আৰু ইউনাইটেড ৰৰ্কমেন ইউনিয়নৰ আহ্বানত কমৰেড স্বদেশ ভট্টাচাৰ্যৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। এ আই চি চি টি ইউৰ ৰাজ্যিক সভাপতি বীৰেন কলিতাই পৰিচালনা কৰা সভাত চিপিআই(এম-এল)ৰ গুৱাহাটী মহানগৰ সমিতিৰ সম্পাদক তথা ৰাজ্যিক সদস্য পংকজ কুমাৰ দাস, ৰাজ্যিক সদস্য নৰেন বৰা, ইউনাইটেড ৰৰ্কমেন ইউনিয়নৰ সাধাৰণ সম্পাদক গিৰীশ কলিতা, দলৰ কেন্দ্ৰীয় নিয়ন্ত্ৰক আয়োগৰ সদস্য ধীৰাজ দাস, প্ৰবীণ কমৰেড প্ৰসূন চেটাৰ্জী, বেংক কৰ্মচাৰী ইউনিয়নৰ নেতা সাধন বিশ্বাস, প্ৰগতিশীল নাৰী সম্ভাৰ নেত্ৰী জুনু বৰা, বিশিষ্ট সমাজকৰ্মী ৰেজা মাহমুদ, ইউ ডব্লিউ ইউৰ কাৰ্যকৰী সভাপতি দেৱজিৎ ভাগৱতী, বিচু সেন, গুণজিৎ নাথসহ দুই শতাধিক ঠিকা শ্ৰমিক তথা নাগৰিকে অংশগ্ৰহণ কৰি বিপ্লৱীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আৰম্ভণিতে ‘নুনমাটিৰ ৰাজপথেৰে কমৰেড স্বদেশ ভট্টাচাৰ্য লাল চালাম’, ‘বিপ্লৱ জিন্দাবাদ’, ‘কমৰেড স্বদেশ ভট্টাচাৰ্য অমৰ হওক’ আদি শ্লগানেৰে মুখৰিত আৰু ৰঙা পতাকাৰে সুশোভিত এক শোক সমদল উলিওৱা হয়। যোৱা ৩০ অক্টোবৰত পাটনাৰ এখন চিকিৎসালয়ত কৰ্কট ৰোগত আক্ৰান্ত হৈ কমৰেড স্বদেশ ভট্টাচাৰ্যৰ মৃত্যু হয়।



গুৰুগৃহ ফাউণ্ডেচন কাইলৈ ‘আই তোক কিহেৰে পূজিমে’ শীৰ্ষক অনুষ্ঠান

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ স্বেচ্ছাসেৱী অনুষ্ঠান গুৰুগৃহ ফাউণ্ডেচনৰ উদ্যোগত আৰু পথাৰ পাৱিছাৰ্ছৰ সহযোগত দিছপুৰস্থিত লোক নিৰ্মাণ বিভাগৰ সভাগৃহত ৫ নৱেম্বৰত এই বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। দিনৰ ৩ বজাৰ পৰা কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ লগতে আবেলি ৪ বজাৰ পৰা ‘আই তোক কিহেৰে পূজিমে’ শীৰ্ষক এক ব্যতিক্ৰমী সাংস্কৃতিক কাৰ্যসূচী ৰূপায়িত হ’ব। সুধাকণ্ঠলৈ বিশেষ শ্ৰদ্ধাঞ্জলিৰ লগতে গান, আবৃত্তি, নৃত্য, আলেখ্য আদি বিচিত্ৰানুষ্ঠানেৰে গণশিল্পী গৰাকীক স্মৰণ কৰা হ’ব। গুৰুগৃহ ফাউণ্ডেচনৰ সচিব মহীধৰ কলিতা আৰু পথাৰ পাৱিছাৰ্ছৰ মুখ্য উপদেষ্টা পংকজ চেত্ৰীয়ে সকলোকে সিদিনাৰ কাৰ্যসূচীলৈ আমন্ত্ৰণ জনাইছে।

স্বাধীনতা সংগ্ৰামী প্ৰাণচন্দ্ৰ দেৱশৰ্মাৰ জন্ম বাৰ্ষিকী উদ্‌যাপন

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ মুক্তিযুঁজাৰু প্ৰয়াত প্ৰাণচন্দ্ৰ দেৱশৰ্মাৰ আজি ১০৫ সংখ্যক জন্ম-বাৰ্ষিকী আৰু ২৮ সংখ্যক মৃত্যু-বাৰ্ষিকী উপলক্ষে তেওঁৰ বাসগৃহত পৰিয়ালবৰ্গৰ উদ্যোগত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সভাত প্ৰয়াত সংগ্ৰামী প্ৰয়াত প্ৰাণচন্দ্ৰ দেৱশৰ্মা আৰু তেওঁৰ পত্নী স্বৰ্গীয়া কুমুদিনী দেৱীৰ স্মৃতিত প্ৰকাশিত ‘প্ৰাণদিনী’ নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা অতুল শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে কৃষ্ণকান্ত সন্দিকৈ চৰকাৰী সংস্কৃত মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা বেদ বিদ্যালয়ৰ উপ-সভাপতি ডঃ নৃপেন্দ্ৰ নাথ শৰ্মা। তেওঁ আধ্যাত্মিকতাৰ কথাৰে মানৱ জীৱনৰ মূল তত্ত্ব দাঙি ধৰে। সভাত বিশিষ্ট শিল্পী দিগন্ত ভাৰতী আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰান্ত কাৰ্যবাহক খগেন শইকীয়াই বক্তব্য প্ৰদান কৰে। আনহাতে, অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলন গুৱাহাটী শাখাৰ সাধাৰণ সম্পাদক কমল লহকৰে সভাত উপস্থিত থাকি মুক্তিযোদ্ধাৰ পৰিয়ালে চৰকাৰৰ পৰা পাব পৰা সুবিধাসমূহৰ ব্যাখ্যা কৰে আৰু পৰিয়ালক পৰিচয়-পত্ৰ প্ৰদান কৰে।

‘ৰূপবৰ্ণম’ৰ উদ্যোগত চিত্ৰশিল্পৰ কৰ্মশালা

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ ৰূপবৰ্ণম ফাইন আৰ্ট ছ’চাইটীৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত চলি আছে ‘ৰঙৰ সপোন’ শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ চিত্ৰশিল্প কৰ্মশালা আৰু ৰূপবৰ্ণমৰ ৩৪ সংখ্যক বাৰ্ষিক চিত্ৰকলা প্ৰদৰ্শনী। অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বিদেশৰো কেইবাগৰাকী বিশিষ্ট চিত্ৰশিল্পীয়ে অংশগ্ৰহণ কৰে।



আগন্তুক ৫ নৱেম্বৰলৈকে চলিবলগীয়া চিত্ৰকলা প্ৰদৰ্শনী আৰু কৰ্মশালাখন দেওবাৰে সন্ধিয়া ৫ বজাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ নীলমণি ফুকন প্ৰেক্ষাগৃহত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত আনুষ্ঠানিকভাৱে মুকলি কৰে জাৰ্মানীৰ বিশিষ্ট চিত্ৰশিল্পী কাৰ্লা বাৰ্কে। উদ্বোধনী অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে কলা সমালোচক জ্যোতি খাটনিয়াৰ আৰু চিত্ৰ নিৰ্মাতা তথা চিত্ৰশিল্পী শশাংক সমীৰ।

জৰুৰী ফোন নম্বৰ

আৰক্ষী	ঃ ১০০
অগ্নি নিৰ্বাপণ	ঃ ১০১
এম্বুলেন্স	ঃ ১০২
মৃত্যুঞ্জয়	ঃ ১০৮
চাইবাৰ	ঃ ১৯৩০
চাইল্ড লাইন	ঃ ১০৯৮

পৌৰ নিগমৰ স্বচ্ছ দুৰ্গা পূজা প্ৰতিযোগিতাৰ বঁটা প্ৰদান



দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৩ নৱেম্বৰ ঃ গুৱাহাটী পৌৰ নিগমে গুৱাহাটীৰ দুৰ্গা পূজা সমিতিসমূহৰ মাজত অনুষ্ঠিত কৰা ‘স্বচ্ছ দুৰ্গা পূজা প্ৰতিযোগিতা-২০২৬’ৰ মুঠ ১৭৫খন পূজা সমিতিক স্বীকৃতি প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত ২৫খন সমিতিয়ে প্ৰথম পুৰস্কাৰ, ৫০খন সমিতিয়ে দ্বিতীয় পুৰস্কাৰ আৰু ১০০ খন সমিতিয়ে তৃতীয় পুৰস্কাৰ লাভ কৰে। প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী পূজা সমিতিসমূহক সংমণ্ডল ভিত্তিক মূল্যায়ন সমিতিয়ে প্ৰত্যক্ষ পৰিদৰ্শন আৰু নিৰীক্ষণৰ জৰিয়তে মূল্যায়ন কৰা হয়। আজি শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, মধ্য গুৱাহাটী সমষ্টিৰ বিধায়ক বিজয় গুপ্তা, দিছপুৰ সমষ্টিৰ বিধায়ক প্ৰদ্যুৎ বৰদলৈ, নিউ গুৱাহাটীৰ বিধায়ক দীপ্তুৰঞ্জন শৰ্মা, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, উপ-মেয়ৰ স্মিতা ৰয়, মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী আৰু মেয়ৰ-ইন-কাউন্সিলৰ সদস্যবৃন্দই অংশগ্ৰহণ কৰে।

চানডুবি বিল ভ্ৰমণ কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ

প্ৰয়োজনত লকেয়া দাৱেত শ্লুইচ গেট নিৰ্মাণৰ চিন্তা-চৰ্চা



দৈনিক অসমৰ প্ৰতিনিধি

ৰাণী, ৩ নৱেম্বৰ ঃ প্ৰশাসনৰ এটা বিশাল দলসহ আজি পুৱাই চানডুবি বিলত উপস্থিত হয় কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ। জিলা আয়ুক্তগৰাকীক সংগ দিয়ে স্থানীয় বিধায়ক হিমাংশু শেখৰ বৈশ্য, পলাশবাৰী সমজিলা আয়ুক্ত ভাস্কৰজ্যোতি কলিতা, পশ্চিম কামৰূপ বন সংমণ্ডল বিষয়া সুবোধ তালুকদাৰ, লোহাৰঘাট আৰু কুলশীৰ বনাঞ্চলিক বিষয়া ক্ৰমে ৰাতুল পাঠক আৰু কংকণ কৌশিকে। জিলা আয়ুক্তগৰাকীয়ে প্ৰশাসনৰ বিশাল দলটোৰ সৈতে এঘণ্টা সময় ধৰি বিলখনত নৌকা-ভ্ৰমণ কৰে। এই সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয়— চানডুবি বিললৈ মই পৰ্যটন বিভাগৰ সঞ্চালক হিচাপে বহুকেইবাৰ আহিছোঁ। আজি আহিছোঁ মই কামৰূপৰ জিলা আয়ুক্ত হিচাপে। কিন্তু প্ৰত্যেকবাৰ অহাৰ আনন্দ আৰু আমেজ সুকীয়া। ভ্ৰমণৰ সময়ছোৱাত দেখিছোঁ বিলখনৰ বহু ঠাইত পিটনিৰ সৃষ্টি হৈ বাম হ’বলৈ ধৰিছে। বিলখনৰ পৰা এই পিটনিবোৰ পৰিষ্কৰণৰ বাবে ইতিমধ্যে বন বিভাগে এটা প্ৰাককলন প্ৰস্তুত কৰিছে। স্থানীয় ৰাইজে চানডুবি আৰু কলহী নদী সংযোগী লকেয়া দাৱেত শ্লুইচ গেট দি বিলখনৰ পানীৰ স্তৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ কথা কৈছে। বিলখনৰ সু�ৰক্ষাৰ স্বাৰ্থত হয়তো লকেয়া দাৱেত শ্লুইচ গেট নিৰ্মাণৰ ব্যৱস্থাও কৰিব লাগিব। অতি উছাহেৰে জিলা আয়ুক্তগৰাকীয়ে কয়— এতিয়া চানডুবিত বাৰমাহে পৰ্যটকৰ আগমন ঘটে। বছৰটোৰ বাৰমাহে চানডুবিৰ প্ৰকৃতি উপভোগ কৰাৰ লগতে বিলখনত ব’টিং কৰিব পৰা এক সুন্দৰ পৰিৱেশ গঢ়ি উঠিছে। চানডুবি বিলক কেন্দ্ৰ কৰি উন্নত পৰ্যটন ক্ষেত্ৰ এখন গঢ়ি তোলাৰ কথাও চিন্তা কৰিব লাগিব। আনহাতে স্থানীয় বিধায়ক হিমাংশু শেখৰ বৈশ্যই কয়— চানডুবি বিলখন সংৰক্ষণৰ স্বাৰ্থতেই আজিৰ এই চৰকাৰী ভ্ৰমণৰ উদ্দেশ্য। বিলখনৰ পৰিসৰ আগতে বহু ডাঙৰ আছিল যদিও এতিয়া সংকোচন হ’বলৈ ধৰিছে। কাৰণ বিলখনৰ বিভিন্ন ঠাইত পিটনিৰ সৃষ্টি হৈ ই বাম হ’বলৈ ধৰিছে। গতিকে সেইবোৰ চাফ-চিকুণৰ প্ৰয়োজন। বিলখনত দেখা দিয়া সমস্যাবোৰ সমাধানৰ বাবে অতি সোনকালে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লগতে পৰ্যটন মন্ত্ৰীকো সাক্ষাৎ কৰিব বুলি তেওঁ কয়। লগতে চানডুবি অঞ্চলক কেন্দ্ৰ কৰি এটা ইক’ ট্যুৰিজম হাব তৈয়াৰ কৰাৰ বাবেও চিন্তা-চৰ্চা কৰা হৈছে। বিলৰ বাকৰিত অনুষ্ঠিত সম্বৰ্দ্ধনা সভাখন পৰিচালনা কৰে বেলি একাডেমীৰ সঞ্চালক ৰত্ন দাসে।

দেওপাহাৰ-কালিয়নি বনাঞ্চলক সংৰক্ষিত বনাঞ্চলৰ মৰ্যাদা দিয়াৰ দাবী

অবৈধ খননে ভাবুকি কঢ়িয়াইছে কালিয়নি-দৈগ্ৰোং নদীলৈ



দৈনিক অসমৰ প্ৰতিনিধি
নুমলীগড়, ৩ নৱেম্বৰ ঃ উদ্যোগৰ সম্প্ৰসাৰণ আৰু উন্নয়নৰ সমান্তৰালকৈ প্ৰকৃতিৰ সুৰক্ষা নিশ্চিত কৰাটোও চৰকাৰৰ অন্যতম দায়িত্ব। নুমলীগড় শোধনাগাৰৰ সমীপৰ দেওপাহাৰ আৰু কালিয়নিৰ সেউজীয়া বনাঞ্চলক আজিও সংৰক্ষিত বনাঞ্চলৰ মৰ্যাদা প্ৰদান নকৰাৰ বিপৰীতে কালিয়নি আৰু দৈগ্ৰোং নদীত অবাধ বালি খননৰ অভিযোগে অঞ্চলটোৰ পৰিৱেশ সুৰক্ষাক লৈ গুৰুতৰ প্ৰশ্নৰ অৱতাৰণা কৰিছে। নুমলীগড় শোধনাগাৰৰ সমীপত অৱস্থিত দেওপাহাৰ আৰু কালিয়নিৰ বনাঞ্চল দুখন কেৱল সেউজীয়া ভূমিখণ্ড নহয়। এই বনাঞ্চলসমূহ বন্যপ্ৰাণীৰ বাসস্থান, জৈৱ-বৈচিত্ৰ্যৰ ভঁৰাল আৰু স্থানীয় পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ অন্যতম প্ৰাকৃতিক আধাৰ। শোধনাগাৰৰ চৌপাশৰ সেউজ আৱৰণ হিচাপেও বনাঞ্চল দুখনৰ গুৰুত্ব অপৰিসীম। অথচ এই পৰ্যন্ত বনাঞ্চল দুখনক সংৰক্ষিত বনাঞ্চলৰ মৰ্যাদা প্ৰদান নকৰাক লৈ প্ৰকৃতিপ্ৰেমী মহলত অসন্তুষ্টি প্ৰকাশ পাইছে। ইফালে নুমলীগড় শোধনাগাৰৰ নন-ডেভেলপমেণ্ট জ'নৰ অন্তৰ্গত বুলি উল্লেখ কৰা কালিয়নি আৰু দৈগ্ৰোং নদীতো অবৈধ বালি খননৰ অভিযোগ উত্থাপন হৈছে। নদীৰ পাৰ খান্দি বৃহৎ বৃহৎ গাঁত সৃষ্টি কৰাৰ ফলত নদী দুখনৰ স্বাভাৱিক পৰিৱেশ আৰু জল জীৱনৰ প্ৰতি ভাবুকি সৃষ্টি হৈছে। বিশেষকৈ এই নদীসমূহত বন্যহস্তীয়ে পানী সেৱন কৰিবলৈ আহে যদিও বালি খননৰ ফলত সৃষ্টি হোৱা বৃহৎ গাঁত আৰু পৰিৱৰ্তিত নদীপৰিস্থিতিয়ে বন্যপ্ৰাণীৰ স্বাভাৱিক বিচৰণত বাধাৰ সৃষ্টি কৰি আহিছে। ইতিমধ্যে গোলাঘাট জিলাৰ বিভিন্ন অঞ্চলত পানীৰ সংকটক লৈ উদ্বেগ বৃদ্ধি পাইছে। এনে পৰিস্থিতিত প্ৰাকৃতিক জলসম্পদৰ অন্যতম আধাৰ নদীসমূহত অবাধ বালি খননৰ অভিযোগক সহজভাৱে ল'ব নোৱাৰি। নদীৰ বুকু আৰু পাৰৰ প্ৰাকৃতিক গঠন বিনষ্ট হ'লে পানীৰ প্ৰবাহ, নদীৰ পাৰৰ স্থিৰতা আৰু স্থানীয় পৰিৱেশত নেতিবাচক প্ৰভাৱ পৰাৰ আশংকা থাকে। সেয়েহে কালিয়নি আৰু দৈগ্ৰোং নদীত বালি খননৰ বৈধতা, পৰিসৰ আৰু পৰিৱেশগত প্ৰভাৱৰ বিষয়ে সংশ্লিষ্ট কৰ্তৃপক্ষই জৰুৰীভাৱে তদন্ত কৰাৰ প্ৰয়োজন। গোলাঘাট জিলাৰ বনাঞ্চলসমূহৰ সংকোচনেও বন্যপ্ৰাণীৰ অস্তিত্বৰ প্ৰতি প্ৰত্যাহ্বান সৃষ্টি কৰিছে। ডিফু, দক্ষিণ নামবৰ, ৰেংমা আৰু দৈয়াং অঞ্চলৰ বনাঞ্চলৰ অৱক্ষয়ক লৈ উত্থাপিত উদ্বেগৰ মাজতে হাতীকে ধৰি বিভিন্ন বন্যপ্ৰাণী জনাঞ্চলত প্ৰৱেশ কৰাৰ ঘটনা মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাতৰ অন্যতম কাৰণ হিচাপে বিবেচিত হৈছে। প্ৰকৃতত বন্যহস্তীয়ে জনাঞ্চল বাছি লোৱা নাই; বৰঞ্চ বনাঞ্চলৰ সংকোচন আৰু বিচৰণক্ষেত্ৰৰ পৰিৱৰ্তনে সিহঁতক জনবসতিপূৰ্ণ অঞ্চলৰ কাষ চাপিবলৈ বাধ্য কৰিব পাৰে। উল্লেখ্য যে দেওপাহাৰ আৰু কালিয়নি বনাঞ্চলক সংৰক্ষিত বনাঞ্চলৰ মৰ্যাদা প্ৰদান, কালিয়নি আৰু দৈগ্ৰোং নদীত বালি খননৰ অভিযোগৰ তদন্ত, অবৈধ খনন বন্ধ আৰু নদীসমূহৰ প্ৰাকৃতিক পৰিৱেশ পুনৰুদ্ধাৰৰ বাবে সংশ্লিষ্ট বিভাগসমূহে সমন্বিত পদক্ষেপ গ্ৰহণ কৰাটো জৰুৰী হৈ পৰিছে। প্ৰকৃতি সচেতন মহলে এই দাবী উত্থাপন কৰি চৰকাৰ আৰু প্ৰশাসনক বিষয়টোত তাৎক্ষণিক গুৰুত্ব দিবলৈ আহ্বান জনাইছে।

সাহিত্য সভাৰ উদ্যোগ দেৰগাঁৱত অধ্যক্ষ হৰকান্ত মহন্ত স্মাৰক বক্তৃতানুষ্ঠান

দৈনিক অসমৰ প্ৰতিনিধি
দেৰগাঁও, ৩ নৱেম্বৰ ঃ দেৰগাঁৱৰ সমাজ জীৱনৰ অন্যতম পুৰোধা ব্যক্তি, দেৰগাঁও সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শিক্ষাবিদ হৰকান্ত মহন্তৰ সোঁৱৰণত দেৰগাঁও সাহিত্য সভাই অনুষ্ঠিত কৰি অহা অধ্যক্ষ হৰকান্ত মহন্ত স্মাৰক বক্তৃতানুষ্ঠানটি এইবাৰ ছয় নৱেম্বৰত আয়োজন কৰা হৈছে। হৰকান্ত মহন্ত সোঁৱৰণী ন্যাস সমিতিৰ সহযোগত অনুষ্ঠিত হ'ব লগা বক্তৃতানুষ্ঠানৰ বিষয় হ'ল 'মানুহৰ চিন্তা, উন্মেষণ আৰু উত্তৰণ'। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি সেইদিনা দিনৰ ১.৩০ বজাত দেৰগাঁও সাহিত্য সভা ভৱনৰ চৌহদত থকা ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ আবক্ষ মূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। বন্তি প্ৰজ্বলন কৰিব দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ প্ৰাঞ্জল প্ৰতিম কাকতিয়ে। ইয়াৰ পাছতে দুই বজাত হৰকান্ত মহন্তৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰিব তেওঁৰ সহধৰ্মিণী দেৱযানী মহন্তই। এই কাৰ্যসূচীৰ অন্তত দেৰগাঁও সাহিত্য সভাৰ সভাপতি অজিত চন্দ্ৰ দত্তৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা বক্তৃতানুষ্ঠান উদ্বোধন কৰিব দেৰগাঁও সমষ্টিৰ বিধায়ক ডঃ মৃদুল কুমাৰ দত্তই। উল্লেখ্য যে এই অনুষ্ঠানত 'মানুহৰ চিন্তা, উন্মেষণ আৰু উত্তৰণ' শীৰ্ষক গুৰুত্বপূৰ্ণ বিষয়ত বক্তৃতা প্ৰদান কৰিব জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়, যোৰহাটৰ উপাচাৰ্য ডঃ জ্যোতিপ্ৰসাদ শইকীয়াই। অনুষ্ঠানটোত ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে দেৰগাঁও সাহিত্য সভাৰ সভাপতি অজিত চন্দ্ৰ দত্ত আৰু সম্পাদক বিচিত্ৰ ভূষণ কলিতাই।

কাৰৈমাৰীৰ আৱাসিক এলেকাত সুৰাৰ বিপণী খুলিবলৈ নিদিয়াৰ সিদ্ধান্ত ৰাজহুৱা সভাত

দৈনিক অসমৰ প্ৰতিনিধি
গৌৰীসাগৰ, ৩ নৱেম্বৰ ঃ গৌৰীসাগৰ আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত কাৰৈমাৰী গাঁও পঞ্চায়ত ৯ আৰু ১০ নং ৱাৰ্ডত জনৈক সুৰা বেপাৰীক দেশীয় সুৰাৰ এক বিপণীৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰাৰ কথা জানিব পাৰি ৰাইজ জাঙুৰ খাই উঠিছে। ৰাজ্য চৰকাৰৰ ৰাজহ বৃদ্ধিৰ লক্ষৰে গাঁওসমূহত যি সুৰাৰ বিপণী স্থাপনৰ অনুমতি প্ৰদান কৰিছে তাক লৈ ৰাইজে ধিক্কাৰ দিছে। পঞ্চায়তখনৰ ৱাৰ্ড দুটাৰ ৰাইজে কালি ন-কটানী কালুগাঁও তিনিআলিত এখন প্ৰতিবাদী ৰাজহুৱা সভা অনুষ্ঠিত কৰে। সভাত সম্পূৰ্ণ আৱাসিক এই এলেকাত এখন মহাবিদ্যালয়, এখন উচ্চ মাধ্যমিক বিদ্যালয়, এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়, তিনিখন প্ৰাথমিক বিদ্যালয়, তিনিটা নামঘৰ, এখন সত্ৰ আৰু এটা ৰাজহুৱা প্ৰেক্ষাগৃহ থকাৰ পৰিপ্ৰেক্ষিতত যিকোনো পৰিস্থিতিতে উক্ত স্থানত বিপণী খোলাৰ অনুমতি দিয়াৰ পৰা বিৰত থাকিবলৈ দাবী জনাই প্ৰতিবাদ সাব্যস্ত কৰে। সভাত বৰ্ষীয়ান ব্যক্তি উপেন ভৰালী, ৰমেশ দত্ত, মিঠিৰাম মিলি, মুনীন কলিতা, যুৱনেতা ৰাজীৱ হাজৰিকাকে ধৰি বহুকেইগৰাকী ব্যক্তিয়ে বক্তব্য প্ৰদান কৰাৰ লগতে প্ৰতিবাদী ৰাইজে স্পষ্ট কৰি দিয়ে যে এনে ব্যস্ততাপূৰ্ণ আৰু বিভিন্ন শিক্ষানুষ্ঠান সত্ৰ, নামঘৰ আদি থকা ঠাইত দেশীয় সুৰাৰ বিপণী খুলিলে কেৱল উচ্ছৃংখলতাই নহয়, সৰ্বপ্ৰকাৰ সামাজিক পৰিৱেশ বিনষ্ট যে হ'ব সেইটো খাটাং। সেয়ে বিপণী খোলাৰ অনুমতি প্ৰদান কৰিলে সম্পূৰ্ণ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে ইয়াৰ বিৰত কৰিবলৈ আন্দোলন গঢ়ি তোলা হ'ব। ইফালে কালিৰ সভাই গ্ৰহণ কৰা প্ৰস্তাৱৰ প্ৰতিলিপি কাৰৈমাৰী গাঁও পঞ্চায়তৰ লগতে গৌৰীসাগৰ খণ্ড উন্নয়ন বিষয়া আৰু শিৱসাগৰ জিলা আয়ুক্তলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। লগতে দুয়োটা ৱাৰ্ডৰ ৰাইজে কাৰৈমাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী আৰু সচিবক এখন পত্ৰযোগে সংশ্লিষ্ট ঠাইত দেশীয় সুৰাৰ বিপণী স্থাপন কৰিবলৈ এন অ' চি নিদিবৰ বাবেও পূৰ্বতে অৱগত কৰে।



ৰেড ক্ৰছ ছ'চাইটীৰ স্বাস্থ্য শিবিৰ

জাগুনত চাৰি শতাধিক লোকৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা

দৈনিক অসমৰ প্ৰতিনিধি
মাৰ্ঘেৰিটা, ৩ নৱেম্বৰ ঃ ইণ্ডিয়ান ৰেড ক্ৰছ ছ'চাইটীৰ মাৰ্ঘেৰিটা শাখা আৰু হিন্দুস্তান তেল অন্বেষণ কোম্পানী লিমিটেডৰ সামাজিক দায়বদ্ধতা আঁচনিৰ উদ্যোগত অসম-অৰুণাচল সীমান্তৰ ডি পি জি জাগুন হাইস্কুলত মুখগহ্বৰৰ বিভিন্ন ৰোগ আৰু কৰ্কট ৰোগৰ এক বিনামূলীয়া চিকিৎসা শিবিৰ তথা সজাগতা সভা অনুষ্ঠিত হয়। অনুষ্ঠানত ৰেড ক্ৰছ ছ'চাইটীৰ তিনিচুকীয়া জিলা সম্পাদক পবিত্ৰ বৰগোহাঞিয়ে উদ্দেশ্য ব্যাখ্যা আৰু আদৰণী ভাষণ আগবঢ়াই সুস্বাস্থ্য ৰক্ষা আৰু সজাগতাৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোকপাত কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক ৰূপ নাৰায়ণ শৰ্মাৰ লগতে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী তীখা দেৱী চেত্ৰী, মণিকা চেৰেং, জুৰি সন্দিকৈ আৰু সুজিত হাতীবৰুৱা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ বিশেষজ্ঞ চিকিৎসক ডাঃ মমতা উপাধ্যায়ৰ নেতৃত্বত অহা এটা বিশেষজ্ঞ দলে উপস্থিত লোকসকলৰ স্বাস্থ্য পৰীক্ষা কৰি যাৱতীয় পৰামৰ্শ প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় ৰাইজকে ধৰি চাৰি শতাধিক লোকে এই শিবিৰৰ সুবিধা গ্ৰহণ কৰে।

গড়মূৰৰ সৰবৰহী ব্যক্তি হীৰা বৰুৱাৰ দেহাৱসান



দৈনিক অসমৰ প্ৰতিনিধি
মাজুলী, ৩ নৱেম্বৰ ঃ মাজুলীৰ গড়মূৰ তিনিআলিৰ সমীপৱৰ্তী, পশু চিকিৎসা বিভাগৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ ক্ষেত্ৰ সহায়ক হীৰা বৰুৱা (৮০)ৰ কালি পুৱা ৩.২৬ বজাত মৃত্যু হয়। গড়মূৰ অঞ্চলৰ লগতে মাজুলীবাসীৰ মাজত এগৰাকী দক্ষ ফুটবল খেলুৱৈ হিচাপে পৰিচয় থকা ব্যক্তিগৰাকীৰ খুহুটীয়া কথাই সকলোকে আমোদ দিছিল। এগৰাকী ক্ৰীড়া সংগঠকৰূপে মাজুলীৰ ক্ৰীড়া ক্ষেত্ৰ বিকাশৰ বাবে কাম কৰাৰ লগতে গড়মূৰ অঞ্চলৰ সকলো সামাজিক অনুষ্ঠানৰ সৈতে নিবিড় সম্পৰ্ক ৰক্ষা কৰিছিল বৰুৱাই। ৩০ অক্টোবৰৰ পৰা গড়মূৰৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামী জিলা চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা ব্যক্তিগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে। তেওঁৰ মৃত্যুত মাজুলী জিলা পশু চিকিৎসা বিভাগ, মাজুলী জিলা ক্ৰীড়া সন্থা, গড়মূৰ প্ৰেছ ক্লাবৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি মৃতকৰ আত্মাৰ চিৰশান্তি কামনা কৰে। ইহসংসাৰত তেওঁ পত্নী, দুগৰাকী পুত্ৰ, দুগৰাকী কন্যাকে ধৰি বহু আত্মীয়ক এৰি যায়।

বাদুলিপাৰৰ ধীৰেশ্বৰ গগৈৰ মৃত্যু



দৈনিক অসমৰ প্ৰতিনিধি
খুমটাই, ৩ নৱেম্বৰ ঃ গোলাঘাট জিলাৰ বাদুলিপাৰৰ গড়গুৰি নিবাসী ধীৰেশ্বৰ গগৈ (৪৮)ৰ পৰহি নিশা যোৰহাট চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। এসময়ৰ কৃতী ছাত্ৰ হিচাপে সুনাম অৰ্জন কৰা গগৈ কিছুদিন ধৰি বৃক্কজনিত ৰোগত ভুগি আছিল। ছাত্ৰাৱস্থাত মাৰ্চিয়েল আৰ্টৰ এগৰাকী সুদক্ষ খেলুৱৈ হিচাপে পৰিচিত সৰবৰহী ব্যক্তিগৰাকীৰ মৃত্যুত বাদুলিপাৰ অঞ্চলত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ আৰু বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

নাৰায়ণপুৰত ২-৩ ডিচেম্বৰত অনুষ্ঠিত হ'ব সংস্থাৰ কেন্দ্ৰীয় অধিৱেশন



দৈনিক অসমৰ প্ৰতিনিধি
জাঁজী, ৩ নৱেম্বৰ ঃ সদৌ অসম গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থাৰ নৱম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস ১ নৱেম্বৰত শিৱসাগৰ জিলাৰ কালুগাঁৱত উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে সংস্থাটোৰ মাহজোৰা কাৰ্যসূচীৰো আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে সংস্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাতুল শৰ্মাই প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে কেন্দ্ৰীয় সাংগঠনিক সম্পাদক দীপেন মহনে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ৰমেন শইকীয়াই আঁত ধৰা অনুষ্ঠানটোত সন্মানীয় অতিথি হিচাপে কেন্দ্ৰীয় সমিতিৰ সদস্য অঞ্জন শইকীয়া, শিৱসাগৰ জিলা সমিতিৰ জ্যেষ্ঠ উপদেষ্টা পুতুল ওজা আৰু সমাজকৰ্মী প্ৰদীপ দত্ত উপস্থিত থাকে। প্ৰতিষ্ঠা দিৱসৰ জৰিয়তে আৰম্ভ হোৱা সংস্থাটোৰ মাহজোৰা কাৰ্যসূচীৰ সামৰণি ২ আৰু ৩ ডিচেম্বৰত লখিমপুৰ জিলাৰ নাৰায়ণপুৰত অনুষ্ঠিত হ'বলগীয়া সংস্থাৰ কেন্দ্ৰীয় অধিৱেশনৰ জৰিয়তে সামৰণি পৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। আনহাতে ১ নৱেম্বৰত অসমৰ বিভিন্ন জিলাতো সংস্থাৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। গ্ৰাম্য অঞ্চলৰ ঔষধ ব্যৱসায়ীসকলক একত্ৰিত কৰি সংস্থাটোৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা এই প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীয়ে বিশেষ তাৎপৰ্য বহন কৰিছে।

২৪ নৱেম্বৰৰ পৰা চাৰিদিনীয়া অনুষ্ঠানত পৰিৱেশন হ'ব নাট

শিৱসাগৰৰ খঁৰাগড়ত ৰাস মহোৎসৱৰ প্ৰস্তুতি

দৈনিক অসমৰ প্ৰতিনিধি
নামতি, ৩ নৱেম্বৰ ঃ বিগত বৰ্ষৰ দৰে এইবাৰো খঁৰাগড় আঞ্চলিক কলা-কৃষ্টি কেন্দ্ৰৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত পৰম্পৰা ৰক্ষা কৰি ৪৩ সংখ্যক শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ ২৪, ২৫, ২৬ আৰু ২৭ নৱেম্বৰত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। খঁৰাগড় আঞ্চলিক কলা-কৃষ্টি কেন্দ্ৰ নামঘৰ আৰু প্ৰেক্ষাগৃহ প্ৰাংগনত আয়োজিত এই মহোৎসৱক লৈ অঞ্চলটোত আনন্দময় তথা আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি হৈছে। কাৰ্যসূচী অনুসৰি ২৪ নৱেম্বৰ মঙলবাৰে পুৱা ৫ বজাত পৰিৱেশ নিকাকৰণ, পুৱা ৮ বজাত খঁৰাগড় আঞ্চলিক কলা-কৃষ্টি কেন্দ্ৰৰ পতাকা উত্তোলন কৰিব কলা-কৃষ্টি কেন্দ্ৰৰ সভাপতি প্ৰাঞ্জল কোঁৱৰে, ৮.১৫ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি বিমান বৰুৱাই, পুৱা ৮.৩০ বজাত মূল তোৰণ উন্মোচন, ১০ বজাত নাম-প্ৰসংগ; সন্ধিয়া ৫ বজাত বন্তি প্ৰজ্বলন, ৭ বজাত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ নাটৰ মঞ্চাভিনয় ৰূপায়ণ কৰা হ'ব। ৰাস মহোৎসৱৰ আনুষ্ঠানিক উদ্বোধন কৰিব শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। এই উদ্বোধনী অনুষ্ঠানত বিশিষ্ট নাট্যকাৰ নিতু গোস্বামী, মৰিয়নি সমজিলা আয়ুক্ত অভিজিৎ গগৈ, শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষ ড ঃ প্ৰতিম শৰ্মা আৰু শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডঃ ৰমেন বৰুৱা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। ২৫ নৱেম্বৰৰ সন্ধিয়া ৬ বজাত সত্যসন্ধা সাংস্কৃতিক গোষ্ঠীৰ সাংস্কৃতিক অনুষ্ঠানৰ পাছতে 'শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা আৰু কংস বধ' নাটৰ মঞ্চাভিনয় হ'ব। ২৬ নৱেম্বৰৰ সন্ধিয়া ৭ বজাত খঁৰাগড় ঘোৰাচোৱা গাঁৱৰ যুৱ সমাজে আগবঢ়োৱা 'সিন্ধু মুনিৰ পিতৃভক্তি দশৰথৰ স্বৰ্গ উদ্ধাৰ' নামৰ ভাওনা প্ৰদৰ্শিত হ'ব। অন্তিম দিনা পুৱা ৬.৩০ বজাত পৰিৱেশ সন্ধিয়া পুলিবৰৰ সব্যসাচী নাট্য গোষ্ঠীৰ দ্বাৰা 'কুৰুসন্ধ্যা' নামৰ ভাওনাখন প্ৰদৰ্শিত হ'ব। এই ভাওনা নাটখন উদ্বোধন কৰিব নাজিৰা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া প্ৰণৱ গগৈয়ে।

ডিব্ৰুগড়ৰ আঠখন বাগিচাত ৰক্তাল্পতামুক্ত অভিযান

মহিলা-শিশুৰ স্বাস্থ্য সুৰক্ষাৰ বাবে জিলা প্ৰশাসনৰ বিশেষ পদক্ষেপ

দৈনিক অসমৰ প্ৰতিনিধি
মৰাণ, ৩ নৱেম্বৰ ঃ চাহ বাগিচাৰ মহিলা আৰু শিশুৰ স্বাস্থ্য সুৰক্ষাক বিশেষ অগ্ৰাধিকাৰ দি ডিব্ৰুগড় জিলা প্ৰশাসনে আৰম্ভ কৰিছে 'ৰক্তাল্পতামুক্ত চাহ বাগিচা' অভিযান। জিলাখনৰ আঠখন চাহ বাগিচাক সামৰি পৰীক্ষামূলকভাৱে আৰম্ভ কৰা এই অভিযানৰ জৰিয়তে ৰক্তাল্পতাৰ বিৰুদ্ধে সমন্বিত যুঁজৰ সূচনা কৰা হৈছে। দিনজয়, লেংৰাই, জুটিবাৰী, লেপেটকটা, মৰাণ, মনোহাৰী, দক্ষিণ জালান নগৰ আৰু আচাবাম চাহবাগিচাত আৰম্ভ হোৱা এই অভিযানৰ মূল উদ্দেশ্য হৈছে চাহবাগিচা অঞ্চলৰ মহিলা আৰু শিশুৰ মাজত ৰক্তাল্পতা সময়মতে চিনাক্ত কৰি উপযুক্ত চিকিৎসা আৰু প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰা। উল্লেখ্য যে পুষ্টিৰ অভাৱ, পেলুৰ সংক্ৰমণ আৰু খাদ্যাভ্যাসৰ কিছু অসচেতনতাই চাহ বাগিচা অঞ্চলত ৰক্তাল্পতাৰ সমস্যা অধিক জটিল কৰি তুলিছে। বিশেষকৈ গৰ্ভৱতী, স্তনপান কৰাই থকা মাতৃ আৰু শিশুসকলৰ স্বাস্থ্যৰ ক্ষেত্ৰত ৰক্তাল্পতাই গুৰুতৰ প্ৰভাৱ পেলাব পাৰে। এনে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে গ্ৰহণ কৰা এই পদক্ষেপ বিশেষ তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। অভিযানৰ অধীনত পাঁচ বছৰৰ অনূৰ্দ্ধ শিশু, পাঁচ বছৰ আৰু তাতকৈ অধিক বয়সৰ কিশোৰী-মহিলা, গৰ্ভৱতী আৰু স্তনপান কৰাই থকা মাতৃসকলৰ হিম'গ্ল'বিন পৰীক্ষা কৰা হ'ব। ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যসূচী আৰু ভ্ৰাম্যমাণ চিকিৎসা গোটৰ সহযোগত এই স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰাৰ ব্যৱস্থা কৰা হৈছে। কেৱল ৰক্তাল্পতা চিনাক্ত কৰাই নহয়, প্ৰতিগৰাকী হিতাধিকাৰীৰ খাদ্যাভ্যাস, অনাময় ব্যৱস্থা, আইৰন-ফলিক এচিড আৰু পেলুনাশক বড়ি সেৱনৰ বিষয়েও তথ্য সংগ্ৰহ কৰা হ'ব। এই অভিযানত স্বাস্থ্য, সমাজ কল্যাণ, শিক্ষা আৰু শ্ৰম বিভাগৰ লগতে সংশ্লিষ্ট চাহ বাগিচাৰ কৰ্তৃপক্ষই যৌথভাৱে সহযোগিতা আগবঢ়াব। ইতিমধ্যে স্থানীয় ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে সভা অনুষ্ঠিত কৰা হৈছে।

'আছা'ৰ মাহমৰা-সোণাৰি সমিতি গঠন

সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ চৰাইদেউ জিলা সমিতিৰ অন্তৰ্গত মাহমৰা আৰু সোণাৰি আঞ্চলিক সমিতি দুখনৰ সপ্তম ত্ৰি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰি নতুন সমিতি গঠন কৰা হয়। হিংৰিজান চাহ বাগিচাৰ মজদুৰ ক্লাবত অনুষ্ঠিত মাহমৰা আঞ্চলিক সমিতিৰ অধিৱেশনত ৰাজু চাম্পিয়াক সভাপতি আৰু উৎপল তাছাক সম্পাদক হিচাপে লৈ ২১জনীয়া মাহমৰা নতুন সমিতিখন গঠন কৰা হয়। আনহাতে বৰাহী চাহ বাগিচা মধ্য ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত সোণাৰি আঞ্চলিক সমিতিৰ অধিৱেশনত বিবেক নায়কক সভাপতি আৰু যোগেশ মানকিক সম্পাদক হিচাপে লৈ ২১জনীয়া সোণাৰি নতুন সমিতিখন গঠন কৰা হয়। অধিৱেশন দুখনত আছাৰ চৰাইদেউ জিলা সমিতিৰ সভাপতি ধৰমদাস পাণিকা, সাধাৰণ সম্পাদক কমল টংলা, উপ-সভাপতি বিশ্বজিৎ মানকিৰ লগতে জিলা সমিতিৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। দুয়োখন আঞ্চলিক সমিতিৰ অধিৱেশনত সংগঠনটোৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ লগতে বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ক লৈ আলোচনা কৰি কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

কচুমাৰী লুখুৰাখন গাঁৱত অসম মৰাণ সভাৰ 'গাঁৱলৈ যাওঁ ব'লক' কাৰ্যসূচী

জনগোষ্ঠী এটাৰ সৰ্বাংগীণ উত্তৰণৰ বাবে শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ কোনো বিকল্প নাই। এই মৌলিক দিশসমূহৰ বিকাশ অবিহনে জনগোষ্ঠীটোৰ প্ৰকৃত উত্তৰণ সম্ভৱ নহয়। সেয়েহে জনজাতিকৰণৰ দাবীত সংগ্ৰাম অব্যাহত ৰখাৰ সমান্তৰালকৈ নতুন প্ৰজন্মক শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ দিশত আগুৱাই নিয়াৰ বাবে সকলোৱে গুৰুত্ব দিব লাগিব। এই মন্তব্য অসম মৰাণ সভাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বিৰিঞ্চি নেওগৰ। চৰাইদেউ জিলাৰ মাহমৰা সমষ্টিৰ অন্তৰ্গত কচুমাৰী লুখুৰাখন গাঁৱত ১ নৱেম্বৰত অসম মৰাণ সভাৰ উদ্যোগত আৰু মাহমৰা আঞ্চলিক সমিতিৰ আতিথ্যত অনুষ্ঠিত 'গাঁৱলৈ যাওঁ ব'লক' শীৰ্ষক বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰি সভাপতি নেওগে এই মন্তব্য কৰে। গাঁওখনৰ বদৌচা ভৱনত অনুষ্ঠিত কাৰ্যসূচীত তেওঁ জনগোষ্ঠীটোৰ উত্তৰণৰ বিভিন্ন দিশ সন্দৰ্ভত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। অসম মৰাণ সভাৰ মাহমৰা আঞ্চলিক সমিতিৰ সভাপতি চন্দন মৰাণৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনৰ আঁত ধৰে আঞ্চলিক সমিতিৰ সম্পাদক ভূপেন মৰাণে। অনুষ্ঠানত অসম মৰাণ সভাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ৰণ্টু ডাঙৰীয়া, কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া নীলকমল মৰাণ আৰু ঘনশ্যাম মৰাণৰ লগতে আঞ্চলিক সমিতিৰ গৌতম মৰাণ, মিণ্টু মৰাণকে ধৰি জনগোষ্ঠীটোৰ শতাধিক বিষয়ববীয়া আৰু প্ৰতিনিধি উপস্থিত থাকে।

আউনীআটী সত্ৰৰ মজিন্দাৰ খগেন্দ্ৰনাথ লেখাৰুৰ বদান্যতা

পিতৃ-মাতৃৰ স্মৃতিত মাজুলী মহাবিদ্যালয়লৈ ৩০ হাজাৰ টকা দান

দৈনিক অসমৰ প্ৰতিনিধি
মাজুলী, ৩ নৱেম্বৰ ঃ ঐতিহ্যমণ্ডিত আউনীআটী সত্ৰৰ মজিন্দাৰ, বিশিষ্ট শিল্পী পেন্সনাৰ খগেন্দ্ৰ নাথ লেখাৰুৱে নিজৰ শৈল্পিক পেন্সনৰ টকাৰ পৰা নগদ ৩০ হাজাৰ টকা মাজুলী মহাবিদ্যালয়লৈ পিতৃ-মাতৃ ক্ৰমে মহেন্দ্ৰ নাথ লেখাৰু গাঁওবুঢ়া আৰু ফুলেশ্বৰী লেখাৰুৰ পবিত্ৰ স্মৃতিত গ্ৰন্থ তথা বুকছেল্‌ফ ক্ৰয় কৰিবলৈ দান কৰি মহানুভৱতাৰ পৰিচয় দাঙি ধৰিছে। মাজুলীৰ প্ৰাচীনতম উচ্চশিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ে যোৱা দহটা বছৰে শিক্ষাৰ্থীৰ মনত পুথি অধ্যয়নৰ অভ্যাস গঢ় দিয়াৰ উদ্দেশ্যে সম্পন্ন কৰি অহা 'গ্ৰন্থদান মহান দান' শীৰ্ষক ব্যতিক্ৰমী কাৰ্যসূচীত অংশগ্ৰহণ কৰি কালি বিশিষ্ট সত্ৰীয়া নৃত্য আৰু বাদ্যশিল্পী খগেন্দ্ৰ নাথ লেখাৰুৱে মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াৰ হাতত উক্ত ধনৰাশি অৰ্পণ কৰে। উল্লেখ্য যে ২০১৬ চনৰ ৯ নৱেম্বৰত আৰম্ভ কৰা এই কাৰ্যসূচীত ভাগ লৈ বিভিন্ন প্ৰান্তৰ শুভাকাংক্ষীসকলে আগবঢ়োৱা গ্ৰন্থৰ সংখ্যাই ইতিমধ্যে ৩৫ হাজাৰৰ সীমা অতিক্ৰম কৰাৰ সমান্তৰালভাৱে বিভিন্নজনে নিজৰ আত্মীয়- কুটুম্বৰ স্মৃতিত দান দিয়া আলমিৰা, বুকছেল্‌ফ, মেজ আদিৰ সংখ্যাও লেখত ল'বলগীয়া ধৰণেৰে বৃদ্ধি পাইছে। এনে ছাত্ৰহিতৈষী কাৰ্যসূচীত আন্তৰিকতাৰে ভাগ ল'বলৈ প্ৰয়াস কৰি সত্ৰীয়া শিল্পী, আউনীআটী সত্ৰৰ জ্যেষ্ঠ বৈষ্ণৱ খগেন্দ্ৰ নাথ লেখাৰুৱে মহাবিদ্যালয় কৰ্তৃপক্ষক তেওঁৰ বহালৈ আমন্ত্ৰণ কৰে। সেই অনুসৰি কালি দিনৰ ১২ বজাত অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়া, প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া প্ৰমুখ্যে মহাবিদ্যালয়ৰ এটা সঁজাতী দল আউনীআটী সত্ৰৰ পশ্চিম হাটীত অৱস্থিত মজিন্দাৰৰ বহাত উপস্থিত হৈ দাতা খগেন্দ্ৰ নাথ লেখাৰুৰ পৰা ৩০ হাজাৰ টকাৰ চেক গ্ৰহণ কৰে। মজিন্দাৰৰ বহাত অনুষ্ঠিত আজিৰ অনুষ্ঠুপীয়া অনুষ্ঠানত মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ উপৰি আউনীআটী সত্ৰৰ দেৱপ্ৰসাদ ভূঞা, পবিত্ৰ হাজৰিকা, প্ৰবীণ হাজৰিকা, সত্যজিৎ ভূঞা প্ৰমুখ্যে বৈষ্ণৱসকল উপস্থিত থাকি দাতা খগেন্দ্ৰ নাথ লেখাৰুৰ মহানুভৱতাৰ শলাগ লয়।





ভাৰত-নিউজিলেণ্ডৰ আজি প্ৰথম এদিনীয়া

অকলেণ্ড, ৩ নৱেম্বৰ ঃ কাইলৈ অনুষ্ঠিত হ'ব ভাৰত-নিউজিলেণ্ডৰ মাজৰ এদিনীয়া ছিৰিজৰ প্ৰথমখন মেচ। অকলেণ্ডৰ ইডেন পাৰ্কত ভাৰতীয় সময়মতে পুৱা ৭.৩০ বজাৰ পৰা আৰম্ভ হ'ব মেচখন। ২০২০ চনৰ পাছত প্ৰথমবাৰৰ বাবে নিউজিলেণ্ডৰ মাটিত খেলিব ৰোহিত শৰ্মা আৰু বিৰাট কোহলীয়ে। সেই বছৰৰ ২৯ ফেব্ৰুৱাৰীত দুয়োজনে হেমিল্টনত টী-২০ আন্তঃৰাষ্ট্ৰীয় ছিৰিজৰ তৃতীয়খন মেচত খেলিছিল। এতিয়া কাইলৈ দুয়ো একেলগে প্ৰথমখন এদিনীয়াত খেলপথাৰত নামিব। নিউজিলেণ্ডত ৬০০ ৰান সম্পূৰ্ণ কৰাৰ বাবে কোহলীক মাত্ৰ ৪ ৰানৰ প্ৰয়োজন। ২০১৪ চনতে 'ৰান মেচিনে' নিউজিলেণ্ডত অন্তিমটো শতক অৰ্জন কৰিছিল। সেয়াই আছিল দেশখনত তেওঁৰ একমাত্ৰ এদিনীয়া শতক। ইফালে নিউজিলেণ্ডৰ মাটিত ৰোহিতৰ সৰ্বোচ্চ স্কৰ হৈছে ৮৭। দুয়োজনৰে পৰা এইবাৰৰ এদিনীয়া ছিৰিজত শতকীয় ইনিংছ আশা কৰা হৈছে। টী-২০ ছিৰিজ জয় কৰাৰ পাছত এতিয়া এদিনীয়া ছিৰিজো দখল কৰাৰ লক্ষ্যৰে খেলপথাৰত নামিব শুভমন গীল। এইপৰ্যন্ত ভাৰত-নিউজিলেণ্ডৰ মাজত ১২৩খন এদিনীয়া মেচ অনুষ্ঠিত হৈছে। ইয়াৰ ভিতৰত ৬৩খনত ভাৰত আৰু ৫২খনত নিউজিলেণ্ড জয়ী হৈছে। এখন মেচ 'টাই' হৈছে। ঘৰৰ মাটিত অৱশ্যে কিৰি দলটোৱে অধিক শক্তিশালী প্ৰদৰ্শন আগবঢ়াই আহিছে। আঘাতৰ সমস্যাৰে জৰ্জৰ মিচেল ছেণ্টনাৰ বাহিনীৰ প্ৰদৰ্শন লক্ষণীয় হ'ব।

এদিনীয়া বিশ্বকাপত ভাৰত-পাকিস্তানৰ মেচক লৈ দৰ্শকৰ অভূতপূৰ্ব সঁহাৰি

আসন ৩৪ হাজাৰ, আবেদন ৮৪ লাখৰ

নতুন দিল্লী, ৩ নৱেম্বৰ ঃ ক্ৰিকেট বিশ্বত ভাৰত-পাকিস্তানৰ মাজৰ মেচক 'যুদ্ধ'ৰ দৰেই গণ্য কৰা হয়। ক্ৰিকেটপ্ৰেমীৰ মনত এই মেচখনৰ গুৰুত্ব কিমান সেয়া পুনৰবাৰ প্ৰমাণ হৈছে। অহা বছৰ এদিনীয়া বিশ্বকাপত দুয়ো দেশৰ মাজত জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব মেচ। ১০ অক্টোবৰত হ'বলগীয়া মেচখনৰ বাবে এতিয়াৰ পৰাই টিকটৰ বাবে হাহাকাৰ লাগিছে। জোহান্সবাৰ্গ ষ্টেডিয়ামত দৰ্শকৰ বাবে আছে ৩৪ হাজাৰ আসন। মেচখনৰ বাবে টিকট বিচাৰি ৮৪ লাখ লোকে পঞ্জীয়ন কৰিছে। অৰ্থাৎ আসনৰ ক্ষমতাৰ তুলনাত ২৪৭ গুণ অধিক আবেদন আহিছে টিকটৰ। এয়া ফাইনেলতকৈও অধিক। আই চি চিৰ বিবৃতি অনুসৰি ২১ নৱেম্বৰত জোহান্সবৰ্গতে হ'বলগীয়া ফাইনেল উপভোগৰ বাবে ৭৯ লাখ লোকে নাম পঞ্জীয়ন কৰিছে। লক্ষণীয়ভাৱে অহা ২১ নৱেম্বৰ পৰ্যন্ত টিকটৰ বাবে নাম পঞ্জীয়ন প্ৰক্ৰিয়া চলিব। দক্ষিণ আফ্ৰিকাত হ'বলগীয়া ৪১খন মেচৰ বাবে ১০.৫ কোটিতকৈ অধিক আবেদন পোৱা গৈছে। উল্লেখ্য যে ২৪ বছৰ পাছত দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত হ'ব বিশ্বকাপ। সহ-আয়োজন হিচাপে আছে নামিবিয়া আৰু জিম্বাবৱে।



আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটক বিদায় মেক্সৱেলৰ

ছিডনী, ৩ নৱেম্বৰ ঃ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত আৰু দেখা নাযাব অষ্ট্ৰেলিয়াৰ অলৰাউণ্ডাৰ গ্লেন মেক্সৱেলক। ৩৮ বছৰীয়া খেলুৰৈজনে আজি টী-২০ আন্তঃৰাষ্ট্ৰীয়ৰ পৰা অৱসৰৰ কথা ঘোষণা কৰে। ২০২৫ চনৰ জুনত মেক্সৱেলে এদিনীয়াক বিদায় জনাইছিল। লিষ্ট-এ আৰু প্ৰথম শ্ৰেণীৰ ক্ৰিকেটৰ পৰাও তেওঁ ইতিমধ্যে অৱসৰ লৈছে। এতিয়া মেলবৰ্ন ষ্টাৰ্ছৰ হৈ মেক্সৱেলে বিগ বেশ্ব লীগ খেলি যাব। চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত টী-২০ বিশ্বকাপত ওমানৰ বিৰুদ্ধে অন্তিমখন মেচ খেলিছিল অলৰাউণ্ডাৰজনে। ২০১২ চনত পাকিস্তানৰ বিৰুদ্ধে টী-২০ আন্তঃৰাষ্ট্ৰীয়ত অভিষেক ঘটোৱা মেক্সৱেলে ১৩০খন মেচত ২,৮৯৭ ৰান কৰিছে। ইয়াৰ ভিতৰত ৫টা চেঞ্চুৰী আছে। ৭খন টেষ্টত ৩৩৯ ৰানো আছে মেক্সৱেলৰ নামত। 'দ্য বিগ শ্ব' নামেৰে জনপ্ৰিয় ক্ৰিকেটাৰজনে ১৪৯খন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় মেচ খেলিছিল। ২০২১ চনত অষ্ট্ৰেলিয়াৰ টী-২০ বিশ্বকাপ জয়ৰ ক্ষেত্ৰত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।



এ চি এৰ একাডেমীত স্পীন বলিং প্ৰশিক্ষক শিৱৰামকৃষ্ণন

দৈনিক অসমৰ বাতৰি
গুৱাহাটী, ৩ নৱেম্বৰ ঃ অসম ক্ৰিকেট সস্থাৰ উত্তৰ গুৱাহাটীৰ ফুলুংস্থিত ক্ৰিকেট একাডেমীত চলিত মাহৰ পৰা কাৰ্যকৰী হোৱাকে প্ৰাক্তন টেষ্ট ক্ৰিকেটাৰ লক্ষ্মণ শিৱৰামকৃষ্ণক স্পীন বলিং প্ৰশিক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁৰ কাৰ্যকাল এবছৰীয়া হ'ব। প্ৰখ্যাত লেগ স্পীনাৰগৰাকীয়ে উঠি অহা আৰু প্ৰতিভাৱান স্পীনাৰসকলক গাঁথনিগত কাৰ্যসূচীৰ জৰিয়তে প্ৰশিক্ষণ দিয়াৰ লগতে প্ৰশিক্ষণৰ শিবিৰো পৰিচালনা কৰিব। শিৱৰামকৃষ্ণনে ১৯৮৫ চনত অষ্ট্ৰেলিয়াত হোৱা বেনছন এণ্ড হেজেছ ৱৰ্ল্ড ছিৰিজ ক্ৰিকেটত ভাৰতৰ সফল অভিযানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।



চি কে নাইডু ট্ৰফীত অসমৰ বিৰুদ্ধে অন্ধ্ৰৰ ১৭৮/৭

দৈনিক অসমৰ বাতৰি
গুৱাহাটী, ৩ নৱেম্বৰ ঃ অসম আৰু অন্ধ্ৰপ্ৰদেশৰ মাজত অনন্তপুৰ ক্ৰিকেট গ্ৰাউণ্ডত আজিৰে পৰা আৰম্ভ হৈছে অনূৰ্দ্ধ ২৩ চি কে নাইডু ট্ৰফী ক্ৰিকেট টুৰ্নামেণ্টৰ এলিট গ্ৰুপ মেচ। চাৰিদিনীয়া মেচখনৰ প্ৰথমদিনা অন্ধ্ৰপ্ৰদেশে ৭ উইকেটত ১৭৮ ৰান (৮৩ অভাৰ) সংগ্ৰহ কৰিছে। দলীয় ইনিছত টি ভি ছাই শ্ৰাৱণে ৫২, মুন্নাংগী অভিনৱে ৬৭ আৰু বৰুণ সাত্ত্বিকে ৪০ ৰান যোগ দিয়ে। অসমৰ হৈ বলিঙত অংশুমান মালাকাৰে তিনিটা, বাস্তৰ ৰয়ে দুটা, অনুৰাগ ফুকন আৰু ঋষভ দীপকে এটা উইকেট লয়।

সদৌ অসম স্কুল লীগ ক্ৰিকেট

গুৱাহাটীৰ লিটল ফ্লাৱাৰ স্কুলৰ জয়লাভ

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি
নগাঁও, ৩ নৱেম্বৰ ঃ নগাঁও জিলাৰ বঢ়মপুৰ থগী সূত ক্ৰীড়া প্ৰকল্পৰ খেলপথাৰত চলি থকা স্মাৰ্জেন ক্ৰিকেট মেনেজমেণ্ট প্ৰাইভেট লিমিটেডৰ ১৭ বছৰ অনূৰ্দ্ধ সদৌ অসম স্কুল লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ তৃতীয়খন খেলত পুৰণিগুদাম শংকৰদেৱ বিদ্যা নিকেতনক গুৱাহাটীৰ লিটল ফ্লাৱাৰ স্কুলে দহ উইকেটেৰে পৰাস্ত কৰে। প্ৰথমতে বেটিং কৰি পুৰণিগুদাম শংকৰদেৱ বিদ্যা নিকেতনে ৩৪.১ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৫৭ ৰান কৰাৰ বিপৰীতে লিটল ফ্লাৱাৰ স্কুলে ৯ অভাৰত এটাও উইকেট নেহেৰুৱাকে ৬০ ৰান কৰি জয়ী হয়। বিজয়ী দলৰ অনুৰাগ কাশ্যপ মহন্তই শ্ৰেষ্ঠ খেলুৰৈৰ বঁটা লাভ কৰে।



হংকং অ'পেন টেনিছত আলেকজেণ্ড্ৰা য়ালা, মণ্ডলবাৰে।

বিজয় মাৰ্চেণ্ট ট্ৰফী অসম দল ঘোষণা

দৈনিক অসমৰ বাতৰি
গুৱাহাটী, ৩ নৱেম্বৰ ঃ বিজয়ৰাড়াত অহা ১৪ নৱেম্বৰৰ পৰা হ'বলগীয়া বি চি চি আইৰ ১৬ বছৰ অনূৰ্দ্ধ বিজয় মাৰ্চেণ্ট ট্ৰফীৰ প্ৰথম তিনিখন খেলৰ বাবে অসম ক্ৰিকেট সস্থাই ৰাজ্যিক দলটো ঘোষণা কৰিছে। ৰেয়ান নন্দীক দলটোৰ অধিনায়ক হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। ঘোষিত দলটো ঃ ৰেয়ান নন্দী (অধিনায়ক), স্বৰ্ণভ শ্ৰীহিত গুৰুদাস, প্ৰণীত পাগড়িয়া, সমীৰ মাহাতো, দিগ্বিজয় এন ছেত্ৰী, অৰ্জুন ৰাধা বৰা, অনুৰাগ বাষ্টিয়া, পাৰ্থপ্ৰতিম কাশ্যপ, কুনাল উপাধ্যায়, মাইনা কলিতা, মনীষ উপাধ্যায়, নীলাভ্ৰ নিবিড় মেধি (উইকেটকীপাৰ), জুবাইৰ আলী মল্লিক, ৰেয়াংশ পাণ্ডে আৰু জিত পাল (উইকেটকীপাৰ)।

ব্যক্তিগত খৰচত ভাৰতৰ শ্বাটলাৰে খেলিলে চাৰিখনকৈ টুৰ্নামেণ্ট

এছিয়াডত ব্যৰ্থতাৰ বাবেই চৰকাৰী পুঁজি বন্ধ !

নতুন দিল্লী, ৩ নৱেম্বৰ ঃ অক্টোবৰত ইউৰোপত অনুষ্ঠিত চাৰিখন টুৰ্নামেণ্টত ভাৰতীয় বেডমিণ্টন খেলুৰৈসকলে নিজৰ খৰচতে অংশগ্ৰহণ কৰিবলগীয়া হৈছিল। এই টুৰ্নামেণ্টত যোগদানৰ ক্ষেত্ৰত শ্বাটলাৰসকলে চৰকাৰৰ পৰা কোনো সাহায্য নাপালে। ভ্ৰমণ খৰচ, হোটেলত থকাৰ খৰচ আদিৰ লগতে অন্যান্য সকলো ব্যৱস্থা খেলুৰৈসকলে নিজাববীয়াকৈ কৰিছিল। একাংশ খেলুৰেয়ে বাজেটৰ অভাৰত ব্যক্তিগত প্ৰশিক্ষককো লগত নিব পৰা নাছিল। ইয়াৰ মাজতে জাৰ্মানীত হাইলো অ'পেনত পি ভি সিন্ধুৰে মহিলাৰ ছিংগলছত আৰু লক্ষ্য সেনে পুৰুষৰ ছিংগলছত খিতাপ জয় কৰে। ইয়াৰ পূৰ্বে সিন্ধুৰে ফ্ৰেন্স অ'পেনৰো ফাইনেলত উপনীত হৈছিল। এই সন্দৰ্ভত স্পষ্টভাৱে অথৰিটী অব ইণ্ডিয়া, চমুকৈ 'ছাই'ৰ এজন বিষয়াই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমক কয় যে বেডমিণ্টন এছ'চিয়েচন অব ইণ্ডিয়াই খেলুৰৈৰ নাম প্ৰয়োজনীয় প্ৰস্তাৱৰ সৈতে সময়মতে জমা নিদিয়াৰ ফলতেই এই অসুবিধাৰ সৃষ্টি হৈছে। 'ছাই'ৰ নিয়ম অনুসৰি কোনো টুৰ্নামেণ্টৰ ৩০ দিনৰ পূৰ্বেই প্ৰস্তাৱ প্ৰেৰণ কৰিব লাগে। একাংশ বিষয়াৰ মতে, আই চি-নাগোয়া এছিয়াডত ভাৰতীয় শ্বাটলাৰৰ শোচনীয় প্ৰদৰ্শনৰ বাবেই চৰকাৰী পুঁজি বন্ধ কৰা হৈছে। ২০১৪ চনৰ পাছত প্ৰথমবাৰৰ বাবে ভাৰতীয় শ্বাটলাৰে এছিয়াডত পদক লাভ নকৰিলে। প্ৰকৃত বিষয়টো অৱশ্যে এতিয়াও পোহৰলৈ অহা নাই।



ৰঞ্জী ট্ৰফী ঃ অসমৰ বিৰুদ্ধে অনীশৰ অপঃ ১৪২

বৰ্ষাপাৰাত সবল স্থিতিত কৰ্ণাটক

দৈনিক অসমৰ বাতৰি
গুৱাহাটী, ৩ নৱেম্বৰ ঃ ৰঞ্জী ট্ৰফী এলিট 'বি' গ্ৰুপৰ খেলত অসমৰ বিৰুদ্ধে শক্তিশালী স্থিতিত উপনীত হৈছে কৰ্ণাটক। বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত চলি থকা চাৰিদিনীয়া মেচখনৰ আজি দ্বিতীয়দিনা কৰ্ণাটকে ৫ উইকেটৰ বিনিময়ত ৪৯৬ ৰান (১১৭ অভাৰ) সংগ্ৰহ কৰিছে। দলটোৱে কালিৰ ১৮০/২ৰ পৰা দিনটোৰ খেল আৰম্ভ কৰে। অসমৰ দুৰ্বল বলিঙৰ সুযোগ লৈ কৰ্ণাটকৰ বেটাৰসকলে দলৰ ভেটি সুদৃঢ় কৰি তোলে। দিনান্তত কে ভি অনীশে ২৪৮ বলত ১০টা চাৰি আৰু ২টা ছয়েৰে ১৪২ আৰু মানৰন্ত কুমাৰে ৫৩ ৰান কৰি ক্ৰীজত আছে। দলীয় ইনিংছত আজি অ'পেনাৰ মায়ংক আগৰৱালে ৭২, অনীশ্বৰ গৌতমে ৮৩ ৰান যোগ দিয়ে। অসমৰ হৈ বলিঙত অম্লানজ্যোতি দাস, ৰোছন আলমে দুটাকৈ আৰু মোহিত ঠাকুৰে এটা উইকেট লয়। কৰ্ণাটকে এতিয়া প্ৰথম ইনিংছত ৩৬১ ৰানৰ অগ্ৰগতি ল'বলৈ সক্ষম হৈছে। উল্লেখ্য যে কৰ্ণাটকৰ ক্ষুৰধাৰ বলিং আক্ৰমণত তিষ্ঠিব নোৱাৰি অসমে কালি ১৩৫ ৰানতে প্ৰথম ইনিংছ সামৰিছিল।



তীক্ষ্ণধৰ কোঁ�ৰৰ সোঁৱৰণী ফুটবল প্ৰতিযোগিতা

বৰুৱাছালি ষ্টাৰ ক্লাবৰ খিতাপ



দৈনিক অসমৰ প্ৰতিনিধি
মাহমৰা, ৩ নৱেম্বৰ ঃ কলাকটা ক্ৰীড়া মঞ্চৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৰৰৰ পিতৃ তীক্ষ্ণ ধৰ কোঁৰৰৰ স্মৃতিত আয়োজিত পঞ্চম বাৰ্ষিক প্ৰাইজমানি আৰু ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ কালি সামৰণি পৰে। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন সাপেখাতী ইউনাইটেড ফুটবল ক্লাব আৰু বৰুৱাছালি ষ্টাৰ ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হয়। চৰাইদেউ জিলাৰ জিলা আয়ুক্ত ডাঃ নেহা যাদৱে উদ্বোধন কৰা চূড়ান্ত খেলত বৰুৱাছালি ষ্টাৰ ফুটবল ক্লাবে সাপেখাতী ইউনাইটেড ফুটবল ক্লাবক ৩-০ গ'লত পৰাস্ত কৰি খিতাপ অৰ্জন কৰে।

আন্তঃবাগিচা ফুটবলত ঔফলীয়াৰ জয়

দৈনিক অসমৰ প্ৰতিনিধি
মৰাণ, ৩ নৱেম্বৰ ঃ অসম চাহ মজদুৰ সংঘ আৰু ভাৰতীয় চাহ সস্থাৰ মৰাণ শাখাৰ যৌথ উদ্যোগত অনুষ্ঠিত শ্ৰমিকপ্ৰাণ মহেন্দ্ৰনাথ শৰ্মা সোঁৱৰণী আন্তঃবাগিচা ফুটবল টুৰ্নামেণ্টৰ আজি অনুষ্ঠিত খেলত ঔফলীয়া চাহ বাগিচাই আঠাবাৰী চাহ বাগিচাক পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। খেলখন নিৰ্দ্ধাৰিত সময়ত ১-১ গ'লত অমীমাংসিত হৈ থকাত টাইব্ৰেকাৰ পদ্ধতিৰে বিজয়ী দল নিৰ্ণয় কৰা হয়। কাইলৈ তিলৈজান চাহ বাগিচাৰ খেলপথাৰত খণ্ডীয়া চাহ বাগিচা আৰু ডোমৰদলং চাহ বাগিচাৰ মাজত খেলখন অনুষ্ঠিত হ'ব।

৭০ সংখ্যক ৰাষ্ট্ৰীয় স্কুল গেমছ স্কো�ৰাছ আজি অসম দলৰ বাছনি শিবিৰ

দৈনিক অসমৰ বাতৰি
গুৱাহাটী, ৩ নৱেম্বৰ ঃ ৭০ সংখ্যক স্কুল গেমছ স্কোৰাছ টুৰ্নামেণ্টত অংশগ্ৰহণ কৰিবলগীয়া অসমৰ দল গঠনৰ বাবে কাইলৈ গুৱাহাটীৰ বৰবাৰীস্থিত আৰিজ'না স্পৰ্টছ এৰেনাত এক বাছনি শিবিৰ অনুষ্ঠিত হ'ব। এই বাছনি প্ৰক্ৰিয়া ল'ৰা আৰু ছোৱালীৰ অনূৰ্দ্ধ ১৪, ১৭ আৰু ১৯ বছৰ শাখাত দিনৰ ১০ বজাৰ পৰা আৰম্ভ হ'ব। অসম স্কোৰাছ ৰেকেটছ এছ'চিয়েচনৰ সভাপতি শীলাদিত্য দেৱ আৰু সম্পাদক ৰাকেশ তিৰাৰীয়ে বাছনি শিবিৰত অংশগ্ৰহণ কৰিবলগীয়া খেলুৰৈসকলক শুভেচ্ছা জনাইছে আৰু ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনত ভাগ ল'বলগীয়া খেলুৰৈসকলে ভাল প্ৰদৰ্শন দেখুৱাবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰিছে।

নাৰেংগীত এদিনীয়া ৰেপিড দবা

দৈনিক অসমৰ বাতৰি
গুৱাহাটী, ৩ নৱেম্বৰ ঃ আৰ্ট অব মাইণ্ড একাডেমীৰ উদ্যোগত নাৰেংগীৰ মডাৰ্ন মণ্টেছৰী স্কুলত কালি এখন এদিনীয়া ৰেপিড দবা অনুষ্ঠিত হয়। বিভিন্ন জিলাৰ পৰা ৯১জন খেলুৰেয়ে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰে। ইয়াৰ ভিতৰত ২৪জন ৰেটেড খেলুৰে আছিল। প্ৰতিযোগিতাত চেম্পিয়নৰ খিতাপ দখল কৰি অময়া গুপ্তাই ট্ৰফী আৰু নগদ ধনৰ টোপোলা লাভ কৰে। দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চম স্থান দখল কৰা প্ৰতিগৰাকী খেলুৰৈক নগদ ধন আৰু ট্ৰফী প্ৰদান কৰাৰ উপৰি অনূৰ্দ্ধ ৭, ৯, ১১, ১৩ আৰু ১৫ৰ প্ৰথম তিনিটা স্থান দখল কৰা ল'ৰা আৰু ছোৱালী শাখাৰ দুয়োটাতে সুকীয়াকৈ প্ৰতিগৰাকী খেলুৰৈক ট্ৰফী প্ৰদান কৰা হয়।



নগাঁও টাউন ক্লাব, ষ্টাৰ স্পৰ্টিঙৰ জয়

দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি
নগাঁও, ৩ নৱেম্বৰ ঃ নুৰুল আমিন ষ্টেডিয়ামত চলি থকা গোপীনাথ ৰৱদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ নগাঁও লেগৰ আজি দুখন খেল অনুষ্ঠিত হয়। ১ নং গ্ৰাউণ্ডত অনুষ্ঠিত খেলত নগাঁও টাউন ক্লাবে কামপুৰ টাউন ক্লাবক ৪-২ গ'লত পৰাস্ত কৰে। আনহাতে ২ নং গ্ৰাউণ্ডত অনুষ্ঠিত আনখন খেলত ষ্টাৰ স্পৰ্টিং ক্লাবে ৰহা আঞ্চলিক ক্ৰীড়া সস্থাক ৬-০ গ'লৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে।

ফৰকাটিঙৰ জয়

দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি
গোলাঘাট, ৩ নৱেম্বৰ ঃ শালমৰা খেলপথাৰত অনুষ্ঠিত ৰৱদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ 'এ'ৰ বোকাখাত ক্ৰীড়া সস্থা আৰু দেৱগাঁও উপ-ক্ৰীড়া সস্থাৰ মাজৰ খেলখন ১-১ গ'লত অমীমাংসিত হৈ ৰয়। বোকাখাতৰ হৈ সঞ্জয় দুচাদে গ'ল দিয়াৰ বিপৰীতে দেৱগাঁৱৰ হৈ গ'লটো পৰিশোধ কৰে ৰিকি লোহাৰে। আনহাতে 'বি' গ্ৰুপৰ খেলখনত ফৰকাটিং উপ-ক্ৰীড়া সস্থাই ধনশিৰি ক্ৰীড়া সস্থাক ২-০ গ'লত পৰাস্ত কৰে।

বিদ্যুৎ পৰিষদ, গুৱাহাটী ভলীবল ক্লাব শ্ৰেষ্ঠ

দৈনিক অসমৰ বাতৰি
গুৱাহাটী, ৩ নৱেম্বৰ ঃ গুৱাহাটী ক্ৰীড়া সস্থাৰ উদ্যোগত জজ খেলপথাৰৰ গুৱাহাটী ভলীবল কোচিং চেণ্টাৰ গ্ৰাউণ্ডত অনুষ্ঠিত আন্তঃক্লাব ভলীবল প্ৰতিযোগিতা-২০২৬ৰ পুৰুষ আৰু মহিলা শাখাত খিতাপ দখল কৰিছে ক্ৰমে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ স্পৰ্টছ ক্লাব আৰু গুৱাহাটী ভলীবল ক্লাবে। পুৰুষ শাখাৰ চূড়ান্ত খেলখনত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ স্পৰ্টছ ক্লাবে শক্তিশালী এফ চি গ্ৰীন ভেলীক ৩-০ ছেটত পৰাস্ত কৰি চেম্পিয়নৰ সন্মান অৰ্জন কৰে। দলৰ কংকণ ৰয়ে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৰৈৰ বঁটা লাভ কৰে। আনহাতে মহিলাৰ শাখাত গুৱাহাটী ভলীবল ক্লাবে এফ চি গ্ৰীন ভেলীক ৩-১ত পৰাস্ত কৰি চেম্পিয়ন হয়। দলৰ কবিতা ডেকাই শ্ৰেষ্ঠ খেলুৰৈৰ বঁটা লাভ কৰে।

জি এছ এছ আন্তঃক্লাব ভলীবল



ৰাধাগোবিন্দ বৰুৱা আছু স্বৰ্ণকাপ ফুটবল

ওদালগুৰি, কাছাৰ ছেমি ফাইনেলত

দৈনিক অসমৰ প্ৰতিনিধি
ৰঙিয়া, ৩ নৱেম্বৰ ঃ সদৌ অসম ছাত্ৰ সস্থাৰ উদ্যোগত ৰঙিয়াত অনুষ্ঠিত সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা আছু স্বৰ্ণকাপ ফুটবল প্ৰতিযোগিতাত আজি সৰ্বমুঠ ৯খন খেল অনুষ্ঠিত হয়। ইয়াৰে পাঁচখন প্ৰি-কো�ৰ্টাৰ ফাইনেল পৰ্যায়ৰ খেল আৰু আন ৪খন কো�ৰ্টাৰ ফাইনেল। প্ৰি-কো�ৰ্টাৰ ফাইনেল খেলত কামৰূপ জিলা দলে মৰিগাঁৱৰক পেনাল্টী শ্বুট আউটৰ সহায়ত ৩-২ গ'লত, কোকৰাঝাৰ জিলা দলে নগাঁৱৰক ৩-২ গ'লত, বঙাইগাঁও জিলা দলে বাক্সাক পেনাল্টী শ্বুট আউটৰ সহায়ত ৫-৩ গ'লত, ওদালগুৰি জিলা দলে কাৰ্বি আংলঙক পেনাল্টী শ্বুট আউটৰ সহায়ত ৪-১ গ'লত আৰু কাছাৰ জিলা দলে ডিব্ৰুগড়ক ২-০ গ'লত পৰাজিত কৰি কোৰ্টাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ইয়াৰ পাছত আবেলি জয়ন্তীপুৰ যোগেশ্বৰ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত প্ৰথমখন কোৰ্টাৰ্টাৰ ফাইনেল খেলত ওদালগুৰি জিলা দলে কামৰূপক ছাডেন ডেথৰ সহায়ত ৬-৫ গ'লত আৰু ৰঙিয়া ব্ৰিক ফিল্ড কলনী খেলপথাৰত অনুষ্ঠিত দ্বিতীয়খন কোৰ্টাৰ্টাৰ ফাইনেলত কাছাৰ জিলা দলে শিৰসাগৰক ১-০ গ'লত পৰাস্ত কৰি ছেমি ফাইনেলত উপনীত হয়।

দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৱন বৰদলৈৰ দ্বাৰা আৰ্কন আৰ্কেড, ২-এ, দ্বিতীয় মহলা, ডাঃ বি বৰুৱা ৰোড, গুৱাহাটী, অসম, পিন-৭৮১০০৭ৰপৰা প্ৰকাশিত আৰু জি এল পাব্লিকেচন্ছ লিমিটেড, সাতগাঁও, গুৱাহাটী-২৭ত মুদ্ৰিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com

কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ